# প্ৰান্তিক

ষষ্ঠ বছৰ ২০শ সংখ্যা ১৬—৩০ ছেপ্টেম্বৰ '৮৭


এই ইউকেলিপটাছ গছবোৰ !

★

"ইনষ্টেণ্ট টি" উদ্যোগ

অতিপৰিবাহিতাৰ ব্যৱহাৰ আৰু ভাৰতৰ অগ্ৰগতি

## পাটকাই অঞ্চলত যন্ত্ৰযুগৰ ধ্বংসলীলা



OKDISCD

চন্দ্ৰ প্ৰকাশৰ
ৰিফ্ৰেছাৰ ক'ৰ্ছ চিৰিজৰ ২ নং গ্ৰন্থ

কটন কলেজৰ অভিজ্ঞ অধ্যাপকদ্বয়
ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী, কমলেশ চৌধুৰী
আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অভিজ্ঞ অধ্যাপক
ড° শৈবালকান্তি ভট্টাচাৰ্য্য ৰচিত
গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ নতুন পাঠ্যক্ৰমৰ দ্বিতীয় পত্ৰৰ বাবে

**স্নাতক মহলাৰ ৰসায়ন:ভৌত আৰু জৈৱ**

মূল্য—৫০·০০ টকা
প্ৰকাশ হৈ ওলাল
মাত্ৰ ৬ মাহৰ ভিতৰতে প্ৰথম সংস্কৰণ শেষ হৈ যোৱা

চন্দ্ৰ প্ৰকাশৰ
ৰিফ্ৰেছাৰ ক'ৰ্ছ চিৰিজৰ ১ নং গ্ৰন্থ
কটন কলেজৰ অভিজ্ঞ অধ্যাপকদ্বয়
ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী, কমলেশ চৌধুৰী ৰচিত
গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ নতুন পাঠ্যক্ৰমৰ প্ৰথম পত্ৰৰ বাবে

**স্নাতক মহলাৰ ৰসায়ন:ভৌত আৰু অজৈৱ**

মূল্য—৫০·০০ টকা
সংশোধিত আৰু পৰিবৰ্দ্ধিত হৈ দ্বিতীয় সংস্কৰণ প্ৰকাশ হৈ ওলাল।

কটন কলেজৰ অভিজ্ঞ অধ্যাপক
ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী ৰচিত
আৰু উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ সচিব আৰু কটন কলেজৰ ৰসায়ন বিভাগৰ মুৰব্বী অধ্যাপক
শ্ৰীহেমন্ত ভট্টাচাৰ্য্য
আৰু উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ সচিব
শ্ৰীকৃষ্ণ কুমাৰ বৰাদেৱৰ দ্বাৰা
উচ্চ প্ৰশংসিত উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ৰসায়নৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অতি আৱশ্যকীয় পুথি

**ৰসায়ন বিজ্ঞানৰ আদিপাঠ**

মূল্য—১৫·০০ টকা
পৰিবৰ্দ্ধিত আৰু সংশোধিত ৰূপত তৃতীয় সংস্কৰণ প্ৰকাশ হৈ ওলাল।

চন্দ্ৰ প্ৰকাশ, টিহু
প্ৰাপ্তিস্থান—বীণা লাইব্ৰেৰী, বুকল্যাণ্ড, গুৱাহাটী-১

প্ৰান্তিক

ষষ্ঠ বছৰ ২০শ সংখ্যা ১৬—৩০ ছেপ্টেম্বৰ '৮৭ | মূল্য চাৰি টকা

যোগাযোগৰ ঠিকনা : পোঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩

## অহা সংখ্যাত

অসম চুক্তিত অসমীয়া জাতিৰ **কাৰণে সাংবিধানিক ৰক্ষাকবচৰ** কথা সন্নিবিষ্ট আছিল। এই সাংবিধানিক ৰক্ষাকবচৰ স্বৰূপটো কেনেকুৱা ? এই সম্পৰ্কে সদৌ অসম ছাত্ৰসন্থাৰ চিন্তা-চৰ্চাৰ বিষয়ে লিখিছে সন্থাটোৰ উপদেষ্টা **কাৰ্তিক হাজৰিকাই।**

আলমা-আতা : অৰ্থ-আপেলৰ পিতা। ছোভিয়েট ৰুছিয়াৰ সেইখন দেশলৈ কবি **নৱকান্ত বৰুৱা** গৈছিল আফ্ৰো-এছীয় লেখক সংঘৰ আমন্ত্ৰণত। সেই ভ্ৰমণৰ ভেটিত তেখেতে ৰচনা কৰা প্ৰবন্ধ

**অঘৰীৰ ঘৰ : কাজাখস্তানত সাহিত্য মেল**

**যতীন্দ্ৰ নাথ বেজবৰুৱাই** পঁজাঘৰত জীৱন আৰম্ভ কৰি বৰ্তমানে ৰাজপ্ৰাসাদৰ দৰে অট্টালিকাত ভৰি দিছে। তেখেতৰ বিষয়ে **ড° নিৰ্মল প্ৰভা বৰদলৈয়ে** লিখা প্ৰবন্ধ।

**ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ** বাটৰ বাৰমিহলি :
**এম্‌নেষ্টি ইন্টাৰনেশ্যনেলৰ অভিযোগ**

**মনোজ গোস্বামীৰ** গল্প:
**পৰমা আৰু এজাক নিগনি**

দৈনন্দিন শিতানত : **ইহাগচ্ছ ইহাতিষ্ঠ : ড° বিকাশ বৰুৱা**

## এই সংখ্যাত

ইৰাক-ইৰান যুদ্ধৰ অৱসান ঘটাবলৈ ৰাষ্ট্ৰসংঘই চলোৱা শেহতীয়া প্ৰচেষ্টাত ইৰানে সহঁাৰি জনোৱাৰ আভাস পোৱা গৈছে। কিন্তু পাৰস্য উপসাগৰলৈ নিজৰ নৌবহৰ প্ৰেৰণৰ জৰিয়তে মাৰ্কিন যুক্তৰাষ্ট্ৰই সাত বছৰীয়া এই যুদ্ধখনৰ প্ৰতি এক নতুন ভাবুকিৰ সৃষ্টি কৰিছে। ইৰাকৰ পৃষ্ঠপোষক কুৱেইটৰ তৈলবাহী জাহাজক ৰক্ষণাবেক্ষণ দিবলৈ কৰা এই মাৰ্কিন সমৰসজ্জা ইৰানৰ প্ৰতি এক সতৰ্ক বাণী হৈ পৰিছে।

বিশ্ব পৰিক্ৰমাত **ড° সুনীল পৱন বৰুৱাৰ** প্ৰবন্ধ :
**ইৰাক-ইৰান যুদ্ধ: মাৰ্কিন হস্তক্ষেপৰ বিপদ** ।১৩।

১৯ শতিকাতে বৃটিছসকলে মুকলি কৰা মাকুম কয়লাখনিত ইমান দিনে ডিপ মাইনিং পদ্ধতিৰে কয়লা আহৰণ কৰা হৈছিল। কিন্তু বৰ্তমান ৰাজহুৱা খণ্ডৰ ক'ল ইণ্ডিয়া লিমিটেডে অধিক লাভৰ আশাত অ'পন কাষ্ট মাইনিং পদ্ধতি আৰম্ভ কৰি অঞ্চলটোৰ গছ-গছনিসমূহ ধ্বংসকৰাৰ ফলত পাৰিপাৰ্শ্বিকতাৰ প্ৰতি এক ডাঙৰ ভাবুকিয়ে দেখা দিছে। এই সম্পৰ্কত **ৰাণু বৰুৱাৰ** প্ৰবন্ধ :
**পাটকাই অঞ্চলত যন্ত্ৰযুগৰ ধ্বংস লীলা** ।১৫।

বিদ্যুৎ শক্তিৰ উৎপাদন আৰু ব্যৱহাৰ আধুনিক সভ্যতাৰ বাবে অতি প্ৰয়োজনীয়। পিছে সাধাৰণতে ব্যৱহাৰ কৰা তাম, এলুমিনিয়াম আদি তাঁৰৰ মাজেদি যাওঁতে যথেষ্ট বিজুলী শক্তি অবাবতে ক্ষয় হয়। ইয়াৰ ফলতে ৰোধশূন্য তাৰৰ প্ৰয়োজনীয়তাই দেখা দিলে। ৰোধশূন্য পৰিবাহীক অতি-পৰিবাহী বুলিব পাৰি। বিভিন্ন ঠাইৰ লগতে ভাৰততো এই বিষয়ত ব্যাপক গৱেষণা চলি আছে।

**ড° কুলেন্দু পাঠকৰ** প্ৰবন্ধ :
**অতি-পৰিবাহিতাৰ ব্যৱহাৰ আৰু ভাৰতৰ অগ্ৰগতি** ।২৬।

পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৯। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।১১। বিশ্বপৰিক্ৰমা ।১৩। পাটকাইত যন্ত্ৰযুগৰ ধ্বংসলীলা ।১৫। ইনষ্টেণ্ট টি ।২১। ইউকেলিপটাছ গছবোৰ ।২৩। বিজ্ঞান ।২৬। অৱশেষত ।৩০। অসমীয়া ভাষা লিখা আৰু কোৱা ।৩৬। দৈনন্দিন ।৩৭। গল্প ।৩৯। কবিতা ।৪১। উপন্যাস ।৪২। কলা-সংস্কৃতি ।৪৬। ক্ৰীড়াংগন ।৪৮। শেষ পৃষ্ঠা ।৫০।

বেটুপাতৰ ৰঙীণ ছবি : অসম ছাত্ৰ বিজ্ঞান সমিতিৰ পংকজ নেওগৰ সৌজন্যত

**মুখ্য সম্পাদক : ড° ভবেন্দ্ৰনাথ শইকীয়া**
**নিবন্ধকাৰ :** কুলদীপ নায়াৰ * বদন বৰুৱা * ড° নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ড° দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ড° কৃষ্ণগোপাল ভট্টাচাৰ্য * ড° সুনীল পৱন বৰুৱা * ড° কুলেন্দু পাঠক * গণেশ দাস * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ
**সহকাৰী সম্পাদক :** ইমৰান হুছেইন
**অংগ সজ্জা :** দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা **আলোকচিত্ৰ :** দীপক বেজবৰুৱা
**মুদ্ৰাংকন :** ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ
**প্ৰদীপ বৰুৱাৰ** দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

*Prantik*
*The Assamese Fortnightly*
Vol VI No. 20. 16—30 September '87
*P.O. Silpukhuri, Guwahati—781003* Phone : 28751

OKDISCD

## কামৰ মানুহ

"আমি বহুত আশা কৰিছিলো"— এইদৰে আমি বহুত মানুহে কোৱা শুনো। লাহে লাহে আশাৰ সঞ্জীৱনী শক্তিৰ ওপৰতেই আমাৰ সন্দেহ উপজিছে। অৱশ্যে যাদুৰ দৰে অলৌকিক পৰিবৰ্তন আমি কোনো দিনে আশা কৰা নাছিলো। নকৰোঁও। কিন্তু আমি লক্ষ্য কৰিছোঁ— দূৰ-দূৰণিৰ সেই গাঁও-ভূঁইবোৰত, শান্তিৰ (?) সেই ঘৰবোৰত টিমিক-টামাক চাকিৰ পোহৰত জিলিকি উঠা মুখবোৰত আমি কোনো আশাৰ ৰেঙনি দেখা পোৱা নাই। একেদৰে আমি বহুতো লোক জীয়াই আছোঁ। আমাক একো নালাগে। আমাৰ গাঁৱৰ মাজৰ ৰাস্তাটো বোকা হৈয়ে থাকক, তাতে আমি আমাৰ জীৱনৰ ফাকু খেলিম, তাত আপত্তি নাই। কেঁচা মাটিৰ উমেৰেই আমি ডাঙৰ হৈছোঁ; —আহিবলগীয়া দিনবোৰতো পাৰিম। কিন্তু আমি আশা কৰোঁ, এটা জাতিৰ, এখন দেশৰ যি প্ৰতিনিধিত্ব কৰে, সি নিষ্কলুষ হোৱা উচিত। এটা জাতিৰ আশা-আকাংক্ষা, ভাবমূৰ্তি তেওঁলোকে ফুটাই তুলিব পাৰিব লাগে। আমাক কামৰ মানুহ লাগে। সুন্দৰকৈ কথা কব জনা, বক্তৃতাৰ ফুলজাৰিৰে ধমনীৰ তেজ উত্তপ্ত কৰা মানুহ আমি বহুত দেখিলো। এখন চুক্তিৰ কেইটামান (বা সম্পূৰ্ণ) দফাৰ ৰূপায়ণেই এটা জাতিৰ চিৰকলীয়া আশা আৰু আকাংক্ষা নহয়। সি আছিল মাথো অগ্ৰগতিৰ পথত সময়ৰ এটা খোজ। তাতকৈ আমি আৰু আগবাঢ়ি যাবই লাগিব। নহলে সময়তকৈ আমি বহুত পিছ পৰি যাম।

শদিয়াৰ পৰা ধুবুৰীলৈকে এইখন দেশৰ যি জনজাগৰণ সি সদায় উৰ্ধ্বগামী হওক। পৰিবৰ্তিত আৰু পৰিবৰ্ধিত হওক তাৰ মাজতেই এখন নতুন অসমীয়া সমাজৰ।

—সৰ্বেশ্বৰ চুতীয়া,
গোগামুখ (লঠিয়া), লক্ষীমপুৰ

## মন্ত্ৰীক কিয় বিচাৰিব লাগে?

জনতাভৱনৰপৰা কাম চলোৱা চৰকাৰখনৰ মন্ত্ৰীসকলৰ দৰ্শনাৰ্থী বহুতো। এইখন মন্ত্ৰীসভাৰ সদস্যসকলে ৰাইজৰ লগতে আজি ছবছৰীয়া আন্দোলনৰ কালছোৱাত কাম কৰিছিল বাবেই হবলা জনসাধৰণেও তেওঁলোকৰ ওচৰ চাপিবলৈ অকণো সংকোচ বোধ নকৰে। ৰাইজৰ প্ৰতিনিধি এগৰাকীক ৰাইজে বিচাৰি যোৱাটো কোনো দোষৰ কথা নহয়; বৰঞ্চ ইয়াৰ প্ৰয়োজনীয়তা যথেষ্ট,—যদিহে এই মন্ত্ৰীৰ কাষ চপা কাৰ্যৰ পাছত ৰাজহুৱা স্বাৰ্থ জড়িত থাকে।

ব্যক্তিগত স্বাৰ্থপূৰণৰ বাবে (বদলি পদোন্নতি, নিযুক্তি আদি) সকলো লোকেই যে পোনে পোনেই মন্ত্ৰীক বিচাৰি যায়, এইটোও সঁচা নহয়। অসম চৰকাৰৰ এনে কিছু বিষয়া আছে, যিসকলে তেখেতসকলৰ নিজৰ চকীখনক উপযুক্ত মৰ্যাদা দিব নাজানে। হয়তো কোনো এজন বিষয়া বা কৰ্মচাৰীয়ে বদলিৰ বাবে তেওঁৰেই এজন জ্যেষ্ঠ বিষয়াক এখন আবেদন দিয়ে উপযুক্ত আৰু বিচাৰ্য কাৰণসহ। কিন্তু প্ৰায়েই দেখা যায় যে বিষয়াজনে আবেদনখন লৈহে থব, তাৰ কোনো ব্যৱস্থা ল'ব নোখোজে। অথচ এই বিষয়টো তেওঁৰ মেজতেই নিষ্পত্তি কৰাৰ সম্পূৰ্ণ ক্ষমতা চৰকাৰে তেওঁক দিছে। বিভাগীয় বিষয়াজনৰ হেমাহি অসহ্য হোৱাৰ পাছত কৰিব পৰাৰ ভিতৰত কৰ্মচাৰীজনৰ আন কি থাকে? নিশ্চয় তেওঁ বিভাগীয় মন্ত্ৰীৰ ওচৰ চাপিব। আৰু এই ক্ষেত্ৰত প্ৰায়েই দেখা যায় যে বিষয়াজনে এমাহতো বুজি নুঠা কথাখিনি মন্ত্ৰীগৰাকীয়ে দহমিনিটৰ ভিতৰতে উপলব্ধি কৰি আবেদনখনৰ একাষত একলম লিখি দিলে আৰু লগে লগেই কৰ্মচাৰীজনৰ ইমানদিনে দুশ্চিন্তাৰ কাৰণ হৈ থকা বদলিতো হৈ গ'ল। আৰু এই বদলিৰ আদেশটোতো চহী কৰিলে প্ৰথমেই আবেদনখন পঢ়া জ্যেষ্ঠ বিষয়জনেই।

এতিয়া কথা হ'ল, যিটো কাম বিষয়াসকলেই শেষ কৰিব পাৰিলেহেঁতেন, তালৈ মন্ত্ৰী এগৰাকীক মিচাকৈয়ে কিয় টানি আনিব লগা হ'ল? প্ৰথমে গ্ৰাহ্যই নকৰা সমস্যাটো মন্ত্ৰীৰ এটা ফোন বা একলম ন'ট পায়েই ততাতৈয়াকৈ যেতিয়া সমাধা কৰি পেলাব লগা হ'ল তেতিয়া তেওঁলোকৰ পদবীটোৰ মৰ্যাদা কিছু ক্ষুণ্ণ নহ'লনে? আৰু কামটো যদি যুক্তিযুক্ত নহয়েই, তেনেহ'লে মন্ত্ৰীৰ ফোন বা ন'ট পালেই তেওঁ কৰিব কিয়? তাতোতো তেওঁৰ মৰ্যাদাৰ প্ৰশ্ন আছে! চৰকাৰখনক ৰাইজৰ কাম কৰাৰ বাবে ৰাইজেই নিৰ্বাচিত কৰিছে। এই চৰকাৰখনৰ মন্ত্ৰীসকলক সৰু-সৰু বিষয় কিছুমানত জড়িত কৰি পৰোক্ষভাৱে ৰাইজৰ কামত বিষয়া কিছুমানেই বাধা দিয়া নাই নে?

আমাৰ বোধেৰে অসম চৰকাৰৰ মন্ত্ৰীসকলে এনেধৰণৰ ব্যৱস্থা ল'ব লাগে যাতে ৰাজহুৱা স্বাৰ্থৰ বাদে আন কোনো কামত তেওঁলোকে হস্তক্ষেপ কৰিব লগা নহয়। জনসাধাৰণৰ প্ৰাথমিক কাম-কাজবোৰ (উল্লিখিত ধৰণৰ) যাতে বিষয়া পৰ্যায়তেই শেষ হয় তালৈ চৰকাৰে চকু ৰাখিব লাগে। এনে এটা অৱস্থাৰ সৃষ্টি কৰিব লাগে যাতে ওপৰত উল্লেখ কৰা ধৰণে মানুহক হাৰাশাস্তি কৰিবলৈ কোনো বিষয়াই সাহ নকৰে আৰু কোনো ব্যক্তিগত বিষয় লৈ কোনো কৰ্মচাৰী-বিষয়া মন্ত্ৰীৰ ওচৰ চাপিম বুলি কলেই জ্যেষ্ঠ বিষয়াসকলে ভয় খাব লগা হয়। যদিহে ৰাইজৰ অসুবিধালৈ লক্ষ্য ৰাখিয়েই কোনো বদলি, নিযুক্তি বা পদোন্নতিৰ বিষয় বিবেচনা কৰিব নোৱাৰি তেন্তে মন্ত্ৰীৰ ব্যক্তিগত সচিবৰ ফোন অথবা লিখিত ন'ট পালেও সেই কাম নকৰাৰ মানসিক সাহস এই বিষয়াসকলৰ থাকিব লাগিব।

—কমল কুমাৰ মেধি, গুৱাহাটী

## অসমীয়া ভাষা সাহিত্যৰ দুৰ্গতি"ৰ প্ৰসংগত

ড° শৈলেন ভৰালীদেৱৰ প্ৰবন্ধ "অসমীয়া ভাষা সাহিত্যৰ দুৰ্গতি"—(১৬ ৬।৮৭) পঢ়ি কিছু লিখাৰ প্ৰয়োজন বোধ কৰিলো। অৱশ্যে অসমীয়া ভাষা সাহিত্যৰ দুৰ্গতিৰ গভীৰ আলোচনাত ভাগ লোৱাৰ পাণ্ডিত্য মোৰ নাই। কেইমাহমান আগতে "এম. এ. চূড়ান্ত পৰীক্ষাত অসমীয়া বিষয়ৰ পৰম্পৰাগত ফলাফল"— এই শিৰোনামাত মোৰ চমু লিখনী এটি প্ৰান্তিক'ত প্ৰকাশিত হৈছিল। ১৯৮৬ চনত ঘোষিত অসমীয়া বিষয়কে ধৰি, এম. এ. আৰু এম. এছ. ছি. চূড়ান্ত পৰীক্ষাৰ পোন্ধৰটা বিষয়ৰ ফলাফল তালিকা সহ আলোচনা কৰিছিলো। পৰীক্ষাৰ ফলাফলৰ সৰ্বনিম্ন স্থানত থকা অসমীয়া বিষয়ৰ অৱনতি আৰু উন্নতি উভয় দিশেই আলোচনাৰ পটভূমি আছিল। নাম উল্লেখ নকৰিলেও, ড° ভৰালীদেৱে—তেখেতৰ প্ৰবন্ধৰ মাজেৰে মোৰ উক্ত লিখনীৰ ওপৰত গহীন মন্তব্য (?) দিছে। ড° ভৰালীদেৱ মোৰ পৰম শ্ৰদ্ধেয় ব্যক্তি। যথা সম্ভৱ মৰ্যাদা সহকাৰে ড° ভৰালীদেৱৰ মন্তব্যৰ প্ৰসংগত মোৰ চমু বক্তব্য উত্থাপন কৰিব খুজিছোঁ।

কেইটামান শিক্ষা বছৰৰ ভিতৰত অসমীয়া চূড়ান্ত পৰীক্ষাৰ ফলাফল নিম্নমুখী হৈছে। বিশ্ববিদ্যালয়ৰ উচ্চতম মহলাত অসমীয়া ভাষা সাহিত্যৰ শোচনীয় ফলাফলে শিক্ষাৰ্থীৰে মনত হতাশাৰ সৃষ্টি কৰাই নহয়, নিযুক্তিৰ ক্ষেত্ৰতো ব্যাপক সমস্যাৰ সৃষ্টি কৰিছে। সেয়েহে পৰীক্ষাৰ ফলাফলে সৃষ্টি কৰা বেয়া পৰম্পৰাটো আঁতৰ কৰিবলৈ হ'লে স্পষ্ট আলোচনা হ'বই লাগিব। কিন্তু পৰীক্ষকৰ ওপৰত পৰীক্ষাৰ বেয়া ফলাফলৰ পক্ষপাতদুষ্ট অভিযোগ উত্থাপন কৰি অসুস্থ বাতাবৰণ সৃষ্টি কৰাৰ বাসনা মোৰ সমূলি নাই। শিক্ষাৰ্থী-শিক্ষক, শৈক্ষিক পৰিবেশ পাঠ্যক্ৰম, শ্ৰেণী, পৰীক্ষা আদিৰ সামূহিক আলোচনাৰ ভিত্তিত সুস্থ চিন্তাৰ প্ৰয়াসহে আছিল। যদি অসমীয়া বিষয়ৰ দহ-বছৰৰ পৰীক্ষাৰ ফলাফলো একে পদ্ধতিৰে আলোচনা কৰা যায় (মোৰ লিখনীত এই বছৰৰ পৰীক্ষাৰ ফলাফলৰহে উল্লেখ আছিল) তেতিয়াও কিমান উন্নত মানৰ পৰিচয় পাম সন্দেহৰ বিষয়। গুৱাহাটী বিশ্ববিদ্যালয় ৰাইজৰ অনুষ্ঠান। ইয়াৰ কাম-কাজৰ মাজত যদি কেৰোণ সোমাইছে তাক আঁতৰ কৰাৰ দায়িত্ব কম-বেছি পৰিমাণে সকলোৰে আছে। এনে চিন্তাৰেহে উক্ত লিখনী দাঙি ধৰা হৈছিল।

স্নাতক মহলাত "সন্মান" (Honours) থকা ছাত্ৰ-ছাত্ৰীয়েহে প্ৰাপ্ত নম্বৰৰ ক্ৰম-অনুযায়ী স্নাতকোত্তৰ শ্ৰেণীত নাম ভৰ্তিৰ সুবিধা পায়। গতিকে এটা নিৰ্দিষ্ট বিষয় বিশ্ববিদ্যালয়ত পঢ়িবলৈ যোৱা শিক্ষাৰ্থীসকলৰ আগ্ৰহ বা অনুৰাগ কিবা এটা নিশ্চয় থাকে। স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে "সন্মান" পাঠ্যক্ৰমত বা তাৰো আগতেই বিশ্ববিদ্যালয়লৈ গৈ কোনটো বিষয় পঢ়িব স্থিৰ কৰি লয়। প্ৰাইভেট পৰীক্ষাৰ্থীসকলে বিশ্ববিদ্যালয়ৰ শ্ৰেণী, পাঠ্যক্ৰম, শিক্ষক, শৈক্ষিক-পৰিবেশ ইত্যাদিৰ পৰা প্ৰায় আঁতৰত থাকিয়েই পৰীক্ষাত বহে। গতিকে য'ত নিয়মিত পৰীক্ষাৰ্থীৰ ফলাফলেই আশানুৰূপ নহয়, তাত প্ৰাইভেট সকলৰপৰা কিমান আশা কৰিব পাৰি? এনে ক্ষেত্ৰত নিয়মিত আৰু প্ৰাইভেট পৰীক্ষাৰ্থীসকলক একে মাপকাঠীৰে ওজন কৰিলে ফলাফলৰ মান অধিক নিম্নগামী হোৱাটো স্বাভাৱিক।

সঘনাই ন'হলেও, মাজে-সময়ে প্ৰথম শ্ৰেণী পাব পৰা ছাত্ৰ-ছাত্ৰীৰ সৃষ্টি কেতিয়া হ'ব? নে একেবাৰে ভোটা বুদ্ধিৰ ছাত্ৰ-ছাত্ৰীসকলেহে অসমীয়া পঢ়িবলৈ যায়? পৰীক্ষাৰ্থীয়ে বেয়া লিখিলে পৰীক্ষকে ভাল নম্বৰ দিয়াৰ প্ৰশ্ন নুঠে। "বেবেৰিবাং" কথা লিখা পৰীক্ষাৰ্থীক, পৰীক্ষকে "সৰকাই" দিয়াৰ কথা ভাবিব নোৱাৰি। কিন্তু সামূহিকভাৱে যদি পৰীক্ষাৰ ফলাফল নিম্নগামী হয়, তেতিয়া শিক্ষণ প্ৰক্ৰিয়াটো বিশ্লেষণ কৰি এটা ক্ৰটিমুক্ত শৈক্ষিক পৰিবেশ গঢ়িবলৈ যত্ন কৰা উচিত নহ'ব জানো? তেতিয়াহে, হয়তো উপযুক্ত শৈক্ষিক বাতাবৰণত আমি পাম মেধাবী ছাত্ৰ-ছাত্ৰী আৰু পৰীক্ষাৰ ভাল ফলাফল।

ড° ভৰালীদেৱে পৰীক্ষাৰ বহীত পোৱা প্ৰশ্নোত্তৰৰ যি "নমুনা" দাঙি ধৰিছে, সেইবোৰ পঢ়ি সকলোৱে ক'ব যে পৰীক্ষাৰ ফলাফল ভাল হোৱাৰ কোনো সম্ভি নাই। অথচ এম. এ. শ্ৰেণীত স্থান পোৱা, অসমীয়া ভাষাত বাক্য লিখিব নজনা, এইবোৰ বিদ্যাৰ্থীৰ জন্ম দিছে আমাৰে শিক্ষা ব্যৱস্থাই। এইখন বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া ভাষা-সাহিত্যৰ অধ্যয়নৰে সৰ্বভাৰতীয় খ্যাতি অৰ্জন কৰা ব্যক্তি বহুতো আছে। আকৌ, একেটা শিক্ষানুষ্ঠানৰ মজিয়াতেই অসমীয়া ভাষাৰ নিম্নতম জ্ঞান নথকা শিক্ষাৰ্থীৰো জন্ম হৈছে। এনে সমস্যাৰ সমাধান— শিক্ষণ প্ৰক্ৰিয়াৰ বিস্তৃত আৰু মুকলি আলোচনাৰ দ্বাৰাহে সম্ভৱ হ'ব পাৰে।

ড° ভৰালীদেৱে উল্লেখ কৰিছে— শতকৰা আশীভাগ প্ৰশ্নোত্তৰ দাঙি ধৰা নমুনাৰ দৰে। সেয়েহে এতিয়াই যদি শিক্ষাৰ্থীৰ বিদ্যা-বুদ্ধিৰ পটভূমি আলোচনা বা শ্ৰীবৃদ্ধিৰ যত্ন কৰা নহয়, তেতিয়া হয়তো অৱশিষ্ট ভালখিনিত এদিন আশীভাগে গ্ৰাস কৰিব। গতিকে, মোৰ লিখনীত ভাষা-প্ৰেমৰ উচ্ছ্বাসৰ পৰিবৰ্তে সজ আলোচনাৰ ইচ্ছাহে আছিল।

—দিলীপ কুমাৰ শৰ্মা, প্ৰবক্তা,
মঙলদৈ বাণিজ্য মহাবিদ্যালয়

### দুই

গুৱাহাটী বিশ্ববিদ্যালয়ৰ এগৰাকী শিক্ষকৰ মতে লিখিলে তেওঁৰ সৈতে হোকাপানী নিষেধ থকা আন এগৰাকীয়ে নম্বৰ নিদিয়ে। ভাল বস্তুৰ সংখ্যা সদায়েই তাকৰ। অন্যান্য বিষয়ৰ দৰে অসমীয়াতো নিশ্চয় ভাল ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম। কিন্তু সেই বুলিয়েই প্ৰথম শ্ৰেণী পাব পৰা ছাত্ৰ-ছাত্ৰী অসমীয়া পঢ়িবলৈ নাহেই বুলি ভবা ভুল। প্ৰশ্নোত্তৰৰ পৰা আন বিষয়ৰ অধ্যাপকেও হাজাৰ-বিজাৰ হাস্যকৰ উত্তৰ ডাঙি ধৰিব পাৰে। কিন্তু সেইবোৰ বিষয়তচোন ডজনে-ডজনে ছাত্ৰই প্ৰথম শ্ৰেণী পায়! হিন্দী, বাংলা, আৰবী ইত্যাদিত প্ৰত্যেক বছৰে প্ৰথম শ্ৰেণী পোৱা ছাত্ৰ-ছাত্ৰী থাকে; তাৰমানে এইটো নেকি যে সেইবোৰ বিষয় অত্যন্ত ভাল ছাত্ৰ-ছাত্ৰীসকলেহে পঢ়ে আৰু অসমীয়া মাথো মূৰ্খ বিলাকেহে পঢ়ে? আমাৰ বিশ্ববিদ্যালয়ত অসমীয়াৰ পাঠদান কৰিবলৈ আহি অধ্যাপক অধ্যাপিকাই পঢ়োৱাৰ পৰিবৰ্তে বিদেশত ছেমিনাৰ কৰিবলৈ গৈ কি দেখিলে-শুনিলে তাকেহে কয়। মাজে-সময়ে যি দুই এজনে প্ৰথম শ্ৰেণী পায়, তেওঁলোকে মেধা শক্তিৰ গুণত নহয়, বিশেষ কাৰণত অধ্যাপক-অধ্যাপিকাৰ স্নেহধন্য হোৱা বাবেহে। মুঠৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ দৈন্যৰ বাবে নহয়, শিক্ষকসকলৰ খামখেয়ালিৰ বাবেহে অসমীয়া ভাষাৰ পঁয়া লগা অৱস্থা। অসমীয়া সকলোৱে লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে নিলিখিবও পাৰে। বাণীকান্ত কাকতি, বিৰিঞ্চি কুমাৰ বৰুৱা, সত্যনাথ বৰা আদিৰ দৰে কোনোবাই যদি অসমীয়া লিখে, তেন্তে তাক অখাদ্য ভাষা বুলি গণ্য কৰা হব নেকি? ছাত্ৰ-ছাত্ৰীৰ ওপৰতে দোষ জাপি দিয়া বাবে চিঠিখন নিলিখি নোৱাৰিলো।

এজন প্ৰাক্তন ছাত্ৰ
গুৱাহাটী

### তিনি

এজন ছাত্ৰই সকলো বিষয়তে সৰহ নম্বৰ পোৱাৰ পাছত কিয়নো অসমীয়া বিষয়ত তাকৰ নম্বৰ পালে সেইটো বিচাৰ কৰাৰ আগতে সেই ছাত্ৰজনক কোনজন শিক্ষকে কেনেদৰে অসমীয়া বিষয়টো শিকাইছিল সেই বিষয়ে আলোচনা কৰা উচিত। হাইস্কুলত আমাক যিজন শিক্ষকে অসমীয়া বিষয়টো পঢ়াইছিল, তেখেতে শ্ৰেণীত কিতাপখনলৈ গল্প বা কবিতাৰ বিষয় বস্তুটোৰ বিষয়ে থুল-মূল আভাস এটা দিয়াৰ বাহিৰে আৰু একো শিকোৱা নাছিল। তাকে কৰিলেই জানো এজন ছাত্ৰই ভাল নম্বৰৰ আশা কৰিব পাৰে? যদি শ্ৰেণীৰ শিক্ষকজনে কেনেকৈ ব্যাখ্যা কৰিব লাগে, সাৰাংশ আদি লিখিব লাগে সেইবোৰ নিশিকায়, বা ঘৰুৱা কাম কৰিবলৈ নিদিয়ে তেনেহলে ছাত্ৰজনে কেনেকৈ জানিব— কেনেকৈ ব্যাখ্যা কৰিলে ১০ নম্বৰৰ ভিতৰত ৮ পোৱাৰ যোগ্যতা অৰ্জন কৰিব পাৰি? অসমৰ সকলো হাইস্কুলৰ অসমীয়া শিক্ষকক যদি অসমীয়া বিষয়ৰ পৰীক্ষা লোৱা যায়, তেন্তে কেইজন শিক্ষক ওলাব শতকৰা ৮০ নম্বৰ পোৱা? আমাক পঢ়োৱা শিক্ষকৰ নিচিনা শিক্ষকে হয়তো ৩০ নম্বৰ পোৱাৰো যোগ্যতা অৰ্জন কৰিব নোৱাৰে।

যিজন শিক্ষকে আমাক অসমীয়া পঢ়াইছিল, তেখেতে আমাক অংক বিষয়টোও পঢ়াইছিল। আমি নোৱৰা অংক এটা শিক্ষকজনক দিলে তেখেতৰ পৰা উত্তৰ আহে, "এইবোৰ অংক পৰীক্ষাত নাহে।" গতিকে কৰিব নালাগে।

শেষত মই এইটোকে কব খোজোঁ যে ছাত্ৰসকলক এইবিষয়ে সমালোচনা কৰাৰ আগতে শ্ৰেণীৰ শিক্ষকসকলক সমালোচনা কৰক।

বীৰেণ চন্দ্ৰ বৰঠাকুৰ
ডিব্ৰুগৰ বিশ্ববিদ্যালয়।



OKDISCD

## অসহায়

আপোনাৰ জনপ্ৰিয় আলোচনী 'প্ৰান্তিক'ৰ যোগেদি বৰ্তমান আমাৰ মহাবিদ্যালয়সমূহত চলি থকা শৈক্ষিক অৱস্থাৰ বিষয়ে দুআষাৰ প্ৰকাশ কৰিব খুজিছোঁ। এগৰাকী হতাশাগ্ৰস্ত ছাত্ৰীৰ এখন চিঠিও ইয়াৰ লগতে গাঁঠি দিছোঁ। ছাত্ৰীগৰাকীয়ে প্ৰথম বিভাগত ইংৰাজীত লেটাৰ লৈ মেট্ৰিক পাছ কৰিছিল। তেওঁ এখন কলেজৰ পৰা ইংৰাজী মাধ্যমেৰে (মেট্ৰিকলৈকে গাঁৱলীয়া স্কুলত পঢ়া) প্ৰথম বিভাগত পাছ কৰাৰ পাছত স্নাতক প্ৰথম বাৰ্ষিকত ইংৰাজীত অনাৰ্ছ লৈ ভৰ্তি হয়। এতিয়া প্ৰথম বাৰ্ষিকৰ শেষ পৰীক্ষা দি ছাত্ৰী গৰাকীয়ে মোলৈ লিখা ব্যক্তিগত চিঠিখনে এজন কলেজৰে শিক্ষক হিচাপে মোকো ভৱাই তুলিছে। গতিকে আমাৰ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত চলি থকা শৈক্ষিক বাতাৱৰণৰ বিষয়ে কাগজে-পত্ৰই লিখাৰ সময় আহিছে বুলিয়েই এই চিঠিখন আপোনালৈ পঠালো। অনুগ্ৰহ কৰি কথাখিনি প্ৰকাশ কৰিলে কেৱল দৰমহা আৰু সা-সুবিধা বৃদ্ধিৰ বাবে কৈ থকা শিক্ষকসকলৰ ছাত্ৰসকলৰ প্ৰতিও যে কিছু দায়বদ্ধতা আছে সেইটো কিছু লোকে অনুভৱ কৰিব বুলি আশা কৰিছোঁ।

অৰ্পণ কুমাৰ বৰুৱা, প্ৰবক্তা,
সোণাৰি মহাবিদ্যালয়,
সোণাৰি, শিৱসাগৰ

### ছাত্ৰী গৰাকীৰ চিঠিখন

…এতিয়ালৈকে মোৰ Major আৰু Foundation Course-অৰ পৰীক্ষা হৈ গ'ল। Major paper দুইখনেই বৰ বেয়া হৈছে। সম্ভৱতঃ পাছেই নকৰিম। অৱশ্যে ভাল হ'ব বুলি আশাও কৰা নাছিলো। কাৰণ ইয়াত একেবাৰেই ক্লাছ নহয়। গোৱা বছৰো মাত্ৰ এজনী ছোৱালীয়ে পাছ কৰিছে (অনাৰ্ছ নাই ৰোৱা)। আমাক Literature history part অৰ বিষয়ে একো আভাসেই নিদিলে। Dr. Faustus (য'ৰ পৰা শতকৰা ৪০ নম্বৰৰ প্ৰশ্ন আহে) এদিনো নপঢ়ালে। বাকীকেইখনো মাত্ৰ ⅓ বা ¼ অংশ পঢ়ালে। মুঠৰ ওপৰত ছাৰসকলৰ পৰা অতি সামান্য সহায় পালো। তদুপৰি কিতাপ দুখনমান পৰীক্ষাৰ আগে আগেহে পাইছোঁ। গতিকে, চেষ্টা কৰিও সফল হ'ব নোৱাৰিলো। এইবাৰৰ ছেকেণ্ড ইয়েৰৰ পৰিক্ষাৰ্থীসকলে কৈছে,—তেওঁলোকৰ ছেকেণ্ড ইয়েৰৰ ক্লাছ প্ৰায়েই নহ'ল। সেইবাবে তেওঁলোকেও পৰীক্ষাত বৰ ক্ষোভ আৰু হতাশাৰে বহিবলৈ প্ৰস্তুত হৈছে। আনহাতে ফাৰ্ষ্ট ইয়েৰৰ পৰীক্ষাও দিছে। মোৰ বৰ ইচ্ছা— ভালকৈ পঢ়ি, ভালকৈ পাছ কৰাৰ। কিন্তু ইমান টান বিষয় এটা কাৰো সহায় নোলোৱাকৈ পঢ়ি ভাল ৰিজাণ্ট কৰাটোও মোৰ বাবে সম্ভৱপৰ নহয়। ইয়াত পঢ়ি হয়তো মই ভালকৈ কেতিয়াও পাছ কৰিব নোৱাৰিম। সেই কাৰণে ইয়াত পঢ়াৰ মোৰ ইচ্ছা ক্ৰমে নাইকিয়া হৈ আহিছে। মোৰ লগৰবিলাকৰো পৰীক্ষা মোৰ দৰেই হৈছে। ক'তনো পঢ়ি মই ভালকৈ পাছ কৰিব পাৰিম —একো ঠিৰাং কৰিব পৰা নাই। আপোনাৰ পৰামৰ্শ বিচাৰিছোঁ। মোৰ পৰীক্ষা ২ জুলাইত শেষ হ'ব। ইতি। মাইনু।…

## নিশাৰ বাছ ঃ চৰকাৰী বনাম বেচৰকাৰী

কিছুদিনৰ আগতে ৰাজ্যিক পৰিবহন নিগমৰ নৈশ-সেৱাৰ বাছত ডিব্ৰুগড়লৈ গৈছিলো। গুৱাহাটীত এদিনৰ আগত অগ্ৰিম টিকট দিয়াৰ ব্যৱস্থা আছে। ঘূৰি আহোঁতে এদিনৰ আগত টিকট কিনিবলৈ গৈহে গম পালো যে সেই একেই ব্যৱস্থা ডিব্ৰুগড়ত নাই। ডিব্ৰুগড়ত যিদিনাৰ বাছ সেইদিনাৰ পুৱা ৮ বজাৰপৰাহে টিকট দিয়ে আৰু টিকট লবলৈ কেতিয়াবা ছাৰে ছয়মান বজাৰ পৰাই লাইন হয়। আৰু টিকটো হেনো এজনক তিনিটাতকৈ বেছি দিয়া নহয় (অৱশ্যে আজিৰ পৰিস্থিতিত বাছৰ টিকটবো যে 'ব্লেক' নহ'ব, সেই কথা বুকুত হাত দি কব নোৱাৰোঁ।) গতিকে চাৰিজনীয়া বা ততোধিক সদস্যৰ পৰিয়ালৰ বাবে টিকট কিনিবলৈ পৰিয়ালটোৰ দুজন সদস্য লাইনত থিয় হ'ব লাগিব। —পুৱাৰপৰাহে টিকট দিয়া ব্যৱস্থাৰ ফলত ডিব্ৰুগড় নগৰতে থকা যাত্ৰীসকলৰহে সুবিধা হ'ল, ডিব্ৰুগড়ৰ ওচৰৰ ভিতৰুৱা অন্য ঠাইৰ যাত্ৰীৰ বাবে দেখদেখকৈ অসুবিধা। উদাহৰণ স্বৰূপে মোৰ নিজৰ কথাই ধৰিলে— পুৱাই মোৰ গাঁৱৰপৰা (ইকৰাতলী নাহৰচুক) খোজকাঢ়ি বা ছাইকেলেৰে ডিকমলৈ আহি, ডিকমৰপৰা পুনৰ বাছেৰে আহি ৮ বজাৰপৰা দিয়া টিকটৰ লাইনত থিয় হোৱাত যথেষ্ট অসুবিধা। দেৰীকৈ আহিলে মোৰ বুঢ়া, মা, পৰিয়াৰ আদি ইমান দূৰ আহিব পৰা উপযুক্ত আসনৰ টিকট নাপাওঁ। (তাতে আকৌ সন্মুখৰ ফালৰ দুখনমান আসন হেনো VIP শ্ৰেণীৰ লোকৰ বাবে গণতান্ত্ৰিকভাৱে সংৰক্ষিত!)

গতিকেই মই একপ্ৰকাৰ বাধ্য হৈ এদিনৰ আগত এখন বেচৰকাৰী বাছৰ টিকট কিনিব লগা হ'ল। (জনামতে অন্য দুখনমান বেচৰকাৰী বাছে দুই-তিনিদিনৰ আগতেও টিকট দিয়ে)।

প্ৰশ্ন হ'ল, গুৱাহাটীত যদি এদিনৰ আগত টিকট দিব পাৰি, ডিব্ৰুগড়ত কিয় নোৱাৰি? বেচৰকাৰী বাছে যদি দুই-তিনি দিনৰ আগতেও টিকট দিব পাৰে, চৰকাৰী বাছে নোৱাৰাৰ কাৰণ কি? চৰকাৰী বাহতহে পৰাপক্ষত ভ্ৰমণ কৰিবলৈ বিচৰা লোক হিচাপে আমি সংগত কাৰণতে সুধিব পাৰোঁ, —যি স্থলত ৰেল, বিমান আদিত ভালেমান দিনৰ আগতে টিকট দিয়াৰ ব্যৱস্থা আছে, সেই স্থলত চৰকাৰী বাছৰ নৈশ-সেৱাৰ দূৰ ভ্ৰমণৰ যাত্ৰীৰ বাবে মাত্ৰ এদিনৰ আগতেও টিকট দিব নোৱাৰাৰ কাৰণ কি?

চৰকাৰী বাছৰ নিয়মৰ এনে অব্যৱস্থা আৰু লগতে বাছবোৰৰ শাৰীৰিক দুৰৱস্থাৰ বাবেই বহু যাত্ৰীয়ে আজিকালি বেচৰকাৰী বাছতহে যাত্ৰা কৰি ভাল পোৱা হৈছে। এইটো নিশ্চয় চৰকাৰী বাছৰ বাবে গৌৰৱৰ কথা নহয়। এই সকলো কথালৈ লক্ষ্য ৰাখি আমি ডিব্ৰুগড়ৰ চৌকিডিঙি ৰাজ্যিক পৰিবহন নিগম বাছ আস্থানৰ অধীক্ষকজনলৈ বিনম্ৰ অনুৰোধ জনাওঁ যাতে ডিব্ৰুগড়কো গুৱাহাটীৰ নিয়মৰ অধীনলৈ আনি অন্ততঃ এদিনৰ আগতে নৈশ-সেৱাৰ বাছবোৰৰ টিকট দিয়াৰ ব্যৱস্থা কৰে— আৰু লগতে চৰকাৰী বাছৰ শাসনকৰ্তাজনলৈও অনুৰোধ জনাওঁ যাতে বাছকেইখনৰ উন্নতি সাধি, কিছু সা-সুবিধা যুক্ত কৰি যাত্ৰীসকলৰ চৰকাৰী বাছৰ প্ৰতি আকৰ্ষণ বঢ়াই তোলে। নহলে, কেৱল বাছৰ বেৰত আঁকি থোৱা গড়টোৰ আকৰ্ষণতে চৰকাৰী বাছত ভ্ৰমণ কৰিবলৈ বিচৰা দেশপ্ৰেমিকৰ সংখ্যা দিনে দিনে কমি আহিবলৈ বাধ্য।

—দেৱকান্ত সন্দিকৈ,
গুৱাহাটী বিমানবন্দৰ

## মালিকৰ ভাষা

অসমৰ বহুতো বেচৰকাৰী বাছত যাত্ৰীৰ বাবে কিছুমান কথা লিখা থাকে। এখন গাড়ীত লিখা আছে: "বোক নকৰা মালৰ কুনু দায়িত্ব লোৱা নহয়।"

বাছৰ গাত লিখা এনে বানানে অসমীয়া ভাষাক অপমান কৰে নে নকৰে সেই বিষয়ে তৰ্ক হ'ব পাৰে, কিন্তু বাছখনৰ মালিক, ড্ৰাইভাৰ, কণ্ডাক্টৰ আদিয়ে যে অনবৰত অপমান কৰি থাকে সেই বিষয়ে তৰ্ক হ'ব নোৱাৰে।

—মণ্টু ভূঞা,
ভোমোৰাগুৰি, নগাঁও



## আনন্দ-সাধনা আৰু সন্ধান

শ্ৰীকল্যাণ দেশমুখ্যৰ "আনন্দ উৎসৰ সন্ধানত" শীৰ্ষক ৰচনাৰ (১৬।১০।৮৬) আলমত শ্ৰীদেৱকান্ত সন্দিকৈ ডাঙৰীয়াৰ "জীৱন আনন্দৰ সাধনা" (১৬।৫।৮৭) পঢ়ি দুআষাৰ নিলিখি নোৱাৰিলো। লেখকৰ ব্যক্তিগত চিন্তাধাৰাৰ প্ৰতি সন্মান জনাই তেখেতৰেই ৰচনাই উদ্ৰেক কৰা আমাৰ মানসিক প্ৰতিক্ৰিয়া ইয়াত প্ৰকাশ কৰিব খুজিছোঁ।

শ্ৰীসন্দিকৈ ডাঙৰীয়াই গধুৰ অথচ গুৰুলা শব্দেৰে আধ্যাত্মিক চিন্তাধাৰা "নিতান্ত অৰ্থহীন আৰু অপ্ৰয়োজনীয়" বুলি প্ৰতিপন্ন কৰিব খুজিছে। আত্মা পৰমাত্মাৰ ধাৰণাটো এটা "চিন্তাৰ প্ৰহেলিকা" বুলিও মতামত দাঙি ধৰিছে। কিন্তু আমি নিতান্ত স্থূলভাৱেই অনুভৱ কৰি আহিছোঁ যে সংসাৰ অনিত্য, জীৱন অনিত্য, সা-সম্পদ অনিত্য। সৰ্বজনস্বীকৃত এই কথাষাৰ লেখকে 'অবাস্তৱ চিন্তা' বুলি কিয় ক'লে বুজিবলৈ টান পালো। অনিত্য শব্দটোৰ অৰ্থ আমি বিনাশশীল অথবা স্বল্পস্থায়ী (transitory) বুলিহে বুজোঁ। আনহাতে কোনো শাস্ত্ৰতে কোৱা হোৱা নাই যে ভোগ নকৰিবা— বিলাস নকৰিবা।

তস্মাৎ ত্বমুত্তিষ্ঠ যশো লভস্ব।
জিত্বা শত্ৰূণ্ ভুঙক্ষ ৰাজ্যং সমৃদ্ধম্ ॥ (গীতা)

কোৱা হৈছে যে সকলো কৰা; কিন্তু সৰ্বোপৰি মানসিক উৎকৰ্ষ সাধনৰ মাজেৰে আনন্দময় ভগবানৰ সন্ধান কৰা। সেই আনন্দৰ সাধনাত যদি কোনোৱে অন্তৰায় ৰূপ ইন্দ্ৰিয় সুখ ত্যাগ কৰে, তেনেহলে তাত শাস্ত্ৰৰ অৰ্থহীনতা আৰু অপ্ৰয়োজনীয়তা কেনেদৰে থাকিব পাৰে? শ্ৰীসন্দিকৈ ডাঙৰীয়াই আনন্দ মানে কি বুজাব খুজিছে? পেট ভৰাই খাবলৈ পালে, নিৰাপদ আশ্ৰয়ৰ থল পালে ইতৰ প্ৰাণীয়েও আনন্দসূচক শব্দ কৰে। সেয়াই নে আনন্দ? আহাৰ, নিদ্ৰা, মৈথুন— এই কেইটাই যদি আনন্দৰ উৎস হয় তেতিয়া দেখোন মানুহ আৰু ইতৰ প্ৰাণীৰ মাজৰ আনন্দ লাভৰ উপায়টোৰ কোনো প্ৰভেদ নাথাকিব। এনে ইন্দ্ৰিয়গ্ৰাহ্য আনন্দ শ্ৰেয় নহয়, প্ৰেয়হে। সেয়েহে উপনিষদৰ ঋষিয়ে বাৰে বাৰে গাইছে ঃ

"আনন্দং ব্ৰহ্মণো বিদ্বান ন বিভেতি কুতশ্চনঃ"

দ্বিতীয়তে লেখকে প্ৰেমময়, হিংসা-প্ৰতিহিংসাবিহীন সমাজ গঢ়াৰ যি সমাধান দাঙি ধৰিছে সি গ্ৰহণযোগ্য নহয়। "সামাজিক আৰু অৰ্থনৈতিক সমতা" ভাৰতবৰ্ষৰ দৰে দেশত কাহানিও সম্ভৱপৰ হৈ উঠা নাই। যি সময়ত দেশৰ কোটি কোটি লোক দাৰিদ্ৰ্য-ৰেখাৰ তললৈ যাব লাগিছে সেই সময়ত অৰ্থনৈতিক সমতা বোলা শব্দটোৰ কল্পনা কৰাও টান।

যিহেতু ভাৰতবৰ্ষ এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ, তেনেস্থলত এতিয়া শোষণ অন্তৰ্হিত হৈ দেশখন স্বৰ্গৰাজ্যত পৰিণত হোৱা উচিত আছিল। কিন্তু সেয়া দৰাচলতে সম্ভৱ হৈছে জানো? কেৱল ধৰ্মইহে বা ইয়াৰ প্ৰভাৱেহে শোষণৰ সৃষ্টি কৰিছিল নে? বিভেদ, গোড়ামী অন্ধবিশ্বাস, কুসংস্কাৰ ধৰ্মইহে সৃষ্টি কৰিছিলনে? এনে ধাৰণা সম্পূৰ্ণ ভ্ৰান্ত। ধৰ্মৰ বন্ধন এনে এক অদৃশ্য এনাজৰী যি সৰু বৰ, উচ্চ নীচ সকলোকে সাঙুৰি অনাবিল শান্তিৰ সৃষ্টি কৰিছিল। য'ত পাপ আৰু পুণ্যৰ ধাৰণাই মানুহক সততে পশু প্ৰবৃত্তিৰ পৰা বিৰত কৰি মানবীয় প্ৰমূল্য উৎকৰ্ষ সাধন কৰিছিল। সেয়েহে সেইখন সমাজ— যিখনক গোড়া কুসংস্কাৰ আচ্ছন্ন বুলি কোৱা হৈছে সেইখন সমাজত বাটে-পথে নাৰীধৰ্ষণ নহৈছিল, নৰহত্যা 'বাঁয়ে হাথ কা খেল' চৌৰ্যবৃত্তিৰ প্ৰাদুৰ্ভাৱ নাছিল, ভ্ৰূণ হত্যাৰ জোৱাৰ নুঠিছিল আৰু কাষৰ মানুহ ঘৰ এসপ্তাহ অনাহাৰে থাকিলেও ভোগসক্ষম আনঘৰত মদে মাংসই ভোজ নহৈছিল। সেয়া একমাত্ৰ এটা কাৰণতেই সম্ভৱ আছিল যে মানুহ কম-বেছি পৰিমাণে আধ্যাত্মিক আছিল। পাৰস্পৰিক প্ৰেম, সমবেদনা, সহমৰ্মিতাৰ অব্যবহিত পূৰ্বচৰ্ত।

আনহাতে সামাজিক আৰু অৰ্থনৈতিক সমতা (?) স্থাপনৰ লগে লগে নৰকুল 'ধোৱা তুলসীপাত' হৈ পৰিব বুলি বিশ্বাস নহয়। হিংসাদ্বেষৰ উৎপত্তি হয় কৰ পৰা? শাস্ত্ৰই কয় ঃ

ধ্যায়তো বিষয়ান্ পুংসঃ সঙ্গস্তেষুপজায়তে।
সঙ্গাৎ সঞ্জায়তে কামঃ কামাৎ ক্ৰোধোৎভিজায়তে ॥ (গীতা)

এই মহাবাক্যৰ অৰ্থ অনুধাৱন কৰা সকলৰ অবিদিত নহয় যে কামনা-বাসনাত বাধা আৰোপিত হলেই মানুহৰ মনত ক্ৰোধৰ অভ্যুদয় হয়। ক্ৰোধৰ পৰাই হিংসা-দ্বেষৰ জন্ম হয়। মানুহৰ কামনা অনন্ত। আনহাতে কামনা পূৰণৰ ক্ষমতা সীমিত। গতিকে যি সমতাই স্থাপন নহওক কিয় অভ্যন্তৰীণ উৎকৰ্ষ অথবা আধ্যাত্মিক উন্নতিৰ অবিহনে কামনাই শুদ্ধতা লাভ কৰিব নোৱাৰে। আৰু কামনা বিশুদ্ধ নহলে পৃথিৱীৰ পৰা হিংসা-প্ৰতিহিংসা আঁতৰি কেতিয়াও নাযায়। তাৰেই প্ৰকৃষ্ট উপায় গীতাৰ আন এঠাইত কোৱা হৈছে ঃ

সমঃ শত্ৰৌ চ মিত্ৰে চ তথা মানাপমানয়োঃ।
তুল্যনিন্দাস্তুতিৰ্মৌনী সন্তুষ্টো যেন কেনচিৎ ॥

অৰ্থ বাখ্যা কৰা নিষ্প্ৰয়োজন। ইয়াতকৈ আৰু মানৱ প্ৰেমৰ, সহমৰ্মিতাৰ কিবা শ্ৰেষ্ঠ উদাহৰণ আছেনে? এই অৱস্থাত মানৱ হৃদয়ৰ পৰা হিংসা-দ্বেষ অন্তৰ্হিত হয়। ক'তা ইয়াততো কোনো 'বিষাক্ত বাতাবৰণ' সৃষ্টি কৰাৰ কথা নাই! বৰঞ্চ সহজভাৱে মানুহ মানুহৰ ওচৰ চপাৰহে ইংগিত দিয়া হৈছে।

"ৰামাদিৱৎ প্ৰবৰ্ত্তিতব্যম্ ন ৰাৱণাদিৱৎ" —অৰ্থাৎ ৰামৰ দৰে সজ গুণৰ অধিকাৰী হোৱা— ৰাৱণৰ দৰে হিংসুক আৰু অসৎ নহবা— ৰ দৰে আপ্তবাক্যত অন্ধ বিশ্বাসৰ বিষাক্ত বাতাবৰণ তো নায়েই, বৰঞ্চ মানৱতাৰ সহৃদয়তাৰ আৰু প্ৰেমময় উদাৰতাৰহে গোন্ধ পোৱা যায়। এনে সামাজিক আৰু মানবীয় প্ৰমূল্য (values) সমূহ লুপ্ত হলে (প্ৰায় হৈছেই) কোনো সামাজিক সমতাৰে অৰ্থ নাথাকিব।

"কেৱল শুদ্ধ চেতনাই নিত্য"— মূল লেখকৰ এই বাক্যটিৰ ওপৰত শ্ৰীসন্দিকৈ ডাঙৰীয়াই দিয়া মন্তব্য বিভ্ৰান্তিকৰ। সভ্যতাৰ মাপকাঠীস্বৰূপ শ-শ বছৰীয়া ঐতিহ্যময় ভাৰতীয় দৰ্শন টিলিকিতে উৰাই দিব পৰা বস্তু নিশ্চয় নহয়। ন্যায়-বৈশেষিক-সাংখ্য-যোগ প্ৰভৃতি দৰ্শনসমূহে স্থাপন কৰা মূল দাৰ্শনিক সূত্ৰ 'শুদ্ধ চেতনা' —যাক গোষ্ঠীবিশেষে আত্মা-পৰমাত্মা-চেতনা-আনন্দ আদি বিশেষণেৰে বিভূষিত কৰিছে, সেই চেতনা বা আত্মাৰ স্থায়ী আধাৰ নাই। যেনেদৰে চোলা পুৰণি হ'লে আমি দলিয়াই পেলাই নতুন চোলা পিন্ধো, ঠিক তেনেদৰেই এই আত্মা বা চেতনাই তাৰ আধাৰ দেহ জীৰ্ণ হলে নতুন দেহৰূপ আধাৰ বিচাৰি লয়।

"অজো নিত্য শাশ্বতোৎয়ং পুৰাণো ন হন্যতে হন্যমানে শৰীৰে।" (গীতা)

লেখকৰমতে এই আত্মা-পৰমাত্মাৰ বিশ্বাসৰ ধাৰণাটোৰ আশ্ৰয় লৈ এক বুজন সংখ্যক লোকে সমাজত ধৰ্মৰ ব্যৱসায় কৰি অৰ্থকৰী দিশত লাভবান হৈছে। কিন্তু আচলতে আত্মা-পৰমাত্মাৰ অবিনশ্বৰতা আৰু বিভুত্বৰ (all pervading) ধাৰণা দি মানুহক অধ্যাত্মমুখী কৰি চিত্তশুদ্ধিৰ যোগেদি হিংসাবিহীন আনন্দময় সমাজ গঢ়াটোহে ধৰ্ম সমূহৰ উদ্দেশ্য আছিল। যেনেদৰে চাবি নিদিলে নচলা হোৱাটোত ঘড়িটোৰ দোষ নাই, ঠিক সেইদৰে ধৰ্ম যদি কেতিয়াবা ব্যৱসায়ত পৰিণতো হৈছে সি আত্মা-পৰমাত্মাৰ দোষত হোৱা নাই। হৈছে তাৰ চালিকা শক্তিৰ ফলতহে। দোষ মানুহৰ লালসা আৰু কামনা বাসনাৰহে। তেনেস্থলত ইয়াক 'ভাববাদী আবৰ্জনা'— 'দুৰ্গন্ধময় আবৰ্জনা'ৰ

দৰে শব্দৰে হেয় কৰি বিদ্বৎ সমাজৰ প্ৰতি প্ৰত্যাহ্বান স্বৰূপে উপস্থাপন কৰা হৈছে।

লেখকে মানুহৰ বিবৰ্তনৰ (evolution) বিষয়ে যিখিনি কৈছে তাত আমাৰ কবলগীয়া নাই। কিন্তু শ্ৰীদেশমুখ্যৰ "কামনা বাসনাৰ ধুমুহা মানৱ জীৱনৰ লক্ষ্যভ্ৰষ্টকাৰী দুটি অদমনীয় ৰিপু"— এই উদ্ধৃত অংশৰ যি ব্যাখ্যা ডাঙি ধৰিছে তাতহে আমাৰ কবলগীয়া আছে। লেখকে কামনা-বাসনা বোলোঁতে মূলতঃ যৌন মিলনজনিত আনন্দলৈহে আঙুলিয়াইছে। আৰু সৃষ্টি প্ৰক্ৰিয়াৰ সাৱলীল ব্যাখ্যাও ডাঙি ধৰিছে। তেখেতে কৈছে: এই সুখ বিচাৰি যাওঁতে সৃষ্টি কাৰ্যৰ দৰে এক জটিল আৰু মহৎ কাৰ্য সম্পাদন হয়। গতিকে সুখ মুখ্য, সৃষ্টি গৌণ।' লেখকৰ কথাষাৰ অবান্তৰ যেন বোধ হ'ল।

নহলে বিশ্ববিখ্যাত বৈজ্ঞানিক, চিত্ৰকৰ, স্থপতি আৰু শিলাকুটিসকলে কি সুখ বিচাৰি গৈ বছৰৰ পাছত বছৰ ধৰি একাগ্ৰ সাধনাৰে কষ্টৰ ফল ৰূপ তেওঁলোকৰ সাধনালব্ধ নব-নব সৃষ্টিৰ পাতনি মেলিছিল— চিন্তাৰ বিষয়। সৃষ্টিলব্ধ আনন্দত হে তেওঁলোক মগ্ন হৈছিল। আনন্দ বিচাৰি বা সুখ বিচাৰি যাওঁতে নিশ্চয় তেওঁলোকৰ সৃষ্টিখিনি সুখৰ উপসৃষ্টি (by product) নাছিল। আনকি যৌন মিলন-জনিত আনন্দ লাভৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য নহয় বুলি ভবাৰ থল আছে। নহলে হাজাৰ হাজাৰ অপুত্ৰক দম্পতিয়ে চিকিৎসাৰ বাবে, দেৱ অনুগ্ৰহ লাভৰ বাবে দেশৰ পৰা দেশান্তৰলৈ ঢাপলি নেমেলিলেহেঁতেন। শ শ অপুত্ৰক দম্পতিৰ মানসিক বিকাৰ নঘটিলেহেঁতেন। প্ৰকৃততে সৃষ্টিৰ আনন্দহে মুখ্য। ইন্দ্ৰিয় সুখ তাৰ অব্যৱহিত পাছৰ মানসিক অৱস্থাহে। কামনা-বাসনা অবাধে আৰু মুক্তভাৱে চৰিতাৰ্থ কৰিব পৰা অৱস্থাৰ সৃষ্টি হ'লে সমাজৰ শেষ বন্ধনটিও শিথিল হৈ পৰিব। মহাভাৰতত কোৱা হৈছে:

"ন জাতু কামঃ কামোপভোগেন-শাম্যতি।
বহ্নিঃ ঘৃতপ্ৰদানেন ভূয় এব প্ৰবৃধ্যতে ॥

ঘিউঢলা জুইৰ দৰে বৰ্ধিত কামনাত বাধা পৰিলেই মানুহৰ স্বভাৱ ভয়ংকৰ হৈ পৰিব। সমাজত দয়া, ক্ষমা, প্ৰেম, মানৱতা, স্নেহ আদি আশীৰ্বাদসমূহ স্বাভাৱিকতে অন্তৰ্হিত হৈ পৰিব। আচলতে এই মানৱীয় গুণসমূহৰ ৰক্ষণাবেক্ষণৰ বাবেহে কামনা-বাসনাক ৰিপুতুল্য বুলি দৰ্শনে বাৰে বাৰে ঘোষণা কৰিছে।

লেখকৰ উচ্চ অথবা উন্নত মানৱ জীৱনৰ ধাৰণাটো বিশেষ এক দৰ্শন সম্প্ৰদায়ৰ দ্বাৰা প্ৰভাৱিত বুলি ভবাৰ থল আছে। আধুনিক উপকৰণেৰে বিভূষিত প্ৰাসাদোপম অট্টালিকা, মহাৰ্হ খাদ্যসম্ভাৰ, নৱতম বস্ত্ৰ— এয়াই নে উন্নত মানৱ জীৱন? য'ত চিন্তাৰ দৈন্য, হৃদয়ৰ সংকীৰ্ণতা, দেহৰ আৰু মনৰ অপবিত্ৰতা উদ্ভৱকাৰী লোভ-মোহ-কাম-ক্ৰোধৰ প্ৰাধান্য থাকে, সিনো কেনে ধৰণৰ জীৱন?

বৰ্তমানৰ সমাজৰ পৰা আধ্যাত্মিক চিন্তা অপসাৰিত হৈ এনে এটা পৰিবেশৰ সৃষ্টি কম-বেছি পৰিমাণে হৈছেই বুলিব পাৰি; — য'ত চিন্তা জড়তাৰে আড়ষ্ট, হৃদয় আত্মকেন্দ্ৰিকতাৰে ভাৰাক্ৰান্ত, বিনয়, দয়া, ক্ষমা আদি স্বৰ্গীয় গুণসমূহ কাপুৰুষতাৰ লক্ষণ, মন ইন্দ্ৰিয়ৰ ষোড়শোপচাৰ পূজাত নিবিষ্ট। কুৰি শতিকাৰ বিদায় লগ্নত মানৱ জাতিৰ এইখন প্ৰতিচ্ছবিত চিন্তাশীল জনৰ মন সেমেকি উঠিব। সেয়ে শ্ৰীদেশমুখ্যৰ লগত একমত হৈ আমিও কবখোজোঁ— আধ্যাত্মিক চিন্তা ধাৰাৰ ওচৰ নাচাপিলে মানুহৰ বিনাশ সন্নিকট। আৰু এই আধ্যাত্মিক চিন্তা— ভগৱৎ প্ৰেম তেতিয়াহে উপজিব— যেতিয়া মানুহে কামনা-বাসনাক ৰিপু বুলি গণ্য কৰিব পাৰিব।

"ভুক্তি মুক্তি স্পৃহা যাবৎ পৈশাচী হৃদি বৰ্ত্ততে।
তাবৎ ভক্তি সুখস্য কথমভ্যুদয়ো ভবেৎ ॥"

—জয়কৃষ্ণ মহন্ত, ডিব্ৰুগড়

## যোৰহাটৰ বিষ্টুৰাম হল

দ্বিতীয় মহাসমৰৰ সময়ত যোৰহাটৰ বিষ্টুৰাম হলৰ মূল্যবান গ্ৰন্থ আৰু পত্ৰিকাসমূহ আমাৰ উকীলখানালৈ নাই অনা বুলি মোৰ লগতে অন্য কেইগৰাকীমান বয়োজেষ্ঠ অধিবক্তাই স্পষ্টভাৱে কৈছে। ১৯৪০-৪৫ চনত উকীলখানাত ইমানবোৰ কিতাপ থবলৈ স্থানৰ অভাৱ আছিল। আমাৰ উকীলখানাত যিখিনি কাকত-পত্ৰ বা নথি-পত্ৰ আছে, তাতো বিষ্টুৰাম হলৰ কিতাপৰ কথা নিশ্চয় উল্লেখ থাকিলহেঁতেন। গতিকে অধ্যাপক যজ্ঞেশ্বৰ শৰ্মাদেৱৰ চিঠিৰ (১।৯।৮৬) কথাখিনি উকীল সন্থাৰ কোনো সদস্যই সমৰ্থন নকৰে। আমাৰ অধিবক্তা প্ৰেমেনজিৎ কুমাৰ গোস্বামীয়ে কথাটো বুজি-বাজি ঠিকেই উত্তৰ দিছিল (১৬।১২।৮৬ৰ চিঠি)।

দ্বিতীয় মহাযুদ্ধৰ সময়ত স্বৰ্গীয় লোকনাথ ফুকন ডাঙৰীয়া বিষ্টুৰাম হলৰ অবৈতনিক সম্পাদক আছিল আৰু স্বৰ্গীয় কুল কলিতা তেওঁৰ সহযোগী আছিল। মোৰ তাহানিৰ কথা এটা মনত পৰিছে। যোৰহাটৰ স্বৰ্গীয় পূৰ্ণানন্দ শৰ্মা পাঠক ডাঙৰীয়াই সেই গ্ৰন্থ আৰু পত্ৰিকাসমূহ অসম সাহিত্য সভাৰ কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনলৈ অনা বুলি কৈছিল। সেই সময়ত উক্ত ভৱন সৈন্য বিভাগে লোৱা নাছিল আৰু তাত কিতাপ-পত্ৰ থবলৈ ঠাই নাছিল। উল্লেখযোগ্য যে, শৰ্মা পাঠক ডাঙৰীয়াই সদায় সন্ধিয়া বিষ্টুৰাম হললৈ কাকত চাবলৈ গৈছিল। গতিকে এতিয়া আচল কথা ওলাই পৰিল। সেয়েহে এই সম্পৰ্কত অযথা বাদানুবাদ প্ৰকাশ নকৰিলেই কিজানি মোৰ বোধেৰে ভাল হয়।

—সুৰেন্দ্ৰ নাথ ভৰালী,
অধিবক্তা, যোৰহাট

## অভিভাৱকসকলে চাই যাওকহি

যোৰহাটৰ মাজমাজিয়াত থকা এটা অঞ্চলত কেইজনমান ২০-২২ বছৰীয়া ডেকাই সন্ধিয়া সুৰাপান কৰি মৰা অশ্লীল চিঞৰত স্থানীয় লোক, জে. বি. কলেজৰ ছাত্ৰাবাসৰ ছাত্ৰ তথা ছাত্ৰাবাস অধীক্ষক কেইজন অতীষ্ঠ হৈ পৰিছে। এই সুৰাপান কাৰ্য সপ্তাহত গড়ে ৩-৪ দিন চলে। উক্ত কাৰ্য স্থানীয় অ. এন. জি. ছি. আৰু কৃষি বিভাগ এটা কাৰ্যালয়ৰ পিছফালে সংঘটিত হোৱা দেখা যায়। কাৰ্যালয়ৰ নিশাৰ ৰখীয়াসকলে উক্ত যুৱকসকলৰ শাৰীৰিক প্ৰহাৰলৈ ভয় কৰি এনে কাৰ্যৰ প্ৰতিবাদ কৰ্তৃপক্ষৰ ওচৰত কৰিব পৰা নাই বুলি কয়।

এতিয়া, এই 'প্ৰান্তিকৰ' যোগে পৰিয়ালবৰ্গলৈ অনুৰোধ কৰোঁ যে তেওঁলোকে যেন নিজৰ সন্তানসকলক এনে কু-কাৰ্যৰ পৰা দূৰত ৰখাৰ চেষ্টা কৰে। অসমৰ প্ৰতিভা থকা যুৱকক ধ্বংসৰ পথৰ পৰা উদ্ধাৰ কৰাৰ চেষ্টা অভিভাৱক আৰু কৰ্তৃপক্ষই আন্তৰিকতাৰে কৰিব লাগে।

—ৰনজিত কুমাৰ প্ৰাধান
কে. কে. বৰুৱা পথ, যোৰহাট

## "ভেলোৰত অসাধু এজেণ্ট"ৰ সন্দৰ্ভত

ড° পবিত্ৰ কুমাৰ শৰ্মাই ভেলোৰৰ অসাধু এজেণ্টৰ বিষয়ে লিখা কথা (১।৬।৮৭) পঢ়িলো আৰু তেখেতে পৰামৰ্শ আগবঢ়োৱাত ভাল পালো। ভেলোৰলৈ প্ৰায়বোৰ মানুহ নানান কঠিন বেমাৰৰ চিকিৎসা কৰাবলৈ টকা-পইচাৰ অভাৱৰ মাজেদিয়েই যায়। যদি তেনে মানুহক কোনো দুষ্ট প্ৰকৃতিৰ মানুহে ঠগি টকা লয়, তেনেহলে তাক কোনেও ক্ষমা নকৰে; ভগৱানেও ক্ষমা নকৰিব। কিন্তু আমি ড° শৰ্মাৰ পৰা সঠিক খবৰ, মানে কোনে কাৰ পৰা টিকট লৈছিল আদি খবৰবোৰ পালে নিশ্চয় এটা বিচাৰ কৰিব পাৰিম; নহ'লে ই আমাৰ ভেলোৰবাসীৰ বদনামৰ কথা হ'ব।

—অৰুল কুমাৰ, অসম ছাভিছ ষ্টেছন
২০, বাবু ৰাও ষ্ট্ৰিট, ভেলোৰ-৬৩২০০৪





# অসমৰ বাননিয়ন্ত্ৰণ আঁচনিত অৰুণাচলৰ বাধা প্ৰদান

অসমৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই নতুন দিল্লীত কয় যে চুবুৰীয়া অৰুণাচল প্ৰদেশৰ বিৰোধিতাৰ বাবে ৰাজ্যখনত হাতত লব লগীয়া বৃহৎ বাননিয়ন্ত্ৰণ আঁচনিকেইখনৰ কাম-কাজত আগবাঢ়িব পৰা হোৱা নাই।

শ্ৰীমহন্তই কয় যে তেওঁ এই বিষয়টো লৈ ইতিমধ্যে প্ৰধান মন্ত্ৰী ৰাজীব গান্ধী আৰু অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী গেগং আপাঙৰ কাষ চাপিছিল যদিও এই সম্পৰ্কত শ্ৰীআপাঙৰ প্ৰতিক্ৰিয়া সন্তোষজনক নহয়। তেওঁ কয় যে অৰুণাচল প্ৰদেশে অসমৰ প্ৰধানতঃ দুটা বৃহৎ বহুমুখী প্ৰকল্পৰ বিৰোধিতা কৰি আছে। সেই ৰাজ্যৰ চৰকাৰৰ মতে ইয়াৰ ফলত তাৰ চাৰিখন নগৰ আৰু ১০৪ খন গাঁৱৰ ৬৮৩ বৰ্গকিল'মিটাৰ অঞ্চল পানীত তল যাব আৰু ৪২,৫০০ জন লোক গৃহহীন হৈ পৰিব।

শ্ৰীমহন্তই কয় যে এই প্ৰকল্প দুটা কাৰ্যকৰী হলে ১১,১৭০ মেগাৱাট বিদ্যুৎ শক্তি উৎপাদিত হোৱাৰ লগতে দুয়োখন ৰাজ্যৰ ব্যাপক অঞ্চললৈ জলসিঞ্চনৰ সুবিধা আগবঢ়াব পৰা হ'ব। ইয়াৰ উপৰিও ব্ৰহ্মপুত্ৰৰ দ্বাৰা সৃষ্ট বানৰ প্ৰকোপো কমাব পৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ ব'ৰ্ডে অন্যান্য বিষয়ৰ লগতে অৰুণাচল প্ৰদেশৰ চিয়াং আৰু দিহাং নৈত দুটা বান্ধ নিৰ্মাণেৰে দুটা বৃহৎ বহুমুখী প্ৰকল্প নিৰ্মাণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। তেওঁ কয় যে ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপনৰ বাবে ব'ৰ্ডে ১২.৮ কোটি টকা নিৰ্ধাৰিত কৰি ৰাখিছে। সেয়েহে তেওঁ প্ৰকল্প দুটাৰপৰা হ'ব পৰা লাভৰ বিষয়ে অৰুণাচল প্ৰদেশ চৰকাৰক পতিয়ন নিয়াবলৈ প্ৰধান মন্ত্ৰীলৈ পৰামৰ্শ আগবঢ়ায়।

### অসম চতুৰ্থটো বানৰ কবলত

চলিত বছৰৰ ভিতৰত অসম চতুৰ্থবাৰৰ বাবে বানৰ কবলত পৰিছে। যোৱা কিছুদিন ধৰি একেৰাহে হোৱা ধাৰাষাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ পানী ফেনে ফোটোকাৰে বাঢ়িবলৈ লোৱাত শিৱসাগৰ, যোৰহাট, শোণিতপুৰ, ধুবুৰী আৰু নলবাৰী জিলাৰ কেতবোৰ অঞ্চল পুনৰ জলমগ্ন হৈ পৰিছে।

ইফালে পশ্চিম বংগ আৰু বিহাৰত হোৱা বানপানীয়ে ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰেলপথৰ বেয়াকৈ ক্ষতি সাধন কৰাৰ ফলত অসমলৈ অত্যাৱশ্যকীয় সা-সামগ্ৰীৰ যোগান যোৱা প্ৰায় এমাহ ধৰি অনিয়মীয়া হৈ আছে। ফলত ৰাজ্যখনত যোৱা কেইদিনত বিভিন্ন সামগ্ৰীৰ মূল্য অত্যধিক বৃদ্ধি পাইছে।





OKDISCD

* কেন্দ্ৰীয় বাণিজ্য দপ্তৰৰ ৰাজ্য মন্ত্ৰী প্ৰিয়ৰঞ্জন দাস মুন্সীয়ে. চাহ ব'ৰ্ডৰ সদৰ কাৰ্যালয় অসমলৈ আনিবলৈ বিচাৰি ৰাজ্য চৰকাৰে "চাহ উদ্যোগৰ বাণিজ্যিক স্বাৰ্থৰ লগত ৰাজনীতিক জড়িত কৰিব খুজিছে" আৰু এইটো "অসংগত" কথা হৈছে বুলি অলপতে শিলচৰত কৰা মন্তব্যৰ অসমৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই তীব্ৰ প্ৰতিবদ জনাইছে। শ্ৰীমহন্তই স্পষ্টভাৱে কয় যে দেশৰ শতকৰা ৬০ ভাগৰো অধিক চাহ উৎপাদন কৰা অসমৰ শ্ৰীবৃদ্ধিৰ সৈতে চাহ উদ্যোগৰো শ্ৰীবৃদ্ধি জড়িত হৈ আছে। গতিকে চাহ উদ্যোগৰ বাণিজ্যিক স্বাৰ্থৰ কথা অসমতকৈ নিশ্চয় আন কোনোৱে ইমান বেছিকৈ ভাবিব নোৱাৰে! তেওঁ অভিযোগ কৰি কয় যে চাহ ব'ৰ্ডৰ সদৰ কাৰ্যালয় অসমলৈ স্থানান্তৰ কৰাৰ প্ৰচেষ্টাত বাধা দিবলৈ ন্যস্ত স্বাৰ্থজড়িত মহলে চলোৱা প্ৰচেষ্টাৰ অংশীদাৰ হৈ শ্ৰীদাস মুন্সীয়েহে বিষয়টোৰ সৈতে ৰাজনীতিক মিহলি কৰিছে।

## ইণ্ডিয়ান এক্সপ্ৰেছত তালাচী

যোৱা ২ তাৰিখে ইণ্ডিয়ান এক্সপ্ৰেছৰ বিভিন্ন ঠাইত থকা কাৰ্যালয়সমূহত খানাতালাচী চলাই ৰাজহ চোৰাংচোৱা সংস্থাই (DRI) ৩৩'৫ লাখ টকাৰ আমদানি শুল্ক ফাকি দিয়াৰ ঘটনা ধৰা পেলায় বুলি প্ৰকাশ কৰা হৈছে। ইফালে কাকতখনৰ মালিক পক্ষই এই কাৰ্যক সম্পূৰ্ণ ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত কাম বুলি অভিহিত কৰি কয় যে যোৱা কিছুদিন ধৰি চৰকাৰৰ বিৰুদ্ধে উঠা অভিযোগসমূহ কাকতখনে প্ৰকাশ কৰা বাবে প্ৰতিশোধমূলক ব্যৱস্থা হিচাপেই এই কাম কৰা হৈছে।

কাকতখনৰ মালিক ৰামনাথ গোৱেংকাই এটা বিবৃতিত কয় যে ইণ্ডিয়ান এক্সপ্ৰেছে চৰকাৰৰ পৰা কোনো দিনেই কোনো সুবিধা বিচৰা নাই; আৰু কাকতখনৰ বিৰুদ্ধে চৰকাৰে কৰা যিকোনো তদন্তৰ সন্মুখীন হ'বলৈ তেওঁলোক সম্পূৰ্ণ সাজু আছে। প্ৰেছৰ সামগ্ৰী কিনোতে ডঃ ত্ৰিনাৰ নামৰ এজন লোকে ইণ্ডিয়ান এক্সপ্ৰেছৰ হৈ ২,০০,০০০ ডলাৰ দিয়া বুলি তোলা অভিযোগৰ কথা উল্লেখ কৰি তেওঁ কয় যে আমদানি অনুজ্ঞাপত্ৰখনত তেতিয়ালৈকে চৰকাৰে অনুমোদন নজনোৱাৰ বাবে মেছিন যোগান ধৰা কোম্পানিটোৰ সৈতে কৰা চুক্তিখন যাতে বাহাল থাকে তাৰ বাবে ডঃ ত্ৰিনাৰক তেওঁৰ হাতৰ পৰা এই ধনখিনি দিবলৈ অনুৰোধ কৰা হয়। অৱশ্যে চৰকাৰৰ পৰা প্ৰয়োজনীয় অনুমোদন লাভ কৰাৰ লগে-লগে ডঃ ত্ৰিনাৰক ধনখিনি পৰিশোধ কৰি দিয়া হয় বুলি তেওঁ কয়। ডঃ ত্ৰিনাৰ ব্যক্তিগত বন্ধু হোৱা বাবে তেওঁক মুক্তভাৱেই অনুৰোধ কৰা হৈছিল আৰু এই ক্ষেত্ৰত গোপন লেনদেনৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে বুলি শ্ৰীগোৱেংকাই প্ৰকাশ কৰে।

দেশ বিদেশৰ বিভিন্ন সংবাদ মাধ্যমৰ লগতে ই-কংগ্ৰেছৰ কমলাপতি ত্ৰিপাঠী আৰু আন কেইবাজনো সংসদ-সদস্যকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে এই খানাতালাচীৰ বাবে গভীৰ ক্ষোভ প্ৰকাশ কৰিছে আৰু এই কাৰ্যক বাতৰি কাকতৰ স্বাধীনতাৰ ওপৰত পোনপটীয়া হস্তক্ষেপ বুলি অভিহিত কৰিছে।

* চীনৰ ছাংহাই চহৰৰ ওপৰেদি অলপতে থালৰ আকৃতিৰ এক অদ্ভুত পদাৰ্থ উৰি ফুৰা দেখা গৈছিল। ইয়াৰ ফলত চহৰখনৰ বিদ্যুৎ যোগান ব্যাহত হৈছিল আৰু অন্যান্য যন্ত্ৰ-পাতি কিছুমানো বিকল হৈ গৈছিল বুলি ঝিনহুৱাৰ বাতৰিত প্ৰকাশ।

ছাংহাই নিৰীক্ষণ কেন্দ্ৰৰ জ্যোতির্বিদসকলে পদাৰ্থটো দেখা চহৰখনৰ বিভিন্ন অঞ্চলৰ লোকসকলৰ সাক্ষ্য গ্ৰহণ কৰি এই সিদ্ধান্ত গ্ৰহণ কৰে যে ৰঙা, উজ্জ্বল এই পদাৰ্থটো পৃথিৱীৰ পৰা নিক্ষেপ কৰা মহাকাশ যানৰ টুকুৰা হ'ব পাৰে, অথবা পৃথিৱী আৰু বায়ুমণ্ডলৰ মাজত হোৱা পাৰস্পৰিক ক্ৰিয়াৰ ফলত সৃষ্টি হোৱা এক প্ৰাকৃতিক প্ৰক্ৰিয়াও হ'ব পাৰে।

## কবিতাও আন্দোলন-সংঘৰ্ষৰ অস্ত্ৰ

দক্ষিণ কোৰিয়াৰ এচাম বিসম্বাদী লোকে শিলগুটি আৰু গেছ'লিন বোমাৰে চৰকাৰৰ সৈতে সংঘৰ্ষ চলায় যদিও অনেকে আকৌ ইয়াৰ বাবে কবিতাকহে এপাট অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। সেই দেশৰ এগৰাকী বিশিষ্ট বিসম্বাদী কবি ক' উনৰ মতে, "কোৰিয়াৰ এগৰাকী কবিৰ ভূমিকা কেৱল অনুভূতিৰ বিষয়ে লিখাটোৱেই নহয়, তেওঁলোকে ইতিহাসৰ গতি সম্পৰ্কেও লিখিবলগীয়া হয়।" তেওঁৰ মতে কবিতা হ'ল ইতিহাসৰ গীত। ছোল ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু বিশিষ্ট সমালোচক পাইক নাকচুঙে কয় যে কবিতাই সেই দেশৰ ভালেমান গণতান্ত্ৰিক আন্দোলনৰ কৃতকাৰ্যতাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি আহিছে।

দক্ষিণ কোৰিয়া চৰকাৰে নিজেও ভালেমান কবিতা আৰু কবিতাপুথি নিষিদ্ধ কৰাৰ আৰু কবিক কাৰাৰুদ্ধ কৰাৰ কথা স্বীকাৰ কৰিছে। কিম চি-হা নামৰ এনে এজন কবি ভালেমান বাৰ গ্ৰেপ্তাৰ হোৱাৰ লগতে এবাৰ আনকি মৃত্যুদণ্ডেৰেও দণ্ডিত হোৱা বাবে (অৱশ্যে পাছত মৃত্যুদণ্ডৰ আদেশ পৰিহাৰ কৰা হয়।) তেওঁৰ নাম আজি দক্ষিণ কোৰিয়াৰ ঘৰে ঘৰে।

চৰকাৰ-বিৰোধী বিক্ষোভসমূহত বিসম্বাদী কবিতাসমূহ উচ্চস্বৰে পঢ়ি শুনোৱা হয়। এনেবোৰ কবিতাপুথি চৰকাৰে নিষিদ্ধ কৰা সত্ত্বেও দোকানসমূহত গোপনে বিক্ৰি কৰা হয় আৰু জনসাধাৰণেও এনে পুথিসমূহ অতি আগ্ৰহেৰে কিনে।



# কুলদীপ নায়াৰ

## ৰাইজৰ আস্থা অবিহনে

মাখনলাল ফোটেদাৰক মন্ত্ৰীসভাৰ পাঁচ নম্বৰত স্থান দিয়া এখন চৰকাৰৰ পক্ষে নিজকে প্ৰশংসা কৰাৰ বৰ বেছি সুবিধা নাই। আৰু তেওঁতকৈ তলত স্থান দিয়া অৰ্জুন সিং, কৃষ্ণ চন্দ্ৰ পন্ত আৰু বসন্ত সাথেৰ দৰে জ্যেষ্ঠ মন্ত্ৰীসকলে এই কামৰ প্ৰতিবাদ নকৰাটোৱে মন্ত্ৰীসভাত আত্মবিশ্বাসৰ অভাৱৰ কথাকে সূচায়। তেওঁলোকে সম্ভৱ তেওঁলৈ (ফোটেদাৰলৈ) ভয় কৰে; কাৰণ তেওঁ এতিয়াও প্ৰধান মন্ত্ৰীৰ ঘৰতে থাকে আৰু প্ৰকৃততে তাৰপৰাই কাম চলায়।

জ্যেষ্ঠ পৰ্যায়ত বিষয়াসকলৰ মাজত আত্মবিশ্বাস ইমানেই নিম্নগামী হৈছে যে গতানুগতিক ফাইলসমূহৰ হস্তান্তৰৰ বাহিৰে চৰকাৰী কাম-কাজ আচলতে অচল হৈ আছে। এজন বিষয়াই কৈছেই: "মন্ত্ৰীসকলে ফাইলত কিবা এটা লিখিবলৈকে ভয় কৰে আৰু সচিবসকলেও দৃঢ় পৰামৰ্শৰ সললি দায়িত্ব এৰাই চলাৰ অৰ্থে কেৱল প্ৰস্তাৱসমূহ আগুৱাই দি আছে।"

প্ৰতিৰক্ষা মন্ত্ৰণালয়ত কিনিব লগীয়া সামগ্ৰীৰ বিষয়ে ভালেমান সিদ্ধান্ত ল'ব লগীয়া আছে। (ইয়াৰে কেতবোৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত ততাতৈয়াকৈ লগা সামগ্ৰী সম্পৰ্কীয়।) কিন্তু কোনো মন্ত্ৰী বা বিষয়া সেইবোৰৰ বিষয়ে সিদ্ধান্ত ল'বলৈ সাজু নহয়। কিহে কেতিয়া তেওঁলোকক বিপদত পেলাব পাৰে তেওঁলোকে নাজানে। কাৰণ তেওঁলোকে বাহিৰৰ লোকতকৈ ভালদৰে জানে যে আচলতে প্ৰতিটো প্ৰতিৰক্ষা লেনদেনৰ ক্ষেত্ৰত প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে ঘোচৰ কাৰবাৰ চলে; আনকি ছোভিয়েট দেশৰ সৈতে হোৱা কেতবোৰ লেনদেনো হেনো এনে কাৰ্যৰপৰা মুক্ত নহয়।

দেশখনে ভালেমান গুৰুতৰ সমস্যাৰ সন্মুখীন হোৱাৰ সময়তে চৰকাৰখনক অচল কৰি পেলোৱা এই নিষ্ক্ৰিয়তাৰ সৃষ্টি হৈছে। উদাহৰণ স্বৰূপে খৰাংবতৰে সাতখন উত্তৰ ভাৰতীয় ৰাজ্যৰ শস্য নষ্ট কৰাৰ কথাকে ধৰক। বিষয়টো চোৱাৰ অৰ্থে কেন্দ্ৰত এখন কেবিনেট উপ-সমিতি গঠন কৰা হৈছে, ---যাতে কিবা ভুল হলে তাৰ দায়িত্ব কোনো এটা মন্ত্ৰণালয়ৰ ওপৰত নপৰাটো নিশ্চিত কৰিব পাৰি। তথাপি সকলো পৰ্যায়তে শ শ কোটি টকা জড়িত থকা সিদ্ধান্তসমূহ ল'ব লাগিবই; কিন্তু বৰ্তমানৰ পৰিবেশত "ক্ষতিকৰ ছিদ্ৰ"ৰ বাবে কোনেও নিজকে দোষী কৰিব নোখোজে। আৰু তেনে ছিদ্ৰৰ উদ্ভৱ হ'বই।

চৰকাৰখন জনপ্ৰিয় হোৱা হ'লেও ই ৰাইজক পেটত গামোছা বান্ধিবলৈ এক কাৰ্যকৰী ধৰণৰ গোহাৰি জনাব পাৰিলেহেঁতেন। এতিয়া এনে ধৰণৰ কথা-বতৰাই বিদ্ৰূপৰহে উদ্ৰেক কৰিব; কাৰণ চৰকাৰখন, প্ৰধানমন্ত্ৰী, মন্ত্ৰীসকল আৰু তেওঁলোকৰ সম্বন্ধীয় লোক, আৰু বিষয়াসকল নিজৰ বাবে ধন গোটোৱাৰ প্ৰতি যিমান আগ্ৰহী দেশৰ কল্যাণৰ হকে সিমান আগ্ৰহী নোহোৱা ব্যৱসায়ীহে বুলি এটা ধাৰণাৰ সৃষ্টি হৈছে। খৰাংপীড়িত অঞ্চললৈ সাহায্য বিতৰণৰ ক্ষেত্ৰতে বিশ্বাসযোগ্যতাৰ অভাৱ ঘটা এখন চৰকাৰে পঞ্জাবৰ দৰে সমস্যাৰ সমাধান কৰিব বুলি আশাই কৰিব নোৱাৰি। স্বৰ্গীয় হৰচান্দ সিং লংগোৱালৰ সৈতে কৰা চুক্তিখনকে কামত লগাব নোৱৰা ৰাজীৱ গান্ধীৰ বাবে ৰাজনৈতিক সমাধানৰ উদ্দেশ্যে অৰ্থপূৰ্ণভাৱে আলোচনা কৰাৰ কোনো সুৰুঙা নাথাকিল।

আনকি চাৰি বছৰীয়া জাতিগত সংঘৰ্ষৰ সমাধানৰ পথ মুকলি কৰা শ্ৰীলংকা চুক্তিয়েও চৰকাৰলৈ আনিব লগা সুফলখিনি নানিলে। ৰাজীৱ গান্ধীৰ ওপৰত ৰাইজৰ আস্থা কমিছে আৰু তেওঁলোকে শ্ৰীলংকা চুক্তিখনকো সন্দেহৰ চকুৰে চাইছে। তেওঁলোকে তেওঁক পাব লগা স্বীকৃতিখিনিও দিব নোখোজে।

জনসাধাৰণৰ আস্থা বৃদ্ধি কৰিবলৈ হলে ৰাজীৱ গান্ধীয়ে তেওঁৰ বিৰুদ্ধে বফৰছ কামান লেনদেনৰ সৈতে জড়িত থকাৰ অভিযোগৰ পৰা নিজকে মুক্ত কৰিব লাগিব। তেওঁৰ নামটো পৰিষ্কাৰ কৰাৰ এটা সুযোগ আছিল যুটীয়া সংসদী সমিতিৰ প্ৰস্তাৱটো। কিন্তু ইয়াৰ অনুসন্ধানৰ পৰিসৰ বৃদ্ধি কৰিবলৈ বিৰোধীপক্ষই কৰা দাবী মানি নলৈ, আৰু ছাবমেৰিন লেনদেনক তদন্তৰ অন্তৰ্ভুক্ত নকৰি তেওঁ এই সুযোগটোও হেৰুৱালে।

যুটীয়া সমিতিৰ অধ্যক্ষ পদ আৰু শতকৰা ৫০ ভাগ সদস্যৰ বাবে বিৰোধীপক্ষই কৰা দাবী ই-কংগ্ৰেছে 'না' কৰাৰ কিছু যুক্তি আছে, কাৰণ তেওঁলোকে বেইমানী কৰা হ'ব বুলি সন্দেহ কৰে। দলটোৰ এজন নেতাই কৈছেই: "আমি বিপদৰ সম্ভাৱনা চপাই ল'ব নোৱাৰোঁ।" কিন্তু বিৰোধী নেতাসকলে যেতিয়া সমিতি গঠনৰ বিষয়টো ই-কংগ্ৰেছলৈ এৰি দিলে, তেতিয়া এই দলে প্ৰয়োজনতকৈ অলপ আগবাঢ়ি গৈও তেওঁলোকৰ লগত একমত হোৱাৰ চেষ্টা কৰিব পাৰিলেহেঁতেন। প্ৰধান মন্ত্ৰী আৰু ই-কংগ্ৰেছ দলটোৰ বাবে লাভ-লোকচানৰ বাজিটো বৰ গুৰুত্বপূৰ্ণ আছিল। বিৰোধী সদস্য অন্তৰ্ভুক্ত হোৱা এখন সমিতিয়ে কৰা তদন্ত জনসাধাৰণৰ গ্ৰহণযোগ্য হ'লহেঁতেন। এতিয়া এই তদন্তক চুণ-তেল দি ওপৰে-ওপৰে পৰিষ্কাৰ কৰাৰ এক কছৰত বুলিহে বিবেচনা কৰা হ'ব।

সমিতিখনৰ গঠন আৰু ইয়াৰ অনুসন্ধানৰ বিষয় লৈ চৰকাৰৰ সৈতে আলোচনাত বহা সংসদৰ তেলুগু দেশমৰ নেতা পি. উপেন্দ্ৰই মোক ক'লে যে কোনো চুক্তিত উপনীত হ'ব



OKDISCD

পৰা নগ'ল, কাৰণ "চৰকাৰে কিবাকিবি লুকুৱাই ৰখাৰ ধাৰণা এটাহে দিলে।" আন এজন বিৰোধী নেতাই ক'লে যে তদন্ত সমিতিৰ "কামকাজ"ৰ ক্ষেত্ৰত চৰকাৰৰ ঐকান্তিকতা নাই।

ই·কংগ্ৰেছৰ ৩০ জন লোকসভাৰ সদস্যৰ সৈতে কথা পাতি মই চৰকাৰেনো বিৰোধীপক্ষক কিয় অন্তৰ্ভুক্ত নকৰে তাৰ কাৰণ জানিবলৈ চেষ্টা কৰিছিলো। তেওঁলোকৰ প্ৰায় আটাইকেইজনেই ক'লে যে তেওঁলোকে কোনো বিপদৰ সম্ভাৱনাক প্ৰশ্ৰয় দিব নোখোজে; কাৰণ প্ৰধান মন্ত্ৰী ঘটনাবোৰৰ লগত "পৰোক্ষভাৱে জড়িত"। যদিহে নিৰ্বাচন এবছৰৰ পাছতে হ'লহেঁতেন, অথবা যদিহে লোকসভা ভংগৰ বিষয়টো তেওঁলোকৰ ওপৰত ডমিক্লছৰ তৰোৱালৰ দৰে ওলমি নাথাকিলহেঁতেন, তেন্তে তেওঁলোকে তেওঁৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলেহেঁতেন।

উল্লেখযোগ্য যে প্ৰধান মন্ত্ৰীৰ সচিবালয় এতিয়াও সংখ্যাৰ খেলটোতে লাগি আছে। লোকসভাত সংখ্যাগৰিষ্ঠতা থকালৈকে জনসাধাৰণ অথবা বাতৰি কাকতৰ মতামত লৈ মূৰ ঘমাব লগা নাই বুলিয়েই তেওঁলোকে বিশ্বাস কৰে। সচিবালয়টোৱে এই কথা উপলব্ধি কৰা নাই যে জনসাধাৰণ ইমানেই ক্ৰোধান্বিত হৈ আছে যে নিৰ্বাচন অনুষ্ঠিত হ'লেই তেওঁলোকে প্ৰতিশোধ ল'ব।

ধুমুহাৰ মাজেদি নিৰাপদে পাৰ হৈ আহিলো বুলি ই-কংগ্ৰেছে যে এটা ধাৰণা পুহি ৰাখিছে, তাত আচৰিত হ'ব লগীয়া একো নাই। সংসদৰ অধিবেশনৰ কেনেবাকৈ অন্ত পৰাৰ পাছত দুৰ্নীতিৰ বিষয়বোৰ উত্থাপন কৰিব পৰা একো মঞ্চই নাথাকিব। সেইটোকে হিচাপ কৰা হৈছে। আৰু অহা অধিবেশনৰ আগতে গোটেই বিষয়টো চুণ-কাম কৰি পৰিষ্কাৰ কৰি পেলোৱা সমিতিৰ প্ৰতিবেদনখন সাজু হৈ উঠিব। সেয়ে নহলেও, বিৰোধী পক্ষই অহা দুই বা তিনি মাহলৈ বৰ্তমানৰ সংঘৰ্ষৰ গতি অব্যাহত ৰাখিব নোৱাৰিব; জনসাধাৰণে তথ্যভিত্তিক প্ৰমাণ বিচাৰিব আৰু তেনেকুৱা প্ৰমাণ পোৱা নাযাব।

কোনো উপযুক্ত প্ৰমাণ পোৱা নাযাব বুলি অনুমান কৰিব পৰা অৱস্থাত কংগ্ৰেছ আৰু এই দলৰ প্ৰতি আনুগত্য প্ৰকাশ কৰা দলসমূহেৰে গঠিত সমিতিৰ সদস্যসকলে যুগুত কৰা প্ৰতিবেদনখনৰ ওপৰত জনসাধাৰণে আস্থা স্থাপন কৰিব বুলি কল্পনা কৰাটো টান। উচ্চ স্থানত হোৱা দুৰ্নীতিৰ বিষয়ে জনসাধাৰণ ইমানেই পতিয়ন গৈছে যে আনকি সৰ্ব-দলীয় তদন্তয়ো প্ৰধান মন্ত্ৰীৰ ভাবমূৰ্তি পুনৰ প্ৰতিষ্ঠা কৰিব নোৱাৰিব। তেওঁ আৰু তেওঁৰ পৰিয়ালৰ লোকসকল কোনো ক্ষেত্ৰতে জড়িত নহয় বোলা তেওঁৰ বিবৃতিটোৱে বিবাহৰ জৰিয়তে হোৱা তেওঁৰ ইটালীয় মিতিৰ-কুটুমৰ বিষয়ে প্ৰশ্নৰ উদ্ৰেক কৰিছে "পৰোক্ষভাৱে জড়িত থকাৰ" সন্দেহো সৃষ্টি কৰিছে।

বিৰোধৰ শক্তি অব্যাহত ৰখাৰ বিষয়ে বিৰোধীদলসমূহ অৱগত। জয় প্ৰকাশ নাৰায়ণে শ্ৰীমতী গান্ধীৰ আমোলত চলা দুৰ্নীতিৰ বিৰুদ্ধে যুঁজিবলৈ গঠন কৰাৰ দৰে এক সংঘৰ্ষ সমিতি গঠন কৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে। জয় প্ৰকাশ নাৰায়ণে আটাইবোৰ ৰাজনৈতিক দলকে সেই সমিতিৰ সৈতে জড়িত কৰিছিল; তেতিয়া ছি· পি· এম দলে সীমাত বহি আলেখ-লেখ চাইছিল, আৰু শ্ৰীমতী গান্ধীক সমৰ্থন কৰা ছি· পি. আই দলে সমিতিত যোগ দিয়া নাছিল। এতিয়া ছি· পি. এম দলে ৰাজীৱ গান্ধীক পদত্যাগ কৰিবলৈ আহ্বান জনাই যুঁজলৈ আহ্বান জনালেই। কমিউনিষ্টসকলে এইবাৰ ভাৰতীয় জনতা পাৰ্টিক বাহিৰত ৰাখিলে এক আন্দোলন আৰম্ভ কৰাৰ অৰ্থে যিকোনো সমন্বয়ৰক্ষী সমিতিত যোগ দিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। এচাম লোকে কমিউনিষ্ট আৰু বি· জে· পি. উভয় পক্ষকে প্ৰস্তাৱিত সমিতিৰ পৰা নিলগাই ৰাখি, ব্যক্তিগতভাৱে এনে অভিযানত যোগ দিব খোজা তেওঁলোকৰ সদস্যসকলকহে আদৰণি জনোৱাৰ সপক্ষে মত প্ৰকাশ কৰিছে। অৱশ্যে এনে যিকোনো সমিতিৰ বিশ্বনাথ প্ৰতাপ সিঙেই নায়ক হ'ব যেন লাগিছে।

ই·কংগ্ৰেছে শ্ৰীসিঙৰ বিৰুদ্ধে এক বুবু·বা বা আৰম্ভ কৰিছে আৰু তেওঁ "আৰ· এছ· এছ" বা "মাফিয়া" বোৰৰ সৈতে হাত মিলাইছে বুলিও অভিযোগ তুলিছে। তেওঁৰ বিৰুদ্ধে "কেতবোৰ অভিযোগ" তুলি প্ৰধান মন্ত্ৰীৰ হাতত এখন স্মাৰক পত্ৰও দিয়া হৈছে। আশ্চৰ্যজনকভাৱে প্ৰধানমন্ত্ৰীয়ে অলপো সময় নষ্ট নকৰি স্মাৰক পত্ৰখন গৃহ মন্ত্ৰণালয়লৈ পঠাই দিছে। এনে এক মানহানিৰ অভিযান জয় প্ৰকাশ নাৰায়ণৰ বিৰুদ্ধেও চলোৱা হৈছিল। কিন্তু তেওঁ ইমানেই ডাঙৰ আছিল যে এনে অভিযানে তেওঁক কোনো অসুবিধাত পেলাব পৰা নাছিল। তদুপৰি তেওঁৰ বিৰুদ্ধে কোৱা কথাবোৰৰ ওপৰত গুৰুত্ব নিদি তেওঁ শ্ৰীমতী গান্ধীৰ বিৰুদ্ধে যুঁজাৰ অৰ্থে সম-ভাবাপন্ন শক্তিসমূহক একত্ৰিত কৰাৰ কামত আত্মনিয়োগ কৰিছিল। শ্ৰীসিঙৰ এনে শক্তি আৰু মানসিক বল আছে বুলিয়েই অনেকে আশা কৰে। অৱশ্যে এতিয়াৰপৰ তেওঁ বিশ্বাসযোগ্যতা সম্পৰ্কে সন্দেহযুক্ত আৰু সাম্প্ৰদায়িক ভাবাপন্নসকলৰ পৰা আঁতৰত থাকিব লাগিব।

যদিহে আন্দোলন আৰম্ভ হয়, তেন্তে চৰকাৰৰ ভিত্তি আৰু ক্ষতিগ্ৰস্ত হ'ব। অলপহে জনপ্ৰিয় সমৰ্থন বাকী থকা অৱস্থাত চৰকাৰনো কেনেকৈ আন্দোলনটোৰ সন্মুখীন হ'ব? তদুপৰি, দেশখনে বৰ্তমান সন্মুখীন হোৱা সমস্যাসমূহনো ৰাজীৱ গান্ধীয়ে কেনেকৈ চম্ভালিব?





# ইৰাক-ইৰান যুদ্ধ

## মাৰ্কিন হস্তক্ষেপৰ বিপদ

ড° সুনীল পৱন বৰুৱা

ইৰাক-ইৰান যুদ্ধৰ অৱসান ঘটাবলৈ ৰাষ্ট্ৰসংঘই চলোৱা শেহতীয়া প্ৰচেষ্টাত ইৰানে ইতিবাচক সঁহাৰি জনোৱাৰ চিন দেখা গৈছে। নিৰাপত্তা পৰিষদত গৃহীত প্ৰস্তাৱৰ সন্দৰ্ভত ইৰানে নিজৰ মনোভাব প্ৰকাশ কৰি জনাইছে যে উপসাগৰীয় যুদ্ধৰ ওৰ পেলাবলৈ ৰাষ্ট্ৰসংঘৰ সচিব-প্ৰধানে চলোৱা প্ৰচেষ্টাত সহযোগিতা কৰিবলৈ তেওঁলোক প্ৰস্তুত আছে। অৱশ্যে ততালিকে যুদ্ধ বিৰতিৰ বাবে জনোৱা আহ্বানৰ প্ৰতি ইৰানে সঁহাৰি জনোৱাৰ বৰ্তমানলৈকে কোনো ইংগিত পোৱা হোৱা নাই। উল্লেখযোগ্য যে চলিত মাহত সাত বছৰ সম্পূৰ্ণ হোৱা ইৰাক-ইৰান যুদ্ধৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে যোৱা ২০ জুলাই তাৰিখে সৰ্বসন্মতভাৱে গ্ৰহণ কৰা এক গুৰুত্বপূৰ্ণ প্ৰস্তাৱত যুদ্ধত জড়িত দুয়োটা পক্ষকে এক আপোচ-মীমাংসাৰ বাবে প্ৰথম পৰ্যায়ত ততালিকে যুদ্ধ বিৰতি পালন কৰি, জল-স্থল সকলো ক্ষেত্ৰতে সামৰিক কাৰ্য-কলাপ স্থগিত ৰাখি, তেওঁলোকৰ সৈন্য বাহিনীক অনতিপলমে আন্তঃৰাষ্ট্ৰীয় সীমাৰ ভিতৰলৈ নিয়াৰ দাবী জনাইছে। নিৰাপত্তা পৰিষদে ৰাষ্ট্ৰসংঘৰ সচিব-প্ৰধানক সংশ্লিষ্ট পক্ষসমূহৰ সহযোগিতাৰে পৰিষদৰ প্ৰস্তাৱ কাৰ্যকৰী কৰিবলৈ, আৰু দুয়োটাপক্ষৰ বাবে গ্ৰহণযোগ্য এক ন্যায়সংগত, সন্মানজনক মীমাংসাত উপনীত হ'বপৰাকৈ আপোচকাৰীৰ ভূমিকা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। ইৰাক·ইৰান যুদ্ধৰ প্ৰসংগত গৃহীত নিৰাপত্তা পৰিষদৰ ৫৯৮ নম্বৰ প্ৰস্তাৱত "সৰ্বসন্মত" আৰু "দাবী",—এই দুয়োটা শব্দই উপসাগৰীয় যুদ্ধৰ ততালিকে অৱসান ঘটাবলৈ প্ৰয়োজনীয় আৱশ্যকতা, আৰু সদস্যসকলৰ মাজত দেখা দিয়া উদ্বেগৰ কথা প্ৰকাশ কৰিছে। এই কথা স্মৰণযোগ্য যে প্ৰায় দুবছৰৰ আগতে সচিব-প্ৰধানে চলোৱা এনে এক প্ৰচেষ্টা ইৰানে ৰাষ্ট্ৰসংঘৰ অনিৰপেক্ষ ভূমিকাক সমালোচনা কৰি পোনপটীয়াভাৱে নাকচ কৰিছিল। তেতিয়া তেওঁলোকৰ প্ৰধান অভিযোগ আছিল যে উপসাগৰীয় যুদ্ধখনৰ পাতনি মেলা (ছেপ্টেম্বৰ ১৯৮০) ইৰাকক গৰিহণা দিয়াত ৰাষ্ট্ৰ সংঘ ব্যৰ্থ হৈছে। ফল স্বৰূপে ইৰাকে যুদ্ধ বিৰতিৰ বাবে ৰাষ্ট্ৰসংঘৰ ওচৰত বহুবাৰ একপক্ষীয়ভাৱে প্ৰস্তাৱ আগ বঢ়ালেও ইৰানে যুদ্ধৰ অৱসান ঘটাবলৈ কোনো আগ্ৰহ প্ৰকাশ কৰা নাছিল। ইৰানৰ স্পষ্ট অভিমত আছিল যে ইৰাকী প্ৰেছিডেণ্ট ছাদ্দাম হুছেইনৰ পতন নঘটালৈকে যুদ্ধ চলি থাকিব; যুদ্ধ বিৰতি বা আপোচৰ প্ৰশ্ন নুঠে। বাস্তৱিকতে যোৱা সাতোটা বছৰত ইৰাক·ইৰান যুদ্ধৰ স্থিতিৰ বিশেষ সালসলনি ঘটা নাই। এই যুদ্ধখন চলি থকাত আৰ-গুণিৰে পৰা দুজন উচ্চাকাংক্ষী মদগৰ্বী নেতা—প্ৰেছিডেণ্ট ছাদ্দাম হুছেইন আৰু আয়াতুল্লা খোমেনিৰ ব্যক্তিগত জেদ, আৰব-ইৰানীৰ গোষ্ঠীগত, উপজাতীয়, অথবা জাতীয় বৈৰিতা, চিয়া-চুন্নিৰ পৰম্পৰাগত ধৰ্মীয় মতানৈক্য, আৰু লগতে ইৰানত আৰম্ভ হোৱা ইছলামী মৌলিকতাবাদী গণ-বিপ্লৱে আৰব দেশসমূহত স্থিতাৱস্থা নাকচ কৰাৰ ভাবুকিয়ে প্ৰায় একেধৰণেৰে অৰিহণা যোগাই আহিছে। বৰং চলিত ঘটনাৱলীৰ লগত আৰব দেশসমূহলৈ ইৰানৰ ইছলামী গণ-বিপ্লৱৰ ঢৌ বিয়পাই দিয়াৰ চেষ্টা আৰু ইয়াৰ প্ৰতিৰোধৰ বাবে গ্ৰহণ ব্যৱস্থাৰ ফলত উদ্ভৱ হোৱা আনুষংগিক পৰিস্থিতিয়ে উপ-সাগৰীয় যুদ্ধখনৰ বৃদ্ধি কৰাতহে সহায় কৰিছে। সম্প্ৰতি নিৰাপত্তা পৰিষদৰ প্ৰস্তাৱত আলোচনাৰ বাবে কিছু ইতিবাচক দিশ আছে বুলি ইৰানে কিছু নৰম ভাব প্ৰকাশ কৰিছে। সেইকাৰণে তেওঁলোকে প্ৰস্তাৱটো পোনপটীয়াভাৱে নাকচ নকৰি আলোচনাৰ বাবে সচিব-প্ৰধানক তেহৰানলৈ আমন্ত্ৰণ জনাইছে। অৱশ্যে শেহতীয়াভাৱে ৰাষ্ট্ৰসংঘৰ যুদ্ধবিৰতিৰ প্ৰস্তাৱত সন্মতি জনাবৰ ব্যবে পশ্চিমীয়া শক্তিসমূহে ইৰানৰ ওপৰত প্ৰচণ্ড হেঁচা প্ৰয়োগ কৰিছে। কিন্তু যোৱা প্ৰথম সপ্তাহত ইছলাম ধৰ্মৰ পৰম পবিত্ৰ তীৰ্থস্থান মক্কাত হজ উপলক্ষে সমবেত হোৱা এক বৃহৎ সমাবেশত গণবিপ্লৱৰ সমৰ্থক ইৰানী তীৰ্থযাত্ৰীসকলে বিক্ষোভ প্ৰদৰ্শন কৰাৰ সময়ত ছৌদি আৰবিয়াৰ পুলিছ বাহিনীৰ গুলীচালনা আৰু জনতাৰ হেঁচা-ঠেলাত প্ৰায় ৪০০ লোক নিহত হয়। ইয়াৰ ভিতৰত ২৭৫ জন আছিল ইৰানী। এই ঘটনাই আয়াতুল্লা খোমেনিৰ ইছলামী গণ-বিপ্লৱৰ আপোচ বিহীন যোদ্ধাসকলকৰ অনুভূতিত নতুনকৈ ইন্ধন যোগালে, আৰু ফলস্বৰূপে ইৰানৰ প্ৰধান ঘোষিত শত্ৰু মাৰ্কিন যুক্তৰাজ্য আৰু ইয়াৰ পৃষ্ঠপোষকতা লাভ কৰা সহযোগী আৰব ৰাষ্ট্ৰসমূহৰ বিৰুদ্ধে ঘোষণা কৰা ধৰ্মযুদ্ধই এক নতুন অধ্যায়ত প্ৰবেশ কৰিলে। যোৱা ২ আগষ্টত মক্কাৰ শোকাবহ ঘটনাত নিহত ইৰানী তীৰ্থযাত্ৰীসকলক বাস্তৱিকতে খোমেনি প্ৰশাসনে আৰব জগতত ইছলামী গণ-বিপ্লৱৰ ঢৌ বিয়পাই দিয়া অভিযানত প্ৰাণ আহুতি দিয়া মুক্তিযোদ্ধা বুলি বিবেচনা কৰে। যিহেতুকে ইৰাক-ইৰান যুদ্ধৰ মাধ্যমত ইৰানে ইছলামী গণ-বিপ্লৱৰ সম্প্ৰসাৰণ ঘটাবলৈ বিচাৰিছে, সেয়েহে মক্কাৰ ঘটনাক এতিয়া ইৰাক-ইৰান যুদ্ধৰ পৰা পৃথক কৰি চাব নোৱাৰি। বৰং নিৰাপত্তা পৰিষদৰ প্ৰস্তাৱ মতে ইৰানে যুদ্ধ বিৰতিত সন্মত নোহোৱা পৰিস্থিতিক এই ঘটনাই অধিক জটিল কৰি তুলিব পাৰে।



OKDISCD

ইৰাক-ইৰান যুদ্ধৰ লগত জড়িত প্ৰধান আনুষংগিক বিষয়টো হৈছে পাৰস্য উপসাগৰেদি নিৰাপদে তৈলবাহী জাহাজ চলাচল কৰাৰ সমস্যা। যুদ্ধৰ আৰম্ভণিৰে পৰা এই বিষয়টোৱে যদিও সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল, তথাপি এক স্পষ্টীকৰণত এই সমস্যাই বিশেষ আহুকালৰ সৃষ্টি কৰিব পৰা নাছিল: যুদ্ধত জড়িত দুয়োপক্ষ এই বিষয়ে সম্পূৰ্ণ সজাগ যে তেলৰ পৰিবহনত বাধাৰ সৃষ্টি হলেই উপসাগৰীয় যুদ্ধই ক্ষিপ্ৰভাৱে ব্যাপক ৰূপ গ্ৰহণ কৰি আন্তঃৰাষ্ট্ৰীয় সংঘৰ্ষৰ পথ মুকলি কৰিব। সাম্প্ৰতিক ইৰাক-ইৰান যুদ্ধৰ কেন্দ্ৰস্থল পাৰস্য উপসাগৰ ট্ৰাইগ্ৰিছ আৰু ইউফ্ৰেটিছ নদীৰ সংগমস্থল ছাট-এল আৰবৰ পৰা হৰমুজ প্ৰণালীলৈকে প্ৰায় ১০০০ কিল'মিটাৰ দীঘল। পাৰস্য উপসাগৰ আৰু হৰমুজ প্ৰণালীৰ সমগ্ৰ পূব উপকূল ইৰানৰ দখলত আছে। হৰমুজ প্ৰণালীয়ে যথাক্ৰমে ওমান উপসাগৰক পাৰস্য উপসাগৰৰ লগত সংযুক্ত কৰিছে। তেল উৎপাদনকাৰী দেশসমূহৰ (OPEC) তিনিভাগৰ দুভাগ তেল পাৰস্য উপসাগৰ, অৰ্থাৎ হৰমুজ প্ৰণালীৰ মাজেদি চলাচল কৰে। প্ৰায় ৩০ কিল'মিটাৰ বহল এই প্ৰণালীয়েদি প্ৰতি দিনে ১৬.৮ নিযুত বেৰেল তেল কঢ়িয়াই নিয়া হয়। উপসাগৰীয় যুদ্ধৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ ইৰানে মাজে-মাজে হৰমুজ প্ৰণালী বন্ধ কৰি দিয়াৰ ভাবুকি দিলেও ইয়াৰ সম্ভাব্য প্ৰতিক্ৰিয়াৰ কথা ভাবি দেশখন সেই কাৰ্যৰ পৰা বিৰত থাকিল। কিন্তু পাৰস্য উপসাগৰীয় অঞ্চলত ইৰাক-ইৰানৰ সামৰিক কাৰ্যকলাপ দ্ৰুতভাৱে বৃদ্ধি পোৱাত চলিত বছৰৰ আৰম্ভণিৰে পৰা হৰমুজ প্ৰণালীৰ মাজেদি তেলৰ চলাচল প্ৰতিদিনে ৬ নিযুত বেৰেলৰ আশে-পাশে চলি আছিল। তেল উৎপাদনকাৰী দেশসমূহৰ বাবে উদ্বেগৰ সৃষ্টি কৰি যোৱা মাহৰ প্ৰথম ১০ দিনত তেলৰ চলাচল প্ৰতিদিনে ৬ নিযুত বেৰেলৰ তললৈ নামি আহিছে। বৰ্তমান আন্তঃৰাষ্ট্ৰীয় বজাৰত তেলৰ সৰ্বোচ মূল্য প্ৰতি বেৰেলত ২০ ডলাৰ চলি আছে। অদূৰ ভৱিষ্যতে হৰমুজ প্ৰণালী বন্ধ হৈ গলে তেলৰ প্ৰতি বেৰেলৰ মূল্য ৪০ ডলাৰ, আৰু এই অৱস্থা বেছি দিন চলি থাকিলে ৭৫ ডলাৰলৈ বৃদ্ধি পাব। ৯০ দিনৰ বাবে তেলৰ সংৰক্ষিত ভাণ্ডাৰ থাকিলেও অৰ্থনৈতিক দিশত অতি উন্নত দেশৰ বাবেও এইটো এটা ডাঙৰ সমস্যা হৈ পৰিব। শেহতীয়াভাৱে পাৰস্য উপসাগৰত মাৰ্কিন নৌবাহিনীৰ সক্ৰিয় উপস্থিতিয়ে তেনে এটা সম্ভাৱনাৰ ইংগিত দিছে। যুদ্ধৰ গতি আনফালে ঘূৰাবৰ বাবে ইৰাকে হৰমুজ প্ৰণালী বন্ধ কৰিবলৈ ইৰানক প্ৰৰোচিত কৰি আহিছে। ইৰাকে বৰ্তমান খাৰুৱা তেল ৰপ্তানিৰ বাবে পাৰস্য উপসাগৰৰ পথ ব্যৱহাৰ নকৰে; স্থল পথেৰেহে তেল প্ৰেৰণ কৰে। সেইকাৰণে হৰমুজ প্ৰণালীত জাহাজ চলাচল বাধাগ্ৰস্ত হোৱাৰ পৰিপ্ৰেক্ষিতত উপসাগৰীয় যুদ্ধত ইৰানৰ বিৰুদ্ধে মাৰ্কিন যুক্ত ৰাজ্যক জড়িত কৰিবলৈ ইৰাকে অবিৰাম চেষ্টা চলাই আহিছে। চলিত বছৰৰ প্ৰথম ভাগত তেনে এটা সুযোগ আহিল,— যেতিয়া পাৰস্য উপসাগৰত সম্ভাব্য ইৰানী আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ কুৱেইটৰ ১১ খন তৈলবাহী জাহাজত মাৰ্কিন পতাকা ব্যৱহাৰ কৰিবলৈ মাৰ্কিন প্ৰশাসনে সিদ্ধান্ত কৰে। মাৰ্কিন কংগ্ৰেছে প্ৰেছিডেণ্ট ৰেগানৰ এই সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছিল; কিয়নো ই সাত বছৰীয়া ইৰাক-ইৰান যুদ্ধত মাৰ্কিন যুক্তৰাজ্যক প্ৰত্যক্ষভাৱে জড়িত কৰিব পাৰে। ইৰাকৰ পৃষ্ঠপোষক কুৱেইটক ৰক্ষণাবেক্ষণ দিবলৈ উপসাগৰীয় অঞ্চলত মাৰ্কিন সমৰসজ্জা হৈছে ইৰানৰ প্ৰতি এক সতৰ্ক বাণী। যোৱা মাহৰ প্ৰথম ভাগতে মাৰ্কিন নৌবাহিনীৰ ৰক্ষণাবেক্ষণত চলা কুৱেইটৰ জাহাজ এখন মাইনৰ দ্বাৰা আক্ৰান্ত হোৱাত মাৰ্কিন প্ৰশাসনে মাইন অপসাৰণৰ বাবে এক বাহিনী প্ৰেৰণ কৰিছে। উল্লেখযোগ্য যে যোৱা মে' মাহত পাৰস্য উপসাগৰত মাৰ্কিন যুদ্ধ জাহাজ এখনত ইৰাকী ক্ষেপণাস্ত্ৰই আক্ৰমণ কৰাত ভালেমান মাৰ্কিন নৌ-সেনা নিহত হয়। অৱশ্যে ইৰাকে ভুলবশতঃ হোৱা এই আক্ৰমণৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰে। বৰ্তমানে আন্তঃৰাষ্ট্ৰীয় নৌ পথ মুকলি ৰখা আৰু পাৰস্য উপসাগৰত মাৰ্কিন তথা ইয়াৰ মিত্ৰ ৰাষ্ট্ৰসমূহৰ স্বাৰ্থ ৰক্ষাৰ বাবে এক বৃহৎ মাৰ্কিন নৌ-বাহিনী ওমান সাগৰত উপস্থিত হৈছেহি। দ্বিতীয় মহাযুদ্ধৰ পাছত মধ্যপ্ৰাচ্যৰ জলভাগত এইটোৱেই সবাতোকৈ বৃহৎ সমৰসজ্জা বুলি কোৱা হৈছে। ইয়াৰ গোপন উদ্দেশ্য হৈছে মাৰ্কিন মহলৰ প্ৰধান শত্ৰু ইৰানক এশিকনি দিয়া, পাৰস্য উপসাগৰত ছোভিয়েট নৌ-বাহিনীৰ উপস্থিতিত বাধা প্ৰদান কৰা আৰু পশ্চিম এছিয়াৰ মাৰ্কিন মিত্ৰ দেশসমূহক আশ্বাস দিয়া। কিন্তু মাৰ্কিন প্ৰশাসনৰ বিপদ হৈছে, ইৰানৰ ভৱিষ্যত কৰ্মপন্থা কি হ'ব, সেই কথা তেওঁলোকে নাজানে। প্ৰতিশোধৰ বাবে ইৰান যি কোনো পৰ্যায়লৈ যাব পাৰে। মাৰ্কিন নৌ-বাহিনীৰ লগত ইৰানী বাহিনীৰ মুকলি সংঘৰ্ষ হ'লে মধ্যপ্ৰাচ্যৰ আৰব দেশসমূহত ইয়াৰ তীব্ৰ প্ৰভাৱ পৰিব; কিয়নো, ইৰানৰ আয়াতুল্লা খোমেনি অথবা লিবিয়াৰ কৰ্নেল মোৱাম্মাৰ গাদ্দাফিক পশ্চিমীয়া মহলে ধৰ্মান্ধ অথবা গোড়া বুলি নাকচ কৰিলেও, মধ্যপ্ৰাচ্যৰ দেশসমূহত তেওঁলোকৰ এক নিজস্ব ভূমিকা আছে। ইয়াৰ বিপৰীতে আৰব দেশসমূহৰ সৰহভাগ নেতৃত্বৰ ভৱিষ্যত পশ্চিমীয়া স্বাৰ্থৰ ওচৰত বন্ধক দিয়া আছে। এনে অৱস্থাত পশ্চিমীয়া ভাবাপন্ন জাতীয়তাবাদক ধীৰে-ধীৰে উগ্ৰ ইছলামিক জাতীয়তাবাদে অপসাৰণ কৰাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। পশ্চিমীয়া ভাবাপন্ন চলিত নেতৃত্বৰপৰা আৰব জনগণক পৃথক কৰাৰ চেষ্টাত খোমেনি প্ৰশাসন সফল হ'লে মাৰ্কিন হস্তক্ষেপৰ ফলত ইৰাক-ইৰান যুদ্ধৰ দিশ পৰিবৰ্তন হোৱাত পলম নঘটিব।



# পাটকাই অঞ্চলত যন্ত্ৰযুগৰ ধ্বংসলীলা

ৰাণু বৰুৱা

ভূতাত্ত্বিকভাৱে মাটি, বালি, শিল আদিৰে গঠিত, গছগছনিৰে পূৰ্ণ পাটকাই পাহাৰ আজিও অসমৰ পূব সীমান্তৰ সতৰ্ক প্ৰহৰী। কিন্তু পাটকাই পাহাৰ অসমীয়া জাতিৰ বাবে কেৱল গছগছনিৰে ভৰপূৰ স্তূপীকৃত এটা পাহাৰ নহয়; সুদীৰ্ঘ সময় জুৰি এই পাহাৰটোৰ লগত জড়িত হৈ আছে অসমীয়া জাতিটোৰ এটা আবেগিক চিন্তাধাৰা। ত্ৰয়োদশ শতিকাৰ প্ৰথমাৰ্ধত এই পাটকাই পৰ্বতেদিয়েই কুকুৰা বলি দি কোনোদিনে উভতি নোযোৱাৰ প্ৰতিশ্ৰুতিৰে অসমত প্ৰৱেশ কৰিছিল প্ৰবল প্ৰতাপী চাও লুং চুকাফাই। পাটকায়েদি তাই-আহোমসকলৰ প্ৰৱেশৰ ঘটনাটোক অসমৰ ইতিহাসৰ এটা টাৰ্নিং পইণ্ট বুলিবই পাৰি।


সেই ইতিহাস প্ৰসিদ্ধ পাটকাই পাহাৰ আজি আধুনিক সভ্যতাৰ আঁচোৰত ক্ষত-বিক্ষত।




উনবিংশ শতাব্দীৰ শেহৰফালে এই পাটকাই পৰ্বতৰ পাদদেশতেই বৃটিছ বণিকসকলে মুকলি কৰিছিল বৃহৎ পৰিমাণৰ কয়লাৰ ভাণ্ডাৰেৰে বিখ্যাত মাকুম কয়লাখনি। অঞ্চলটোৰ অৱস্থিতিৰ বাবেই হওক বা আন কিবা কাৰণতেই হওক শতাধিক বছৰ পুৰণি এই অঞ্চলৰ কয়লা উদ্যোগটোৰ প্ৰতি সাধাৰণ ৰাইজ আনকি চৰকাৰেও বিশেষ দৃষ্টি দিবলৈ প্ৰয়োজনবোধ নকৰিছিল। ১৯৭৩ চনত কয়লা উদ্যোগ ৰাষ্ট্ৰীয়কৰণ কৰাৰ পাছৰে পৰা চৰকাৰে ক্ষিপ্ৰ গতিৰে ৰাষ্ট্ৰীয় অৰ্থনীতি শক্তিশালী কৰাৰ নামত গ্ৰহণ কৰা অধিক পৰিমাণৰ উৎপাদন কাৰ্যসূচীয়ে অঞ্চলটোলৈ নমাই আনিছে দুখ-দুৰ্দশা। অৰ্থনৈতিক উত্থানৰ বাবে সামাজিক শৃংখল প্ৰক্ৰিয়া ধ্বংস কৰাৰ ভয়াবহ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে কয়লাখনিৰে পৰিবেষ্টিত অসমৰ একেবাৰে পূব সীমান্তৰ লিডু, বৰগোলাই অঞ্চলকে ধৰি বহু মাইল জোৰা এটা সেউজ উপত্যকা। পাটকাই পাহাৰৰ পাদদেশত ঘটিছে পৰিবেশৰ অৱক্ষয়; —ইংৰাজীত যাক বোলা হয় 'ইক'লজিকেল ডিগ্ৰেডেশ্যন'।

পাহাৰৰ গছ-গছনি ক্ৰমান্বয়ে কাটি পেলোৱা হৈছে।





মাত্ৰ কেইলাখটনমান কয়লাৰ বাবেই লিডুত টিকক পাহাৰটো খান্দি পেলোৱা হৈছে

এই সমগ্ৰ অঞ্চলটোলৈ ভয়াবহতা নমাই আনিছে ৰাজহুৱাখণ্ডৰ প্ৰতিষ্ঠান ক'ল ইণ্ডিয়া লিমিটেডে কয়লা খননৰ বাবে ব্যাপকহাৰত নতুনকৈ আমদানি কৰা অ'পন কাষ্ট মাইনিং (open cast mining) নামৰ এটা পদ্ধতিয়ে। অধিক পৰিমাণে কয়লা আহৰণ কৰিবলৈ ১৯৮৩ চনৰে পৰাই ক'ল ইণ্ডিয়া লিমিটেডে বৰগোলাই আৰু টিৰাপ কয়লা ক্ষেত্ৰত অ'পন কাষ্ট পদ্ধতি প্ৰয়োগ কৰিছে। ইয়াৰ আগলৈকে ডিপ মাইনিং (deep mining) ব্যৱস্থাৰ দ্বাৰাই ইয়াত কয়লা খনন কৰা হৈছিল। ডিপ মাইনিং ব্যৱস্থাৰ দ্বাৰা সাধাৰণতে ভূ গৰ্ভত খনন কাৰ্য কৰা হয় বাবে অঞ্চলটোৰ পাৰিপাৰ্শ্বিক অৱস্থাটো সিমান আক্ৰান্ত নহয়। অ'পন কাষ্ট খনন ব্যৱস্থাত ভূ-পৃষ্ঠৰ তললৈ যোৱাৰ পৰিবৰ্তে ভূ-পৃষ্ঠৰ উপৰিভাগতে খনন-কাৰ্য কৰা হয়। ডিপ মাইনিং ব্যৱস্থাতকৈ অ'পন কাষ্ট ব্যৱস্থা বহু বেছি ক্ষতিকৰ। এই ব্যৱস্থাত ভূ-পৃষ্ঠৰ উপৰিভাগত কৰা খনন-কাৰ্য চলাবলৈ ওপৰৰ গছগছনি সমূলঞ্চে কাটি পেলোৱা হয়। কিন্তু সেইবোৰ যিয়েই নহওক, অ'পন কাষ্ট ব্যৱস্থা বিভিন্ন কাৰণত কৰ্তৃপক্ষৰ বাবে প্ৰচুৰ লাভজনক। আৰু সেয়ে যিকোনো উপায়েৰে লাভৰ মাত্ৰা বঢ়াবলৈ দৃঢ়প্ৰতিজ্ঞ ৰাজহুৱাখণ্ডৰ ক'ল ইণ্ডিয়া লিমিটেডে বৰগোলাই-লিডু কয়লা-ক্ষেত্ৰৰ পাটকাই পৰ্বতমালাৰ অন্ততঃ চাৰিটামান পাহাৰত অ'পন কাষ্ট পদ্ধতিৰে অবিৰামভাৱে কয়লা খন্দা অভিযান অব্যাহত ৰাখিছে।

এই মাকুম কয়লাক্ষেত্ৰতেই প্ৰায় ২৪৫ নিযুত মেট্ৰিক টন কয়লা মজুত থকাৰ সম্ভেদ পোৱা গৈছে। ইয়াৰ অধিকাংশই ভূগৰ্ভত সঞ্চিত যদিও পাহাৰৰ উপৰিভাগতো কিছু পৰিমাণৰ কয়লা মজুত আছে। পাহাৰৰ উপৰিভাগত থকা কয়লাৰ মাটিৰ লগত গড় হিচাপে অনুপাত হৈছে ৮:১ অৰ পৰা ১৫:১ অৰ ভিতৰত।

অ'পন কাষ্ট মাইনিং প্ৰকল্পত বিৰাটকায় যন্ত্ৰপাতিৰে সুসজ্জিত নেশ্যনেল মাইনিং, অশোক মাইনিং, উজ্জ্বল ট্ৰেন্সপ'ৰ্ট আদি তিনি-চাৰিটামান ব্যৱসায়ী গোষ্ঠিয়ে ক'ল ইণ্ডিয়াৰ প্ৰত্যক্ষ সহযোগত অঞ্চলটোৰ প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত অতি নিৰ্দয়ভাৱে ধ্বংসলীলা চলাই গৈছে। এই ব্যৱস্থাত কয়লা উদ্ঘাটনৰ বাবে প্ৰথমে পাহাৰৰ উপৰিভাগত থকা সকলো গছ গছনি কাটি মুকলি কৰি লোৱা হয়। তাৰ পাছত ডাম্পাৰ, পৰ্টলেণ্ড আদি আধুনিক খননকাৰী যন্ত্ৰ প্ৰয়োগ কৰি পাহাৰবোৰ ক্ৰমান্বয়ে খান্দি পেলোৱা হয়। এই পদ্ধতি ঠিকাদাৰ আৰু কৰ্তৃপক্ষ উভয়ৰে বাবে বিশেষ লাভজনক; কিয়নো—এই পদ্ধতিত হোৱা খৰচ সচৰাচৰ হোৱা খৰচতকৈ শতকৰা ৬০ ভাগ কম। কিন্তু এই ব্যৱস্থাৰ ফলত যোৱা দুই-তিনিবছৰত ধ্বংস হ'ল কেইবামাইল জোৰা ডাঠ সেউজীয়া অৰণ্য। চিৰদিনৰ বাবে বন্ধ্যা হ'বলগীয়া হ'ল সমতলত থকা কৃষি উপযোগী পথাৰবোৰ। পশু, পক্ষী, মানুহ, উদ্ভিদ জীয়াই থকাৰ সামগ্ৰিক বাতাবৰণটোৰেই এতিয়া বিপন্ন।

যান্ত্ৰিক ব্যৱস্থাৰ দ্বাৰা কয়লা খনন





যোৱা কেইটামান বছৰত এই অঞ্চলত হোৱা জলবায়ুৰ দ্ৰুত পৰিবৰ্তন লক্ষ্য কৰিবলগীয়া। বছৰটোৰ বাৰ মাহৰ আঠমাহেই ধাৰাসাৰ বৰষুণ হৈ থকা অঞ্চলটোত আজিকালি মাহৰ পাছত মাহ এজাক বৰষুণৰ বাবে অপেক্ষা কৰি থাকিবলগীয়া হয়। লিডুৰ এজন পুৰণি বাসিন্দা কিৰণ কোঁৱৰে কৈছিল, "আগতে চ'ত-বহাগ মাহৰ পৰাই ধাৰাসাৰ বৰষুণ। এতিয়া ইয়াত বাৰিষাতো বৰষুণ এজাক দুৰ্লভ বস্তুৰ দৰে। গৰমৰ মাত্ৰা ক্ৰমান্বয়ে বাঢ়ি গৈছে।" এনেবোৰ অভিযোগ আমি তাৰ পুৰণি বাসিন্দাসকলৰ পৰা আৰু পাইছিলো।

পাটকাই পৰ্বতমালাৰ গাতে লাগি থকা মাৰ্ঘেৰিটা আৰু ডিগবৈ অঞ্চলৰ যোৱা চাৰিবছৰৰ বৰষুণৰ মাত্ৰা বিশ্লেষণ কৰিলে দেখা যায়— এই সমগ্ৰ অঞ্চলটোত মাত্ৰ যোৱা চাৰিবছৰতেই প্ৰায় এহেজাৰ মিলিমিটাৰ পৰিমাণৰ বৰষুণৰ তাৰতম্য ঘটিছে (তালিকা ১)

তালিকা-১

মাৰ্ঘেৰিটা আৰু ডিগবৈ অঞ্চলৰ যোৱা চাৰিবছৰৰ বাৰ্ষিক বৃষ্টিপাতৰ মাত্ৰা (মিলিমিটাৰত)

| মাৰ্ঘেৰিটা | ডিগবৈ |
|---|---|
| ১৯৮৩—২৯১৪'৩ | ৩৩০৬'৬৯ |
| ১৯৮৪—২৪৬৩'৬ | ২৫৭৪'০৪ |
| ১৯৮৫—২৩৮৩'১ | ২১০৭'৪৭ |
| ১৯৮৬—১৯৬২'৪ | — |


বৰষুণৰ মাত্ৰা হ্ৰাস হোৱা, তাপমাত্ৰা বৃদ্ধি পোৱা আদি পৰিঘটনাবোৰ আতংকজনক হ'লেও পেটৰ ভাতমুঠিৰ চিন্তাত দিনটোৰ বাৰঘণ্টাই কঠোৰ পৰিশ্ৰম কৰা সহজ-সৰল মানুহখিনিৰ বাবে এইবোৰ অকণো চিন্তাৰ বিষয় নহয়; আৰু নোহোৱাটোৱেই স্বাভাৱিক।

ভাৰতবৰ্ষত জধেমধে গছ-গছনি কটাটো এতিয়া আইনৰ চকুত এটা গুৰুতৰ অপৰাধ। এতিয়া আনকি গছ-গছনিৰে ভৰা অঞ্চলত কোনো প্ৰকল্প আদি স্থাপন কৰিবলগা হ'লেও কেন্দ্ৰীয় চৰকাৰৰ পৰা আগতীয়া অনুমতি লব লাগে। স্বয়ং প্ৰধানমন্ত্ৰীয়েই এতিয়া শ্লোগান দিছে, "Grow Forests and forget project." ১৯৮০ চনৰ বন সংৰক্ষণ আইনত স্পষ্টভাৱে কোৱা হৈছে যে, "No state government or other authority shall make, except with prior approval of the Central governmet, any order directing any reserved forest or any portion thereof as unreserved or use any forest land for nonforest purposes."

আইন অনুযায়ী কেন্দ্ৰীয় চৰকাৰে কেইবাখনো ৰাজ্যৰ অৰণ্য অঞ্চলত জলবিদ্যুৎ বা তেনে কোনো প্ৰকল্প, উদ্যোগ আদি স্থাপনৰ অনুমতি দিছে যদিও অঞ্চলবোৰৰ জনসাধাৰণে আধুনিক সভ্যতাৰ সা-সুবিধাখিনিকো অগ্ৰাহ্য কৰি গছ-গছনি ধ্বংস কৰাৰ বিৰুদ্ধে তীব্ৰ আন্দোলন গঢ়ি তুলিছে। কেৰালাৰ নিৰৱ উপত্যকা আন্দোলন আৰু চিপকো আন্দোলনৰ কথা স্মৰণীয়। শেহতীয়াকৈ উৰিষ্যাৰ গন্ধমাদন পৰ্বতত ভাৰত এলুমিনিয়াম কোম্পানিয়ে বক্সাইট নিষ্কাশনৰ বাবে স্থাপন কৰিবলৈ লোৱা অ'পন কাষ্ট প্ৰকল্পটোৰ অনুমতি নিদিবৰ বাবে পাৰিপাৰ্শ্বিকতা বিভাগে ঠিৰাং কৰিছে। বিভাগটোৰ মতে ইয়াৰ দ্বাৰা অন্ততঃ ৩৮০'২২ কোটি টকা মূল্যৰ পাৰিবেশিক সম্পদ ৰক্ষা কৰিবপৰা যাব। ক'ল ইণ্ডিয়া লিমিটেডে কেৱল কয়লা উদঘাটনৰ বাবেই পাটকাই পাহাৰ অঞ্চলত যি হাৰত গছ-গছনি কাটি ধ্বংস কৰিছে তাৰ বাবে কৰ্তৃপক্ষই কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো আগতীয়া অনুমতি লৈছে বুলি মনে নধৰে। ক'ল ইণ্ডিয়াৰ হাতত এই অঞ্চলত এতিয়াও প্ৰায় ৩০০০ হেক্টৰ পৰিমাণৰ প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল (proposed/ reserved forest) আছে।

ৰাজহুৱা খণ্ডৰ কোনো প্ৰতিষ্ঠানে খনন আদি কাৰ্যৰ দ্বাৰা বিনষ্ট কৰা পৰিবেশ পুনৰুদ্ধাৰ কৰিবৰ বাবে ১৯৮৬ চনত সংশোধন কৰা Mines and Minerals (Regulation and Development) বিধিখনত কোৱা হৈছে যে, "...for rehabilitation

কৃষি উপযোগী পথাৰবোৰ ক্ৰমান্বয়ে বাম হৈ আহিছে।






পাহাৰৰপৰা বৈ অহা জানবোৰত পানী চেকি কয়লা সংগ্ৰহ কৰা হয়। কাষত কয়লাৰ স্তুপ

of flora and other vegetation destroyed because of mining and prospecting operations. In the mineral concession rules, provision has been made for reclamation of land and planting of trees not less than twice the number destroyed by reason of any prospecting or mining operation. The responsibility for ensuring reclamation of land and afforestation has been cast on the lesse as a condition of mining lease deed.

মাইনিং লিজ দিয়াৰ পূৰ্বচৰ্ত হিচাপে কোম্পানিবোৰক উক্ত চৰ্ত আৰোপ কৰা হয় যদিও প্ৰায়বোৰ কোম্পানিয়েই চৰকাৰী বিধি-বিধানৰ প্ৰতি বুঢ়া আঙুলি দেখুৱাই হাজাৰ-হাজাৰ হেক্টৰ মাটিৰ গছ-গছনিৰ ক্ষতি কৰিছে।

৩৮ নং ৰাষ্ট্ৰীয় পথটোৰ দাঁতিতেই অৱস্থিত টিকক, টিৰাপ পাহাৰকে ধৰি কেইবাটাও পাহাৰৰ গছ-গছনি কাটি পেলোৱাৰ ফলত পাহাৰীয়া অঞ্চলটো একেবাৰে টকলা, মগ্নপ্ৰায় হৈ পৰিছে। মাত্ৰ কেইলাখ টনমান কয়লাৰ সন্ধানত এটা এটাকৈ পাহাৰ নিৰ্মমভাৱে খান্দি পেলোৱা হৈছে। দানৱসদৃশ আধুনিক খননকাৰী যন্ত্ৰবোৰে যোৱা তিনি চাৰিবছৰতেই একো-একোটা গছ-গছনিৰে ভৰা পাহাৰ খান্দি তাক জলাশয়ত পৰিণত কৰিছে। পাহাৰ কেইটাৰ ওচৰে-পাজৰে প্ৰায় ৫০-৬০ মিটাৰ গভীৰতাৰ কেইবাটাও জলাশয় আমি পৰ্যবেক্ষণকালত লক্ষ্য কৰিছিলো। প্ৰকাণ্ড প্ৰকাণ্ড জলাশয় কেইটাত জমা হোৱা পানীবোৰো প্ৰচুৰ পৰিমাণে আম্লিক (acidic)। কিয়নো, অসমৰ কয়লাত ছালফাৰৰ পৰিমাণ যথেষ্ট বেছি। কয়লাত থকা এই ছালফাৰৰ প্ৰাকৃতিক উপায়েৰে ৰাসায়নিক বিক্ৰিয়া ঘটে আৰু ইয়াৰ পৰা ছালফিউৰিক এছিড উৎপন্ন হয়। তেনেবোৰ বিষাক্ত পানীকেই পৰিশোধন নকৰাকৈ ক'ল ইণ্ডিয়াৰ কৰ্তৃপক্ষই পাম্পৰ সহায়ত যেনি-তেনি বোৱাই দিছে। এই আম্লিক পানীয়ে মাটিৰ স্বাভাৱিক গুণ নষ্ট কৰাৰ উপৰিও খোৱাপানীৰ পুখুৰী আদিত সোমাই সাধাৰণ মানুহৰ জীৱন বিপন্ন কৰি তুলিছে। এইবোৰ পানীকেই খোৱাৰ ফলত গৰু ম'হ আদিও মৃত্যুমুখত পৰিছে। দুখনমান গাঁও আৰু বস্তিৰ সাধাৰণ মানুহখিনিৰ ওপৰত মোটামুটিভাৱে চলোৱা এটা সমীক্ষাৰ পৰা জানিবপৰা গ'ল যে, ঘাইকৈ আম্লিক পানী আৰু কয়লাৰ সঘন সংস্পৰ্শৰ ফলতেই মানুহখিনিয়ে গেষ্ট্ৰো এনটাৰাইটিছ, এজমা, টি. বি. আদি ৰোগত ভুগিব লগা হৈছে।




অ'পন কাষ্ট মাইনিং পদ্ধতিত যন্ত্ৰৰে কয়লা সংগ্ৰহ কৰা হৈছে।



আকৌ, পাহাৰ খন্দা মাটিবোৰ য'তে ত'তে জমা কৰাৰ ফলত বিশৃংখলভাৱে একো একোটা ওখ টিলাৰ সৃষ্টি হৈছে। এনে একো-একোটা মাটিৰ স্তুপে একোজোপা তামোল গছকো পুতি পেলাইছে। মাটিবোৰো হ'ল শিল, কয়লা, বালি আদি নানা পদাৰ্থৰ সংমিশ্ৰণ। বতাহ-বৰষুণ আদিৰ ফলত এই দুষিত মাটিবোৰ বাগৰি নামনিৰ খেতি-পথাৰবোৰত জমা হোৱাৰ ফলত খেতিৰ পথাৰবোৰ যথেষ্ট বাম হৈ পৰিছে। ৩৮ নং ৰাষ্ট্ৰীয় পথেৰে মাৰ্ঘেৰিটাৰ পৰা লিডু অভিমুখে গৈ থাকিলেই পথৰ দাঁতিতে এনে বন্ধ্যা পথাৰবোৰ চকুত পৰে। দুই এজনে মাটি কয়লা আদি আঁতৰাই তেনেকৈয়ে খেতি কৰিছে যদিও হঠাতে পানীৰ সোঁতে কঢ়িয়াই অনা মাটিৰে পুনৰ ধানগছ পৰ্যন্ত পুতি পেলাইছে। মাটিবোৰ বাম হৈ পৰাৰ ফলত এজাক বৰষুণেই সমগ্ৰ অঞ্চলটো বুৰাই পেলায়। শিল, কয়লা আদি মিহলি হৈ থকা মাটিয়ে লিডু ৰেলষ্টেছনৰ ৰেলআলি গ্ৰাস কৰা অৱস্থাটো সাধাৰণ বৰষুণ দুজাকমানৰ পাছতেই আমি দেখিবলৈ পাইছিলো। ইয়াৰ বাবে কেইবাদিনো ৰেল চলাচলো বন্ধ ৰাখিব লগা হৈছে। লিডু ৰেলৰে কলনিৰ প্ৰায়ভাগ ঘৰেই এনে অস্বাভাৱিক বানপানীৰ দ্বাৰা আক্ৰান্ত হব লগা হয়। পাহাৰ খন্দা মাটিৰ আমদানি সমতললৈ কেনেদৰে হয় তাৰ চাক্ষুষ প্ৰমাণৰ বাবে লিডু ৰেলষ্টেছনৰ কাষতে থকা পুল এটা আমি চাবলৈ গৈছিলো। ৰেলৱেৰ বিষয়া কৰ্মচাৰীসকলে কোৱা মতে পুলটো আজি কেইবছৰমান আগলৈকে অন্ততঃ ৭-৮ ফুট মান গভীৰ আছিল; কিন্তু পুলটোৰ এতিয়া গভীৰতা মাত্ৰ এফুটমানহে হ'ব।

পাহাৰকেইটাৰ মাজেৰে বৈ অহা নিজৰা কেইটাৰ ফটফটীয়া পানীও কয়লাৰ গুড়ি, শিল আদিৰে পৰিপূৰ্ণ। কয়লা, মাটি আদিৰ স্তুপে এনে কেইবাটাও জান-জুৰিৰ গতিপথ ৰুদ্ধ কৰি দিছে। কয়লা আৰু মাটিৰ অত্যাচাৰত দুই-এটা জান-জুৰি শুকায়ো গৈছে। উদাহৰণস্বৰূপে টিকক মোংলং পাহাৰ দুটাৰ মাজৰ পৰা বৈ অহা শামুকজান নলাটোৱে কয়লাক্ষেত্ৰৰ মাজেদি অহাত কঢ়িয়াই আনে কয়লা, মাটি, শিল আদি মিহলি তেলেতীয়া পানী। নৈ, জান-জুৰিবোৰৰ পানীত কিমান পৰিমাণৰ কয়লাৰ গোটা টুকুৰা বা গুড়ি আছে তাৰ স্পষ্ট হিচাপ অঞ্চলটোৰ মাজেদি বৈ যোৱা যিকোনো এটা জান বা নামদাং নামৰ নৈখনৰ অংশবিশেষত এবাৰ চকু ফুৰালেই পাব। লিডু কেচানলা, শামুকজান আৰু নামদাং নৈৰ কাষে-কাষে প্ৰায়ে কয়লাৰ একো-একোটা সৰু পৰা মজলীয়া ধৰণৰ স্তুপ দেখা যায়। অঞ্চলটোৰ আশে-পাশে বাস কৰা বাঙালী, নেপালী, তেলুগু আদি সম্প্ৰদায়ৰ লোকে নৈখনৰ পানী চেকি সংগ্ৰহ কৰা কয়লাৰ কাৰবাৰটো আজি কেইবছৰমানৰপৰা এটা লাভজনক ব্যৱসায়লৈ উন্নীত হৈছে। এনেদৰে পানী চেকি সংগ্ৰহ কৰা কয়লাৰ পৰিমাণ দৈনিক কেইবাটনো হয়গৈ।

পাহাৰবোৰ কাটি পেলোৱাৰ ফলত এতিয়া অঞ্চলটোত খোৱাপানীৰ সমস্যাই নতুনকৈ মূৰ দাঙি উঠিছে। চাৰিওফালে নৈ-নিজৰাৰে পৰিপূৰ্ণ অঞ্চলটোত এতিয়া পৰিষ্কাৰ পানী অকণমানৰ বাবে হাবাথুৰি খাব লগা হয়। পাহাৰৰ পৰা বৈ অহা জান-জুৰিবোৰৰ প্ৰদূষিত পানী নামদাং, বুঢ়ীদিহিং আদি নৈত পৰাত এই নৈ কেইখনৰো পানী প্ৰদূষিত হৈছে বুলি ভবাৰ থল আছে। এই জান-জুৰি-নৈ কেইখনে পাহাৰ বা সমতলৰ প্ৰচুৰ মাটি কটিয়াই অনাত নদীবোৰ যথেষ্ট বাম হৈ পৰিছে। ফলত বানপানী, খহনীয়া, নৈৰ গতি পৰিবৰ্তনৰ প্ৰকোপ যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ খোৱা পানীৰ উৎসবোৰ শুকাই যোৱাৰ ফলত টিকক, মালো, মংলাং পাহাৰ কেইটাত বাস কৰা জনজাতীয় লোকসকল আন কাষৰীয়া পাহাৰলৈ প্ৰব্ৰজন কৰিবলৈ বাধ্য হৈছে। বহুযুগ আগৰেপৰা বসতি কৰি থকা জনজাতীয় লোকেৰে ভৰা 'কহিমা বস্তি' নামৰ অঞ্চলটোত গছ কটা



পাহাৰৰ শিল, কয়লা আদি মিহলি মাটিয়ে শস্যৰ পথাৰবোৰ বাম কৰি পেলাইছে।



পাহাৰবপৰা বৈ অহা জানবোৰত পানী চেঁকি কয়লা সংগ্ৰহ কৰা হয়। কাষত কয়লাৰ স্তুপ

of flora and other vegetation destroyed because of mining and prospecting operations. In the mineral concession rules, provision has been made for reclamation of land and planting of trees not less than twice the number destroyed by reason of any prospecting or mining operation. The responsibility for ensuring reclamation of land and afforestation has been cast on the lesse as a condition of mining lease deed.

মাইনিং লিজ দিয়াৰ পূৰ্বচৰ্ত হিচাপে কোম্পানিবোৰক উক্ত চৰ্ত আৰোপ কৰা হয় যদিও প্ৰায়বোৰ কোম্পানিয়েই চৰকাৰী বিধি-বিধানৰ প্ৰতি বুঢ়া আঙুলি দেখুৱাই হাজাৰ-হাজাৰ হেক্টৰ মাটিৰ গছ-গছনিৰ ক্ষতি কৰিছে।

৩৮ নং ৰাষ্ট্ৰীয় পথটোৰ দাঁতিতেই অৱস্থিত টিকক, টিৰাপ পাহাৰকে ধৰি কেইবাটাও পাহাৰৰ গছ-গছনি কাটি পেলোৱাৰ ফলত পাহাৰীয়া অঞ্চলটো একেবাৰে টকলা, মগ্নপ্ৰায় হৈ পৰিছে। মাত্ৰ কেইলাখ টনমান কয়লাৰ সন্ধানত এটা এটাকৈ পাহাৰ নিৰ্মমভাৱে খান্দি পেলোৱা হৈছে। দানৱসদৃশ আধুনিক খননকাৰী যন্ত্ৰবোৰে যোৱা তিনি চাৰিবছৰতেই একো-একোটা গছ-গছনিৰে ভৰা পাহাৰ খান্দি তাক জলাশয়ত পৰিণত কৰিছে। পাহাৰ কেইটাৰ ওচৰে-পাজৰে প্ৰায় ৫০-৬০ মিটাৰ গভীৰতাৰ কেইবাটাও জলাশয় আমি পৰ্যবেক্ষণকালত লক্ষ্য কৰিছিলো। প্ৰকাণ্ড প্ৰকাণ্ড জলাশয় কেইটাত জমা হোৱা পানীবোৰো প্ৰচুৰ পৰিমাণে আম্লিক (acidic)। কিয়নো, অসমৰ কয়লাত ছালফাৰৰ পৰিমাণ যথেষ্ট বেছি। কয়লাত থকা এই ছালফাৰৰ প্ৰাকৃতিক উপায়েৰে ৰাসায়নিক বিক্ৰিয়া ঘটে আৰু ইয়াৰ পৰা ছালফিউৰিক এছিড উৎপন্ন হয়। তেনেবোৰ বিষাক্ত পানীকেই পৰিশোধন নকৰাকৈ ক'ল ইণ্ডিয়াৰ কৰ্তৃপক্ষই পাম্পৰ সহায়ত যেনি-তেনি বোৱাই দিছে। এই আম্লিক পানীয়ে মাটিৰ স্বাভাৱিক গুণ নষ্ট কৰাৰ উপৰিও খোৱাপানীৰ পুখুৰী আদিত সোমাই সাধাৰণ মানুহৰ জীৱন বিপন্ন কৰি তুলিছে। এইবোৰ পানীকেই খোৱাৰ ফলত গৰু ম'হ আদিও মৃত্যুমুখত পৰিছে। দুখনমান গাঁও আৰু বস্তিৰ সাধাৰণ মানুহখিনিৰ ওপৰত মোটামুটিভাৱে চলোৱা এটা সমীক্ষাৰ পৰা জানিবপৰা গ'ল যে, ঘাইকৈ আম্লিক পানী আৰু কয়লাৰ সঘন

অ'পন কাষ্ট মাইনিং পদ্ধতিত যন্ত্ৰৰে কয়লা সংগ্ৰহ কৰা হৈছে।






সংস্পৰ্শৰ ফলতেই মানুহখিনিয়ে গেছট্ৰো এনটাৰাইটিছ, এজমা, টি. বি. আদি ৰোগত ভুগিব লগা হৈছে।

আকৌ, পাহাৰ খন্দা মাটিবোৰ য'তে ত'তে জমা কৰাৰ ফলত বিশৃংখলভাৱে একো একোটা ওখ টিলাৰ সৃষ্টি হৈছে। এনে একো-একোটা মাটিৰ স্তুপে একোজোপা তামোল গছকো পুতি পেলাইছে। মাটিবোৰো হ'ল শিল, কয়লা, বালি আদি নানা পদাৰ্থৰ সংমিশ্ৰণ। বতাহ-বৰষুণ আদিৰ ফলত এই দূষিত মাটিবোৰ বাগৰি নামনিৰ খেতি-পথাৰবোৰত জমা হোৱাৰ ফলত খেতিৰ পথাৰবোৰ যথেষ্ট বাম হৈ পৰিছে। ৩৮ নং ৰাষ্ট্ৰীয় পথেৰে মাৰ্ঘেৰিটাৰ পৰা লিডু অভিমুখে গৈ থাকিলেই পথৰ দাঁতিতে এনে বন্ধ্যা পথাৰবোৰ চকুত পৰে। দুই এজনে মাটি কয়লা আদি আঁতৰাই তেনেকৈয়ে খেতি কৰিছে যদিও হঠাতে পানীৰ সোঁতে কঢ়িয়াই অনা মাটিৰে পুনৰ ধানগছ পৰ্যন্ত পুতি পেলাইছে। মাটিবোৰ বাম হৈ পৰাৰ ফলত এজাক বৰষুণেই সমগ্ৰ অঞ্চলটো বুৰাই পেলায়। শিল, কয়লা আদি মিহলি হৈ থকা মাটিয়ে লিডু ৰেলষ্টেছনৰ ৰেলআলি গ্ৰাস কৰা অৱস্থাটো সাধাৰণ বৰষুণ দুজাকমানৰ পাছতেই আমি দেখিবলৈ পাইছিলো। ইয়াৰ বাবে কেইবাদিনো ৰেল চলাচলো বন্ধ ৰাখিব লগা হৈছে। লিডু ৰেলৱে কলনিৰ প্ৰায়ভাগ ঘৰেই এনে অস্বাভাৱিক বানপানীৰ দ্বাৰা আক্ৰান্ত হব লগা হয়। পাহাৰ খন্দা মাটিৰ আমদানি সমতললৈ কেনেদৰে হয় তাৰ চাক্ষুষ প্ৰমাণৰ বাবে লিডু ৰেলষ্টেছনৰ কাষতে থকা পুল এটা আমি চাবলৈ গৈছিলো। ৰেলৱেৰ বিষয়া কৰ্মচাৰীসকলে কোৱা মতে পুলটো আজি কেইবছৰমান আগলৈকে অন্ততঃ ৭-৮ ফুট মান গভীৰ আছিল; কিন্তু পুলটোৰ এতিয়া গভীৰতা মাত্ৰ ৫ফুটমানহে হ'ব।

পাহাৰকেইটাৰ মাজেৰে বৈ অহা নিজৰা কেইটাৰ ফটফটীয়া পানীও



পাহাৰৰ শিল, কয়লা আদি মিহলি মাটিয়ে শস্যৰ পথাৰবোৰ বাম কৰি পেলাইছে।

কয়লাৰ গুড়ি, শিল আদিৰে পৰিপূৰ্ণ। কয়লা, মাটি আদিৰ স্তুপে এনে কেইবাটাও জান-জুৰিৰ গতিপথ ৰুদ্ধ কৰি দিছে। কয়লা আৰু মাটিৰ অত্যাচাৰত দুই-এটা জান-জুৰি শুকায়ো গৈছে। উদাহৰণৰূপে টিকক মোংলং পাহাৰ দুটাৰ মাজৰ পৰা বৈ অহা শামুকজান নলাটোৱে কয়লাক্ষেত্ৰৰ মাজেদি অহাত কঢ়িয়াই আনে কয়লা, মাটি, শিল আদি মিহলি তেলেতীয়া পানী। নৈ, জান-জুৰিবোৰৰ পানীত কিমান পৰিমাণৰ কয়লাৰ গোটা টুকুৰা বা গুড়ি আছে তাৰ স্পষ্ট হিচাপ অঞ্চলটোৰ মাজেদি বৈ যোৱা যিকোনো এটা জান বা নামদাং নামৰ নৈখনৰ অংশবিশেষত এবাৰ চকু ফুৰালেই পাব। লিডু কেচানলা, শামুকজান আৰু নামদাং নৈৰ কাষে-কাষে প্ৰায়ে কয়লাৰ একো-একোটা সৰু পৰা মজলীয়া ধৰণৰ স্তুপ দেখা যায়। অঞ্চলটোৰ আশে-পাশে বাস কৰা বাঙালী, নেপালী, তেলুগু আদি সম্প্ৰদায়ৰ লোকে নৈখনৰ পানী চেঁকি সংগ্ৰহ কৰা কয়লাৰ কাৰবাৰটো আজি কেইবছৰমানৰপৰা এটা লাভজনক ব্যৱসায়লৈ উন্নীত হৈছে। এনেদৰে পানী চেঁকি সংগ্ৰহ কৰা কয়লাৰ পৰিমাণ দৈনিক কেইবাটনো হয়গৈ।

পাহাৰবোৰ কাটি পেলোৱাৰ ফলত এতিয়া অঞ্চলটোত খোৱাপানীৰ সমস্যাই নতুনকৈ মূৰ দাঙি উঠিছে। চাৰিওফালে নৈ-নিজৰাৰে পৰিপূৰ্ণ অঞ্চলটোত এতিয়া পৰিষ্কাৰ পানী অকণমানৰ বাবে হাবাথুৰি খাব লগা হয়। পাহাৰৰ পৰা বৈ অহা জান-জুৰিবোৰৰ প্ৰদূষিত পানী নামদাং, বুঢ়ীদিহিং আদি নৈত পৰাত এই নৈ কেইখনৰো পানী প্ৰদূষিত হৈছে বুলি ভবাৰ থল আছে। এই জান-জুৰি-নৈ কেইখনে পাহাৰ বা সমতলৰ প্ৰচুৰ মাটি কটিয়াই অনাত নদীবোৰ যথেষ্ট বাম হৈ পৰিছে। ফলত বানপানী, খহনীয়া, নৈৰ গতি পৰিবৰ্তনৰ প্ৰকোপ যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ খোৱা পানীৰ উৎসবোৰ শুকাই যোৱাৰ ফলত টিকক, মালো, মংলাং পাহাৰ কেইটাত বাস কৰা জনজাতীয় লোকসকল আন কাষৰীয়া পাহাৰলৈ প্ৰব্ৰজন কৰিবলৈ বাধ্য হৈছে। বহুযুগ আগৰেপৰা বসতি কৰি থকা জনজাতীয় লোকেৰে ভৰা 'কহিমা বস্তি' নামৰ অঞ্চলটোত গছ কটা

আৰু পাহাৰ খহি যোৱাৰ প্ৰভাৱ সুস্পষ্ট। পাহাৰৰ এঢলীয়া ঢালসমূহত জুম খেতি কৰি জীৱিকা নিৰ্বাহ কৰা কহিমা বস্তিৰ বেছিভাগ লোকেই এতিয়া খেতিমাটি আৰু খোৱাপানীৰ সন্ধানত যাযাবৰী জীৱন আঁকোৱালি লবলৈ বাধ্য হৈছে। হাজাৰ-হাজাৰ মানুহ দেখিলো যিসকল— আমি যাক প্ৰগতি বোলোঁ— তাৰ বলি হৈছে। এটা ছিন্নমূল জীৱন যাপন কৰিবলৈ বাধ্য হোৱা এই লোকসকলৰ আজি চাকৰিও নাই, মাটিও নাই আৰু এটা ভাল ভৱিষ্যতৰ কোনো লক্ষণো নাই।

অঞ্চলটোত কয়লা খান্দিবৰ বাবে সঘনাই হোৱা বোমা বিস্ফোৰণ আদিৰ কম্পন আৰু গছ-গছনি নথকাৰ ফলত পাহাৰ কেইটাত থকা নানা প্ৰজাতিৰ বন্য জীৱ জন্তু আৰু চৰাইবোৰ এতিয়া বহু দূৰলৈ আঁতৰি যাবলৈ বাধ্য হৈছে।

প্ৰায় ৯০ বছৰ কাল কয়লা খনন কৰা বৃটিছ পুঁজিপতিসকলে অৰ্থনৈতিক শোষণৰ নামত পাহাৰৰ উপৰিভাগত এনেদৰে খনন কাৰ্য কৰা নাছিল হয়তো পাৰিপাৰ্শ্বিকতা ৰক্ষা কৰাৰ স্বাৰ্থতে। কিন্তু দুৰ্ভাগ্যৰ কথা এয়ে যে, বৃটিছৰ হাতৰপৰা দায়িত্বভাৰ লৈয়েই ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান ক'ল ইণ্ডিয়া লিমিটেডে স্বেচ্ছাচাৰিতাৰে অধিক কয়লা উৎপাদনৰ নামত এক বৃহৎ অঞ্চলক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। এই সম্পৰ্কে ক'ল ইণ্ডিয়াৰ কেইবাজনো উচ্চপদস্থ বিষয়া আৰু অভিযন্তাৰ লগত কথা পাতি গম পোৱা গ'ল,— পুনৰ গৰু গাড়ী যুগলৈ ঘূৰি যোৱাৰ সলনি অধিক উৎপাদনেৰে দেশখনক, মানুহবোৰক অধিক উন্নয়নশীল কৰি তুলিবলৈ তেওঁলোক যেন দৃঢ়প্ৰতিজ্ঞ। কিন্তু তেওঁলোকে জনা উচিত যে সকলোবোৰ প্ৰকল্প আৰু উদ্যোগেই মানুহৰ বাবে। নেহৰুৱে এবাৰ সুধিছিল,— সমাজৰ কল্যাণৰ বাবে বুলি বিবেচিত কথাৰ কাৰণে ব্যক্তিক যদি উপেক্ষা কৰা হয় বা বলি দিয়া হয় তেতিয়াহ'লে সেইটো সঠিক লক্ষ্য হ'বনে?

ক'ল ইণ্ডিয়া কৰ্তৃপক্ষই যোৱা কেইমাহমান আগৰেপৰা সামাজিক বনানীকৰণৰ নামত মাৰ্ঘেৰিটাৰ আশে-পাশে ফলক আঁৰি গছ পুলি ৰোৱাৰ ব্যৱস্থা কৰিছে। কিন্তু গছ-গছনি শূন্য নগ্নপ্ৰায় পাহাৰকেইটাত গছ ৰোৱাৰ কোনো উদ্যম আমি দেখা নাপালো। অৱশ্যে দুই-এঠাইত ৰঙা মাটিৰ প্ৰলেপ দি সৰু-সুৰা তৰুতৃণ জাতীয় উদ্ভিদ লগোৱাৰ দৰে পালমৰা বিধৰ কাম নকৰা নহয়। কয়লা-শিলেৰে ভৰা পাহাৰৰ এই এঢলীয়া অনুৰ্বৰ শিলাময় ঢালবোৰত স্বাভাৱিকভাৱে গছ-গছনি গজি উঠাৰ পৰিবেশ ধ্বংস কৰি পেলোৱা হৈছে। তেনে ক্ষেত্ৰত বিশেষ যত্নেৰে কাম কৰাৰ সলনি ক'ল ইণ্ডিয়াৰ গা এৰা দিয়া মনোভাব সঁচাকৈয়ে অক্ষমণীয়। বিশেষ এক সূত্ৰৰপৰা জানিব পৰা মতে ক'ল ইণ্ডিয়া লিমিটেডে অলপতে নামডাং, লেখাপানী, টিপং আৰু নামচিক অঞ্চলতো অ'পন কাষ্ট পদ্ধতিৰে কয়লা খননৰ কাৰ্যসূচী হাতত ল'ব। ক'ল ইণ্ডিয়াৰ আঁচনি অনুযায়ী যদি অ'পন কাষ্ট পদ্ধতিয়ে কেনেবাকৈ এই সমগ্ৰ অঞ্চল সামৰি লবলৈ হয় তেন্তে অহা কেইবছৰমানতে অসম আৰু অৰুণাচলৰ এক বৃহৎ এলেকালৈ অনুৰ্বৰ মৰুভূমি সদৃশ পৰিবেশ নামি আহিব।

ক'ল ইণ্ডিয়াই ৰাজ্যিক ভূতত্ত্ব আৰু খনি বিভাগৰ লগত মাইনিং লিজ সম্পৰ্কত চুক্তি কৰিবলৈ বাকী আছে। সেয়ে ৰাজ্য চৰকাৰে পাৰিপাৰ্শ্বিকতা ৰক্ষা কৰাৰ উদ্দেশ্যৰে প্ৰস্তাৱিত মাইনিং লিজ চুক্তিত ক'ল ইণ্ডিয়াৰ কৰ্তৃপক্ষক যিকোনো উপায়েৰেই অঞ্চলটোৰ স্বাভাৱিক পৰিবেশ অক্ষুণ্ণ ৰাখিবলৈ বাধ্য কৰাব লাগে। কিন্তু ৰাজ্যিক ভূতত্ত্ব আৰু খনিবিভাগ, পৰিবেশ প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ আদি বিভাগবোৰৰ অমনোযোগিতা আৰু অকৰ্মণ্যতাই এই অঞ্চলটোৰ পৰিবেশ আৰু নিম্নগামী হোৱাত যথেষ্ট ইন্ধন যোগাইছে।

মাত্ৰ চাৰিবছৰতে মষিমূৰ কৰি পেলোৱা ডাঠ অৰণ্য এখন পুনৰ সৃষ্টি কৰা হয়তো কেতিয়াও সম্ভৱ নহ'ব। কিন্তু ক্ষিপ্ৰগতিৰে বিনষ্ট হ'বলৈ ধৰা অঞ্চলটোৰ প্ৰাকৃতিক ভাৰসাম্য ধৰি ৰাখিবলৈ ক'ল ইণ্ডিয়া কৰ্তৃপক্ষই এখন বিস্তৃত আঁচনি অনতিপলমে কাৰ্যকৰী নকৰিলে অৱস্থাটো নিয়ন্ত্ৰণৰ বাহিৰলৈ গুচি যাব। তেতিয়া আমাৰ আৰু কৰিবলগীয়া একোৱেই নাথাকিব। প্ৰকৃতি আৰু প্ৰাকৃতিক অৱস্থা ধ্বংস কৰি নিজে জীয়াই থকাৰ ক্ষমতা মানুহে এতিয়াও আহৰণ কৰা নাই।

আলোক চিত্ৰঃ পদুম গোহাঁই

শাৰদীয় সংখ্যা মানেই ত্ৰিশূল

*ভিন্নৰসৰ চাৰিখন পূৰ্ণাংগ উপন্যাস — লিখিছে অৰুণ গোস্বামী, সৌবীৰ ভট্টাচাৰ্য্য, দীন তামুলী আৰু নীহাৰ চৌধুৰীয়ে ; আকৰ্ষণীয় গল্পৰ শিতান সমৃদ্ধ কৰিছে ড° লক্ষ্মীনন্দন বৰা প্ৰমুখ্যে পাঁচজন গল্পকাৰে ; ভিম্বেশ্বৰ চলিহা, অমিতাভ গোস্বামী, হেমধৰ ৰাজখোৱা, অৰুণ দত্ত আদি লেখকৰ ভিন্নসুৰী, সৰস আৰু সংবাদপুষ্ট নিবন্ধৰ লগতে নিয়মিত সকলো শিতানৰ উপৰিও ৰঙচঙীয়া বেটুপাত আৰু চিনেমা শিতানেৰে সমৃদ্ধ হৈ*

প্ৰকাশ পালে— শাৰদীয় ত্ৰিশূল

॥ আপোনাৰ কপিটো আজিয়েই সংগ্ৰহ কৰক ॥



# "ইনষ্টেণ্ট টি" উদ্যোগ

গৌতম কাশ্যপ

### টোকলাইৰ ইনষ্টেণ্ট টি" প্ৰকল্প

ভাৰতীয় পদ্ধতিৰে ইনষ্টেণ্ট টি উৎপাদন কৰিবলৈ চাহ অনুসন্ধান পৰিষদৰ অধীনত থকা বিশ্বৰ সৰ্বপ্ৰথম তথা সৰ্ববৃহৎ টোকলাই চাহ গৱেষণাগাৰত ভাৰতীয় চাহ ব'ৰ্ডৰ আৰ্থিক অনুদানেৰে ইনষ্টেণ্ট টি প্ৰকল্প ১৯৭৪ চনতে প্ৰতিষ্ঠা কৰা হয়।

তেৰ বছৰ দীঘলীয়া এই আঁচনিৰ কাম ইতিমধ্যে সফলতাৰে সম্পূৰ্ণ হৈ উঠাৰ পাছত ভাৰতীয় চাহ ব'ৰ্ডে ইনষ্টেণ্ট টি প্ৰস্তুত কৰি উলিওৱা পাইলট প্লেণ্টটো সকলো বৈজ্ঞানিক তথা কাৰিকৰী তথ্য-পাতিসহ বেচৰকাৰী প্ৰতিষ্ঠান এটাক বিক্ৰি কৰাৰ যো-জা চলাই আছে আৰু এই বিষয়ে কেন্দ্ৰীয় বাণিজ্য মন্ত্ৰালয়ৰ অনুমোদনৰ বাবে অপেক্ষা কৰি থকা হৈছে। জনা মতে, এই বেচৰকাৰী প্ৰতিষ্ঠানটোৱে ইয়াত উদ্ভাৱিত তথ্য-পাতিবোৰৰ সহায়ত অসমৰ বাহিৰত এক ইনষ্টেণ্ট টি উদ্যোগ গঢ়ি তোলাৰ মানস কৰিছে।

### ইনষ্টেণ্ট টি

'ইনষ্টেণ্ট টি' এবিধ মুগা বৰণীয়া, গৰম বা চেঁচা পানীত দ্ৰৱীভূত হোৱা পাউডাৰৰ নিচিনা পদাৰ্থ। একাপ চাহৰ বাবে প্ৰায় আধা গ্ৰাম ইনষ্টেণ্ট টিৰ আৱশ্যক হয়।

কেঁচা চাহপাত বাগানৰ পৰা আহি ফেক্টৰি পোৱাৰ পাছত ১৪-১৫ ঘণ্টাৰ ভিতৰত ব্যৱহাৰোপযোগী "ইনষ্টেণ্ট টি তৈয়াৰ হৈ পৰে। বাগিছাৰ পৰা কেঁচা চাহপাত আনি সৰু সৰু টুকুৰালৈ ৰূপান্তৰিত কৰি স্ফুটন প্ৰক্ৰিয়াৰ মাজেদি পাৰ কৰি, জুলীয়া আকাৰত উৎপাতন কৰি, দ্ৰৱটো ছেণ্টিফিউজ কৰি স্প্ৰে-ড্ৰায়াৰৰ সহায়ত শুকুৱালেই পাউডাৰ গাখীৰৰ নিচিনা মুগা বৰণীয়া গুড়ি পদাৰ্থ — ইনষ্টেণ্ট টি প্ৰস্তুত হয়।

### প্ৰকল্পৰ কৰ্মীবৃন্দ আৰু তথ্য-পাতি

বৰ্তমানে এই প্ৰকল্পত মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ পৰা ৰাসায়নিক অভিযন্তাৰ ডিগ্ৰিপ্ৰাপ্ত এজন প্ৰকল্প অভিযন্তা, দুজন কাৰিকৰী-বৈজ্ঞানিক সহায়ক, এজন কাৰ্যালয় সহায়ক, চাৰিজন কাৰিকৰী শ্ৰমিক আৰু তিনিজন যোগালীসহ মুঠ ১১ জন সুদক্ষ থলুৱা কৰ্মচাৰী আছে। এই কৰ্মচাৰীসকলেই যোৱা ১৩ বছৰ একেৰাহে নিষ্ঠাৰে কাম কৰি আধুনিক ধৰণৰ দেশী বিদেশী যন্ত্ৰ-পাতি আদি আনি বহুৱাই ইনষ্টেণ্ট টি সম্বন্ধীয় কিছুমান বিশেষ অনুসন্ধান চলাই যাবতীয় তথ্য-পাতিবোৰ আহৰণ কৰিছে। এই তথ্যপাতিবোৰৰ চূড়ান্ত ৰূপ এতিয়াও প্ৰস্তুত হৈ উঠা নাই। তেনে অৱস্থাতে ইয়াৰ আটাইকেইজন কৰ্মচাৰীকে যোৱা ৩১ মাৰ্চৰ (১৯৮৭ চন) পাছৰ পৰা কাৰ্যকৰী হোৱাকৈ কৰ্মচ্যুত কৰাও হৈছে। অৱশ্যে চাহ অনুসন্ধান পৰিষদে বৰ্তমানে কৰ্মচাৰীসকলৰ দৰমহা আদি দিয়াৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰি এপ্ৰিল মাহৰ পৰা দৰমহা-পাতি দি আছে। কৰ্মচাৰীসকলৰ ভৱিষ্যত এতিয়াও অনিশ্চয়তাৰ মাজতে আছে; কাৰণ টোকলাই গৱেষণাগাৰৰ প্ৰশাসনে এই কৰ্মচাৰীসকলক টোকলাইৰ বিভিন্ন বিভাগত খালী হোৱা সমপৰ্যায়ৰ পদবোৰলৈ বদলি কৰি নিয়াৰ পূৰ্বৰ আশ্বাস এতিয়া ভংগ কৰাৰ প্ৰয়াস কৰিছে।

### কেঁচামাল

এই উদ্যোগৰ বাবে চাহপাতেই হ'ল প্ৰধান কেঁচামাল। ইয়াৰ উপৰি গতানুগতিক চাহৰ বাবে অনুপযোগী চাহপাত আৰু ফেক্টৰিৰ পেলনীয়া পাতেৰেও ইনষ্টেণ্ট টি প্ৰস্তুত কৰিব পাৰি।

### উদ্যোগটোৰ স্থান

বৰ্তমানৰ প্ৰকল্পত কৰ্মৰত স্থানীয় অভিজ্ঞ যুৱক কৰ্মচাৰীসকল তথা এক বুজন সংখ্যক নিবনুৱা লোকৰ কৰ্ম-সংস্থাপনৰ প্ৰতি লক্ষ্য ৰাখি এইবিধ চাহ প্ৰস্তুত কৰা উদ্যোগ এটা অসমৰ ভিতৰতে গঢ় লৈ উঠাটো আমি অতি আৱশ্যকীয় বুলি ভাবোঁ। অসম চাহ নিগমেও এই ক্ষেত্ৰত মনোযোগ দিয়ক। যোৰহাটৰ আশে-পাশে নিগমৰ কেইবাখনো চাহ বাগিচা আছে। গতিকে, কেঁচামালৰ অত্যন্ত সুবিধা থকা এই বাগিচাবোৰৰ কাষতে এই উদ্যোগ সন্তোষজনকভাৱে গঢ় লৈ উঠিব পাৰে।

### বজাৰ

দক্ষিণ ভাৰতৰ টাটা টি লিমিটেড আৰু ফুড স্পেছিয়েলিটিজ লিমিটেড নামৰ প্ৰতিষ্ঠান দুটাই বিদেশী তথ্য-পাতিৰ সহায়ত প্ৰায় ২,০০০ টন ইনষ্টেণ্ট টি উৎপাদন কৰি, উৎপাদিত সামগ্ৰীৰ প্ৰায় সকলোখিনি দেশৰ বাহিৰৰ বজাৰলৈ ৰপ্তানি কৰি বছৰি প্ৰায় ১৫ কোটি টকাৰ বৈদেশিক মুদ্ৰা অৰ্জন কৰে। আনহাতে, বিদেশী তথ্য-পাতি হোৱা বাবে এক বুজন পৰিমাণৰ ধন ৰয়েলটিৰ নামত বিদেশলৈও গৈ আছে। এইবিধ পানীয়ৰ চাহিদা আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলণ্ড, পশ্চিম জাৰ্মানি, ইটালি, জাপান, অষ্ট্ৰেলিয়া আদি উন্নত বিদেশী ৰাষ্ট্ৰতহে বেছি। বিশ্ব বেংকৰ মতে আমাৰ দেশৰ ৰপ্তানিৰ পৰিমাণ আমদানিতকৈ বহুত কম। তেনেস্থলত, ইনষ্টেট টিয়ে আমাৰ দেশৰ ৰপ্তানি বঢ়োৱাত সহায় কৰাৰ উপৰিও দেশলৈ বহু কোটি টকাৰ বৈদেশিক মুদ্ৰা আনিব পাৰিব। উল্লেখযোগ্য যে ইনষ্টেণ্ট টি ৰপ্তানি কৰোঁতে আৱশ্যকীয় আবকাৰী শুল্কৰ পৰাও ৰেহাই পোৱা যাব।

### মূলধন আৰু সুবিধা

এই উদ্যোগ গঢ়ি তুলিবলৈ প্ৰায় ৮,০০০ বৰ্গফুট কালিৰ মাটিৰ আৱশ্যক হ'ব আৰু কাৰ্যকৰী পুঁজিসহ প্ৰায়

দুই কোটিৰ পৰা আঢ়ৈ কোটি টকাৰ মূলধনৰ আৱশ্যক হ'ব।

সুবিধাজনক চাহ যেনে— ইনষ্টেণ্ট টি, টি মিল্ক, টি কোলা, আদিৰ ভিতৰত ইনষ্টেণ্ট টিয়েই প্ৰধান। এই চাহ প্ৰস্তুতিত গতানুগতিক চাহ তৈয়াৰ কৰাৰ পদ্ধতি অনুসৰণ কৰিব নালাগে। ইয়াৰ প্ৰস্তুতিত চাহৰ অকণমানো পেলনি নাযায়। এইবিধ চাহৰপৰা ৰাইজৰ আন এটা প্ৰধান সুবিধা হ'ল এই যে আয়তন কম হোৱা বাবে ইয়াৰ পেকিং আৰু এঠাইৰপৰা অইন এঠাইলৈ অনানিয়া কৰাটো অতি সুবিধাজনক। তদুপৰি আমেৰিকা যুক্ত-ৰাষ্ট্ৰই ভাৰতৰ মুঠ উৎপাদনৰ শতকৰা প্ৰায় ৭২ ভাগ অকলেই আমদানি কৰে।

১ কেজি ইনষ্টেণ্ট টি প্ৰস্তুত কৰিবলৈ প্ৰায় ১৬ কেজি কেঁচা চাহপাতৰ আৱশ্যক।

১ কেজি ইনষ্টেণ্ট টি উৎপাদনত খৰচ পৰিব প্ৰায় ৭০-৮০ টকা; বেচিব পাৰিব প্ৰায় ১৩০-১৫০ টকাত। ১ কেজি ইনষ্টেণ্ট টিৰ পৰা প্ৰায় ২,৫০০—৩,০০০ কাপ চাহ প্ৰস্তুত কৰিব পৰা যায়।

আনহাতে, বৰ্তমান প্ৰচলিত ১ কেজি ছি· টি· ছি বা অৰ্থডক্স টিৰ পৰা মাত্ৰ ৩০০-৫০০ কাপ চাহহে প্ৰস্তুত কৰিব পৰা যায়।

অৰ্থাৎ ১ কেজি ইনষ্টেণ্ট টি প্ৰায় ৫ কেজি ছি· টি· ছি· চাহৰ সমান।

উক্ত কথাখিনিয়ে ইনষ্টেণ্ট টিৰ পৰা ৰাইজ কিমান উপকৃত হ'ব পাৰে তাৰ এটি আভাস দিয়ে।

**ইনষ্টেণ্ট টি উদ্যোগ অসমত হ'ব লাগে**

অসম চৰকাৰে বিদেশী মুদ্ৰা আহৰণৰ উজ্জ্বল সম্ভাৱনা থকা, টোকলাইত উদ্ভাৱিত দেশীয় পদ্ধতিৰে (দেশৰ ভিতৰতে প্ৰথম) এই উদ্যোগ গঢ়ি তুলি অসমতে ৰাখিব পাৰিলে এটা নতুন ধৰণৰ উদ্যোগকে ধৰি বহুতো লোকৰ কৰ্মসংস্থাপনৰ পথ নিশ্চয় মুকলি হ'ব আৰু ৰয়েল্টিৰ নামত বিদেশলৈ টকাৰ সোঁতো বন্ধ হ'ব। লগতে, ৰাইজেও কম খৰচ আৰু কম সময়তে চাহ পিয়লা প্ৰস্তুত কৰিব পাৰিব। অসম চৰকাৰৰ এনে প্ৰচেষ্টাই দেশৰ গৌৰৱ বঢ়াব আৰু অসমলৈ নিশ্চিতভাৱে বহু কোটি টকাৰ বৈদেশিক মুদ্ৰা আনিব।

এটা প্ৰতিষ্ঠান গঢ়ি তুলিবৰ কাৰণে আৱশ্যক হোৱা সকলো সুবিধা থকাতো অসম চৰকাৰে এনে এটা উদ্যোগ কিয়নো চৰকাৰী খণ্ডত প্ৰতিষ্ঠা কৰিব নোৱাৰে বা কিয়নো ব্যক্তিগত খণ্ডক দিয়াত বাধা আৰোপ কৰিব নোৱাৰে, সেই কথা ভনা নাযায়।

অসম চৰকাৰে যদি আগভাগ লয় তেনেহলে এই উদ্যোগ গঢ়ি তুলিবৰ কাৰণে যোৰহাটত উৎপাদনৰ আহিলা, যেনে— মাটি, কেঁচামাল, শ্ৰমিক আৰু দক্ষ পৰিচালকৰ অভাৱ নহয়। অসম চৰকাৰে আৱশ্যকীয় ২৫০ লাখ টকা মূলধনৰ ⅓ অংশ দিবলৈ সন্মতি জনালে বাকী ⅔ অংশ ব্যৱসায়িক বেংক আদিৰপৰা লৈ উদ্যোগটো গঢ়িবলৈ একো অসুবিধা নহয়। গতিকে, চৰকাৰৰ পৰা সন্মতি-সূচক মন্তব্য পালে সবিশেষ আলোচনা কৰিবলৈ আনন্দেৰে আগ বাঢ়িম।




'হোমেন বৰগোহাঞিৰ, শেহতীয়া শক্তিশালী উপন্যাস। কেৱল এগৰাকী সাংবাদিক আৰু বুদ্ধিজীৱিয়েই নহয় শ্ৰীবৰগোহাঞি 'অসমীয়া কথা-সাহিত্যৰ এগৰাকী শক্তিশালী স্ৰষ্টা।
নিৰ্ভীক অথচ মানৱদৰদী, ক্ষুৰধাৰ সমালোচক অথচ সংবেদনশীল এই গৰাকী কথাশিল্পীৰ অসমীয়া উপন্যাসলৈ অৱদান সৰ্বজন সমাদৃত। মূল্য: ১৮·০০
**ষ্টুডেণ্টচ্ ষ্টৰচ্: গুৱাহাটী-১**




*শিক্ষাবিদ-সাহিত্যিক-কবি-গীতিকাৰ-নাট্যকাৰ-প্ৰবন্ধকাৰ, বাগ্মীপুৰুষ আৰু ৰাজনীতিবিদ শ্ৰীপৰাগ চলিহাদেৱৰ অনবদ্য বাণী-অৰ্ঘ্য ঃ*

**চিত্ৰ–বিচিত্ৰ**

শ্ৰীপৰাগ চলিহা অসমৰ ভাষা-সহিত্য-সংস্কৃতি আকাশৰ এটি উজ্জ্বল নক্ষত্ৰ। তেখেতৰ ৰাজনৈতিক মূল্যবোধ আৰু ৰাজনৈতিক জীৱনৰ বিভিন্ন দিশত প্ৰতিফলিত আদৰ্শৰ সংযোগত নিশ্চিতভাৱে উপলব্ধি কৰিব পাৰি যে, তেখেতে মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শৰ অনুকূলে জীৱন আৰু সমাজক অন্তদৃ'ষ্টিৰে বিশ্লেষণ কৰিবপৰা ডিভাইন কলা ৰূপেহে ৰাজনীতিত নামিছে। তেখেতৰ সদ্য প্ৰকাশিত 'চিত্ৰ-বিচিত্ৰ' অসমীয়া ভাষা-সংস্কৃতিৰ পূজাৰী· সকলৰ জীৱন-বিয়পা সাধনা আৰু সাংস্কৃতিক মূল্যবোধৰ স্বৰূপ বিশ্লেষক একক গ্ৰন্থ। লিখকৰ পৰ্যবেক্ষণ আৰু অনুভৱ কেৱল নান্দনিক দিশতে পৰিসীমিত নাথাকি সমাজতাত্ত্বিক পৰ্যবেক্ষণ-বিশ্লেষণ পৰ্যন্ত সম্প্ৰসাৰিত হোৱাৰ প্ৰকৃষ্ট নিদৰ্শন এই গ্ৰন্থখনিত সন্নিবিষ্ট মননশীল আৰু সৃষ্টিধৰ্মী প্ৰৱন্ধ কেইটি। শ্ৰীচলিহাই তেখেতৰ তিনিকুৰি চাৰি বছৰীয়া জীৱনৰ সান্নিধ্য আৰু সংস্পৰ্শলৈ অহা বৰণ্য কবি-শিল্পী-সাধক কেইজনমানৰ মানৱীয় প্ৰকৃতিৰ বিশ্লেষণ কৰিছে কলাসুলভ দৃষ্টিৰে। তেখেতৰ ভাষা আৰু ৰচনা-শৈলী অননুকৰণীয়, অকৃত্ৰিম, স্বতঃস্ফূৰ্ত। বিষয়বস্তু, ৰচনা-শৈলী, গদ্যৰীতি আৰু উপস্থাপন পদ্ধতি আদি দিশৰপৰা 'চিত্ৰ-বিচিত্ৰ' বিৰল নিৰ্মিতি।

*বেচ কুৰি টকা মাত্ৰ*

**বাণী প্ৰকাশ**
পাণবজাৰ, গুৱাহাটী - ১

TULI-KALAM




# এই ইউকেলিপটাছ গছবোৰ!

গকুল হাজৰিকা

আজি কিছু বছৰৰপৰা অসমৰ নগৰে-চহৰে, গাঁৱে-ভূঁয়ে, ৰাষ্ট্ৰীয় পথ —গাঁৱলীয়া পথৰ কাষে-কাষে বা মানুহৰ ঘৰৰ আগত, বাৰীৰ চুকত, পুখুৰীৰ পাৰত, সহজে চকুতপৰা এটি সাধাৰণ দৃশ্য হৈছে দীঘলকৈ গাগছৰে, চিৰিলা-চিৰিল পাতৰ বতাহত হালি-জালি থকা ইউকেলিপটাছ গছবোৰ। সামাজিক বনানীকৰণৰ নামত ৰাজ্যখনত লাগতিয়াল, ফলমূল লগা বা আগৰ, ধুনা, তেজপাতৰ দৰে বিশেষ গুণবিশিষ্ট গছ ৰোৱাৰ সলনি, নিম্ন গুণবিশিষ্ট, অলাগতিয়াল বা অসমৰ মাটি, পৰিবেশ, কৃষি-অৰ্থনীতিৰ বাবে ক্ষতিকাৰক অষ্ট্ৰেলিয়ান একেছিয়া, ইউকেলিপটাছ আদি গছ ৰুই টকাৰ অপব্যয় কৰাহে হৈছে বুলি আজিৰ কিছুলোকৰ মুখত অভিযোগ শুনিবলৈ পোৱা গৈছে।

ইউকেলিপটাছ ভাৰতলৈ অনা হৈছিল প্ৰায় দুশ বছৰ আগতে। দক্ষিণাত্যৰ ইতিহাসৰ পাতত পোৱা যায় যে ১৭৭০ চনত টিপু চুলতানে ইউকেলিপটাছৰ ১৬ বিধ প্ৰজাতি আনি কোলাৰ জিলাৰ পান্দী পৰ্বতত ৰুইছিল। তাৰ ভিতৰৰে দুজোপামান আজিও জীয়াই আছে।

ইউকেলিপটাছৰ ৫০০ মান্ প্ৰজাতি আছে। তাৰে ভিতৰৰ ১৭০ বিধ, নানান সময়ত ভাৰতৰ কিছুমান স্থানত ৰোপন কৰা হৈছিল। কিন্তু সৰহভাগেই নিটিকিল। ইয়াৰ ভিতৰৰে ৫ বিধ, নানান পৰীক্ষা-নিৰীক্ষাৰ পাছত বৃহৎ আঁচনিৰে ৰোৱা আৰম্ভ হ'ল। এই ৫ বিধ বাঢ়িল লহপহকৈ। ১৮৫৬ চনত নীলগিৰি পৰ্বত অঞ্চলত প্ৰথমবাৰৰ বাবে ব্যাপক ৰূপত এই গছৰ খেতি আৰম্ভ হয়। উদ্ভিদ বিদ্যাত "ইউকেলিপটাছ টেৰেটিকৰনিছ" বা সাধাৰণ ভাষাত "মাইচৰ গাম" বোলা বিধে আমাৰ দেশৰ মাটিত ভালকৈ সহঁাৰি দিয়াত, এই বিধ দেশৰ অন্যান্য অঞ্চললৈ নি লগোৱা হয়। যোৱা ৫০ বছৰত ইউকেলিপটাছ গছে দেশখনৰ কিছুমান অঞ্চল ভয়াবহ ৰূপত ছাটি ধৰিছে। সামাজিক বনানীকৰণ আঁচনিৰ যোগেদি ই আহি অসম পাইছেহি। ইয়াৰ গুণাগুণ, প্ৰয়োজনীয়তা আদিৰ কথা নজনাকৈয়ে, অসমৰ ৰাইজে এই বিধ গছ পুলি বিনামূলীয়াকৈ পাই, নি লগালেগৈ বাৰীত, পথাৰত। চৰকাৰী বিভাগে লগালে পথৰ কাষত, পতিত মাটিত। জিলা উপায়ুক্তৰ বঙলাৰ সন্মুখৰ পথৰ দাঁতিৰ চৰকাৰী মাটিত। ওপৰত থকা বিজুলী, টেলিফোনৰ তাঁৰৰ কথা কোনেও নাভাবিলেই।

এজোপা-দুজোপাৰ কথা সুকীয়া; কিন্তু বৃহৎ পৰিমাণত এই গছ ৰুলে, ই অসমৰ কৃষি-অৰ্থনীতি তথা জলসিঞ্চন আৰু সংৰক্ষণৰ ক্ষেত্ৰত ক্ষতি কৰাৰ সম্ভাৱনা আছে।

পৃথিৱীৰ অতি পোন বা সৰল আৰু ওখ গছবোৰৰ অন্যতম ৰূপে খ্যাত ইউকেলিপটাছ গছক লৈ আৰম্ভ হোৱা তৰ্ক-বিতৰ্ক কিন্তু এই গছ জোপাৰ নিচিনা পোন নহয়। ইউকেলিপটাছ বৰ্তমান দেশখনৰ পৰিবেশ-সংক্ৰান্ত গুৰুত্বপূৰ্ণ বিষয়ৰ ভিতৰত সবাতোকৈ উত্তপ্ত বিষয়। কিন্তু অসমত আজিলৈকে এই বিষয়টো অৱহেলিত হৈ থকা দেখা গৈছে।

আমাৰ বন-বিভাগ, বিশেষকৈ সামাজিক বনানীকৰণ শাখা এই ইউকেলিপটাছ গছৰ সমৰ্থক যেন লাগে। নহলেনো সমগ্ৰ দেশখনৰ ৫ লাখ হেক্টৰ মাটি সামাজিক বনানীকৰণ আঁচনিৰ অধীনত নানা বিধৰ গছেৰে সেউজীয়া কৰাৰ মহান প্ৰচেষ্টাত শতকৰা ৮০ ভাগেই ইউকেলিপটাছ গছ হ'ব লাগেনে? প্ৰথম অৱস্থাত ৰাইজেও বিনামূলীয়াকৈ পাই, এই গছৰ পুলি নি


এই গছে কুঁৱা-পুখুৰীৰ পানী সুকুৱাই
নতুন দিল্লীৰ বিজ্ঞান আৰু পৰিবেশ কেন্দ্ৰৰ সৌজন্যত

ধুমধাম বাৰীত, কুঁৱাৰ পাৰত, পুখুৰীৰ কাষত ৰুলে;— শোভা বৰ্ধনৰ বাবে, ছাঁ পাবৰ বাবে। কিন্তু যেতিয়া দেখিলে বাৰীৰ কুঁৱা পুখুৰীৰ পানী শুকাল তেতিয়া তেওঁলোক বিমোৰত পৰিল। নিজৰ ভিতৰতে আলোচনা আৰম্ভ হ'ল। কিয় পানী শুকাইছে? কিন্তু ঘাই কাৰণ তেওঁলোকে ধৰিব নোৱাৰিলে। লাহে লাহে বুজিলে ইউকেলিপটাছ নামৰ এই জোপা গছ নহয়; ভূ-গৰ্ভৰ পানী শুহি পৰিবেশ সলনি কৰিব পৰা অদ্ভুত ক্ষমতা থকা ই এক দৈত্যহে। অভিশাপহে। ছেগা চোৰোকাকৈ আলোচনা চলি আছে; কিন্তু ৰাইজ আজিও মুখৰ হৈ উঠা নাই ইউকেলিপটাছৰ বিৰুদ্ধে।

ইউকেলিপটাছ এজোপা সামাজিকভাৱে অদৰকাৰী গছ। পৰিবেশৰ আমূল পৰিবৰ্তন সাধিব পৰা এই গছ

আমাৰ দেশৰ বাবে নহয়, আমাৰ দেশৰো নহয়। অষ্ট্ৰেলিয়া মহাদেশৰ এই গছ আমাৰ বাবে বিভীষিকা হৈ পৰিব পাৰে। কাৰণ :

১। ইউকেলিপটাছে ভূগৰ্ভৰ পানীৰ উচ্চতা নিম্নগামী কৰে ;

২। এই গছে চাৰিওকাষৰ মাটিৰ ক্ষতিসাধন কৰে ;

৩। এই গছৰ তলত বা আশে-পাশে আন গছ নুঠে ;

৪। চাৰিওকাষৰ মাটিত সাৰ নাইকিয়া হয় ; তাত খেতি কৰা অসম্ভৱ হৈ উঠে। (উৎসঃ Centre for Science and Environment, New Delhi)

দক্ষিণৰ কৰ্ণাটক ৰাজ্যৰ এখন জিলা— হাচান। এইখন জিলাৰ য়েলা-গুণ্ডা অঞ্চলৰ ৬০০ একৰ মাটিত চৰকাৰৰ বন-বিভাগে সামাজিক বনানীকৰণৰ নামত লাখ লাখ ইউকেলিপটাছ গছ ৰুলে। চনটো ১৯৮২। দুবছৰৰ ভিতৰত সৃষ্টি হল এখন কৃত্ৰিম হাবি। কিন্তু সমস্যাই দেখা দিলে অন্য ৰূপত। এই অঞ্চলৰ মাটিৰ উপৰিভাগত ঘাঁহ-বন নগজা হ'ল। সমগ্ৰ অঞ্চলৰ জনসাধাৰণৰ গৰু-ম'হ-ছাগলীয়ে খাবলৈ বন এডালো নাইকিয়া হ'ল। দেখা দিলে ভীষণ পানীৰ অভাৱে। কুঁৱা, পুখুৰীৰ পানী শুকাই গ'ল। কৰ্ণাটকৰ ৰাইজ সচেতন হ'ল ইউকেলিপটাছৰ অপকাৰিতাৰ প্ৰতি। কাষ চাপিল ৰাজ্যৰ শক্তিশালী খেতিয়ক সন্থা ৰয়ত (Róyot) সংঘৰ। ৰয়ত সংঘৰ সাহায্যত লাখ লাখ ইউকেলিপটাছ গছ, পুলি চৰকাৰী মাটি তথা পুলি-পামসমূহৰ পৰা উভালি নষ্ট কৰি পেলোৱাৰ কথা বাতৰি কাকতৰ যোগে আজি সকলোৱে জানে। এই শক্তিশালী খেতিয়ক সন্থাই চৰকাৰক ভৱিষ্যতে ইউকেলিপটাছ গছ নুৰুবলৈ সাৱধান-বাণী শুনালে। জনগণৰ অভুতপূৰ্ব সমৰ্থন লাভ কৰা এই অভিনৱ আন্দোলনৰ আহ্বায়ক এন. ডি. নানজুনদাস স্বামীয়ে এখন প্ৰেছ-মেলত কৈছিল,— "কৰ্ণাটক চৰকাৰে যদি আমাৰ দাবী মানি নলয়, তেনেহলে আমাক মাথো দুটা দিনহে প্ৰয়োজন হ'ব সমগ্ৰ কৰ্ণাটকৰ পৰা ইউকেলিপটাছ গছ নিশ্চিহ্ন কৰি দিবলৈ।"

খেতিয়ক সন্থা, ৰয়ত সংঘৰ জয় হ'ল। এই ৬০০ একৰ মাটি ৬০০ ভূমিহীন, দৰিদ্ৰ খেতিয়ক পৰিয়ালক ভগাই দিয়া হ'ল। ইউকেলিপটাছৰ চিন-মোকাম নাইকিয়া হ'ল। ৰাইজে এইবাৰ দাবী জনালে তেতেলী আৰু কঠাল গছৰ বাবে। চৰকাৰে যোগান ধৰিলে। ৰয়ত সংঘই এখন সমবায়ৰ পৰিকল্পনাৰে আঁচনি প্ৰস্তুত কৰিলে। সমবায়খন পঞ্জীয়নভুক্ত হ'ল। সমবায়খনে এটি ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰি তেতেলী আৰু কঠালৰ পৰা উৎপন্ন কৰিব নানান জুতি লগা খাদ্য, পানীয়।

ইকনমিক এণ্ড পলিটিকেল সাপ্তাহিক কাকতৰ এটা প্ৰবন্ধত, ১৯৮৩ চনত সুখ্যাত সাহিত্যিক মহাশ্বেতা দেবীয়ে লিখিছিল : "মই জনা ভাৰতবৰ্ষখনৰ বিষয়ে আজি মই চিন্তিত। মোৰ ভাৰত দুখীয়া, ভোকাতুৰ আৰু সহায়হীন মানুহৰ। এওঁলোকৰ সৰহভাগেই কৃষিজীৱী যদিও ভূমিহীন। মোৰ ৰাজ্যৰ পুৰুলিয়া, বাঁকুৰা, মিদনাপুৰ, সিংভুম, পালামৌ আদি জিলা সমূহত লাখ লাখ ইউকেলিপটাছ গছ ৰুই মোৰ ভাৰতৰ জনসাধাৰণক খোৱা পানী টোপা তথা জলসিঞ্চনৰ সুবিধাৰ পৰা বঞ্চিত কৰা হৈছে। ...এই পৰিস্থিতিৰ উত্তৰ নহ'বলৈ সমগ্ৰ দেশ-জুৰি এক সুসংঘবদ্ধ ইউকেলিপটাছ-বিৰোধী আন্দোলনেই হল একমাত্ৰ উপায়।"

১৯৮৩ চনৰ আগষ্ট মাহত ভাৰতৰ আগশাৰীৰ দুজনমান পৰিবেশ-সচেতন ব্যক্তি বিষয়টো গভীৰভাৱে অধ্যয়ন কৰাৰ মানসেৰে গোট খালে। ইয়াৰ ভিতৰত আছিল পৰিবেশ সংক্ৰান্ত বিষয়ত জীৱন উৎসৰ্গা কৰা (পদ্মশ্ৰী) চণ্ডিকা প্ৰসাদ ভাট, (পদ্মশ্ৰী) সুন্দৰ লাল বহুগুণা, কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ চন্দ্ৰশেখৰ, প্ৰফেছৰ বি. ভি. কৃষ্ণমূৰ্তি আদি। ইউকেলিপটাছ গছে ক্ষতি কৰা স্বাভাৱিক-প্ৰাকৃতিক পৰিবেশ অধ্যয়নৰ বাবে স্থান হিচাপে নিৰ্বাচন কৰা হল বাংগালোৰৰ পৰা প্ৰায় ৩০ কি. মি. দূৰৰ হোচাকুট তালুক। এই অঞ্চলত চৰকাৰে বিস্তৃতভাৱে ৰুইছিল ইউকেলিপটাছ হাইব্ৰিড। চকুৰে নমনালৈকে ইউকেলিপটাছ হাইব্ৰিড় ৰোৱা এই অঞ্চলত বিশদ তথা পুংখানুপুংখ অধ্যয়নৰ পাছত আলোচনা সভা অনুষ্ঠিত হ'ল। দলৰ মুখপাত্ৰ ৰূপে বহুগুণাই ঘোষণা কৰিলে উপস্থিত ৰাইজ, সাংবাদিকৰ আগতঃ —"এই বিস্তীৰ্ণ অঞ্চলক ইউকেলিপটাছৰ গৰাহৰ পৰা ৰক্ষা কৰাৰ অৰ্থে ইউকেলিপটাছবোৰ উভালি তাৰ সলনি ফলমূল বা লাগতিয়াল গছ ৰোপনৰ দাবী জনাই এই অঞ্চলৰ ৰাইজে সংঘবদ্ধ হৈ এক ৰাইজৰ আন্দোলন গঢ়ি তুলিলে আনন্দিত হম। সহায় কৰিম। ইউকেলিপটাছৰ পৰা হ'ব পৰা সম্ভাব্য বিপদৰ বিষয়ে আমি পতিয়ন গৈছোঁ।"

ইউকেলিপটাছ মাথোন সামাজিকভাৱে অপ্ৰয়োজনীয় গছেই নহয় ; এই গছ প্ৰতিযোগিতাত নামিছে মানুহৰ লগত,— মাটিৰ বাবে। মাটিক মানুহৰ অপ্ৰয়োজনীয় কৰি তুলিবৰ বাবে। আজি দুবছৰমান আগতে পশ্চিমবংগৰ কিছু অঞ্চলত হোৱা খৰাং বতৰৰ বাবে মাইলৰ পাছত মাইল জুৰি ৰোৱা ইউকেলিপটাছেই ঘাইকৈ দোষী বুলি পৰিবেশবিদসকলে মত প্ৰকাশ কৰিছিল। (উৎস : The State of India's Environment, 1984-85)।

বিশেষজ্ঞসকলৰ মতে এই গছৰ পাতে সৰি পৰাৰ পাছত বাষ্পকণা সংগ্ৰহ কৰিব নোৱাৰে। সেয়েহে এই পাত সেমেকি নাযায়, নপচে। গোট খাই একোটা দম বান্ধে আৰু ঠৰঙা, শুকান হৈয়ে থাকে। বৰষুণৰ দিনবোৰতো সেইবোৰৰ পৰিবৰ্তন নহয়। সেয়েহে এই পাতে আন গছৰ পাতৰ দৰে পচি সাৰ সৃষ্টি নকৰে। এই গছ থকা অঞ্চলৰ তলত ঘাঁহ নগজে বাবে ইয়াৰ তললৈ গৰু ছাগলী নাহে। ফলত তাত গোবৰ নপৰে। সাৰ নাপাই মাটিৰ উপৰিভাগ হৈ উঠে নিৰ্জীৱ, অনুৰ্বৰ। ফলস্বৰূপে জৈৱিক পদাৰ্থৰ (উদ্ভিদ বা প্ৰাণীদেহৰ) পচন নহয় ; মাটিৰ দ্বাৰা খাদ্য দ্ৰব্যৰ শোষণো নহয়। তদুপৰি হিউমাছো সৃষ্টি নহয়। সেয়েহে মাটিৰ উপৰিভাগ প্ৰাণহীন আৰু নিৰস হৈ পৰা দেখা যায়। মাটিৰ উপৰিভাগৰ ঠিক তলৰ অঞ্চলতো উদ্ভিদ বা প্ৰাণী আদিৰ সূক্ষ্মজীৱৰ স্থিতিও নোহোৱা হয়।

এই সম্পৰ্কে আগবঢ়োৱা বৈজ্ঞানিক ব্যাখ্যা হ'ল—ইউকেলিপটাছ গছৰ মূলতন্ত্ৰই বা শিপাই বিষাক্ত ৰাসায়নিক দ্ৰব্য কিছুমান নিৰ্গত কৰে, আৰু সেইবোৰে সূক্ষ্ম জীৱবোৰ ধ্বংস কৰে।

যিবোৰ ঠাইত ৮–১০ বছৰ ধৰি এই গছবোৰ থাকে, সেই ঠাইৰ ভূতলত ইয়াৰ মূলতন্ত্ৰ বা শিপাৰ বিস্তাৰ ইমান বেছি হয় যে সেইবোৰ ঠাইৰ পৰা মুলতন্ত্ৰ বা শিপা পৰিষ্কাৰ কৰি সেই মাটি ভৱিষ্যতলৈ ব্যৱহাৰোপযোগী কৰি তোলাটো আৰ্থিক সম্ভাৱণাৰ বাহিৰলৈ যায়গৈ।

দক্ষিণ ভাৰতৰ খেতিয়কসকলে ইউকেলিপটাছৰ সম্পৰ্কে তেওঁলোকৰ ব্যক্তিগত অভিজ্ঞতাৰ কথা বৰ্ণাই কৈছিল যে যোৱা ২০ বছৰত শাৰী শাৰী ইউকেলিপটাছ ৰোৱা অঞ্চলৰ খেতিৰ পথাৰৰ উপৰিভাগৰ ৩০ ফুটৰ পৰা ৫০ ফুটলৈকে দীঘল-পুতলৰ মাটি কটুৰ আৰু অনুৰ্বৰ হৈ পৰিছে। সেই অনুৰ্বৰ হৈ পৰা মাটিৰ আগলৈ চাৰিওকাষৰ পথাৰত ৩০-৫০ ফুটলৈকে শস্যৰ উৎপন্ন অতি কম হৈ আহিছে। এনে অঞ্চলবোৰৰ উপৰিভাগৰ সাৰুৱা মাটিৰ গুণ সমূলে লোপ পাইছে। এই গছৰ সৰাপাতে মাটিত ৰাসায়নিক বিষাক্তকৰণ সৃষ্টি কৰিছে। চাৰিওকাষৰ মাটিৰ পানী শুকাইছে। এই গছৰ শিপাই মাটিৰ তল ভাগত মকৰাজালৰ দৰে বিস্তাৰ লাভ কৰি মাটিক অলাগতিয়াল কৰি পৰিত্যক্ত কৰিবলৈ বাধ্য কৰিছে। বৈজ্ঞানিক ব্যাখ্যাৰ লগত খেতিয়কৰ অভিজ্ঞতাৰ মিলনত পৰিবেশবিদসকল চিন্তিত হৈ পৰিছে।

মধ্যপ্ৰদেশৰ ডকাইত অধ্যুষিত "বেহড়" (Ravine) অঞ্চল ৰূপে খ্যাত ভিন্দ আৰু মোৰেণা জিলাৰ ৪৬,০০০ হেক্টৰ পতিত মাটিত ১৯৭৪ চনলৈকে লাখ লাখ ইউকেলিপটাছ গছ ৰোৱা হৈছিল। কিন্তু "পানীৰ অভাৱৰ বাবে কুখ্যাত" এই অঞ্চলত ইউকেলিপটাছ গছবোৰ শুকাই মৰি গ'ল; —পানীৰ অভাৱত আৰু পৰিবেশে নুগুজাত।

যোৱা তিনিবছৰত গুজৰাটত সেউজীকৰণ আঁচনিৰ অধীনত ৰোৱা ৪৫.৪৪ কোটি গছপুলিৰ ভিতৰত ৩২.৭২ কোটি ইউকেলিপটাছ গছ। এতিয়া সেই ৰাজ্যই ভুল বুজি নতুন দিল্লীৰ বিজ্ঞান আৰু পৰিবেশ কেন্দ্ৰৰ সহযোগত আলোচনা-চক্ৰ অনুষ্ঠিত কৰিছে। বাতৰি কাকত যোগে পৰিবেশ সম্পৰ্কে ৰাইজক সচেতন কৰি তোলাৰ মানসেৰে আহমেদাবাদত সাংবাদিক সন্মিলন অনুষ্ঠিত কৰা হৈছিল।

উত্তৰ প্ৰদেশতো ইউকেলিপটাছৰ ঢৌৱে সাধাৰণ খেতিয়কক স্পৰ্শ কৰিছেগৈ। উত্তৰ প্ৰদেশৰ জেষ্ঠ বনবিষয়া শ্ৰীডি. এন. মিশ্ৰই আক্ষেপ কৰিছিল : "আমাৰ ৰাজ্যৰ খেতিয়কে আন গছ পুলিতকৈ ইউকেলিপটাছ বেছিকৈ বিচাৰে। কাৰণে ই সোনকালে বাঢ়ে। এই গছৰ অপকাৰ সম্পৰ্কে সচেতনতা অহা নাই। যোৱা বছৰ প্ৰায় ৫০ লাখ আন গছ-পুলি আমাৰ পুলি-পামসমূহত নষ্ট হ'ল। সেইবোৰ কোনেও নিবিচাৰিলে।"

ভূ-গৰ্ভৰ পানী-উচ্চতা বা সমতা নিম্নগামী কৰাত সহায়ক এই গছ সম্পৰ্কে ডেৰাডুনৰ ছেণ্ট্ৰেল ছয়ল এণ্ড ৱাটাৰ কনজাৰভেশ্যন ৰিছাৰ্চ ছেণ্টাৰৰ আৰ. কে. গুপ্তাৰ মতে : "ভূ-তলত মকৰাজালৰ দৰে বিস্তাৰ লাভ কৰা এই গছৰ শিপাই মাটিৰ শেষকণ পানী বা বাষ্পকণা শুহি মাটি অনুৰ্বৰ কৰি তোলে।"

কৰ্ণাটকৰ ইকনমিক এণ্ড প্লেনিং কাউঞ্চিলৰ মতে জলসিঞ্চন বিভাগৰ ভূগৰ্ভৰপৰা পানী টনা বিজুলী চালিত পাম্পসমূহ, বছৰে-দুবছৰে হোৱা খৰাং বতৰ, গভীৰ নলীনাদসমূহ আৰু বিস্তীৰ্ণ অঞ্চলজুৰি ৰোৱা হাজাৰ-হাজাৰ ইউকেলিপটাছ গছৰ শিপাই হ'ল কুঁৱা বা পুখুৰী আদিৰ পানী শুকাই যোৱাৰ মূল কাৰণ। ইউকেলিপটাছ গছৰ গুৰিয়ে বৰষুণৰ পানী ধৰি ৰাখিব নেৰাৰে। এতেকে এনে অঞ্চলত হোৱা বৰষুণৰ পানী মাটিয়ে শুহি নোলোৱাত বৈ যায়, আৰু বৈ যাওঁতে ওপৰস্তৰৰ মাটি উটুৱাই নি মাটিক আৰু ক্ষমতাহীন কৰে।

ইউনেস্ক'ৰ এক প্ৰতিবেদনমতে আমাৰ ইয়াত দেখা ইউকেলিপটাছ গছ দুবিধ। দুয়োবিধ হাইব্ৰিড বা বৰ্ণসংকৰ। এবিধৰ পাত চিৰিলা-চিৰিলি, দীঘলীয়া, লাহী। আনবিধৰ পাত থোপোকা। এই দুয়োবিধ গছক প্ৰায় ১২০০ মি. মি. বৰষুণ লাগে। কম বৰষুণ হোৱা অঞ্চলত গছজোপাৰ বাবে প্ৰয়োজন হোৱা পানী বিচাৰি ইয়াৰ শিপাই বহুদূৰলৈ বিস্তাৰ লাভ কৰে। ১৩ মিটাৰলৈকে ইয়াৰ বিস্তাৰ দেখা পোৱা যায়।

ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেণ্টৰ ড° জে. বন্দোপাধ্যায়ে এই কথা সত্য বুলি স্বীকাৰ কৰি কৈছে যে এই গছে বৰষুণ ধৰি ৰাখিব নোৱৰাৰ বাবে এই গছৰোৱা অঞ্চলবোৰত মাটিৰ গুণ নষ্ট হয়। অৱশ্যে এক নিৰ্দিষ্ট অঞ্চলত কিমান সংখ্যক ইউকেলিপটাছ গছ ৰোৱা হৈছে সেই সংখ্যাৰ ওপৰত এই তথ্য নিৰ্ভৰ কৰে। আৰু এটা কথা; —এই গছে মাটি আম্লিক (acidic) কৰি তোলে।

ইউকেলিপটাছ গছ সম্পৰ্কে এনে ধৰণৰ অভিযোগসমূহৰ অসমতো এক সূক্ষ্ম বিশ্লেষণ অনুসন্ধান হ'ব লাগে। সামাজিক বনানীকৰণ বিভাগে এই গছ সম্পৰ্কে নিৰপেক্ষভাৱে পৰীক্ষা-নিৰীক্ষা চলাই পোৱা তথ্য চৰকাৰৰ হাতত দি অসমৰ জনসাধাৰণকো জনাব লাগে।





OKDISCD

# অতিপৰিবাহিতাৰ ব্যৱহাৰ আৰু ভাৰতৰ অগ্ৰগতি

ড° কুলেন্দু পাঠক

শক্তিৰ উৎপাদন আৰু ব্যৱহাৰ আধুনিক সভ্যতাৰ বাবে অতি প্ৰয়োজনীয়। বিগত এশ বছৰ জুৰি ক্ৰমান্বয়ে বিজুলীশক্তিৰ ব্যৱহাৰ বাঢ়ি আহিছে। উদ্যোগ যুগৰ আৰম্ভণিতে বাৰ্মিংহাম, মানচেষ্টাৰ আদি নগৰীৰ আকাশ কয়লাৰ ধোঁৱাৰে ধুষৰিত আছিল। কিন্তু বিজুলী শক্তিৰ ব্যৱহাৰ বঢ়াৰ ফলত আজিৰ বাৰ্মিংহামৰ আকাশ গুৱাহাটীৰ আকাশতকৈ বেছি নীলা। পৃথিৱীৰ উন্নত দেশবোৰত এক মিনিটৰ বাবেও অপৰিকল্পিতভাৱে আৰু জাননী নিদিয়াকৈ বিজুলী যোগান বন্ধ হোৱাটো অভাৱনীয় ঘটনা। বিদ্যুৎ-প্ৰবাহ আধুনিক সভ্যতাৰ স্থিতি, বিকাশ আৰু অগ্ৰগতিৰ বাবে অতি প্ৰয়োজনীয়। এই দৃষ্টিকোণৰপৰা বিচাৰ কৰিলে আমাৰ ৰাজহুৱা ধনেৰে চালিত বিদ্যুৎ পৰিষদবোৰে আমাক অৰ্ধ-সভ্য অৱস্থাত ৰখাৰ যত্ন অব্যাহত ৰাখিছে বুলি কব পাৰি।

১৮৩১ চন। ৰয়েল ইনছটিটিউশ্যনত "দাৰ্শনিক গৱেষণাৰ সহায়কাৰী" (আমাৰ প্ৰচলিত অৰ্থত বেয়াৰাৰ) হিচাপে কাম কৰা স্কুল-কলেজৰ শিক্ষা নোপোৱা ফাৰাডেই তেওঁৰ বিখ্যাত "বিদ্যুৎ সম্পৰ্কে পৰীক্ষামূলক গৱেষণা" প্ৰকাশ কৰে আৰু একেলগে প্ৰকাশিত হয় বিখ্যাত বিদ্যুৎ চুম্বকীয় আৱেশ নীতি।" এই নীতিৰ ভিত্তিতেই জেনেৰেটৰ, মটৰ, ট্ৰেন্‌ছফৰ্মাৰ আদি গঢ়ি তোলা হয়। বিদ্যুৎ-চুম্বকীয় নীতি সম্পৰ্কীয় পৰীক্ষা দেখুৱাওঁতে এবাৰ হেনো ইংলণ্ডৰ প্ৰধানমন্ত্ৰীয়ে ফাৰাডেক সুধিছিল —"এই নীতি কিবা কামত আহিব নে?" ফাৰাডেৰ উত্তৰ আছিল সংক্ষিপ্ত : "এদিন চৰকাৰে এই আহিলাৰ ওপৰত টেক্স লগাব।" নিজৰ কোনো আৱিষ্কাৰৰ পেটেণ্ট নকৰা (প্ৰাকৃতিক দাৰ্শনিক অৰ্থাৎ বিজ্ঞানীৰ আৱিষ্কাৰ মানৱ জাতিৰ সমূহীয়া সম্পদ বুলি তেওঁ মনে-প্ৰাণে বিশ্বাস কৰিছিল।) ফাৰাডেৰ এই বাক্য আজি সত্যত পৰিণত হৈছে। নতুন অতিপৰিবাহী প্ৰযুক্তিৰ ক্ষেত্ৰতো ফাৰাডেৰ উক্তি প্ৰয়োগ কৰিব পৰা যাব।

সাধাৰণতে বিভিন্ন পাৰিবেশিক আৰু ভৌগোলিক কাৰণত বৈদ্যুতিক শক্তি উৎপাদন কৰা কেন্দ্ৰবোৰ ঘন জন বসতিৰপৰা আঁতৰত স্থাপন কৰা হয়। অথচ বিজুলীৰ ব্যৱহাৰ হয় গাঁৱত, নগৰত, ফেক্টৰিত বা খেতি পথাৰত। তাঁৰৰ সহায়েৰে বিজুলী প্ৰবাহ এনেবোৰ ঠাইলৈ লৈ যাব পাৰি, সেয়ে বিজুলীৰ ব্যৱহাৰ বঢ়াৰ লগে লগে মকৰা জালৰ সূতাৰ দৰে তাঁৰবোৰো চাৰিওফালে বিয়পি যায়। পিছে তাঁৰৰ মাজেদি বিজুলী যাওঁতে কিছু পৰিমাণে বিজুলী শক্তি অবাবতে ক্ষয় হয়। এনে তাঁৰবোৰ সুপৰিবাহী পদাৰ্থ,— যেনে তাম, এলুমিনিয়াম আদিৰে তৈয়াৰী যদিও দীঘল তাঁৰবোৰৰ ৰোধ (resistance : অৰ্থাৎ বিদ্যুৎ-প্ৰবাহক বাধা দিয়া ধৰ্ম) একেবাৰে নগণ্য নহয়। এডাল তাঁৰৰ ৰোধ R ওম আৰু তাঁৰৰ মাজেদি বোৱা প্ৰবাহ I এম্প হ'লে, প্ৰতি ছেকেণ্ডত তাপ হিচাপে নষ্ট হোৱা বৈদ্যুতিক শক্তিৰ পৰিমাণ $I^2R$ ৱাট। (ওম, এম্প আৰু ৱাট যথাক্ৰমে ৰোধ, বিদ্যুৎ প্ৰবাহ আৰু শক্তি খৰচৰ হাৰৰ একক।) মন কৰিবলগীয়া কথা হ'ল : (১) তাঁৰ ডালৰ দৈৰ্ঘ্য বাঢ়িলে ৰোধ (R) বাঢ়ে আৰু শক্তিৰ ক্ষয়-ক্ষতিও বাঢ়ে; আৰু (২) বেছি প্ৰবাহ (I) পঠিয়াব খুজিলেও শক্তিৰ ক্ষতিৰ পৰিমাণ দ্ৰুতভাৱে বাঢ়ে। এনে ধৰণৰ ক্ষতি কমোৱাৰ উপায় হ'ল ৰোধ কমোৱা। ৰোধ শূন্য (R = o) হ'লে যিমান পৰিমাণৰ প্ৰবাহ পঠিওৱা নহওক কিয়, $I^2R$ অৰ মান হ'ব শূন্য; অৰ্থাৎ ৰোধ-শূন্য তাঁৰেৰে বিজুলী পঠিয়ালে "ট্ৰেনছমিশ্যন লছ" (transmission loss) নাইকিয়া হ'ব।




ড° চি. এন. আৰ. ৰাও

অতি-পৰিবাহী কি? : ৰোধ নথকা পৰিবাহীকে আমি সাধাৰণভাৱে অতি-পৰিবাহী বুলি ক'ব পাৰোঁ। পদাৰ্থৰ অতি-পৰিবাহিতা গুণ ১৯১১ চনত কেমাৰলিং ওনেজ নামৰ বিজ্ঞানী এজনে আৱিষ্কাৰ কৰে। হিলিয়াম গেছ জুলীয়া অৱস্থালৈ নিবলৈ অতি নিম্ন উষ্ণতাৰ প্ৰয়োজন। এনে উষ্ণতাত (–২৬৯°C বা 8°K) পাৰাৰ ৰোধ শূন্য হৈ যায়। অতিপৰিবাহিতা ধৰ্ম আৱিষ্কাৰৰ বাবে ১৯১৩ চনৰ পদাৰ্থ বিজ্ঞানৰ নোবেল বঁটা ওনেজক দিয়া হৈছিল। উল্লেখযোগ্য যে এনে অতি-নিম্ন উষ্ণতাত বহুতো ধাতু অতি-পৰিবাহী হয়। অতি-পৰিবাহী পদাৰ্থৰ বিষয়ে তাত্ত্বিক আৰু পৰীক্ষামূলক অধ্যয়ন পদাৰ্থ বিজ্ঞানৰ এটা গুৰুত্বপূৰ্ণ শাখা হিচাপে পৰিগণিত।

অতি-পৰিবাহিতা সম্পৰ্কে তত্ত্বীয় অগ্ৰগতিৰ ক্ষেত্ৰত BCS তত্ত্বৰ (Bardeen. J, Cooper. N, আৰু Schrieffer. J. R) অৱদান উল্লেখযোগ্য। কোৱাণ্টাম তত্ত্বৰ ভিত্তিত গঢ় দিয়া এই তত্ত্বৰ (১৯৫৭ চনত প্ৰকাশিত) বাবে তেওঁলোকে ১৯৭২ চনৰ নোবেল বঁটা লাভ কৰে। এই তত্ত্বীয় অগ্ৰগতিৰ ফলত অতি-পৰিবাহিতা সম্পৰ্কে গভীৰ অধ্যয়নৰ পথ মুকলি হয়।

কিন্তু 8°K বা –২৬৯°C উষ্ণতা সৃষ্টি কৰা আৰু সেই উষ্ণতাত যথেষ্ট সময়ৰ বাবে পদাৰ্থ ৰখা কামটো উলামুলা বিধৰ নহয়। জুলীয়া হিলিয়াম সৃষ্টি কৰা কামটো জুলীয়া নাইট্ৰ'জেন সৃষ্টি কৰাতকৈ বহুত গুণে টান। গতিকে জুলীয়া হিলিয়াম ব্যৱহাৰ কৰি অতি-পৰিবাহী সৃষ্টি কৰিলে তাৰ দাম হ'ব অতি বেছি আৰু ব্যৱহাৰৰ পৰিসৰ হ'ব কম। তথাপি অতি ক্ষমতাশালী চুম্বকক্ষেত্ৰ সৃষ্টি কৰাত এনে অতি-পৰিবাহী যথেষ্ট ব্যৱহাৰ কৰা হৈছে। কিন্তু ব্যৱসায়িক বা সাধাৰণ ব্যৱহাৰযোগ্যতাৰ দিশৰ পৰা জুলীয়া হিলিয়াম ব্যৱহাৰ কৰা অতি-পৰিবাহীৰ প্ৰয়োগৰ ক্ষেত্ৰ সীমাবদ্ধ। ১৯৭৩ চনত নায়'বিয়াম-জাৰ্মেনিয়াম যৌগই –২৫০°C (২৩°K) উষ্ণতাত অতি পৰিবাহিতা দেখুউৱা লক্ষ্য কৰা হৈছিল; কিন্তু এনে উষ্ণতাৰ বাবেও জুলীয়া হিলিয়াম প্ৰয়োজনীয়।



১০৭°k উষ্ণতাত ইট্ৰিয়াম-বেৰিয়াম-কপাৰ অক্সাইড যৌগক অতি-পৰিবাহী কৰিব পৰা গৈছে।

### ডিগ্ৰি কেলভিন (°K) বনাম ডিগ্ৰি চেলছিয়াছ (°C)

সাধাৰণতে আমি উষ্ণতা ডিগ্ৰি চেলছিয়াছত জোখোঁ। গলিবলৈ ধৰা বৰফৰ উষ্ণতা শূন্য ডিগ্ৰি চেলছিয়াছ। ডিগ্ৰি কেলভিনত এই উষ্ণতা হ'ব 273·16°K. সেইদৰে সাধাৰণ অৱস্থাত উতলি থকা পানীৰ উষ্ণতা 100°C বা 373·16°K। উষ্ণতাৰ কেলভিন স্কেলৰ এটা সুনিৰ্দিষ্ট অৰ্থাৎ সংজ্ঞাযুক্ত (বৰফৰ উষ্ণতাক O°C বুলি আমি ধৰিহে লৈছোঁ; সুমেৰু-কুমেৰুৰ বহুতো ঠাইৰ উষ্ণতা বৰফৰ উষ্ণতাতকৈ কম) নিম্নতম সীমা আছে। উষ্ণতাৰ এই সৰ্বনিম্ন মানক O°K বুলি কোৱা হয়। গণনা কৰি পোৱা গৈছে যে O°K = –273·16°C

যি কোনো উষ্ণতাৰ মানক চেলছিয়াছৰ পৰা কেলভিনলৈ নিব পাৰি। ইয়াৰ বাবে প্ৰয়োজনীয় ফৰমুলাটো হ'ল

$$T°C = (T + 273{\cdot}16)°K.$$

পৰম শূন্য উষ্ণতাৰ ওচৰত পদাৰ্থৰ ধৰ্মৰ নানা ধৰণৰ পৰিবৰ্তন ঘটে। এনেবোৰ ধৰ্মৰ অধ্যয়ন পদাৰ্থ বিজ্ঞানৰ এটা গুৰুত্বপূৰ্ণ শাখা ৰূপে প্ৰতিষ্ঠিত।



আমেৰিকাৰ হাউষ্টনৰ প'ল চু আৰু জুৰিখৰ IBM গৱেষণাগাৰৰ এলেক্স মুৰেলাৰ— নতুন অতি-পৰিবাহিতা সম্পৰ্কীয় গৱেষণাৰ দুজন বিখ্যাত গৱেষক। লেনথানাম-বেৰিয়াম-কপাৰ অক্সাইডৰ (ৰসায়নিক ফৰমুলা : $La_{1\,8}\,Ba_{0\,2}\,CuO_4$)। জটিল যৌগৰ বিশেষ ৰাসায়নিক সংগঠনে অতি-পৰিবাহিতা (৩০°k) দেখুৱায় বুলি জুৰিখৰ IBM পৰীক্ষাগাৰৰ পৰা যোৱা বছৰ ঘোষণা কৰা হৈছিল।

তেৰ বছৰ জোৰা অক্লান্ত গৱেষণাৰ পাছত জুৰিখত থকা IBM পৰীক্ষাগাৰৰ পৰা আহিল অতি উত্তেজনাপূৰ্ণ খবৰ। জৰ্জ বেডোজ আৰু এলেক্স মুলাৰে জনালে (১৯৮৬, এপ্ৰিল) যে Ba–La–CuO (বেৰিয়াম-লেনথানাম-কপাৰ অক্সাইড) নামৰ জটিল যৌগটোৰ এটা অৱস্থাই ৩০°K অৰ্থাৎ ২৪৩° ছে, উষ্ণতাত অতিপৰিবাহী হিচাপে কাম কৰে। এনেবোৰ চেৰামিক ৰেয়াৰ আৰ্থ যৌগৰ অতি-পৰিবাহিতা সম্পৰ্কে ATCT, Bell Telephone, IBM পৰীক্ষাগাৰ, টোকিঅ' বিশ্ববিদ্যালয়ৰ গৱেষণাগাৰ, বাংগালোৰৰ IIS আদি প্ৰতিষ্ঠানত গুৰুত্বপূৰ্ণ গৱেষণা দ্ৰুত গতিৰে আগ বাঢ়ি গ'ল। এই বছৰৰ মাৰ্চ মাহত হাউষ্টনৰ প'ল চুৱে ৯০°K অৰ্থাৎ –১৮৩° ছে· উষ্ণতাত কাম কৰা অতিপৰিবাহী আৱিষ্কাৰ কৰে। এই যৌগটো ইট্ৰিয়াম অক্সাইড, বেৰিয়াম কাৰ্বনেট আৰু কপাৰ অক্সাইডেৰে তৈয়াৰ কৰা হৈছিল। উল্লেখযোগ্য যে জুলীয়া নাইট্ৰ'জেনৰ (উতলাংক –১৯৬°C) সহায়েৰে এই যৌগটোৰ উষ্ণতা অতি-পৰিবাহীৰ উষ্ণতালৈ নিব পাৰি। এপ্ৰিলৰ মাজভাগত চীনদেশৰ বিজ্ঞান একাডেমিয়ে –৫৮° ছে· উষ্ণতাত আৰু আমেৰিকাৰ ৱাইনে ষ্টেট বিশ্ববিদ্যালয়ে –৩৩° ছে. উষ্ণতাত কাৰ্যকৰী অতি-পৰিবাহী আৱিষ্কাৰৰ কথা ঘোষণা কৰিছে। অলপ দিনৰ পাছতে বৰফৰ উষ্ণতাৰ ওপৰত অৰ্থাৎ ১8° ছে·ত কাম কৰা অতি-পৰিবাহী আৱিষ্কাৰৰ কথা জাপানে ঘোষণা কৰে। অৱশ্যে এনে অতি-পৰিবাহী পদাৰ্থৰ বিশেষ গঠন সম্পৰ্কে বিশদ তথ্য কোনেও প্ৰকাশ কৰা নাই। বিৰাট ব্যৱসায়িক সম্ভাৱনাপূৰ্ণ




OKDISCD

পদাৰ্থৰ গঠন যে অতি গোপনে ৰখা হব, সেই বিষয়ে সন্দেহ নাই।

**ভাৰতত অগ্ৰগতি ঃ** ভাৰত স্বাধীন হোৱাৰ ঠিক পাছতে (১৯৪৯) এই শতিকাৰ শ্ৰেষ্ঠতম প্ৰযুক্তিমূলক আবিষ্কাৰ হিচাপে পৰিগণিত "ট্ৰেনজিছটৰ এফেক্ট" আমেৰিকাৰ বে'ল টেলিফোন পৰীক্ষাগাৰত আবিষ্কৃত হয়। ট্ৰেনজিছটৰ, আই ছি (I C Integrated Circuit), এল. এছ. আই (LSI Large Scale Intergration), আদি প্ৰযুক্তি দ্ৰুতভাৱে আগ বাঢ়ি যোৱাৰ ফলতে ইলেকট্ৰনিকছৰ অদ্ভুত অগ্ৰগতি সম্ভৱপৰ হৈ উঠিছে। এই প্ৰযুক্তিৰ ক্ষেত্ৰত আমি দেশ হিচাপে বহুত পিছ পৰি ৰ'লো। কম্পিউটাৰৰ বাবে প্ৰয়োজনীয়, অতি গুৰুত্বপূৰ্ণ চিপ (chip) প্ৰযুক্তিৰ ক্ষেত্ৰত আমি অন্ততঃ পোন্ধৰ বছৰ পিছপৰি আছোঁ। ব্যক্তিগত কম্পিউটাৰত ব্যৱহৃত INTEL–8086অৰ দৰে পুৰণি চিপ এটা বনাব পৰা প্ৰযুক্তিও আমাৰ দেশে আহৰণ কৰিব পৰা নাই। এনে উদাহৰণ অন্যান্য ক্ষেত্ৰতো দিব পাৰি। আজি অতি-পৰিবাহী বিজ্ঞান প্ৰযুক্তি হবলৈ ওলোৱাৰ সময়তো ভাৰত পিছ পৰি যাব নেকি? সৌভাগ্যক্ৰমে, তেনে হোৱাৰ সম্ভাৱনা এইবাৰ কম। কাৰণ, অন্ততঃ এই দিশৰ বৈজ্ঞানিক অগ্ৰগতিৰ ক্ষেত্ৰত ভাৰত আন দেশতকৈ পিছ পৰি থকা নাই। উদাহৰণ স্বৰূপে, কোঠালিৰ উষ্ণতাত (room temperature) অতি পৰিবাহিতা লক্ষ্য কৰাৰ কথা ভাৰত, আমেৰিকা, জাপান আৰু চীনৰ পৰা প্ৰায় একে সময়তে ঘোষণা কৰা হৈছিল।

ভাৰতীয় অতি-পৰিবাহী-অধ্যয়ন প্ৰচেষ্টাৰ গুৰি ধৰিছে বিখ্যাত ৰসায়নবিদ আৰু বাংগালোৰৰ IISঅৰ ডাইৰেক্টৰ ড° ছি. এন. আৰ ৰাৱে। প্ৰধান মন্ত্ৰীৰ বিজ্ঞান উপদেষ্টা পৰিষদৰ অধ্যক্ষ ড° ৰাওৰ নিজৰ প্ৰতিষ্ঠানৰ লগতে মাদ্ৰাজৰ IIT, নেশ্যনেল ফিজিকেল আৰু কেমিকেল লেবৰেটৰি (CSIR) আদি প্ৰতিষ্ঠানেও উষ্ণ অতি-পৰিবাহী সম্পৰ্কে যথেষ্ট অধ্যয়ন চলাইছে। অতি-পৰিবাহী হিচাপে কাম কৰিব পৰা ছেৰামিক যৌগ বহু বিধ তৈয়াৰ কৰিব পাৰি। তাৰে ভিতৰত কোনটোৱে সুবিধাজনকভাৱে কাম কৰিব, সেই তথ্য গৱেষণাৰে উলিয়াব লাগিব। সেয়েহে ছেৰামিক অতি-পৰিবাহী সম্পৰ্কে গৱেষণা বিভিন্ন দিশত যুদ্ধকালীন গতিৰে চলিছে। আমেৰিকা, জাপান, চীন আদি দেশৰ দৰে ভাৰততো অতি-পৰিবাহী সম্পৰ্কীয় গৱেষণা দ্ৰুতভাৱে আগুৱাই নিবলৈ কেবিনেট পৰ্যায়ৰ শীৰ্ষ-কমিটি এখন গঠন কৰা হৈছে। প্ৰধান মন্ত্ৰী কমিটিৰ চেয়াৰমেন। এই গৱেষণাৰ লগত জড়িত হ'ব পৰা বিভাগৰ মন্ত্ৰী আৰু ছেক্ৰেটেৰি, বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধ্যক্ষ আদি ব্যক্তিসকল এই কমিটিৰ সদস্য।




**চুম্বকীয় উত্থান ঃ** অতি-পৰিবাহী তলৰ (Superconducting surface) ওপৰত চুম্বক এডাল থ'লে ই ভাহি থাকে। চমুকৈ ক'বলৈ গ'লে, সকলো অতি-পৰিবাহী পদাৰ্থই ডায়ামেগনেটিক; অৰ্থাৎ এনে পদাৰ্থৰ মাজেদি চুম্বক ক্ষেত্ৰ পাৰ হৈ যাব নোৱাৰে। এই গুণৰ ইঞ্জিনিয়াৰিং অধ্যয়নৰ ফলত গম পোৱা গৈছে যে অতি-পৰিবাহীৰ সহায়ত চুম্বকযুক্ত ট্ৰেইন এখনো লাইনৰ ওপৰত ওপঙাই ৰাখিব পৰা যাব।

এই দিশৰ গৱেষণা পৰিচালনা কৰিবলৈ ড° ৰাওৰ নেতৃত্বত এখন প্ৰগ্ৰেম পৰিচালনা কমিটিও গঠন কৰা হৈছে। ড° ৰাৱে এটা সাক্ষাৎকাৰত কৈছে, "আমি মনে-প্ৰাণে আশা কৰিছোঁ যে আৰু পোন্ধৰ বছৰ পাছত ভাৰতবৰ্ষই অন্য দেশৰ পৰা এই নতুন প্ৰযুক্তি কিনিব নালাগিব।" তেওঁ আৰু কৈছে: "এই নতুন প্ৰযুক্তি আৰু বিজ্ঞানমূলক গৱেষণাত খৰচৰ পৰিমাণ তুলনামূলকভাৱে কম। তাঁখা, শক্তি আদিৰ ক্ষেত্ৰত আমি হাজাৰ কোটি টকা খৰচ কৰালৈ চাই এই সম্ভাৱনাময় প্ৰযুক্তিৰ বিকাশৰ বাবে দেশে এশ কোটি টকা খৰচ কৰিলেও বিশেষ খৰচ কৰা বুলি ধৰিব নালাগিব। অৱশ্যে আমাৰ বিজ্ঞানীসকলো জাপানীসকলৰ দৰে কঠোৰ অধ্যৱসায় আৰু পৰিশ্ৰমেৰে অবিৰতভাৱে কাম কৰিবলৈ সাজু থাকিব লাগিব। ভাৰতীয় পৰিবেশত গৱেষণা কৰাৰ সমস্যাও বহুত। আমেৰিকাত মানুহে আঠ ঘণ্টা কাম কৰিলে আঠ ঘণ্টাও পাব পৰা ফলো পায়। সেই একেখিনি ফল পাবলৈ আশী ঘণ্টা কাম কৰিব লাগিব। পানী, বিজুলী আদিৰ সমস্যা আছেই। (উদাহৰণ স্বৰূপে) তিনিমাহত অনিয়মিত বিজুলী সৰবৰাহৰ ফলত মোৰ গৱেষণাগাৰত দহ টা মটৰ নষ্ট হৈছে।"

বিজুলী পৰিবহনৰ সম্ভাৱনাৰ কথা বাদ দিলেও, অতি-পৰিবাহীৰ ব্যৱহাৰৰ ফলত, ইলেকট্ৰনিকছ, প্ৰতিৰক্ষা, দ্ৰুত পৰিবহন, শক্তিশালী চুম্বক ক্ষেত্ৰৰ ব্যৱহাৰ, শক্তিউৎপাদন আৰু পদাৰ্থ বিষয়ক গৱেষণাত বিশেষ অগ্ৰগতি হ'ব বুলি আশা কৰা হৈছে। কেনছাৰ, ব্ৰেইন টিউমাৰ আদি প্ৰাথমিক অৱস্থাতে ধৰা পেলাবলৈ আজিকালি NMR—Scannes (NMR= Nuclear Magnetic Resonance) ব্যৱহাৰ কৰা হৈছে। এনে যন্ত্ৰত অতি শক্তিশালী চুম্বক ক্ষেত্ৰৰ প্ৰয়োজন। এই এনে চুম্বক ক্ষেত্ৰ সৃষ্টি কৰিবলৈ প্ৰয়োজনীয় চুম্বকডালৰ দাম প্ৰায় বাৰ লাখ টকা আৰু তাত ব্যৱহৃত জুলীয়া হিলিয়াম খৰচ প্ৰতি বছৰে প্ৰায় ছয় লাখ টকা। সাধাৰণ উষ্ণতাত নালাগে, জুলীয়া নাইট্ৰ'জেনৰ উষ্ণতাত কাম কৰা অতি-পৰিবাহী ব্যৱহাৰ কৰিলেও এনে অতি প্ৰয়োজনীয় যন্ত্ৰৰ দাম আৰু বাৰ্ষিক খৰচ বহু গুণে কমিব। পৰিবহনৰ ক্ষেত্ৰত চুম্বকীয় উত্থানৰ (magnetic levitation) সহায়ত পৰিচালিত ৰেল গাড়ীয়ে ঘণ্টাত ৫০০ কিল'মিটাৰ বেগেৰে গৈ, বৈপ্লৱিক পৰিবৰ্তনৰ সূচনা কৰিব পাৰিব। শক্তিশালী কম্পিউটাৰ আৰু কম পৰিসৰতে তৈয়াৰ কৰিব পৰা যাব। অতি শক্তিশালী চুম্বক সহজ লভ্য হৈ উঠিলে সংযোজন বিক্ৰিয়াক শক্তি উৎপাদনৰ কামত লগোৱাৰ সম্ভাৱনা উজ্জ্বল হৈ উঠিব। এনে এশ-এবুৰি প্ৰযুক্তিমূলক সম্ভাৱনাৰ সফল ৰূপায়ণে মানৱ সভ্যতাক অন্য স্তৰলৈ লৈ যাব বুলি আশা কৰিব পাৰি।

অৱশ্যে বিজুলী পৰিবহনৰ বাবে প্ৰয়োজনীয় তাঁৰ নতুন অতি-পৰিবাহীৰে কেনেকৈ বনোৱা হ'ব? এই প্ৰশ্নৰ উত্তৰ বিচাৰি বিশ্বৰ বিজ্ঞানী-প্ৰযুক্তিবিদসকলে হাবাথুৰি খাইছে। তদুপৰি বহুতো ছেৰামিক যৌগই অতি কম সময়ৰ বাবেহে (খন্তেকীয়া) অতি-পৰিবাহিতা গুণ দেখুৱায়। তথাপি স্বীকাৰ কৰিব লাগিব যে এই দিশৰ গৱেষণাত যোৱা বছৰটোত বিস্ময়কৰ অগ্ৰগতি লাভ কৰা হৈছে। সুখৰ কথা যে বৈজ্ঞানিক অগ্ৰগতিৰ ক্ষেত্ৰত এই প্ৰথমবাৰৰ বাবে ভাৰত অন্য দেশৰ লগত প্ৰায় সমানে আগুৱাই গৈ আছে। অৰ্থাৎ ২৩°K ৰ পৰা ৩০০°K উষ্ণতালৈ চলা এই প্ৰতিযোগিতাত ভাৰত প্ৰতিযোগীৰ প্ৰথম শাৰীতে আছে; — কিন্তু প্ৰযুক্তিমূলক break through ৰ ক্ষেত্ৰত কি হয় গৈ, সেই কথা সময়েহে কব। এনে "ব্ৰেকথ্ৰু"ৰ অভাৱত বিজ্ঞানীসকলৰ সাফল্যৰ ভাগ অৰ্থনৈতিক অগ্ৰগতিৰ মাজেদি দেশবাসীয়ে উপভোগ কৰিব নোৱাৰিব। সেয়েহে সমগ্ৰ দেশবাসীৰ উৎকণ্ঠা আৰু আগ্ৰহ ড° ৰাও আৰু তেওঁৰ সহকৰ্মী বিজ্ঞানী আৰু প্ৰযুক্তিবিদসকলৰ ওপৰত নিবদ্ধ। তেওঁলোকৰ সফলতা আমি আটায়ে কামনা কৰিছোঁ॥

আঢ়ৈ কুৰি বছৰৰ (১৯৩৫-৮৫) আঢ়ৈকুৰি নিৰ্বাচিত শ্ৰেষ্ঠ গল্প সংকলন। বৰ্তমান গ্ৰন্থখনিত তেখেতে দীৰ্ঘদিন ধৰি ৰচনা কৰা—বেলেগ বেলেগ পটভূমিৰ বেলেগ বেলেগ ধৰণৰ গল্প—যিখিনিয়ে ১৯৩৫ চনৰ পৰা ১৯৮৫ চনলৈকে পাঠক সমাজত এক আলোড়ন তুলিছিল—তাৰ মাজৰ পৰা নিৰ্বাচন কৰা শ্ৰেষ্ঠতম গল্প সংকলন পাঠক সমাজক উপহাৰ দিলে। নিঃসন্দেহে এই নিৰ্বাচিত সংকলনটিয়ে পাঠক পাঠিকাক আকৃষ্ট কৰাৰ উপৰিও—অসমীয়া সাহিত্যৰ এক মূল্যবান গ্ৰন্থ হিচাপে সমাদৃত হ'ব। এই সংকলন আপোনাৰ বাবে এক আচুতীয়া আৰু আকৰ্ষণীয় সংগ্ৰহ হ'ব।

মূল্য ৫০.০০

**ষ্টুডেণ্টচ্ ষ্ট'ৰচ্ঃ গুৱাহাটী-১**

ড° ৰাধীন্দ্ৰ কুমাৰ শৰ্মাৰ—

**ভাৰতীয় বিজ্ঞানী**

মূল্য— ১৫ টকা

পুলক লাহিড়ীৰ—

**খেল জগতৰ তাৰকা**

মূল্য— ৮ টকা

**ক্ৰিকেট শিকোঁ আহক**

মূল্য—১০.০০ টকা

শম্ভুমহাৰাজ/দত্তবৰুৱা—

**বিগলিত কৰুণা জাহ্নবী যমুনা**

মূল্য— ৩০ টকা

বন্ত ওজাৰ—

**এয়ে জানো শেষ গান**

মূল্য— ৫ টকা

*এলবিএছ পাব্লিকেশ্যন্স*

জি. এন. বৰদলৈ ৰ'ড,
আমবাৰী, গুৱাহাটী-১

# অৱশেষত

কন্দৰ্প কুমাৰ গোহাঁই

দেওবাৰ। ডিউটিও আছে নিশালৈহে। গতিকে দিনটোৰ বাবে মই ফ্ৰি। কিনো কৰোঁ কিনো নকৰোঁকৈ ছাৰ্ট-পেণ্ট পিন্ধি ওলাই গ'লো ৰাস্তাৰ ফালে। এখোজ দুখোজকৈ গৈ গৈ এটা সময়ত ৰৈ গলো স্কুলখনৰ সন্মুখত। স্কুলৰ ডাঙৰ ছাইনব'ৰ্ডখনৰ কাষতে থকা সৰু ছাইনব'ৰ্ডখনো ঠিক আগৰ দৰেই আছে। "......সংগীত বিদ্যালয়, স্থাপিত ১৯৮৪ চন।" ঘড়িটোলৈ চালো পুৰা ৯ বাজি ৩০ মিনিট। নাই, একো শব্দ ভাঁহি অহা নাই সেই বিশেষ কোঠা কেইটাৰ পৰা। নাই অহা হাৰমণিয়ামৰ সা-ৰে-গা-মা-পা-ধা-নি; নাই অহা তবলাৰ ধা-ধিন-ধিন-ধা; নাই অহা নূপুৰৰ ৰুণ জুন ধ্বনি অথবা সৰু সৰু ল'ৰা-ছোৱালীৰ কলৰৱ! মনটো সেমেকি গ'ল হঠাতে। ছাইনব'ৰ্ডখনলৈ চকু গ'ল পুনৰ—"...সংগীত বিদ্যালয়......।" ...কিন্তু...কিন্তু... ছাইনব'ৰ্ডখনে যেন মোলৈ ছাই হাঁহিবলৈ আৰম্ভ কৰিছে তই পলালি, তই ভীৰু, তই কাপুৰুষ। তই কোনো কামৰে যোগ্য নহয়...! মই চকু কেইটা আঁতৰাই আনিলো লগে লগে। ছাইনব'ৰ্ডখনৰ ফালে তুনাই চাবলৈ মোৰ আৰু সাহস নহ'ল। মনটো গধুৰ হৈ পৰিল কিবা এটা অপৰাধবোধেৰে কিবা এটা দুখবোধেৰে!

ঘূৰি আহি মেজতে মূৰটো গুজি চকুকেইটা মুদি দিলো।

কিমান দিনৰনো আগৰ কথা! সৌ সিদিনাৰ হে!

তাৰিখটো মনত নাই। সময় আছিল আবেলি।

সভাখন নিৰ্ধাৰিত সময়তকৈ এঘণ্টামান পলমকৈ আৰম্ভ হ'লেও সভাত কিন্তু ৰাইজৰ উপস্থিতি বেছ সন্তোষজনক আছিল। সভাত উপস্থিত থকা আটায়ে সংগীত বিদ্যালয় এখন স্থাপন কৰাৰ ক্ষেত্ৰত ঐক্যমত পোষণ কৰিলে। "এনে এখন আওহতীয়া ঠাইত লাইফ নথকাটো, পৰিবেশ নথকাটো স্বাভাৱিক। কিন্তু পৰিবেশ দৃষ্টি কৰিব কোনে? আমিয়েই নহয়জানো? আমিয়েই আমাৰ ল'ৰা-ছোৱালীৰ মানসিক বিকাশৰ বাবে যত্নপৰ হ'ব লাগিব। আমিয়েই...।" নিজৰ বক্তব্য তথা মন্তব্য আগবঢ়ালে ৰাইজে। ইয়াৰ পাছতে আহিল পৰিচালনা সমিতি গঠনৰ কথা। ঠিক কৰা হ'ল যে সমিতিখন হ'ব ১৩ জনীয়া। ইয়াত থাকিব এজন সভাপতি, এজন উপসভাপতি, এজন সম্পাদক, সহকাৰী সম্পাদক, হিচাপ পৰীক্ষক, কাৰ্যকৰী সদস্য ইত্যাদি। সেইমতে বিষয়া পৰ্যায়ৰ এজনকে সভাপতি নিৰ্বাচন কৰা হ'ল। উপ সভাপতিও হ'ল বয়সস্থ কৰ্মচাৰী এজন। সম্পাদক পতা হ'ল সংগীত ইত্যাদিৰ ক্ষেত্ৰত ৰাপ থকা যুবক কৰ্মচাৰী এজনক। বাকীবোৰো তেনেকৈ নিৰ্বাচিত হ'ল। বিদ্যালয়খন হ'ব ভাটখাণ্ডে আহিৰ। গতিকে এইবাৰ আহিল শিক্ষকৰ প্ৰশ্ন। উদ্যোক্তাসকলে জনালে যে তেওঁলোকে ইতিমধ্যে এজন শিক্ষকক লগ ধৰিছে। তেওঁ এই ক'লনিতে কাৰোবাৰ কাৰোবাৰ ঘৰত সংগীতৰ ঘৰুৱা শিক্ষক হিচাপে কাম কৰি আছে। তেৰে আগ্ৰহ প্ৰকাশ কৰিছে আৰু শাস্ত্ৰীয় সংগীত, শাস্ত্ৰীয় নৃত্য, তবলা—এই তিনিওটা শাখা চলাব পাৰিম বুলি কৈছে। অৱশ্যে মাহিলী পাৰিতোষিকটো তেওঁ অলপ বেছি বিচাৰিছে; ৰাইজে ধৰিলে হয়তো মাহিলী ৪৫০/ টকাত ৰাজী হ'ব পাৰে।

শিক্ষক ঠিক হ'ল। তেখেতক সহায় কৰিবলৈ তবলা আৰু শাস্ত্ৰীয় সংগীতত মধ্যমা পাছ কৰি থকা দুজন যুবক কৰ্মচাৰীও ৰাজী হ'ল। ছাত্ৰ-ছাত্ৰীৰ ভৰ্তি মাচুল ১৫ টকা আৰু মাহিলী মাচুল ১৫ টকা ধাৰ্য কৰা হ'ল। একে ঘৰৰ দুজন থাকিলে এজনক ৫ টকা ৰেহাই দিয়াৰ ব্যৱস্থাও ৰখা হ'ল। মাহিলী মাচুলক লৈ অলপ খেলি-মেলিৰ সৃষ্টি হৈছিল যদিও সেয়া দূৰ হ'বলৈ বেছি সময় নালাগিল। বিদ্যালয়ৰ সংবিধান ৰচনাৰ বাবে সম্পাদকক লৈ নখন সমিতি গঠন কৰি দিয়া হ'ল। এনেদৰেই সভাৰ সকলো কাম বেছ আশাব্যঞ্জকভাৱেৰে সমাধা হ'ল। সকলোৰে চকু মুখত সেই আশাৰ চিন। তেওঁলোকে কিবা এটা কৰিবই।

বিদ্যালয়ৰ নামভৰ্তিৰ কামো ধুমধামেৰে আৰম্ভ হ'ল। আটাইকেইটা শাখা মিলাই মুঠ ছাত্ৰ-ছাত্ৰী ৮০ জনৰো বেছি হ'লগৈ। পৰিচালনা সমিতিৰ সভা বহিল। প্ৰতি ৰবিবাৰে পুৱা ৯ বজাৰ পৰা ১২ বজালৈ ক্লাছৰ সময় ঠিক কৰা হ'ল। সেইমতে ফেব্ৰুৱাৰী মাহৰ কোনো এটা ৰবিবাৰৰ পুৱা বিদ্যালয়ৰ শুভাৰম্ভ কৰা হ'ল। সা-ৰে-গা-মা, ধা-ধিন-ধিন ধা আদি শব্দৰে মুখৰিত হৈ উঠিল ৰবিবাৰৰ পুৱাবোৰ। উৎসাহৰ শেষ নাই। অভিভাৱকসকলো আহে ল'ৰা-ছোৱালীৰ লগত।

দিন বাগৰিল।

সম্পাদকৰ লগ লাগি সংবিধান ৰচনাত লাগি গলো। হয়, ময়ো আছিলো পৰিচালনা সমিতিখনত। আমাৰ প্ৰকল্পৰ মুখ্য কাৰ্যালয়ত থকা সাংস্কৃতিক বিষয়াৰ লগতো আলোচনা-বিলোচনা কৰি বাৰ্ষিক প্ৰাককলন এখন তৈয়াৰ কৰি আবেদন জনালো সাহায্যৰ বাবে। তেওঁ আশ্বাস দিলে। সাহায্য নিদিয়াৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। আমিও আশাবাদী মানুহ!

ছমাহমানৰ পাছত ৰাইজৰ দাবী অনুযায়ী যন্ত্ৰসংগীত শাখা এটাও খুলি নতুন শিক্ষক এজনক নিযুক্তি দিয়া হ'ল। গিটাৰ, ভায়'লিন মেণ্ডোলিনৰ ভালেকেইজন ছাত্ৰ ওলাল। বেছি ভাগেই কৰ্মচাৰী। স্কুলখন বেচ গহীন হৈ আহিবলৈ ধৰিলে।

পিছে কিনো হ'ল হঠাতে! ল'ৰা-ছোৱালীবোৰে দেখোন মাহেকীয়া মাচুলবোৰ নিয়মীয়াকৈ আদায় নিদিয়া হ'ল। অভিভাৱকসকলে মাহিলী মাহিলী বাজেটত ল'ৰা-ছোৱালীৰ সংগীত বিদ্যালয়ৰ মাচুলখিনিক অন্তৰ্ভুক্ত কৰিবলৈ ভুলতে পাহৰি গ'ল নেকি? মিটিং পাতি সময়মতে মাচুল নিদিলে জৰিমনা ভৰোৱাৰ আইন পাছ কৰাই লোৱা হ'ল। পিছে কাৰো গায়েই নললিল। কি হ'ব এতিয়া? আমাৰতো শিক্ষকক পাৰিশ্ৰমিক দিয়াৰ পৰা আৰম্ভ কৰি সকলো খৰচৰ বাবে টকাৰ একমাত্ৰ উৎসটো সেই মাহিলী মাচুল কেইটাই। ওপৰৰ পৰাতো আশ্বাসত বাদে একোৱেই পোৱা নাই! যাৰ যাৰ তিনি-চাৰি মাহৰ বাকী, সেই সকলোলৈকে এইবাৰ লিখিত নটিছ জাৰি কৰা হ'ল। কিছুমানে দিলে। কিছুমানে মাচুলো নিদিলে, ল'ৰা-ছোৱালী স্কুললৈ অহাটোও বন্ধ কৰালে। তেওঁলোকৰ সংগীত শিক্ষাৰ চখ হয়তো সিমানতে পূৰ্ণ হ'ল।

তথাপিতো এটা বছৰ ভালদৰেই পাৰ হ'ল।

প্ৰথম বাৰ্ষিকৰ পৰীক্ষা হৈ যোৱাৰ পাছত দ্বিতীয় বাৰ্ষিকত থাকিলগৈ মুঠ ৩৫ জন ছাত্ৰ-ছাত্ৰী, আৰু প্ৰথম বাৰ্ষিকত নতুনকৈ ভৰ্তি হ'ল ১০-১২ জন মান। এই কেইজন ছাত্ৰ-হাত্ৰীৰ পৰা পোৱা মাহিলী মাচুলেৰে শিক্ষকৰ মাহিলী পাৰিশ্ৰমিকখিনি সম্পূৰ্ণভাৱে আদায় দিয়াত অসুবিধা হ'ল। কাৰণ ইতিমধ্যে তবলা শিকাই থকা যুবক কৰ্মচাৰীজন বদলি হোৱাত তবলাৰ শিক্ষক এজনক নিযুক্তি দিয়া হৈছিল। আৰু বস্তু-বাহানিবোৰ ঠিক কৰি ৰাখিবলৈ 'কেয়াৰ-টেকাৰ' এজনো লোৱা হৈছিল। ঘাটি বাজেটেৰে চলিব লগা হোৱাত শিক্ষকৰ পাৰিশ্ৰমিকো কিস্তি হিচাপতহে আদায় দিব লগা অৱস্থা হ'লগৈ। অৰ্থনৈতিক অৱস্থাটো কিছু টনকিয়াল কৰাৰ উদ্দেশ্যেৰে এটি সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰা হ'ল। এই সাংস্কৃতিক সন্ধিয়াৰ মূল শিল্পী হিচাপে আমন্ত্ৰণ কৰা হৈছিল এগৰাকী বিখ্যাত নৃত্য শিল্পীক। পিছে কি হ'ব! নিৰ্দিষ্ট দিনটোৰ দুদিনমানৰ আগত খবৰ পোৱা গ'ল যে শিল্পীৰ দেউতাকৰ অসুখ। গতিকে প্ৰগ্ৰাম কেনছেল।

এনে এটা অৱস্থাৰ মাজতে নতুন সমিতি গঠনৰ বাবে বিদ্যালয়ৰ বাৰ্ষিক সভাৰ আয়োজন কৰা হ'ল। বাৰ্ষিক সভাত গোটেইবোৰ মিলাই গোট খালে মাত্ৰ ১৭ জনমান ব্যক্তি। নতুন সমিতি গঠন কৰা হ'ল তেনেকৈয়ে। এইবাৰ সম্পাদকৰ দায়িত্বটো পৰিল, মানে জোৰ জবৰদস্তি জাপি দিয়া হ'ল মোৰ ওপৰতে। বেলেগে যেনেকৈ সংগীত শুনি ভাল পায়, ময়ো তেনেকৈয়ে পাওঁ। তাত বাদে সংগীতৰ কোনো অ-আ-ক-খ বা ব্যাকৰণ আদি মই নাজানো। তথাপি হলো সংগীত বিদ্যালয়ৰ সম্পাদক। এই দায়িত্ব লোৱা মানেই মূৰ গৰম কৰা কাৰবাৰ। সেয়েহে যিসকল টেঙৰ বা চালাক, তেওঁলোকে কেতিয়াও এই দায়িত্ব ল'বলৈ নাহে। তাতে যিহে দেৱলীয়া পুঁজি বিদ্যালয়ৰ, কোননো আগবাঢ়ি আহিব? অৱশ্যে সহকাৰী সম্পাদকজন ভাল মানুহেই পালো। তেওঁ ইউনিয়ন আদিত লাগি ফুৰা মানুহ; এনেবোৰ কামত পাকৈত। তাতে বৰ ছিৰিয়াছো মানুহজন। দোষ তেওঁৰ এটাই, সেয়া হ'ল মূৰত যিটো এবাৰ সোমাইছে ভুল হওক শুদ্ধ হওক সেইটো আৰু সহজে নোলায়; আৰু যিটো সোমোৱা নাই সেইটো কোনোমতেই সোমাব নোখোজে। তথাপি তেওঁৰ দায়িত্বজ্ঞানৰ কিন্তু প্ৰশংসা কৰিবই লাগিব।

প্ৰথম কাম হিচাপে আমি মূল কাৰ্যালয়ৰ সাংস্কৃতিক বিষয়ালৈ আগৰ প্ৰসংগকে দেখুৱাই পুনৰ আবেদন কৰিলো। তাৰ পাছত সংগীত বিদ্যালয়ৰ ঘাটি হৈ থকা, অৰ্থাৎ শিক্ষকক দিবলৈ বাকী ৰোৱা টকাখিনিৰ বাবে ৰাইজৰপৰা সাহায্য বিচৰাৰ সিদ্ধান্ত ললো। কাৰণ তেতিয়ালৈকে এক পইচাও ৰাজহুৱা সংগ্ৰহ কৰা হোৱা নাছিল। কিছুমানে হাঁহি মুখেই আমালৈ বৰঙণি আগবঢ়ালে। কিছুমানে ৰছিদ বহীত বেচ ডাঙৰ সংখ্যা একোটা বহুৱাই ক'লে যে বৰ্তমান তেওঁৰ হাতত টকা নাই। গতিকে কাইলৈ নিজেই আমাৰ হাতত টকাখিনি দি যাবহি। (সেই কাইলৈটো পিছে কোনোদিনে আজি নহ'ল, সদায় কাইলৈ হৈয়ে থাকিল।) এজনেতো দুৱাৰেই খুলি নিদিলে। এজনে আমাৰ সংগীত বিদ্যালয়ৰ কথা শুনিয়েই এনেধৰণে আশ্চৰ্য প্ৰকাশ কৰি দেখুৱালে যেন সেইখন ঠাইত তেনেকুৱা এখন বিদ্যালয় আছে বুলি তেওঁ কোনোদিনে শুনাই নাই! এজনে আমাক চিধা-চিধি কৈয়ে দিলে যে তেওঁৰ কোনো ল'ৰা-ছোৱালী মিউজিক স্কুলত নাই; গতিকে কোনো বৰঙণি দিবলৈও তেওঁ প্ৰস্তুত নহয়। উঠি আহিল খংটো পটক্কৈ। সেয়ে দিলো কৈ,—"আপোনাৰতো অন্ততঃ স্কুলত দিব পৰা ল'ৰা ছোৱালীয়েই আছে (তেওঁৰ ১১-১২ বছৰীয়া এহাল ল'ৰা-ছোৱালী আছে বুলি জানিছিলো); কিন্তু আমাৰ মই আৰু এজন বন্ধু আছিলো। দুয়ো অবিবাহিত) ল'ৰাই আছেনে ছোৱালীয়েই আছে কওক-চোন? আমি তেন্তে কিহৰ স্বাৰ্থত ঘূৰিছোঁ।" মানুহজনে ভিখাৰীক দিয়াৰ দৰে টকা দুটা দিলে। নোটখন ফালি পেলাবৰ মন গৈছিল যদিও বহু ধৈৰ্য ধৰি থাকিলো। অসমৰ্থ মানুহৰ কথা বেলেগ কিন্তু সমৰ্থ মানুহে যেতিয়া এনে আচৰণ কৰে তেতিয়া সহ্য কৰাটো অসুবিধা হৈ পৰে।

দান-বৰঙণিৰ টকাৰে আমি তবলা দুযোৰমান মেৰামতি কৰালো আৰু কিছু টকাৰে শিক্ষকৰ বাকী ৰোৱা পাৰিশ্ৰমিকৰ এটা কিস্তি আদায় দিলো। পুনৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰাৰ উদ্দেশ্যেৰে সভা আহ্বান কৰা হ'ল। ৰাইজৰ পৰামৰ্শক্ৰমে এইবাৰ সংগীত বিদ্যালয়ৰ সাহায্যাৰ্থে ক্লাবত সপ্তাহত দুবাৰকৈ হাউছি খেলোৱাৰ বন্দবস্ত হ'ল। এই খেলৰ লাভৰ একাংশ হ'ব সংগীত

বিদ্যালয়ৰ আৰু একাংশ হ'ব ক্লাবৰ। খেলত লাহে লাহে মানুহ জমিবলৈ ধৰিলে। কোনো দিন হাউচি নেখেলা মানুহ হৈও কাজ-কৰ্ম এৰি নিশা ১১ বজালৈকে হাউছি খেলত লাগি থাকিব লগা হ'ল। ৰাতি ১১ বজাত কোৱা-টাৰত প্ৰবেশ কৰি পুনৰ সেই ৰান্ধনি শালৰ ডিউটি। তথাপি মনত কিছু শান্তি ;— বিদ্যালয়খন অন্ততঃ ভালকৈ চলাব পাৰিম। টকাৰ চিন্তাটো কিছু হ'লেও দুৰ হৈছে।

পিছে মুৰৰ বোজা কমক চাৰি বাটি আহিবলৈহে আৰম্ভ কৰিলে লাহে লাহে। কাৰণ, হাউছিৰ নিচাটো ল'ৰাৰপৰা বুঢ়াৰ মাজত এনে ধৰণে বিয়পিবলৈ ধৰিলে যে ই সম্পূৰ্ণৰূপে জুৱাৰ ৰূপ ধাৰণ কৰিলেগৈ এটা সময়ত। এটা ভাল কাম কৰিবলৈ গৈ আমি এটা বেয়া কাম কৰাৰ নিচিনা হ'লগৈ কথাটো। অপৰাধ বোধটোও বাঢ়ি আহিল। যি কি নহওক খেল-খন কিছু নিয়ন্ত্ৰিত কৰা হ'ল। ইফালে বিদ্যালয়ৰ পুঁজিলৈ দুটামান টকা অহাৰ সময়তে আমাৰ অগোচৰে কিছুমান মানুহে আমাৰ বিৰুদ্ধে ৰটনা ৰটিবলৈ ধৰিলে। ইয়াৰ আগলৈকে কিন্তু বিদ্যালয়ৰ খবৰ-খাতি কোনেও লোৱাৰ প্ৰয়োজন বোধ কৰা নাছিল। ঘুণুক-ঘানাককৈ কথাবোৰ যেতিয়া কাণত পৰিল সেই সময়তে গম পালো যে আমাক নজনোৱাকৈয়ে ক্লাবে খেলখন সম্পূৰ্ণৰূপে নিজৰ হাতলৈ নিছে আৰু আমাক, মানে বিদ্যালয়ক কিবা এটা দিয়াৰ আশ্বাস দিছে। এই কিবা এটা দিয়াৰ আশ্বাসটোও পিছে কিবা এটাতে থাকিল ; সি কাৰ্যত পৰিণত নহ'ল কোনোদিন। মনতে কিছু আঘাত লগাত আমাৰ সহ-যোগিতাও বন্ধ ক'ৰি দিলো। চলিল কিছুদিন এনেকৈয়ে। বিদ্যালয়ৰ নামত নতুন আলমাৰী এটাও লোৱা হ'ল। এইবাৰ আমি ক্লাবতে ছিনেমা প্ৰদৰ্শন কৰোৱাৰ ব্যৱস্থা কৰিলো। পিছে কি হ'ব ! বিধিৰ বিপাক ! দুদিনমান চলাৰ পাছতে ছিনেমা প্ৰজেক্টৰ-টোৱেই বিকল হৈ থাকিল। লাহে লাহে পুনৰ অৰ্থ সংকটে দেখা দিবলৈ ধৰিলে। মূল কাৰ্যালয়ৰ সাংস্কৃতিক বিষয়াৰ লগত যোগাযোগ কৰি পুনৰ আশ্বাসবাণী শুনিয়েই সন্তুষ্ট থাকিব লগা হ'ল। তেওঁৰ এইবোৰ সৰুসুৰা কামত (য'ত নাম নাই) লাগিবৰ সময় নাই বোধকৰোঁ ! নিজৰ সাংস্কৃতিক উন্নতি সাধনতেই ব্যস্ত তেওঁ। ছাত্ৰ-ছাত্ৰীবিলাকেও নিয়মীয়াকৈ মাচুল-বিলাক আদায় নিদিয়া হ'ল। নটিছ দি দি ভাগৰি পৰিলো। শেষত ঘৰে ঘৰে গৈ মাহিলী মাচুল আদায় কৰাত লাগিলো। সেয়াও কম যন্ত্ৰণা নহয় ! কাৰ মুখৰ পৰা যে কেনেধৰণৰ অভি-যোগ শুনিব লগা নহয়! তথাপিতো…! ইফালে নিয়মীয়াভাৱে পাৰিশ্ৰমিক








নাপাই শিক্ষকেও লীলা-খেলা আৰম্ভ কৰি দিলে। তেওঁৰ উপস্থিতি অনিয়-মীয়া হ'বলৈ ধৰিলে। আমি খবৰ কৰি গম পালো যে তেওঁ আমাৰ স্কুললৈ অহাৰ বাটতে আৰু এখন স্কুল আৰম্ভ কৰিছে। পলমকৈ হলেও আমি কষ্ট-মষ্ট কৰি শিক্ষকৰ টকাখিনি আদায় দিছিলো। তথাপি তেখেতৰ এনে মতি-গতি দেখি অলপ সকিয়াই দিব লগা হ'ল।

যন্ত্ৰসংগীত শাখাটোৰ সৰহভাগ ছাত্ৰই আছিল কৰ্মচাৰী। গতিকে এইটো বিভাগত এনেবোৰ খেলি-মেলি নহ'ব বুলিয়েই ভাবিছিলো। প্ৰকৃততে এইটো শাখা খোলা হৈছিল যন্ত্ৰ-সংগীতৰ প্ৰতি আগ্ৰহী লোক অৰ্থাৎ ছাত্ৰকেইজনৰ দাবী আৰু পৰামৰ্শ অনুযায়ীয়েই। কিন্তু এওঁলোকেও লাহে লাহে এনে দায়িত্বহীনৰ দৰে আচৰণ কৰিবলৈ ধৰিলে যে এওঁলোকক কৈ কৈও মাচুল আদায় কৰিব নোৱৰা হ'লো। শেষত যন্ত্ৰসংগীতৰ শিক্ষকক দুমাহৰ পাৰিশ্ৰমিক নিদিয়াকৈয়ে (পাছত সুবিধা হ'লে দিম বুলি কৈ) অতি দুখেৰে সৈতে বিদায় দিব লগা হ'ল।

ইতিমধ্যে অন্যান্য শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বহুতৰে ৪-৫ মাহৰ মাচুল বাকী ৰ'বলৈ আৰম্ভ কৰাত অভি-ভাৰকসকললৈ টান চিঠি লিখা হ'ল। মাচুল আদায় দিয়ক চাৰি অভিভাৱক-সকলে ল'ৰা ছোৱালীক স্কুললৈ পঠোৱা-টোকে বন্ধ কৰি দিলে। শিক্ষা লৈ গুৰুক প্ৰৱঞ্চনা কৰাটো (দক্ষিণা নিদিয়াটো) যে মানবীয় অপৰাধ, সেই সামান্য কথাটোও অভিভাৱক-সকলৰ বিবেকে চুকি নাপালে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমে কমি আহিবলৈ আৰম্ভ কৰিলে। নিজৰ ল'ৰা-ছোৱালীক স্কুললৈ নপঠোৱাৰ কাৰণ বা সিদ্ধান্তৰ সম্পৰ্কত আমাক কিবা এটা জনোৱাৰ বা খবৰ দিয়াৰ সাধাৰণ সৌজন্যবোধ-খিনিও নহ'ল কাৰো। ব্যতিক্ৰম আছিল মাথো এগৰাকী। তেওঁ লিখিতভাৱে নিজৰ ছোৱালীৰ অসুখৰ কথা জনাই তাইক স্কুললৈ পঠাব নোৱৰাৰ কথা দুখেৰে সৈতে জনাইছিল।

এনে এটা সময়তে দুজনমান বন্ধুৰ পৰা গম পালো যে সংগীত বিদ্যালয়ৰ বিৰুদ্ধে বহুতে বহু ৰকমৰ বদনাম গাব লাগিছে। এই আটাইবোৰ লগ লগাই থূল-মূলকৈ ক'বলৈ হ'লে কথা-বোৰ হয় এনে ধৰণৰ : বহুতো অভি-ভাৱকৰে ধাৰণা আছিল যে সংগীত বিদ্যালয়ত কিছুদিন শিক্ষা লোৱাৰ পাছতে তেওঁলোকৰ ল'ৰা ছোৱালী-বিলাক গান-বাজনাত পাকৈত হৈ উঠিব আৰু ষ্টেজত উঠি দৰ্শক শ্ৰোতাৰ পৰা বাঃ বাঃ অৰ্জন কৰিব পাৰিব। কিন্তু ছয় সাত মাহলৈকে যেতিয়া ল'ৰা, ছোৱালীয়ে সা-ৰে-গা-মাৰ দৰে ৰাগকে টানি থাকিবলৈ (তেওঁলোকৰ মতে ছাগলীয়ে বেবোৱা দি বেৰাই থাকিবলৈ ধৰিলে) তেতিয়াহে স্বপ্ন ভংগ হ'ল অভিভাৱকসকলৰ। তেওঁ-লোকে গৰজি উঠিল—এইবোৰ কি ? এইদৰে বেবাই থাকিলে ল'ৰা-ছোৱা-লীয়ে গান গাবলৈ শিকিব কেতিয়া ? ষ্টেজত উঠিব কেতিয়া ? তেওঁলোকৰ ধৈৰ্যচ্যুতি ঘটিল। আৰু তাৰ পিছত ? এবাৰতো এজনে ক্লাবতে অভিনীত হ'ব লগা নাটক এখনৰ সংগীত পৰি-চালনাৰ সমগ্ৰ দায়িত্ব সংগীত বিদ্যা-লয়কে দিবলৈ প্ৰস্তাৱ আগবঢ়ালে। তেওঁৰ মতে সংগীত বিদ্যালয় এখন ৰাইজৰ খৰচেৰে (?) পুহি ৰখা হৈছে যেতিয়া আনক মাতি পইচা খৰচ কৰাতকৈ সংগীত বিদ্যালয়কে সেই দায়িত্ব দিয়া উচিত। সভাখনত ময়ো আছিলো। বেছি খং উঠিলে মই সদায় ছেণ্টিমেণ্টেল হৈ পৰোঁ। সেই কাৰণে বহি থাকিলো মনে মনে অসীম ধৈৰ্য বুকুত বান্ধি।

ধৈৰ্যচ্যুতি ঘটা নাছিল কোনো-দিন। খং অৱশ্যে উঠিছিল মাজে মাজে ; খঙতকৈও পিছে মানুহ-বোৰৰ প্ৰতি পুতৌৰ ভাবহে জাগি-ছিল বেছিকৈ। পুতৌৰ ভাব জাগিছিল শিক্ষিত মানুহৰ সাধাৰণ জ্ঞানৰ দৌৰ দেখি। সাফল্য সকলোকে লাগে। লাগেও একেবাৰে তড়িৎবেগত। কিন্তু সাফল্য অৰ্জনৰ বাবে যি কষ্টৰ প্ৰয়োজন সেইখিনি কষ্ট কৰিবলৈহে সকলো নাৰাজ। ধৈৰ্য আৰু দীৰ্ঘদিনৰ সাধনা অবিহনে যে কোনোক্ষেত্ৰতে সাফল্য অৰ্জন কৰিব নোৱাৰি এই কথাটোও বুজিব নোখোজে এওঁলোকে। ফলস্বৰূপে সাফল্য অৰ্জনৰ চমু বাট বিচাৰি হৈ পৰিছে সকলো আধাকেচেলুৱা।

বিদ্যালয়ত ল'ৰা-ছোৱালীৰ সংখ্যা বৰকৈ কমি আহিছিল।

তেনেতে এদিন এগৰাকী বিষয়া পৰ্যায়ৰ লোকে ঘৰুৱা পৰিবেশত পাই কথা প্ৰসংগত স্কুলৰ খবৰ-খাতি সুধিলে আৰু ক'লে যে তেখেতৰ ছোৱালীক নৃত্য শিকোৱাৰ ইচ্ছা আছিল খুবেই। কিন্তু মাষ্টৰৰ বাবেই বোলে তেওঁ ছোৱালীক আঁতৰাই নিব লগা হ'ল। কাৰণ— মাষ্টৰে বোলে যি শিকাব লাগে তাকে নিশিকাই খিচিৰি ধৰণৰ কিবা-কিবিবোৰহে শিকাবলৈ আৰম্ভ কৰিলে। মই আচৰিত হৈ তেওঁক যেতিয়া কলো যে এনেকুৱাই যদি হৈছিল তেনেহলে আমাক নজনালে কিয় ? কাৰণ ভুল-ক্ৰুটি থাকিলে তাক জানিলে শুধৰাবলৈ আমি নিশ্চয় চেষ্টা চলালোহেঁতেন ! তেতিয়া তেওঁ জনালে যে আমি বেয়া পাম বুলিয়েই হেনো


এখন নতুন কিতাপ

শ্ৰীবাপচন্দ্ৰ মহন্তৰ গৱেষণাধৰ্মী গ্ৰন্থ

"ঐতিহাসিক পটভূমিত মহাপুৰুষ শংকৰদেৱ"

অসমৰ সমাজ-সংস্কৃতিৰ অধ্যয়নকাৰীসকলৰ বাবে অপৰিহাৰ্য শংকৰদেৱৰ দৰ্শন, সাহিত্য, কলা সমাজ-সংগঠন আদি আৰু পৰৱৰ্তী গুৰুসকলৰ দলীয় সংগঠন আদিৰ বিষয়ে তাত্বিক বিশ্লেষণ থকা নতুন তথ্যেৰে ভৰপূৰ এই গ্ৰন্থখনিৰ

মূল্য : ৬৫·০০ টকা।

প্ৰাপ্তিস্থান : বৰকটকী কোম্পানী যোৰহাট-৭৮৫০০১




OKDISCD

তেওঁ একো নজনালে। "অথচ স্কুল-খনৰ অকাল মৃত্যু মাতি আনিবলৈ বেয়া নাপালে।"— মই দুখ আৰু ক্ষোভেৰেই কৈছিলো। তেওঁ পুনৰ কৈছিল— অমুকৰ ল'ৰা, অমুকৰ ছোৱালীকোতো আঁতৰাই নিছে একে কাৰণতে। সেইবোৰৰ একোকে গম পোৱা নাই নেকি আমি? তেওঁক জনাইছিলো— আমি খবৰ লোৱাত সকলোৱে মাথোন অন্য ব্যক্তিগত অসুবিধাৰ কথাহে জনাইছিল; তাত বাদে একো জনোৱা নাছিল। কৈছিলোঁ আৰু কিবা-কিবি।

কথাবোৰ মনত লাগিছিল।

বন্ধু এজনক কলো এইবোৰকে দুখ মনেৰে। তেওঁ পিছে মোৰ পিঠিত হাত থৈ ক'লে— "আপুনি এতিয়াও বৰ হোজা হৈ আছে! আচল কথা হ'ল আভিজাত্য বুইছে, আভিজাত্য। মানুহবোৰ যে হঠাতে সংগীত প্ৰেমী বা সংস্কৃতি প্ৰেমী হৈ পৰিছে তাৰ মানে এইটো নহয় যে তেওঁলোক সংস্কৃতিবান হৈ উঠিছে বা তেওঁ-লোকে ল'ৰা-ছোৱালীক সংস্কৃতিবান কৰি গঢ়ি তুলিব খুজিছে। আজিৰ সমাজত সংগীত শিক্ষাটো হ'ল এটা ঢং। ঠিক ল'ৰা-ছোৱালীক ভালে-বেয়াই ইংৰাজী স্কুলত দিয়াৰ ঢঙৰ দৰে। আভিজাত্য প্ৰদৰ্শনৰ এটা উপায় বা আভিজাত্য লাভৰ এটা স্তৰ। আপোনাৰ স্কুললৈ প্ৰথমতে এওঁলোক মানে এই উচ্চ পৰ্যায়ৰ কৰ্মচাৰীসকলে নিজৰ ল'ৰা-ছোৱালীক পঠাইছিল। তাৰ পাছত তেওঁলোকে দেখিলে যে যদু-মধুৰ ল'ৰা-ছোৱালীও আহিছে তাত সংগীত শিক্ষা ল'বলৈ। তেওঁলোকৰ উঠিল খং! বাঃ! যদু-মধুৰ কি সাহ! খাবলৈকে নাটে, অথচ ল'ৰা-ছোৱালীক গান শিকাবলৈ পঠায় (অৰ্থাৎ আমাৰ লগত তাল মিলাবলৈ আহে)! তেওঁ-লোকৰ সন্মানত আঘাত লাগিল। যদু-মধুৰ ল'ৰা-ছোৱালীয়েও যেতিয়া তেওঁলোকৰ ল'ৰা-ছোৱালীৰ লগত তাল মিলাবলৈ আহিল তেন্তে বাকী থাকিল কি? তেওঁলোকৰ বিশেষত্বখিনিয়েই বা থাকিল ক'ত? তেন্তে ওপৰৱালা হৈয়েই বা লাভ হ'ল কিটো? প্ৰতিক্ৰিয়াটো হ'ল প্ৰথমে ঘৈণীয়েক-সকলৰ মাজত। তাৰপাছত বুজিছেই···। তাৰপাছত আপোনাৰ স্কুলৰ ল'ৰা-ছোৱালীৰ সংখ্যা কমি আহিবলৈ ধৰিলে। অন্ততঃ এটা চামৰ ক্ষেত্ৰত এইটো কাণ্ড ঘটা বুলি মই ক'ব পাৰো।" —বন্ধুৱে কৈ গ'ল। আপোনাৰ আগত যিবোৰ কথা শুনাইছে সেইবোৰ আচলতে চব মিছা কথা। গা সৰা কথা। এওঁলোক আটায়ে এতিয়া ঘৰতে নাচ-গানৰ মাষ্টৰ ৰখা কৰিছে। এই মাষ্টৰ সকলেনো কিমান ভাল শিকায় সেই-টোও মোৰ জনা আছে ভালদৰে।" সংগীতত ৰাপ থকা বন্ধুৰ কথা অবিশ্বাস কৰাৰ উপায় মোৰ নাছিল।

এনে দুৰ্দিনৰ মাজতে দ্বিতীয় বাৰ্ষিকৰ পৰীক্ষা হৈ গ'ল। পৰীক্ষা কেন্দ্ৰটো আছিল অন্য এখন ঠাইত। সেয়ে ল'ৰা-ছোৱালীখিনিৰ পৰীক্ষাৰ সময়ত দুদিনমান ছুটি ল'ব লগাও হ'ল। ভাগৰ লাগিও ভাগৰ লগা নাছিল, কাৰণ ল'ৰা-ছোৱালীৰ মাজত সোমাই থাকি কিবা এটা কৰাত বেলেগ এটা আনন্দ যে পোৱা যায় সেইটো ভালকৈয়ে অনুভৱ হৈছিল।

দুই-এটাত বাদে সৰহভাগেই মাচুল আদায় নিদিয়াই হ'ল। ইফালে নতুন বছৰ আৰম্ভ হ'বৰ হ'ল যদিও নতুনকৈ নাম ভৰ্তি কৰোৱা ল'ৰা-ছোৱালীৰ সংখ্যা তেনেই কম। প্ৰচাৰ চলোৱাও হৈছে। —কি কৰা যায়? শিক্ষকক তিনিমাহ ধৰি এটা পইচাও দিব পৰা নাই। তবলাৰ শিক্ষকজনে আকৌ পাৰিশ্ৰমিক বঢ়াই নিদিলে নাহো বুলিয়েই জনাই দিছে। কি কৰা যায়! আমাৰ হাতত মাচুল সংগ্ৰহৰ এপাটেই অস্ত্ৰ আছে তেতিয়া। মাচুল আদায় নিদিলে ৰিজাল্ট উইথহেল্ড কৰা হ'ব। সভা-সমিতি পাতিলেও কোনো নাহে। এনে নিৰস কথাত, এনে জঞ্জালৰ মাজত সোমাবলৈনো আহিব কোন?

এনে অৱস্থাৰ মাজত মোক কেতিয়াবা ভাগৰে ধৰিলেও, মই নিৰুৎসাহ বোধ কৰিলেও ভাগৰে ধৰা নাছিল, নিৰুৎসাহে দুৰ্বল কৰা নাছিল আমাৰ সহকাৰী সম্পাদকজনক। মোৰ এই সুখ-দুখবোৰৰ একমাত্ৰ সংগী আছিল সহকাৰী সম্পাদকজন। তেওঁৰ কৰ্তব্যনিষ্ঠা দায়িত্ববোধ দেখি মই আচ-ৰিত হৈ গৈছিলো। শ্ৰদ্ধা হৈছিল মানুহজনলৈ। প্ৰতিটো দেওবাৰে পুৰা ন-বজাৰ লগে লগে কাগজপত্ৰলৈ তেওঁ স্কুলত উপস্থিত হ'বই। কোনো হেৰ-ফেৰ নাই। মোৰ শ্বিফ্‌ট ডিউটি হোৱাৰ বাবে সদায় উপস্থিত হ'ব পৰা নাছিলো। সেয়ে কাগজ-পত্ৰবিলাক তেওঁকে চমজাই দিছিলোঁ। শেষলৈ মই স্কুলৰ ভৱিষ্যত বোলা কোনো বস্তুৱেই দেখা পোৱা নাছিলো। কিন্তু সহকাৰী সম্পাদক দুৰ্বল হোৱা নাছিল, নিৰাশ হোৱা নাছিল। তেওঁৰ আশা— স্কুলৰ অৱস্থা এদিন নিশ্চয় ভাল হ'ব, মুখ্য কাৰ্যালয়ত থকা সাংস্কৃতিক বিভা-গৰ পৰা সাহায্য আহিব, আৰু বহু কিবা-কিবি। মই গৈ পালেই তেওঁ হিচাপ-পত্ৰৰ কাগজবিলাক উলিয়াই লয় আৰু সেইবিলাক দেখুৱাই ক'বলৈ ধৰে —অমুকৰ পৰা ইমান; তমুকৰ পৰা ইমান, মুঠতে এইখিনি আদায় কৰিব পাৰিলেও শিক্ষকৰ ইমান মাহৰ টকা দিব পৰা হ'ব বুইছে, কেতিয়াবা কেতিয়াবা কয়— অনুষ্ঠান ভঙাটোতো সহজ, গঢ়াটোহে টান; তাকেযে নুবুজে মানুহবোৰে! (এজন উপদেষ্টাৰ পৰা স্কুলৰ অৱস্থাৰ সম্পৰ্কত পৰামৰ্শ ল'বলৈ যাওঁতে তেওঁ স্কুলখন বন্ধ কৰি দিবলৈকে কৈছিল।) অন্ততঃ শেষত মাহকেইটাত আমাৰ মাজত সদায় এই একেটা দৃশ্যৰে পুনৰাবৃত্তি ঘটিছিল।

কিন্তু কিমান দিন? এদিন গৈ দেখিলোঁ সহকাৰী সম্পাদকে মনে মনে কিবা ভাবি বহি আছে। আঁতৰত 'কেয়াৰটেকাৰ' ল'ৰাজন। আৰু কোনো নাই। মই গৈ বহাৰ লগে লগে তেওঁ একো নকৈ বিমৰ্ষ মনেৰে মাথোন সেই হিচাপ-পত্ৰৰ কাগজ-বিলাককে উলিয়াই অভ্যাসবশতঃ কোন কেইমাহৰ মাচুল দিবলৈ আছে তাৰে কিবা-কিবি হিচাপ কৰিবলৈ ধৰিলে। দৃশ্যটো মোৰ বাবে হৈ উঠিছিল বৰ কৰুণ, বৰ অসহনীয়। তেওঁ যে ভাগি পৰিছে তাক বুজিবলৈ মোৰ সৰহ সময় নালাগিল। এনেদৰে কিছুসময় যোৱাৰ পাছত তেওঁ ক'লে,— মানুহ-বোৰৰ যে কি হ'ল! ইমানবোৰ টকা এনেয়ে উৰুৱাই দিয়ে, অথচ ফিজৰ বাবদ দিবলগা টকা দহটাও ঠিকমতে আদায় দিব নোৱাৰে। টকাওতো কম নাপায় কোনোৱে!" —তেওঁৰ কথাত দুখ আৰু ক্ষোভৰ সুৰ। তেওঁ বাৰু কান্দিছেনেকি? মোৰ তেনেকুৱাই অনুভৱ হ'ল। অস্বাভাৱিক নহয়। কাৰণ ইমান নিষ্ঠাৰে কৰ্তব্য সম্পাদন কৰি যোৱাৰ পাছতো তেওঁৰ বাবে বৈ আছে মাথোন কিছুমান হতাশা। এনে অৱস্থাত মানুহ এজন ভাগি পৰাটো তেনেই স্বাভাৱিক। মই নিৰৱে বহি আছিলোঁ। নিজৰ বাবে নহয়। স্কুলৰ বাবেও নহয়, সেই মুহূৰ্তত মোৰ অন্তৰখনে কান্দি উঠিছিল এই মানুহ-জনৰ বাবে। হোলোংগোজ মানুহ এজনে যেতিয়া কান্দে তেতিয়া সি হৈ পৰে বৰ অসহ্যকৰ, বৰ বেদনা-দায়ক! এটা সময়ত উঠি আহিছিলো মই।

স্কুলৰ ৰিজাল্ট ওলাল। পিছে এটা কথা হ'ল— পৰীক্ষাকেন্দ্ৰটোৰ মুৰব্বী আছিল আমাৰ সংগীত বিদ্যালয়ৰ মুল শিক্ষক গৰাকীয়েই। গতিকে ৰিজাল্ট শ্বিট আহি পৰিল তেওঁৰ হাতত। তেওঁ আৰম্ভ কৰি দিলে আন্দলমঠালিখন। দৰমহা সম্পূৰ্ণ আদয় নিদিলে বোলে ৰিজাল্ট শ্বিটখন নিদিয়ে। আমি কলোহে কলো বোলোঁ শ্বিটখন পালেহে আমি মাচুলখিনি তোলাত সুবিধা হয়। তাতে যি দুজনমান ছাত্ৰ-ছাত্ৰীয়ে সম্পূৰ্ণ মাচুল আদায় দিছিল তেওঁলোকেও আমাক ৰিজাল্ট বিচাৰি আমনি কৰি-বলৈ ধৰিছে। মাষ্টৰ কিন্তু নাচোৰ বান্দা। কাৰণ তেওঁৰ পাঁচ মাহৰ দৰমহা বাকী।

অৱশেষত মই হাৰি গলোঁ। নিজৰ অসমৰ্থতা প্ৰকাশ কৰি সকলো দায়িত্ব সভাপতি আৰু সহকাৰী সম্পা-দকক গতাই আঁতৰি গুচি আহিলো। তেওঁলোকে ধৰিছিল যদিও একোকে শুনিব খুজা নাছিলো। কাৰণ মোৰ এটাই সিদ্ধান্ত,— বলিয়া হৈ যোৱাৰপৰা অন্ততঃ নিজক বচাব লাগিব।

তাৰপাছত সেইফালে মুকে নঢ়ু-ৰিলো প্ৰায় এমাহমান।

আজিহে কেনেকৈ সেইখিনি পালোগৈ নিজেই গম নাপালো। কিন্তু স্কুলখন আজি ইমান বেছি নিৰৱ কিয়? অন্ততঃ এজন মানুহকতো এইখিনি সময়ত দেখা পাব লাগিছিল! তেন্তে, তেন্তে স্কুলখন? মনটোত খুদুৱনি উঠিল। —নাই, আজিয়েই খবৰ এটা কৰিব লাগিব। গুচি আহিলো ততা-তৈয়াকৈ তাৰপৰা।

উপ সংহাৰ— এই গল্পটো লিখাৰ এসপ্তাহমানৰ পাছত এদিন ওচৰৰে নগৰখনৰ ফালে ওলাই যাওঁতে হঠাতে দোকান এখনৰ সন্মুখত লগ পাই গলো সহকাৰী সম্পাদকজনক। তেওঁ দোকা-নীৰ লগত তলা এটাৰ দাম দৰাই আছে।

মা
বিশ্ববিশ্ৰুত ৰুছ উপন্যাসিক মেক্সিম গৰ্কীৰ
মেক্সিম গৰ্কি
অমৰ আৰু শ্ৰেষ্ঠতম কীৰ্তি 'মাদ্ৰাৰ' বিশ্বৰ কথা-সাহিত্যৰ অমূল্য ৰত্নৰূপে চিৰদিনেই স্বীকৃত হৈ আহিছে অসমৰ প্ৰগতিশীল আন্দোলনৰ এগৰাকী অন্যতম বাটকটীয়া স্বৰ্গীয় যদুনাথ শইকিয়াই সৰল আৰ সাবলিলভাৱে অনুবাদ কৰা গৰ্কীৰ 'মা অসমীয়া সাহিত্যলৈ এক অনবদ্য সংযোজন।
মূল্য: ৩৬·০০
ষ্টুডেণ্টচ্ ষ্টৰচ্‌ঃ গুৱাহাটী-১

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ্থীৰ বাবে
এটি সুখবৰ
প্ৰকাশ পালে ! প্ৰকাশ পালে ! !
GOLDEN GUIDE
SUGGESTIONS FOR HSLC EXAMINEES
Edited by Dr. S.K. Chaudhary
& A. K. Misra B.A.BT.
১৯৮৮ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সকলো সম্ভাব্য প্ৰশ্ন আৰু উত্তৰ। বিষয় সমূহৰ (Core Subjects) বিশদ আৰু সুন্দৰ আলোচনাৰে এই সহায়ক পুথিখন (Suggestions) সকলো পৰীক্ষাৰ্থীৰ বাবেই অতি আৱশ্যকীয় গ্ৰন্থ।
ইয়াৰ বিশেষত্ব হ'ল :
☐ প্ৰতিটো বিষয়ৰ বিশদ আলোচনা ☐ সম্ভাব্য প্ৰশ্নাৱলীৰ উত্তৰ ☐ আৰ্হি প্ৰশ্নৰ (Model Questions) আলোচনা ☐ প্ৰতিটো বিষয় অভিজ্ঞ আৰু সুদক্ষ লিখকৰ দ্বাৰা আলোচিত ☐ পৰীক্ষাত বিশেষভাৱে উত্তীৰ্ণ হ'বলৈ বিচৰা আৰু সাধাৰণভাৱে কৃতকাৰ্য হ'ব খোজা দুয়ো প্ৰকাৰৰ পৰীক্ষাৰ্থীৰ বাবে অতি নিৰ্ভৰযোগ্য সহায়ক গ্ৰন্থ এখন সোণালী সাৰথি। ☐ যিসকলে এই পুথিখন প্ৰস্তুত কৰিছে তেখেতসকলৰ প্ৰত্যেকেই নিজ নিজ বিষয়ৰ একো গৰাকী বিচক্ষণ বিজ্ঞ লোক ☐ শেহতীয়াভাৱে অসম মাধ্যমিক শিক্ষা পৰিষদে ঘোষণা কৰা মতে SUGGESTIONS খনিত অষ্টমমানৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হোৱা নাই।
ষ্টুডেন্টচ্ ষ্টৰচ
কলেজ হোষ্টেল ৰোড, গুৱাহাটী-৭৮১০০১

OKDISCD

# অসমীয়া ভাষা পৰিষ্কাৰকৈ লিখা আৰু কোৱা (ছয়)

ড° মহেশ্বৰ নেওগ

## স্বৰপুঞ্জৰ বিসংগতিবোৰ

অৱ > অওঅ > অঅ 'কৰ' 'লৱ' কেতিয়াবা 'কঅ', 'লঅ', এনে হৈ যায়।

ইয় > ইঅ > অ 'জীয়ৰী' কওঁতে 'জিঅৰি' হয়। 'দিয়ক' কওঁতে 'দিঅক' বা 'দক' হৈ যায়।

ইও > ইঅ 'দিওঁতা' 'নিওঁতা'ৰ ঠাইত 'দিঅঁতা', 'নিঅঁতা' হয়।

ইয়ে > ইএ > এ 'জীয়েক'ৰ ঠাইত 'জিএক', 'দিনদিয়েক' গুচি 'দিন-দিএক' বা 'দিনদেক' হয়।

উৱা > উআ 'শুউৱা', 'নটুৱা'ৰ ঠাইত 'শুউআ', 'নটুআ' বা 'নটা' উচ্চাৰিত হয়।

উএ
> ৱে
ওএ } উ আৰু ও, দুইটাৰ পিছত এ লাগি ৱে হয়, কিন্তু সিহঁতৰ আগত থকা এ প্ৰথমটোত এ' হয় :

দেউ + এ = দে'ৱে : পুৰোহিত দে'ৱে টিলিঙা বজাইছে।

দেও + এ = দেৱে, দেও-ভূতে : 'দেৱে কি নিলেনে/ভূতে ঐ নিলেনে/মাতি মাত পাবলৈ নাই!' (বনগীত)

ওও > ওঅ 'শোওঁতে-খাওঁতে' টো 'শোঅঁতে-খাঅঁতে' হৈ যায়। মই নপঢ়োঁও, নাখাওঁও, যা।

ওৱা > ওআ > আআ 'জোঁৱাই'টো উচ্চাৰণ হয় 'জোঁআই', সিও গুচি হয় কেতিয়াবা ভুলত 'জাঁআই'।

এউ > ঐ 'দেউতা' 'ডেউকা' গুচি 'দৌতা', 'ডৌকা' হয়।

ঐ = অই > অ 'অনৈক্য', 'চৈতন্য'ৰ ঠাই 'অনক্য' 'চতন্য' কোৱা ভুল।

তলত দিয়া বাক্যবোৰ শুধ উচ্চাৰণ কৰি চাওঁহঁক।—

তই কি কৰ, ক; যি লৱ, ল; যি খাৱ, খাই গুচি যা।

'শঙ্কৰদেউৰ জীয়ৰী / মাধৱদেউৰ বোৱাৰী/ৰসপুৰ নগৰত ঘৰ' (পূণ নাম)। কি ধন-পইচা দিয়ে দিয়ক। ভাল কথা নহয় দিয়া; ভাল নহয় দিয়ক। 'তোকো নাই নিওঁতা, মোকো নাই দিওঁতা' (প্ৰবচন)। মাকে জীয়েকক দিন-দিয়েক ঘৰত ৰাখিবলৈ বিচাৰিছে। কেঁচুৱা শুউৱা মাকৰ বন। হাত-ভৰি নচুৱাই থকা কাম নটুৱাৰ। পুৰোহিত দেৱে টিলিঙা বজাই মন্ত্ৰ মাতিছে।

'দেৱে কি নিলেনে / ভুতে ঐ নিলেনে / মাতি মাত পাবলৈ নাই!' (বনগীত) শোওঁতে-খাওঁতে উঠোঁতে-বহোঁতে তোৰ সেই একেটাই কথা। মই নপঢ়োঁও কিতাপ, নাখাওঁও ভাত, কি কৰ, কৰ যা। জী ভালেহে জোঁৱাই ভাল।

চোৱাঁচোন দেউতা, বৰটোকোলা-টোৰ কিমান ডাঙৰ ডেউকা। দেশত জাতীয় চৈতন্যৰ অভাৱ হ'লে দেশবাসীৰ মাজত অনৈক্যই দেখা দিয়ে।

## যুক্ত ব্যঞ্জনৰ বিজুঁটি

ƒ = ইঅ আগতেই দেখিছোঁ, ব্যঞ্জনৰ পিছত যুক্ত হোৱা য-কাৰৰ (ƒ) উচ্চাৰণ হয় 'ইঅ'। 'বাক্য' বোলোঁতে 'বাক্'ডোখৰ বলেৰে মুখৰপৰা ওলায় আৰু 'ƒ'টো 'ইঅ' হৈ টপ্ কৰে তাৰ লগ লাগে : বাক্-ƒ (= য় = ইঅ)। কিন্তু কেতিয়াবা বিপৰ্যয় ঘটি 'ইঅ'ৰ 'ই' অংশ 'বা' আৰু 'ক্'-অৰ মাজত লাগেহি আৰু সমস্ত শব্দটো হয় 'বাইক' (অকাৰান্ত 'ক'ৰে)। এনে বিপৰ্যয় ঘটিবলৈ দিব নালাগে, যদিও সাধাৰণতে সি ঘটেই বাবে আমি নতুন এটা কথিত ভাষাৰ শব্দ পাইছোঁ 'বাইক্', যেনে. 'বাইক্-বচন্।'

ক্ষ = খ্য আগতেই দেখিছোঁ 'ক্ষ'ৰ সংস্কৃতৰ দৰে উচ্চাৰণ নহয়; সি 'খ্য' বা 'খিঅ' হৈ আমাৰ জিভাত ফুটে। আমি 'লক্ষ', 'লক্ষ্য' শব্দ দুটা 'লখ্য', 'লইখ্খ্য' বা 'লইখ্খ' কৰি উচ্চাৰণ কৰোঁ। সেই বাবে এই দুটা শব্দৰ মাজত খেলি-মেলিও কৰোঁ, যিদৰে 'মোক্ষ' আৰু 'মুখ্য'ৰ মাজতো আমাৰ জিভাত জোঁটা-পোটা লাগে।

হ্য = জ্য 'হ্য'টো আমি 'জ্য' বা 'জিঅ' কৰি উচ্চাৰণ কৰোঁ। 'ঐতিহ্য'ৰ উচ্চাৰণ আমাৰ 'অইতিজ্য' হয়, কিন্তু তাক 'অইতিজ্জ'লৈ বা 'অইতিজ'লৈ বাগৰিবলৈ দিলেহে ভাল নহয়।


হ্ম, হ্ম আদিৰ 'ম'টোক মৰি অনু-নাসিক হ'বলৈ দিয়াটোও বোধ কৰিব লগীয়া; পদ্ম, ৰুক্মিণী (বিয়ানামততো সি হয়গৈ ৰুকুণী) মহাত্ম (মাহাত্ম্য) আদি বিসদৃশ উচ্চাৰণ।

জ্ঞ = গ্য 'জ্ঞ'ৰ 'গ্য' উচ্চাৰণ কৰিলেও তাক 'গ্য' কৰি লিখা নাযায়। হিন্দীত 'বিগ্যান ভৱন' লিখা হয়— য'ত উচ্চাৰণ আৰু বৰ্ণবিন্যাসক একেআগি কৰি লোৱা হৈছে। অসমীয়াত তেনে কৰিবৰ অনুমতি নাই। অৱশ্যে গিযান, অগিয়ান অভিধানৰ চাপ্ৰাচ লগা শব্দ।

শ্চ = (কোমল) চ্চ (= স্স) অসমীয়াত নিশ্চয়, আশ্চৰ্য আদিৰ শ্চ'ত উচ্চাৰণত এটা সৰু আঘাত (stress) পৰে আৰু পৰিব লাগে; তাৰ ঠাইত কোমল স্ব উচ্চাৰণ মাথোন হ'লে কিন্তু ভাল নুশুনি।

চ্চ, চ্ছ উচ্চাৰণ কৰোঁতেও ঠিক সংস্কৃত বা আন ভাৰতীয় ভাষাৰ সমান নহ'লেও এটা আঘাত (stress) পৰিবলৈ দিলে শব্দটোৰ অৰ্থ বুজোৱাত সহায় হয়। নহ'লে 'উচ্ছৃঙ্খল' শব্দৰ বান্ধ মুকলি হৈ সি লেউ-সেউ 'উশৃঙ্খল' বা 'উছ্-ঙ্খল'ত পৰিণত হয়।







# লোকেল দাদা

পংকজ কুমাৰ বৰা

**পৰিচয় :**

ই এবিধ দুঠেঙীয়া স্তন্যপায়ী জীৱ। ইহঁতৰ আচাৰ-ব্যৱহাৰ, আকাৰ-প্ৰকাৰ আদিৰ শতকৰা ৫০ ভাগ মিল মানুহৰ লগত, আৰু বাকী ৫০ ভাগ মিল বান্দৰ, গৰু, গাহৰি, বাঘ আদি পশুৰ লগত দেখা যায়। অৰ্থাৎ ইহঁত মানুহ আৰু পশুৰ মাজামাজি জীৱ। কিন্তু ইহঁত মানুহ আৰু পশুৰ বৰ্ণসংকৰ (hybrid) উৎপাদন নহয়। এই গৱেষকে যোৱা দহ বছৰমান ধৰি এইবিধ প্ৰাণীৰ বিষয়ে গৱেষণা চলাই পাইছে যে, ইহঁত জন্মতে মানুহ হৈয়ে ওপজে। কথাটো কিন্তু যথেষ্ট গুৰুত্বপূৰ্ণ। মানুহ এটা কেনেকৈ এটা সময়ত আধা পশু-আধা মানুহত পৰিণত হয়, যোৱা কেইবাবছৰেও অধ্যয়ন চলাই ড° বটুকান্তই আজি-লৈকে একো সিদ্ধান্তত উপনীত হ'ব পৰা নাই। ডাৰউইন নামৰ চাহাব এজনৰ মতে বান্দৰ আদি পশুৰপৰাই বোলে মানুহৰ সৃষ্টি হৈছে। আনহাতে মানুহৰপৰাই বান্দৰ আদি পশু হোৱা,—এই ঘটনাটোৱে বাৰু ডাৰউইনৰ সূত্ৰ ভুল বুলি নকয়নে? বিদেশী পণ্ডিতসকলে এই জন্তুটোৰ বৈজ্ঞানিক নাম "হ'ম' ছেপিয়েন্‌ছ" থৈছে। কিন্তু জন্তু এটাৰ বৈজ্ঞানিক নাম কিয় সভ্য মানুহৰ বৈজ্ঞানিক নামৰ লগত একে হ'ল তাৰ একো উৰাদিহ নাপাই অৱশেষত এই গৱেষকে যোৱা মাহত কেইবাখনো পত্ৰ বিশ্বৰ বিদ্বৎ-মণ্ডলীলৈ প্ৰেৰণ কৰিছে।

এই বিধ পশু আধা বনৰীয়া—ঘৰচীয়া অৱস্থাত পোৱা যায়। এই-খিনিতে ইহঁতৰ মেথোনৰ লগত যথেষ্ট সাদৃশ্য দেখা যায়। মেথোন যিদৰে গৃহস্থৰ কামত নহা সময়কণ হাবিত থাকে, ইহঁতো দৰকাৰ নহ'লে ঘৰত একমুহূৰ্তও নাথাকে। কিন্তু ইহঁতক গৃহস্থৰ ইচ্ছানুযায়ী ঘৰলৈ আনিব পৰা নাযায়। ইহঁত নিজৰ খুচীত চলে। খুচী নহ'লে গৃহস্থই কাকুতি-মিনতি, গালি-গালাজ, মাৰধৰ কৰিও ইহঁতক ঘৰলৈ আনিব নোৱাৰে।

**আকৃতি**

ইহঁত দেখাত পুৰ্ণ শতাংশই মানুহৰ নিচিনা। মানুহৰ দৰেই ইহঁতৰো দুখন ঠেং, দুখন হাত, মুখ দাঁত কাণ, নাক, চুলি আদি থাকে। আটাইতকৈ ডাঙৰ কথা হ'ল এই যে, এই বিধ পশুৰ মাজত মাইকী পশু পোৱা নাযায়;— চব মতা।

**প্ৰকৃতি**

ইহঁতৰ প্ৰকৃতি অধ্যয়ন কৰিব-লগীয়া বস্তু। কুকুৰ বুলিলে প্ৰভুভক্ত, শিয়াল বুলিলে ধূৰ্ত, অথবা ঘোঁৰা বুলিলে কষ্ট সহিষ্ণু জন্তু একোটাৰ যি ৰূপ আমাৰ চকুত ভাহি উঠে, লোকেল দাদা বুলিলে কিন্তু তেনে এটা নিৰ্দিষ্ট ৰূপে আমাৰ চকুত ধৰা নিদিয়েহি। স্থান, কাল, পাত্ৰ ভেদে ইহঁতৰ ৰূপ সলনি হৈ থাকে।

সকলো মানুহে এই বিধ পশুক কোনো কামত লগাব নোৱাৰে; কিন্তু এনে এচাম মানুহ আছে যিসকলে ইহঁতক বান্দৰ, ভালুক আদিৰ দৰে নচুৱাই লৈ ফুৰিব পাৰে। ইহঁতক পোহ মনোৱাটো যথেষ্ট কঠিন; কিন্তু এবাৰ পোহ মনাব পাৰিলে ইহঁত কুকুৰতকৈও প্ৰভুভক্ত, ঘোঁৰাতকৈও কষ্ট সহিষ্ণু আৰু গৰুতকৈও গৰু হৈ পৰে।

একো-একোটা অঞ্চলৰ সুন্দৰী গাভৰু আৰু পইচা থকা মানুহৰ বাহিৰে ইহঁতে অইনৰ লগত সংস্পৰ্শ ৰাখি-বলৈ নিবিচাৰে। গানৰ স্কুল, কলেজ, বজাৰ, ছিনেমা, লগৰ ছোৱালী আদিৰ ঘৰলৈ যোৱা আৰু অহা ছোৱালী পালে ইহঁতে ঘণ্টাৰ পাছত ঘণ্টা ধৰি তেওঁলোকৰ পিছে পিছে খোজত খোজ মিলাই গৈ থাকিব পাৰে। একমাত্ৰ এইটো কামতেই ইহঁতে আধাঘণ্টা বা ততোধিক সময় ব্যয় কৰিব পাৰে। আচৰিত কথা এইটোৱেই যে, দেশৰ গাভৰু ছোৱালীৰ লিষ্টি ইহঁতৰ নখ দৰ্পনত। আনকি মালিগাঁৱৰ একোটা জন্তুৱে উলুবাৰীৰ ছোৱালীৰ খবৰো আপোনাক অনায়াসে দিব পাৰে।

ইহঁতে সাধাৰণতে দলবান্ধি থাকে। একো একোটা দলত ৪-৫ জনৰ পৰা ২০-২৫ জনলৈকে সদস্য দেখা যায়। ইহঁতে হৈ-চৈ কৰি ভাল পায়। হোৱাই-নোহোৱাই গুজৰি থকাটো ইহঁতৰ এটা প্ৰিয় অভ্যাস।

**ক'ত পাব**

আগতেই কৈ অহা হৈছে যে ইহঁত আধা বনৰীয়া, আধা ঘৰচীয়া। অৱশ্যে ঠিক ৫০-৫০ অনুপাতত ইহঁত ঘৰচীয়া-বনৰীয়া নহয়। ঘৰচীয়া-বন-ৰীয়াৰ অনুপাতটো ২৫-৭৫ হে। বন-ৰীয়া অৱস্থাত ইহঁতক য'তে-ত'তে দেখা পোৱা গ'লেও চাহ দোকান, তিনি আলি, চাৰি আলি, বাছষ্টেণ্ড, ছিনেমা হল, বজাৰ আদিত ইহঁতক কিছু সৰহ পৰিমাণে পোৱা যায়। এই গৱেষকে গৱেষণা কৰি পাইছে যে গাৰ্লছ হোষ্টেলৰ দাঁতি কাষৰীয়া ঠাইবোৰ ইহঁতৰ বৰ প্ৰিয়।

**খাদ্য**

ইহঁত সৰ্বভোজী; অৰ্থাৎ ভাত, মাছ, মঙহ, চাধা-ছিগাৰেট, ফল-মূল আদি সকলো বস্তুৱেই ইহঁতে খায়। দেখা গৈছে যে, বটলত ভৰোৱা এবিধ পানীয়ৰ প্ৰতি ইহঁতৰ আসক্তি সৰ্বাধিক, এইবিধ পানীয় পালে ইহঁতে সাতদিন সাতৰাতি একো নোখোৱা-কৈয়ে থাকিব পাৰে। এইবিধ বস্তু খালে ইহঁত শতকৰা ৯৯ ভাগ পশু হৈ পৰে। কিন্তু এই গৱেষকৰ গৱে-ষণাৰ ক্ষেত্ৰ ৰসায়ন-বিজ্ঞান নোহোৱা হেতুকে তেখেতে এই পানীয় বিধৰ ৰাসায়নিক বিশ্লেষণৰ পৰা বিৰত থাকিল। কামটো কোনো ৰসায়ন-বিদেই হাতত লৈ নিজৰ নাম উজলা-বলৈ চেষ্টা-চৰিত্ৰ কৰিব পাৰে।



OKDISCD

ভাষা

বিজ্ঞানীসকলে কয় বোলে ভাৰতৰ সিংহ আৰু আফ্ৰিকাৰ সিংহৰ মাত-কথা একেই। সেইদৰে বিশ্বৰ প্ৰতিটো জাতিৰ প্ৰাণীৰেই ভাষা বিশ্বজুৰি একেটাই। আনহাতে সভ্যপ্ৰাণী মানুহৰ ভাষা হ'লে মাইলে-মাইলে বেলেগ। কিন্তু আশ্চৰ্য্যজনকভাৱে এই জন্তু বিধৰ মাত-কথা সকলোতেই--- গুৱাহাটী, যোৰহাট, বৰপেটা, হোজাই, বালিগঞ্জ, ভৱানীপুৰ চবতেই প্ৰায় একেই। কেৱল ইহঁতৰ মাত-কথাৰ ওপৰতেই গৱেষণা কৰি কিজানি কমেও দুই ডজন গৱেষকে গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰি লব পাৰে।

মানুহৰ মাত-কথাৰ লগত ইহঁতৰ মাত-কথাৰ যথেষ্ট সাদৃশ্য আছে। ইহঁতে উচ্চাৰণ কৰা প্ৰতি ১৫ টা শব্দৰ ৬ টা শব্দই মানুহে কোৱা শব্দ আৰু বাকী ৯ টা ইহঁতৰ নিজস্ব শব্দ। আকৌ যি ৬ টা মানুহে ব্যৱহাৰ কৰা শব্দ ইহঁতে উচ্চাৰণ কৰে তাৰে ২ টা অসমীয়া, ১ টা বাঙালী, ২ টা ইংৰাজী আৰু ১ টা হিন্দী। নিজস্ব শব্দ ৯ টাৰ ভিতৰৰে ৩ টা হ'ল গৰু, বান্দৰ, ছাগলী আদিৰ দৰে বেলবেলনি; আৰু বাকী ৬ টা ইহঁতৰ নিজস্ব শব্দ। এই শব্দ ৬ টা খুবেই মনকৰিবলগীয়া। বে, আবে, বটলা, চিয়ানাগিৰি, চাল, ঠাঁচি আদি ইহঁতৰ মাজৰ বহুল-ব্যৱহৃত শব্দ। যি ছটা নিজস্ব শব্দ ইহঁতে ব্যৱহাৰ কৰে তাৰ এটাৰো অৰ্থ এই গৱেষকে অনেক চেষ্টা কৰিও উলিয়াব নোৱাৰিলে।

উপকাৰিতা

ইয়াৰ আগৰ কথাবোৰৰ মাজতে এই জন্তুবিধৰ বিভিন্ন ধৰণৰ উপকাৰিতাৰ কথা উল্লেখ আছে। তদুপৰি তলত দিয়া ধৰণেও ইহঁতে মানুহৰ যথেষ্ট উপকাৰ কৰে:

(১) ইহঁতৰ সহায়ত কাৰোবাৰ ঘৰৰ গাভৰু ছোৱালীৰ বিষয়ে খবৰ (ভুলে-শুদ্ধই। বেছি ভাগ ভুল'।) গোটাব পাৰি।

(২) শত্ৰু দমন কৰিবলৈ ইহঁতক ব্যৱহাৰ কৰিব পাৰি।

(৩) বিহু, পূজা, বহাগী বিদায় আদিত চান্দা তুলিবলৈ যাওঁতে ইহঁতৰ সহায় অপৰিহাৰ্য।

(৪) ইলেকশ্যন খেলা মানুহবোৰৰ বাবে ইহঁত অত্যন্ত প্ৰয়োজনীয়।

সামৰণি

অসম তথা সমগ্ৰ বিশ্বৰপৰা বিভিন্ন জাতৰ বন্যপ্ৰাণী লোপ পাইছে যদিও এইবিধ জন্তুৰ সংখ্যা হ'লে দ্ৰুতগতিত বাঢ়িছে। আনকি আজি কেইবছৰমান আগতে অসমতেই এইবিধ প্ৰাণী এটাও নাছিল; অথচ সম্প্ৰতি কেবা-হাজাৰো এনেকুৱা প্ৰাণী দেখা যায়। ইয়াৰ বাবে আমি নিশ্চয় চৰকাৰ আৰু ৰাইজক ধন্যবাদ দিবই লাগিব। অৱশ্যে ধন্যবাদৰ সিংহভাগ পাব নিশ্চয় ৰাইজেই। আমাৰ সমাজৰ ইক'লজিকেল বেলেন্‌ছ বজাই ৰাখিবলৈ হ'লে গছ-বন, মাছ-কাছ, বাঘ-পহু, অক্সিজেন-নাইট্ৰ'জেন আদিৰ প্ৰয়োজন য'ত, এই লোকেল দাদাবোৰৰ প্ৰয়োজন ত'তেই।

অসমৰ দৰে ৰাজ্য এখনত,— য'ত এটা ৰেডিঅ' টেলিস্কোপ নাই, লেজাৰ ৰশ্মিৰ ব্যৱস্থা নাই, তাত অত্যন্ত সীমিত সা-সুবিধাৰ মাজেৰে আগুৱাব লগা হোৱাত গৱেষণাটো যে সম্পূৰ্ণ সফল হোৱা নাই সেইবিষয়ে এই গৱেষক নিশ্চিত। গতিকে দোষ ত্ৰুটী মাৰ্জনীয়। তদুপৰি যিহেতু লোকেল দাদাৰ ওপৰত বিদেশী পুথি-পাঁজিও নাই, সেয়ে ৰেফাৰেন্‌ছৰ বাবে অসুবিধা হৈছিল—পদে পদে। ইমানবোৰ বাধা আঁতৰাই, মাত্ৰ ডক্টৰেট ডিগ্ৰিটোৰ বাবেই ইমানখিনি কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছে। ওপৰৰ ৰচনাখন সেই থিছিছ খনৰেই এটা অতি-সংক্ষেপীকৃত ৰূপ।

---

সম্পাদকৰ কোঠালিত

বন্ধু: ভাৰতৰ প্ৰায় সকলো চৰকাৰী বিভাগৰ দুৰ্নীতিৰ কথা শুনি-শুনি কাণ ঘোলা হ'ল। পিছে এটা কথা মন কৰিবাচোন। কোনোবা এটা বিভাগৰ বৰ ডাঙৰ দুৰ্নীতিৰ কথা ওলালে সেইটোৰ অনুসন্ধান কৰিবলৈ লগোৱা হয় ছি-বি-আই-ক। তেনেহ'লে ছি. বি. আই-তে ইমান সোপা চাফা মানুহ গোট খালে কেনেকৈ? সাগৰৰ পানীৰ মাজত মিঠাতেলৰ হ্ৰদ!

নতুনকৈ ছপা হৈ ওলাল
ড. দিলীপ দত্তৰ
প্ৰথম পুথি **শুভ দিনৰ নিৰ্ঘণ্ট** মূল্য ১৫ টকা
আটাইতকৈ জনপ্ৰিয় পুথি **মনে মোৰ কইনা বিচাৰে** মূল্য ১৫ টকা
শ্ৰেষ্ঠ পুথি **ফলি লোৱা বুৰঞ্জী** মূল্য ৩০ টকা
**অসমী প্ৰকাশন**
পাণবজাৰ গুৱাহাটী-১








বৈকুণ্ঠ ভট্টাচাৰ্যই লাহে লাহে অনুভৱ কৰিলে— তেওঁৰ পৃথিৱীখন বৰ সংকুচিত হৈ গ'ল। এই প্ৰকাণ্ড ঘৰটোৰ এই দীঘল বাৰান্দাখনৰ এটা মূৰৰ এই আৰামী চকীখনতে যেন তেওঁৰ জীৱন, তেওঁৰ চিনাকি পৃথিৱীখন সীমাবদ্ধ হৈ পৰিছে।

দিনটোৰ বেছি ভাগ সময়েই এতিয়া তেওঁ এই আৰামী চকীখনতে বহি কটাবলৈ লৈছে। সমুখৰ ৰাস্তাটোৰে বিভিন্ন ধৰণৰ মানুহ বিভিন্ন খোজেৰে পাৰ হৈ গৈছে। কাৰো যেন তেওঁৰ ফালে চাবলৈ সময় নাই। সকলো ব্যস্ত।

যোৱা চাৰিটা বছৰত তেওঁ নিজেও বৰ ব্যস্ত আছিল। চাকৰি জীৱনৰ শেষৰ দিনকেইটাত তেওঁ যেন গোটেই জীৱনটোৰ কৰিবলগীয়া সাংসাৰিক কৰ্তব্য শেষ কৰি ল'ব খুজিছিল। হাতৰ আঙুলিত লেখি-লেখি তেওঁ যোৱা চাৰিটা বছৰতে সকলো দায়িত্ব শেষ কৰিছে। জীয়েক মামণিক বিয়া দিছে, পুতেক অৰিন্দমক ইঞ্জিনিয়াৰ কৰি নিজৰ পদমৰ্যাদাৰ প্ৰভাৱেৰে ফৰেইনলৈ পঠাই দিছে। নিজে ডেৰ কুৰি বছৰৰো অধিক কাল জড়িত হৈ থকা, তেওঁক ভৰণ-পোষণ দিয়া প্ৰতিষ্ঠানটোৰ বাবে বিশেষ কিবা কৰি থৈ যোৱাৰ কথা ভাবিবলৈ তেওঁ যেন সুৰুঙাই নাপালে।

এতিয়া তেওঁৰ কৰিবলৈ একো যেন কাম নাই। অফিছৰপৰা বিদায় লোৱাৰ দিনা বিদায়-সভাত তেওঁৰ দীৰ্ঘ, ব্যস্ততাপূৰ্ণ জীৱন এটা বহুতে কামনা কৰিছিল। কিন্তু তেওঁৰ বাবে জীৱনটো এতিয়া ইমান ব্যস্ততাহীন হৈ পৰিছে! নিজৰ সংসাৰখনৰ চিন্তাই মনৰ বেছিভাগ ঠাই অধিকাৰ কৰি থাকিলেও এটা প্ৰতিষ্ঠানৰ মুৰব্বী হিচাপে দিনটোত গাত নলগাকৈ দ'ম-দ'ম ফাইলত চহী মাৰিছিল। হোৱাই-নোহোৱাই তলৰ মানুহৰ ওপৰত পাৱাৰ খটুৱাইছিল। কিন্তু এতিয়া তেওঁৰ কৰিবলৈ একো নাই; তেওঁৰ কথা শুনিবলৈ কোনো নাই।

অৱসৰ গ্ৰহণৰ পাছত জীৱনটো এনেকুৱা হ'ব বুলি তেওঁ কাহানিও ভবাই নাছিল। অৱসৰ লোৱাৰ কিছুদিন পাছতে "এবাৰ অফিছৰ পৰা আহোঁ।" বুলি তেওঁ ঘৈণীয়েক নৰ্মদাক কৈ গাড়ীখন লৈ অফিছ পাইছিল গৈ। অফিছৰ দুৱাৰমুখত থকা চকীদাৰজনলৈ তেওঁ সেই আগৰ দিনবোৰৰ দৰে সেইদিনাও নাচালে যদিও মন কৰিলে যে সদায়ে মৰা চালামটোও সেইদিনা সি নামাৰিলে। বুকুখনত কোনোবাই খোঁচ মাৰি দিয়া যেন ভাব হ'ল তেওঁৰ। আনদিনা চালাম থুকি থাকিলেও তাৰ ফালে চাই হাঁহি এটা মাৰিবলৈ কাৰ্পণ্য কৰা বৈকুণ্ঠ ভট্টাচাৰ্যৰ উপস্থিতি উলাই কৰি চকীদাৰজন ব্যস্ত হৈ পৰিল গেটত ৰৈ যোৱা আন এখন গাড়ীৰ চালকৰ লগত কথা পতাত।

কিবা এটা কোৱাৰ তীব্ৰ ইচ্ছা হ'লেও একো কোৱাৰ সাহস বিচাৰি নাপাই বৈকুণ্ঠ ভট্টাচাৰ্য সোমাই গ'ল চাকৰিজীৱনৰ দহোটা বছৰ মুৰব্বী হিচাপে বহা কোঠাটোৰ ফালে। দুই এজনে 'ছাৰ ভালনে'?, 'ছাৰ নমস্কাৰ' বুলি মাত লগোৱাৰ বাহিৰে বেছি ভাগেই নিজৰ নিজৰ কামত ব্যস্ত হৈ ৰ'ল। তেওঁৰ উপস্থিতিৰ প্ৰতি সহাঁৰি দিবলৈ কাৰো যেন সময় নাই। নিজৰ কোঠাটোৰ দুৱাৰমুখ পোৱাৰ লগে লগে চেয়াৰমেনৰ ছিনিয়ৰ পাৰ্ছনেল এছিষ্টেণ্ট চন্দ্ৰধৰ শৰ্মা ব্যস্তভাৱে আগবাঢ়ি আহিল, "ছাৰ অলপ বহক। বৰুৱা ছাৰ অলপ ব্যস্ত হৈ আছে।"

বৈকুণ্ঠ ভট্টই খৰধৰকৈ কৈ উঠিল, "নাই, নাই, মই এনেয়ে এবাৰ তোমালোকক চাওঁ বুলিহে সোমালো।" তাৰ পাছত তেওঁ কেনেকৈ আহি গাড়ীত উঠি ঘৰ পালেহি ক'বই নোৱাৰিলে।

সেই দিনটোৰ পাছত আৰু অফিছৰ ফালে যোৱাৰ কথা তেওঁ ভাবিব পৰা নাই। অফিছৰপৰাও কোনেও তেওঁৰ খা-খবৰ লোৱা নাই। চাকৰি জীৱনটোত কোনোবাই কিবা সুবিধা বিচৰাৰ আশংকাত তেওঁ তলতীয়া কৰ্মচাৰীবিলাকৰপৰা যিমান পাৰি আঁতৰত থাকিব খুজিছিল। এতিয়া যেন সেই সকলোৱে তেওঁ কাৰোবাৰ সময় ল'ব বুলি তেওঁৰপৰা আঁতৰি ফুৰিছে! নিজৰ ব্যস্ততাহীন জীৱনটো বাৰান্দাৰ আৰামী চকীখনত এৰি দি তেওঁ সমুখৰ স্কুলীয়া ল'ৰা-ছোৱালী, অফিছ-কাছাৰীৰ কৰ্মচাৰীৰ ব্যস্ততাপূৰ্ণ খোজবোৰ চাই চাই ঘণ্টাৰ পাছত ঘণ্টা কটাই দিছে। মাজে মাজে ঘৈণীয়েক নৰ্মদা কাষত বহেহি। তেওঁ দুই-এষাৰ কথা পাতে;— "বাপৰ চিঠি দেখোন বহুত দিন অহা নাই," "মামণিক এবাৰ ইয়ালৈ মাতি পঠিয়াব লাগিছিল।" নৰ্মদাও যেন নিজৰ ল'ৰা-ছোৱালীৰ চিন্তাৰ বৃত্তৰ বাহিৰলৈ যাব নোৱাৰে। তেওঁ ভুনভুনকৈ কথাবোৰ কৈ থাকে, বৈকুণ্ঠ ভট্টচাৰ্যৰ কাণত কথাবোৰ যেন আধা সোমায়, আধা



OKDISCD

নোসোমায়। তেওঁৰ দৃষ্টি বাটৰ মানুহবোৰতে নিবদ্ধ হৈ থাকে। সেইজন বা কোন? সেইজন— সেইজন জীৱন কাকতি নহয় নে?

সমুখৰ ৰাস্তাটোৰে যোৱা অগণন মানুহৰ মাজত একালৰ সহপাঠী জীৱন কাকতিক বৈকুণ্ঠ ভট্টই কেইবাদিনো দেখিছে। মাতোঁ বুলিও তেওঁ মাতিব পৰা নাই। কিবা এক সংকোচে যেন তেওঁৰ জিভাখন কোঁচ খুৱাই দিয়ে। তেওঁৰ মনত পৰে, —এদিন এই জীৱন কাকতিয়ে কেইজনমান ছাত্ৰ লগত লৈ কিবা এখন ছেমিনাৰ নে মিটিঙলৈ মাতিবলৈ তেওঁৰ ওচৰলৈ গৈছিল। অফিছৰপৰা ঘৰলৈ আহিবৰ পৰতে পাৰ্ছনেল এছিষ্টেণ্ট চন্দ্ৰধৰ শৰ্মাই আনি দিয়া শ্লিপখনৰপৰা কথাটো গম পাই তেওঁ পি· এৰ হতুৱায়ে কোৱাইছিল —চেয়াৰমেন বৈকুণ্ঠ ভট্টাচাৰ্য মিটিঙত ব্যস্ত। তেখেতক লগ কৰিবলৈ জীৱন কাকতি যেন পাছত আহে।

তাৰ পাছত তেওঁৰ ওচৰলৈ আৰু কোনো দিনেই জীৱন কাকতি অহা নাই।

"হেৰা জীৱন নহয়নে? ক'লৈ যোৱাহে ইমান খৰখেদাকৈ?" বাৰান্দাৰপৰাই এদিন বৈকুণ্ঠ ভট্টই চিঞৰ মাৰি দিলে। বাটেদি ছাতি লৈ গৈ থকা জীৱন কাকতিয়ে ৰৈ ঘূৰি চালে চিঞৰটো অহা দিশলৈ। তাৰ পাছত ছাতিটো জপাই দুখোজ আগুৱাই আহি তেওঁ প্ৰকাণ্ড লোহাৰ গেটখনৰ ওচৰত ৰৈ গ'ল।

বাৰান্দাৰপৰা নামি আহি বৈকুণ্ঠ ভট্ট গেটৰ ওচৰলৈ আগ বাঢ়ি গল। "আহা আহা, বহুদিন তোমাক এইফালেদি অহা-যোৱা কৰা দেখিছোঁ। তুমি যিহে ব্যস্ত হৈ খোজ দিয়া, মাতোঁ বুলিও মাতিব পৰা নাই। এইফালে ক'ৰবাত ঘৰ বান্ধিছা নেকি?"

বৈকুণ্ঠ ভট্টৰ পিছে পিছে গৈ জীৱন কাকতিও বাৰান্দাত উঠিল। "এৰা তুমি অৱসৰ পালা বুলি গম পাইছোঁ। ময়ো যোৱা বছৰেই অৱসৰ পালোঁ। কিন্তু মোৰ একো অৱসৰ হোৱা নাই বুজিছা! ঘৰ বন্ধাৰ কথা কৈছা? ঘৰ বান্ধিবলৈ পইচা ক'ত? আছোঁ আৰু পিতৃ-পিতামহৰ পঁজাটিতে। আজি এবছৰমান হ'ল, তাতে দুটা কোঠালি···"

"কিনো ইমান কাম তোমাৰ? ল'ৰা-ছোৱালী জানো ডাঙৰ হোৱা নাই?"

"হৈছে বুজিছা। পিছে ল'ৰাও আকৌ মোৰ নিচিনাই শিক্ষকহে হ'ল। ছোৱালীজনী সৰু, বিয়া দিবকে পৰা নাই। এইবোৰ কথা ভাবিবলৈ আহৰিয়েই নোপোৱাৰ নিচিনা হৈছে। মিটিং, ছেমিনাৰ, লিখা-মেলা,— সাৰে থকা সময়কণ দেখোন এইবিলাক কৰি থাকোঁতেই যায়। তোমাৰেই ভাল দিয়া টকা-পইচা, ঘৰ-দুৱাৰ সকলো হ'ল। এতিয়া মাত্ৰ বহি বহি ভোগ কৰা।"

জীৱন কাকতিয়ে কথাখিনি শেষ কৰি হো-হোকৈ হাঁহিলে। বৈকুণ্ঠ ভট্টৰ মুখতো হাঁহি এটা বিৰিঙি উঠিছিল, কিন্তু পাছ মুহূৰ্ততে হাঁহিটো সেমেকি গ'ল। সেমেকা হাঁহিৰেই প্ৰসংগ'টো সলনি কৰিবলৈ ভট্টই সুধিলে,— "চাহ—"

"চাহ? নাই, নাই নালাগে। মই এতিয়া উঠোঁহে। মিটিঙৰ সময় হ'বলৈ বেছি পৰ নাই। ৰাতি কেতিয়া আহি ঘৰ পাওঁ ঠিক নাই, দুটামান খায়ে ওলাইছোঁ।" —পাছ মুহূৰ্ততে ব্যস্তভাৱে খোজ পেলাই নামি গ'ল জীৱন কাকতি।

বৈকুণ্ঠ ভট্ট জীৱন কাকতি যোৱাৰ পাছতো একে ঠাইতে বহুত পৰ মনে মনে বহি থাকিল। তেওঁ জীৱন কাকতিক গেটলৈকে আগবঢ়াই থোৱাৰ কথাও পাহৰি গ'ল। সদায়ে কৰাৰ দৰে দুৱাৰখন অকণমান ফাক কৰি নৰ্মদাই "কোন আহিছিল?" বুলি সোধা কথাষাৰ শুনি সপোন ভগাৰ নিচিনাকৈ তেওঁ সমুখৰ ৰাস্তাটোলৈ চাই পঠিয়ালে। জীৱন কাকতি তেতিয়া দুৰৈৰ জনসমুদ্ৰত মিলি গৈছে।

দুদিনমান পাছত ৰাতিপুৱা বাতৰি কাকতখন হাতত লৈ প্ৰথম পৃষ্ঠাতে— সুসাহিত্যিক জীৱন কাকতিৰ পৰলোক —বাতৰিটো পাই উচপ খাই উঠিল বৈকুণ্ঠ ভট্ট। তেওঁ পঢ়ি গ'ল, "নিজৰ জীৱনৰ বাবে কোনো দিনে চিন্তা নকৰি দেশৰ দহৰ বাবে খাটি জীৱন কটাই দিয়া মানুহজনেই হ'ল জীৱন কাকতি। সাহিত্যৰ সাধনা আৰু সমাজৰ নানা মংগলজনক কামতে আত্মনিয়োগ কৰা এইজন শিক্ষকে নিজৰ পৰিয়ালৰ বাবে ভাবিবৰ অৱকাশেই নাপালে। আনকি নিজৰ থকা ঘৰটোও আধা বন্ধাকৈয়ে···" বৈকুণ্ঠ ভট্টৰ চকু সজল হৈ আহিল। জীৱন কাকতিৰ ফটোখন লাহে লাহে অস্পষ্ট হৈ আহিল। এসময়ত বৈকুণ্ঠ ভট্টৰ এনেকুৱা লাগিল— সেইখন যেন তেওঁৰ নিজৰেই ফটো।

তেওঁৰ মনটোৱে ফটোখনৰ তলত লিখা কথাখিনি পঢ়ি গ'ল, "নিবেদিতা কনছালটেণ্টছৰ প্ৰাক্তন চেয়াৰমেন বৈকুণ্ঠ ভট্টাচাৰ্যৰ পৰলোক···। জীৱন কালত এই গৰাকী মানুহ নিতান্তই স্বাৰ্থপৰ, অহংকাৰী হিচাপে খ্যাত আছিল। তেওঁ এজন চকুচৰহা লোক আছিল। কোনো লোকৰ ভাল হোৱাটো বা কোনো লোক ওপৰলৈ উঠাটো তেওঁ সহ্য কৰিব নোৱাৰিছিল। সাধাৰণ কৰ্মচাৰীসকলক তেওঁ খেৰ-কুটা হেন জ্ঞান কৰিছিল। তেওঁৰ দিনতে এসময়ত গোটেই অঞ্চলটোৰ বিখ্যাত প্ৰতিষ্ঠান হিচাপে স্বীকৃত ফাৰ্মখনৰ অৱস্থা অতি শোচনীয় হয়। কেৱল নিজৰ পৰিয়ালৰ চিন্তাতে তেওঁ আত্মনিয়োগ কৰিছিল। নিজ স্বাৰ্থ পূৰণৰ বাবে তেওঁ সকলো কৰিব পাৰিছিল। ঔৰংজেৱৰ নিচিনাকৈ তেওঁ সকলোকে অবিশ্বাস কৰিছিল আৰু সেই কাৰণে তেৱোঁ কাৰো পৰা বিশ্বাস লাভ কৰিব নোৱাৰিছিল। সদায়ে সাধাৰণ মানুহৰপৰা আঁতৰি থাকিব খোজা এইজন অকৰ্মণ্য বিষয়াই বৰ নিঃসংগভাৱে মৃত্যু বৰণ কৰে। তেওঁৰ মৃত্যুত কান্দিবৰ বাবে আৰু শৱদেহ নিবৰ বাবে তেওঁৰ পৰিবাৰে ভাৰা কৰি মানুহ গোটাবলগীয়া হয়···।"





## *ৰান্ধনি ৰ'দ*

আলিম্মুননিছা পিয়াৰ

ক'ত মোৰ সেই সোণালী উপত্যকা
বুকুৰ ফ্ৰেমত বন্ধোৱা
ক'ত সেই সেউজী পাম?

মধুমালা থকা গাঁওখনি মোৰ
সযতনে আঁকি থোৱা
পাহৰিছোঁ কিবা নাম!

···স্মৃতি যেন দূৰৰ পাহাৰ
ধূলিৰে ধূৱলী, অস্পষ্ট ধূসৰ।

আৰু— আৰু মোৰ স্বপ্নৰ বণিজলৈ
টুলুবুলু ডিঙা যায়
কানিমুনি বেলি
উজান-ভাটী একোকে নমনি।

ঃকোই লোটাদে মেৰে বীতে হুৱে দিনঃ
কাণত মাথোন নহয়—
হৃদয়ত বাজিছে অহৰহ
পাদপথত বাগৰি ফুৰা ভিখাৰীৰ গীত
বেয়াকৈ বাজিছে।

## *আধাৰশিলা*

ডিম্বেশ্বৰ দাস

তোমাৰ প্ৰেমৰ বেদীত
থিয় হ'ব এজন মানুহ।

সি থিয় হ'ব
ধনুৰ কাঁড়ৰ দৰে।

তোমাৰ বুকুৰ মজিয়াত ভৰি থৈ
সি মেলি দিব
অশ্বমেধ জীৱনৰ

তোমাৰ পলসুৱা নদীৰ পাৰত
সোণালী আঘোণ হৈ
গজি উঠিব
তাৰ সপোন

তোমাৰ প্ৰেমৰ বেদীত
মানুহ এজন থিয় হ'ব।

## *চাৰিআলিৰ বলিয়াজনী*

জ্ঞান পূজাৰী

আঃ

তোৰ পুলি নাহৰৰ দেহ-দেউল

তোৰ চুলিৰ পৰা সৰে

টোপাটোপ
টোপাটোপ
কফনত মিনা কৰা
মৃগীৰঙী এটি সপোন

কলিজাখন দুচিৰা কৰি বিহুৱতী আকাশে
কিৰিলি পাৰে
কোলাত কুচিমুচি শুই?
শিশুৰ মৰিশালি

আঃ। তোৰ বুকুৰ সেন্দুৰী আম

তোৰ যৌৱনদৈ নদীত
বিশ্বনাথে দাঁত পখালে
চাকি চায়
চাকি চায়

তই জান।



OKDISCD

# অনুৰাধাৰ দেশ
চৈধ্য

ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী



উৰিষ্যাৰ উপকূলত ৰিগৰ প্ৰথম দিন।

অৰুণাভে জোনাকৰ পোহৰত হাতৰ ঘড়িলৈ চালে। বাৰ বাজি গৈছে।

পাৰাদ্বীপ বন্দৰৰ ছিগনেল অফিছৰ চাদত থিয় হৈ অৰুণাভ আৰু নীৰেন দত্তই বাৰে বাৰে লক্ষ্য কৰি আছে কজলা বৰণৰ, ৰাতিৰ সমুদ্ৰপৃষ্ঠলৈ।

বন্দৰৰ অনাতাঁৰ যন্ত্ৰৰ সৈতে ইতিমধ্যে ৰিগ পেলিকানৰ সংযোগ স্থাপন কৰা হৈ গৈছে,—যদিও যোগাযোগৰ ক্ষীণ শব্দ বোধগম্য নহয়। বহুত দূৰৰপৰা ভাঁহি অহা ধুমুহাৰ হু-হু শব্দৰ দৰে হঠাতে শব্দৰ তৰংগই নিচেই ওচৰতে ভীৰ কৰি আকৌ যেন ক'ৰবাত লীন হৈ গৈছে।

তেতিয়াৰ পৰাই চকী এখনত বহি টোপনিয়াই থকা নীৰেন দত্তই ক'লে,—চৌধুৰী, কিমান দেৰি ৰব? বলক। ৰিগ আহিছে যেতিয়া আহি পাবই। আমি ইয়াত থাকিলেও আহিব, নাথাকিলেও আহিব। কি কয়?

আন্ধাৰতে অৰুণাভে হাঁহিলে।

ইমান দেৰিলৈ পেলিকান ৰিগৰ অপেক্ষাত চাদৰ ওপৰত বহি থাকিবলগীয়া হোৱাৰ বিৰক্তিখিনি নীৰেন দত্তৰ কথাত স্পষ্টভাৱে প্ৰকাশ পাইছে। তথাপি। অলপ যেন উপভোগ কৰিবৰ বাবেই অৰুণাভে চকুৰ পৰা দূৰবীণটো নমাই ক'লে— জীৱনত আজি প্ৰথম দেখিম মাজ সমুদ্ৰত কাম কৰা ৰিগ। এটা নতুন বস্তু দেখাৰ প্ৰথম দিন যদিহে কেইঘণ্টা মানৰ নিদ্ৰা বিসৰ্জন দিবলগীয়া হয়, হওক দিয়ক। —ৰব, মই আপোনাৰ টোপনি নোযোৱাৰ ব্যৱস্থা কৰিছোঁ।

দূৰবীণটো দত্তৰ হাতত দি অৰুণাভ চিৰিৰে তললৈ নামি গ'ল।

স্থবিৰ কোনোবা বিদেশী জাহাজ বন্দৰত লাগি আছে। মন্থৰ গতিত উঠা-নমা কৰিছে ক্ৰেন। মাজনিশাৰ বন্দৰৰ ৰূপ অইন চহৰৰ অইন অঞ্চলৰ দৰে নহয়। বন্দৰ ৰাতিও জাগি থাকে, জাহাজৰ কাম দিনে-ৰাতিয়ে অবিৰাম চলে।

অফিছৰ গেটৰ সন্মুখতে অৰুণাভে ৰাম্মায়া নামৰ নতুনকৈ চাকৰিত মকৰল হোৱা টেলুগু নাইট চকিদাৰজনক দেখা পালে। উৰিষ্যাৰ বহৰমপুৰৰ ওচৰত অন্ধ্ৰ প্ৰদেশৰ ব'ৰ্ডাৰৰ ওচৰত তাৰ ঘৰ। যোৱা বছৰৰ ছাইক্ল'নৰ সময়ত তাৰ ঘৰ-বাৰী সকলো নিশ্চিহ্ন হৈ গৈছে।

বাৰ্থৰ ওচৰত গুমটি এখন আছে, দৌৰি গৈ চাহ দুকাপ লৈ আহ। স্পেছিয়েল।

টকা এটা অৰুণাভে ৰাম্মায়াৰ হাতত গুজি দিলে। বাৰ্থৰ কাষে কাষে ৰাতিৰ ছিফটৰ মানুহখিনিক চাহৰ যোগান দিবৰ বাবে কেইখন মান গুমটি আছে। ভুবনেশ্বৰৰ গাড়ীৰ ড্ৰাইভাৰ নীলকণ্ঠই কৈছিল— এই গুমটিতে স্মাগলিঙৰ বস্তু পোৱা যায় ছাৰ। খানাতালাচ কৰিলে ঢেৰ বস্তু ওলাব। টু-ইন-ৱান, স্কটচ …… । ইহঁতৰ পুলিছৰ লগতো যোগাযোগ আছে।

কি ঠিক নীলকণ্ঠই কোৱা কথা সঁচাও হ'ব পাৰে।

বাহিৰৰ পৰা দেখিলে কিঞ্চিতো সন্দেহ নোহোৱা এনেকুৱা সৰু সৰু গুমটিতে লাখ লাখ টকাৰ চোৰাং মালৰ লেন-দেন হোৱাৰ কথা অৰুণাভে কলিকাতাতে শুনিছে।

চিৰিৰে ওপৰলৈ উঠি আহিবৰ সময়ত অৰুণাভে চাদৰ পৰা ভাঁহি অহা নীৰেন দত্তৰ মাত শুনা পালে— চৌধুৰী, আপোনাৰ ৰিগ ৰিণি ৰিণি দেখা গৈছে, দূৰবীণত।

দূৰবীণটো চকুত লগাই ৰাতিৰ সমুদ্ৰপৃষ্ঠলৈ চোৱাৰ লগে লগে অৰুণাভৰ শৰীৰৰ ওপৰেৰে বৈ গ'ল সেই শিহৰণ। ··· ৰাতিৰ আন্ধাৰ ফালি এটা সুবিশাল আলোকিত অট্টালিকা দুখন জাহাজে সাগৰ-মহাসাগৰৰ ওপৰেৰে টানি লৈ আহিছে।

অৰুণাভৰ ভাব হ'ল— জাহাজ যেন সদায় কিবা এক ৰহস্যৰ প্ৰতীক। অজান অচিন দেশৰ প্ৰতিখন জাহাজে কৌতূহলী মানুহক প্ৰতিটো মুহূৰ্ততে হাত বাউল দি মাতে।

অৰুণাভেও অনুভৱ কৰিলে মুহূৰ্তৰ বাবে সুদূৰৰ আহ্বান।

চাহ দুকাপ হাতত লৈ ৰাম্মায়া চিৰিৰে খুপি খুপি ওপৰলৈ উঠি আহিল।

অৰুণাভে ক'লে— দত্ত, এটা কথা ভাবিলে আচৰিত নালাগেনে? ক'ৰ অসমৰপৰা আহি দুজন অসমীয়া যুবকে, এইদৰে উৰিষ্যাৰ এচুকত অৱস্থিত পাৰাদ্বীপ নামৰ অখ্যাত বন্দৰ এটাৰ ঘৰৰ চাদত উঠি দূৰবীণেৰে মাজনিশা এটা বিদেশী ৰিগৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে! এলিষ্টাৰ মেক্লিনৰ উপন্যাসৰ ছিকুৱেন্ছ যেন লাগে। আপুনি ছি-উইট্চ পঢ়িছে?

নাই।

সাগৰৰ মাজৰ ৰিগক লৈ লিখা। লেনছৰ মাজেৰে ৰিগৰ ডেৰিক স্পষ্টকৈ দেখা পোৱা গৈছে। চাব'

হ'ব। টোপনি ধৰিছে বুজিছে।

অৰুণাভে দত্তৰ মুখৰ ফালে চালে।

কিয় জানো যোৱা দুদিনতে অৰুণাভৰ অনুমান হৈছে— দত্তৰ মুখত যেন অনবৰত কিবা এক অসন্তুষ্টি লাগি আছে। কিছুমান মানুহে জীৱনত কেতিয়াও বিস্মিত হ'ব নাজানে; নাজানে অনন্ত আকাশলৈ চাই সেই বিশালতাৰ ওচৰত শ্ৰদ্ধাৰে মূৰ নত কৰিবলৈ।

আন্ধাৰ-পোহৰৰ মাজৰ নীৰেন দত্তৰ মুখলৈ চাই অৰুণাভৰ কিয় জানো হঠাতে মনত পৰিল ৰূপালীৰ কথা। অহা মাহৰ দুই তাৰিখে এইজন লোকৰ সৈতেই ৰূপালীয়ে আৰম্ভ কৰিব এক নতুন জীৱন।

দত্তৰ দৰে এজন মানুহে, যি কেতিয়াও আকাশৰ ফালে চাই, কোনো কাৰণ নোহোৱাকৈ হয়তো কেতিয়াও এটা উজাগৰী ৰাতি কটাই পোৱা নাই, সেইজন মানুহে কেতিয়াবা সঁচাকৈ প্ৰেমত পৰিব পাৰিবনে ৰূপালীৰ। প্ৰেমৰ গাঢ়তাই চুই যোৱা নাৰীৰ দুচকুত চকু থৈ এনেকুৱা মানুহে কেতিয়াবা তন্ময় হৈ থাকিব পাৰিব নে অনন্ত কাল!

কিয় জানো অৰুণাভৰ পুতৌ হ'ল ৰূপালীৰ প্ৰতি।

বলক যাওঁ। —অৰুণাভে ক'লে।

বন্দৰৰ শিলৰ প্ৰাচীৰৰ ছিকিউৰিটি গেটৰ মানুহ কেইজনে টোপনিয়াই আছে। মাথোঁ হাতত বন্দুকধাৰী খাকী ইউনিফৰ্ম পিন্ধা ছিকিউৰিটিৰ মানুহ এজনে আন্ধাৰৰ লগত প্ৰায় মিলি গৈ তেতিয়াও স্থিৰ হৈ প্ৰাচীৰৰ কাষত থিয় হৈ আছে।

ৰাতিৰ উদভ্ৰান্ত বতাহে ঝাওবনৰ মাজৰ সেই জুপুৰীবোৰত দেওধনী নাচিছে। কোনোবা পুৰুষ কণ্ঠই কাৰোবাক চিঞৰি মাতিছে। সুৰত আদিম অশ্লীলতাৰ গোন্ধ আছে।

তিনিওটা বিল্ডিঙৰ প্ৰায়ভাগ ফ্লেটৰে দুৱাৰ-খিৰিকি বন্ধ। হয়তো সকলো নাৰী-পুৰুষ এতিয়া নিদ্ৰামগ্ন।

দুই নম্বৰ বিল্ডিঙৰ পঞ্চম ফ্ল'ৰৰ বেলকনিত হঠাতে অৰুণাভৰ চকুত পৰিল এক ছায়ামূৰ্তি। মাজনিশা অন্ধকাৰ বেলকনিত কোন?

অনুমান কৰিবলৈ অৰুণাভৰ অসুবিধা নহ'ল— সেয়া কোন হব পাৰে। কেপ্টেইন দাসৰ ছোৱালী মুনমুনক আৰু এদিন অৰুণাভে মাজনিশা এইদৰে অন্ধকাৰ বেলকনিত থিয় হৈ থকা দেখিছে।

পাছদিনা ৰাতি পুৱা টোপনিৰ পৰা উঠি বেলকনিৰ পৰাই অৰুণাভৰ দৃষ্টিগোচৰ হ'ল প্ৰভাতী ৰ'দত জলমলাই থকা নিস্তৰংগ নীলিমাত ৰিগ পেলিকানৰ সুউচ্চ গৰ্বিত ডেৰিক; ওচৰতে ভিক্টৰ আৰু ছিগল নামৰ জাহাজ দুখন।

অফিছৰপৰা ৰেডিঅ' অপাৰেটৰ মহান্তিয়ে টেলিফোন কৰিলে— ছাৰ, ভুবনেশ্বৰ অফিছৰ পৰা মেছেজ আছে। আঠ বজাত হেলিকপ্টাৰত মেহৰা চাহাব আহিব। ইয়াৰ পৰা পোনে পোনে ৰিগলৈ যাব। আপোনাক ৰিগলৈ যাবলৈ ৰেডি হৈ থাকিবলৈ কৈছে।

অৰুণাভে আৰু দেৰি নকৰিলে। পাৰাদ্বীপলৈ আহিবৰ দিনাই ভুবনেশ্বৰত মেহৰা চাহাবে কৈছিল— অৰুণাভ, ৰিগ আহি পাবৰ দিনাই ৰিগলৈ যাবলৈ তুমি সাজু হৈ থাকিবা। প্ৰথম প্ৰথম কিছুদিন তুমি থাকিবলগীয়া হ'ব। পাৰাদ্বীপত নীৰেন দত্ত থাকিব।

লৰালৰিকৈ ব্ৰেকফাষ্ট কৰি অৰুণাভে ব্ৰিফকেছটো সাজু কৰিলে। আজিৰ পৰা মাটিৰ স্পৰ্শ এৰি অৰুণাভ গুচি যাব সমুদ্ৰৰ মাজলৈ।

নীৰেন দত্তৰ সৈতে চিৰিৰে তললৈ নামি আহোঁতে ঘড়িত সাত বাজি ত্ৰিছ মিনিট। তলত পৰ্টিক'ত নাৰায়ণৰ গাড়ী ৰৈ আছে। ৰাতিপুৱাই গাড়ী পৰিষ্কাৰ কৰি নাৰায়ণে গা ধুই আহিছে। নাৰায়ণৰ এই কৰ্তব্যনিষ্ঠা দেখি অৰুণাভৰ ভাল লাগি গ'ল।

গাড়ীত উঠিবৰ সময়তে অৰুণাভে দেখা পালে চিৰিৰে মুনমুন আৰু মহাপাত্ৰৰ ছোৱালীজনী নামি আহিছে।

মুনমুনৰ শৰীৰত খয়েৰী ৰঙৰ টপ আৰু চুটি হালধীয়া স্কাৰ্ট।

—গুড মৰ্নিং।

মুনমুনেই প্ৰথম ক'লে।

—ক'ৰবালৈ যায় নেকি?

অৰুণাভে সাগৰৰ মাজত ভাসমান ৰিগলৈ আঙুলিয়াই দেখুৱালে। মুনমুনৰ ক'লা চুচকুৰ গাঢ়তাত কিবা এক আদিমতা লুকাই আছে। এনেকুৱা আদিমতাই পুৰুষৰ কোনো কোনো স্নায়ু উত্তেজিত কৰি তোলে।

আকৌ লগ পাম।

দেৰি কৰিবৰ মন নগ'ল অৰুণাভৰ। ৰাস্তাত অৰুণাভে দত্তক এনেয়ে কৈ চালে—সাংঘাতিক ছোৱালী দেখিছোঁ! সাৱধানে থাকিব দত্ত। বিয়াৰ আগতে নহ'লে আপোনাৰ বদনাম হৈ যাব।

অফিছলৈ গৈ মেহৰা চাহাবৰ অভিজ্ঞতাপুষ্ট মুখতো অৰুণাভে লক্ষ্য কৰিলে এক চেপি ৰখা উত্তেজনা, হয়তো ৰিগ আহি পাৰাদ্বীপ পোৱাৰ বাবেই।

দত্ত, অৰুণাভ ৰিগত থাকিব কিছুদিন। এই কেইদিন তুমি পাৰাদ্বীপ অকলে চাব লাগিব। কোনো কাৰণতেই যাতে ৰিগৰ কাম এক মিনিটৰ বাবেও বন্ধ নহয় তাৰ বাবে সতৰ্ক দৃষ্টি ৰাখিব লাগিব। যিকোনো মুহূৰ্ততে ভিক্টৰ ছিগল পাৰাদ্বীপলৈ আহিব, অহাৰ লগে লগে সকলো সামগ্ৰী ল'ড কৰিবৰ বাবে প্ৰস্তুত থাকিব লাগিব।

বম্বেৰ পৰা অহা ডুবাৰীৰ দল আৰু ইঞ্জিনিয়াৰছ ইণ্ডিয়া লিমিটেডৰ হৰিশ খান্নাক প্ৰায় এঘণ্টা ধৰি নিৰ্দেশ দিয়াৰ পাছত অৰুণাভৰ সৈতে মেহৰা চাহাব হেলিকপ্টাৰত উঠিল।

পাইলটে জীৱনৰক্ষী আৱৰণৰ বিষয়ে আকৌ এবাৰ বুজাই দিলে; —সমুদ্ৰৰ মাজত হেলিকপ্টাৰৰ যান্ত্ৰিক বিজুতি ঘটিলে এই হালধীয়া জীৱনৰক্ষী আৱৰণ ফুলাই পানীত জাপ দি পৰিব লাগিব।

নাই, অৰুণাভৰ বুকু ভয়ত নকঁপিল। মাথো অধীৰ উৎকণ্ঠাৰে অৰুণাভে এতিয়া অপেক্ষা কৰি আছে —আৰু কিমান সময়ৰ মূৰত তেওঁ পেলিকান ৰিগত উপস্থিত হ'বগৈ।

ধীৰে ধীৰে হেলিকপ্টাৰ উৰা মাৰিলে আকাশৰ বুকুলৈ। জাহাজৰ মাস্তুল, ৰায়াৰলেছৰ এণ্টেনা ক্ৰমশঃ অদৃশ্যমান। লেগুনেৰে মন্থৰ গতিত ড্ৰেজাৰে গতি কৰিছে।

প্ৰথমতে উপকূলৰ কাষে কাষে হেলিকপ্টাৰ উৰিল। পাৰাদ্বীপ চহৰ এতিয়া দৃষ্টিৰ বাহিৰত, তলত দৃষ্টিয়ে চুকি পোৱালৈকে এফালে মসৃন বালিচৰ আৰু আনফালে তৰংগায়িত সাগৰ। প্ৰকাণ্ড কাছ কেইটামানে বালিৰ ওপৰত পেট পেলাই ৰ'দ পুৱাই আছে।

মেহৰা চাহাবে ক'লে— এই অঞ্চলত ঢেৰ সাগৰীয় কাছ আছে। চোৰাং মাছমৰীয়াই যাতে কাছ ধৰিব নোৱাৰে, তাৰ বাবে চৰকাৰে পহৰা দিবলৈ ইয়াত উপকূলৰক্ষী জাহাজ নিয়োগ কৰিছে।

হঠাতে হেলিকপ্টাৰৰ নিচেই কাষতে মাজ সমুদ্ৰত অৰুণাভৰ চকুত পৰিল ৰ'দত জলমলাই থকা পেলিকান ৰিগ।

ডেকৰ ৰেলিঙত আউজি কেইবাজনো বিদেশী লোকে ওপৰলৈ একেলগে দৃষ্টি নিক্ষেপ কৰিছে। ভিক্টৰ আৰু ছিগল নামৰ জাহাজ দুখন তেতিয়াও ৰিগৰ কাষে কাষে গৈ আছে। প্ৰকাণ্ড ৰূপালী ঢৌত জাহাজ দুখন এবাৰ ওপৰলৈ উঠিছে আৰু এবাৰ তললৈ নামিছে।

ৰিগৰ একেবাৰে ওপৰত হেলিপেড।

ধীৰে ধীৰে হেলিকপ্টাৰে আহি স্পৰ্শ কৰিলে পেলিকান ৰিগ। কিবা এক উত্তেজনাত নামি যাব খুজিছিল অৰুণাভ, তেতিয়াও ঘূৰি থকা হেলিকপ্টাৰৰ ব্লেড দুখনলৈ আঙুলিয়াই দি পাইলটে ক'লে— ব্লেড দুখন ৰৈ যোৱাৰ পাছত। নহ'লে বতাহে কোবাই সাগৰত পেলাই দিব পাৰে।

অৰুণাভে তললৈ চালে।

কিমান তলত সুবিশাল সাগৰ! ৰিগত ঠেকা খাই ভাগি পৰা প্ৰকাণ্ড ঢৌবোৰে গৰ্জন কৰি আছে। কিছু সময় একেথৰে তললৈ চাই থাকিলে মূৰ ঘূৰি যাব খোজে।

হেলিপেডৰ ওচৰত ৰেলিঙত ধৰি ডেনিছ থিয় হৈ আছে। হেলিকপ্টাৰৰ পৰা অৰুণাভ নামি অহাৰ লগে লগে হাত দাঙি উৎফুল্লতাৰে ডেনিছে চিঞৰিলে— ৰিগ পেলিকানলৈ স্বাগতম।

হেলিপেডৰপৰাই অৰুণাভে এবাৰ চৌপাশে দৃষ্টি নিক্ষেপ কৰিলে আৰু মুহূৰ্তৰ বাবে কিবা এক অনিৰ্বচনীয় অনুভূতিত তেওঁ অভিভূত হৈ পৰিল। যিমান দৃষ্টিয়ে চুকি পায়, সিমান দূৰলৈ মাথোঁ নীলিম উৰ্মিমালা, মূৰৰ ওপৰত আদিগন্ত বিস্তৃত আকাশ। অৰুণাভৰ অনুভৱ হ'ল যেন অসীম, অনন্ত কোনো ৰহস্যময় সুন্দৰৰ সৈতে আজি তেওঁ এক পবিত্ৰ লগ্নত মুখামুখি হৈছে। এক বুজাব নোৱৰা অদ্ভুত আবেগত থৰথৰকৈ কঁপি উঠিল অৰুণাভৰ হৃদয়।

ডেনিছে কৈ গ'ল ৰিগৰ কথা; —একডম নতুন ৰিগ। সকলো আধুনিক সুবিধা আছে। সুন্দৰ কমিউনিকেশ্যন ছিষ্টেম, কমপিউটাৰাইজড কণ্ট্ৰোল পেনেল···। আহক ভিতৰলৈ, কেবিনলৈ যাওঁ। কিবা খাব?

ডেনিছে গোটেই ৰিগটোৰ সৈতে অৰুণাভক পৰিচয় কৰাই দিলে। মাইকেল, ৰবাৰ্ট, স্নাইডাৰ আৰু কেইবাজনো লোকৰ সৈতেও অৰুণাভৰ চিনাকি হ'ল। বেছিভাগেই মেক্সিকান লোক। মেহৰা চাহাবে ক'লে, —কাইলৈ ৰাতিপুৱাই ইণ্ডিয়ান ক্ৰুৰ দল আহি পাব, অসমৰ পৰা আহি ইতিমধ্যে ভুবনেশ্বৰ পোৱা চৰকাৰ আৰু অজিত বৰুৱাও কাইলৈ ৰাতিপুৱা ৰিগ পাবহি।

অৰুণাভে ভাবিলে— এই বিদেশীসকলৰ মাজত অন্ততঃ তেওঁ অকলশৰীয়া নহয়।

মেহৰা চাহাবে ঠিকেই কৈছিল। প্ৰতিটো দিনেই যেন যুদ্ধ।

সমুদ্ৰৰ মাজত দিন-ৰাতি অবিৰাম কাম চলি আছে। প্ৰতিটো সপ্তাহতে পাৰাদ্বীপৰ পৰা ভিক্টৰ অথবা ছিগল জাহাজত খাদ্য-সামগ্ৰী আহিছে, বিভিন্ন সঁজুলি, যন্ত্ৰ-পাতি।

নিঃসংগ ৰিগ তিনিখন লেগৰ ওপৰত সমুদ্ৰ পৃষ্ঠৰ ওপৰত থিয় হৈ আছে। তলত উৰ্মিময় সমুদ্ৰ।

ডেনিছৰ সৈতে ইতিমধ্যে অৰুণাভৰ বেচ বন্ধুত্ব গঢ়ি উঠিছে। এই বিদেশীজনৰ এক আকৰ্ষণীয় ব্যক্তিত্ব আছে।

একেৰাহে মাজ সমুদ্ৰৰ মাজত এনেদৰে থাকিবলগীয়া হ'লে হয়তো মানুহক লাহে লাহে কিবা এক অদ্ভুত নিঃসংগতাই আগুৰি ধৰে। ৰেলিঙত ধৰি কোনোবা নাবিকে হয়তো সেয়েহে হঠাতে উদাস হৈ দিগন্তলৈ একেথৰে চাই থাকে।

এদিন ৰাতি ডিনাৰৰ পাছত কেবিনৰ পৰা ওলাই ধীৰে ধীৰে অৰুণাভ আগবাঢ়ি গৈছিল ৰিগৰ ওপৰলৈ— য'ত হেলিকপ্টাৰ নামিবৰ বাবে হেলিপেড আছে।

অৰুণাভৰ এনেকুৱা লাগিল যেন তেওঁ পৃথিৱীৰ পৰা বহুত দূৰৈৰ কোনোবা অচিনাকি দেশত উপস্থিত হৈছেহি।

সন্মুখত ৰাতিৰ সমুদ্ৰৰ সুগভীৰ দৃশ্য, যেন কোনোবা ৰমণীয় নাৰীৰ শৰীৰত নীল ৰঙী আন্দোলিত চাদৰ। ওপৰত নক্ষত্ৰ খচিত ৰূপালী আকাশৰ পবিত্ৰ জ্যোৎস্না। আকাশ মেঘহীন, তলৰপৰা বৈ আহিছে সাগৰৰ বুকু চুই অহা প্ৰবল বতাহ।

ডেৰিক ফ্ল'ৰৰপৰা ভাঁহি আহিছে ইঞ্জিনৰ শব্দ; ষ্টাৰবোৰ্ড, ছাইড উইংছ আলোকেৰে উদ্ভাসিত।

হঠাতে অৰুণাভৰ চকুত পৰিল হেলিপেডৰ একোণত কোনোবা এজন মনে মনে বহি আছে। অদ্ভুত বিপজ্জনক অৱস্থান; যিকোনো মুহূৰ্ততে মানুহজনক সমুদ্ৰৰ বতাহে পেলাই দিব পাৰে উত্তাল তৰংগেৰে গৰ্জনৰত সমুদ্ৰবক্ষত কাষলৈ গৈ অৰুণাভৰ চকুত পৰিল উদাসী, বিষণ্ণ দৃষ্টিৰে বহি আছে ডেনিছ।

ডেনিছ, তুমি?

গুড ইভনিং।

আন্ধাৰতো অৰুণাভে অনুমান কৰিলে ডেনিছৰ কণ্ঠস্বৰ অশ্ৰুময়। অৰুণাভে বিস্ময় ঢাকি ৰাখি শান্ত স্বৰেৰে সুধিলে,— অকলে অকলে ইয়াত? কি হ'ল?

অৰুণাভে শুনিছে মাজ সাগৰত বহুত সময়ত অনেকেই হঠাতে অত্যধিক আবেগ প্ৰৱণ হৈ উঠে। আৰু আবেগৰ বশবৰ্ত্তী হৈয়েই সকলোকে অবাক কৰি দি কিছুমানে আচম্বিতে অস্বাভাৱিক আচৰণ কৰে। ডেনিছৰো··· ! হ'ব পাৰে।

যেন সাগৰৰ তলিৰপৰা কিবা এক গভীৰ অলৌকিক স্বৰ ভাঁহি আহিছে, ঠিক তেনেকুৱা ধৰণে অৰুণাভ চমকি উঠিল ডেনিছৰ কণ্ঠস্বৰ শুনি।

অৰুণাভ, মাজে মাজে তলৰ সমুদ্ৰৰ গৰ্জনে মোক চুম্বকৰ দৰে টানে। চোৱা সাগৰলৈ, চোৱা, চাৰিওফালে চোৱা, চৌদিশে একো নাই, শূন্য খালী সাগৰ, নিঃসংগ সাগৰ। তোমাৰ কেতিয়াবা মন নাযায় নে এই সাগৰৰ বুকুত জপিয়াই পৰিবলৈ? ···মন নাযায় নে তোমাৰ।

অৰুণাভে ডেনিছৰ মুখলৈ চালে। ডেনিছৰ চুচকুত উদভ্ৰান্ত দৃষ্টি। অৰুণাভে ডেনিছৰ কান্ধত হাত থলে।

অন্য এদিন সুস্থ অৱস্থাত ডেনিছক সুধিব লাগিব এই অস্বাভাৱিক আচৰণৰ কাৰণ। এতিয়া ডেনিছক জিৰণিৰ প্ৰয়োজন।

ডেনিছ, বলা।

ক'লৈ?

কেবিনলৈ।

তাৰ পাছদিনাই অৰুণাভ পাৰাদ্বীপলৈ গ'ল। নীৰেন দত্ত ছুটিত ঘৰলৈ যাব; দত্ত ঘূৰি অহালৈকে অৰুণাভ থাকিব লাগিব নীৰেন দত্তৰ সেই চাৰি নম্বৰ ফ্লেটত।

ঘৰলৈ যোৱাৰ আগ মুহূৰ্তত নীৰেন দত্তই অৰুণাভলৈ বন্ধ খামত কাৰ্ড এখন আগবঢ়াই দিলে। তাৰ পাছত তেওঁ গাড়ীত উঠি বহিল। নাৰায়ণে গাড়ীৰে তেওঁক ভুবনেশ্বৰত থৈ আহিবগৈ। অৰুণাভে হেণ্ডশ্বেক কৰি ক'লে,— বিয়ালৈ শুভেচ্ছা থাকিল।

গাড়ী ষ্টাৰ্ট দিয়াৰ পাছত অৰুণাভে কাৰ্ডখন উলিয়াই চালে— Niren weds Rupali.

অহা দুই তাৰিখে।

অৰুণাভে ৰূপালীকো মনে মনে শুভেচ্ছা জনালে: তোমালৈও শুভেচ্ছা থাকিল। বিয়াৰ বাবে।

[আগলৈ]




‘সৰ্বগুণাকৰ’ শ্ৰীমন্ত শংকৰদেৱ আমাৰ দেশৰ বুৰঞ্জীৰ এক গুৰুত্বপূৰ্ণ ব্যক্তি আৰু অসম বুৰঞ্জীৰ আটাইতকৈ শক্তিমান চিন্তানায়ক।

**ধন্য নৰ তনু ভাল**

জাতপাতহীন এক মুক্ত মানৱ সমাজ গঠনৰ স্বপ্ন আৰু সংস্কাৰৰ বন্ধনৰ পৰা মানুহক মুক্ত কৰাৰ উন্মাদনা লৈ তেওঁৰ এই বিশাল লুইতৰ পাৰত আৱিৰ্ভাৱ। মানৱ মুক্তিৰ প্ৰেক্ষাপটত লুইতৰ বিস্তীৰ্ণ পাৰক মহামানৱৰ মিলন তীৰ্থ কৰি তুলিছিল। ‘ধন্য নৰ তনু ভাল’—এই বাণী উচ্চাৰিত হওঁতে তেওঁ মানৱ জীৱনৰ মহিমাকে ঘোষণা কৰিছিল—এই বিশ্ববীক্ষাৰ প্ৰেক্ষাপটতে মালিক চাহাবে ‘অসমৰ গুৰু’ আমাৰ জাতীয় জীবনৰ সবাতোকৈ শ্ৰেষ্ঠতম মনীষী, শিল্পী, সংস্কাৰক শংকৰদেৱৰ বিশাল কৰ্মময় জীৱনক ভিত্তি কৰি লিখা এক দুঃসাহসিক মহৎ উপন্যাস। কাল-নিৰপেক্ষ। কিন্তু সত্য বুলি যদি কিবা থাকে সি নিশ্চয় মহাকালৰ মহাফেজখানাত জমা থাকিবই। সেই সত্যকে—সেই উপলব্ধিকে তেখেতে আকৌ চিহ্নিত কৰি থৈ যাব খুজিছে। এগৰাকী অৱতাৰী পুৰুষ বা ধৰ্মগুৰু হিচাপে নহয়—এগৰাকী তেজ মঙহৰ ব্যক্তি হিচাপেহে—‘যা কেৰি নাহিকে উপাম’—মালিক চাহাবে এই বিশাল মহৎ গ্ৰন্থখনিত চিহ্নিত কৰিছে—সেই মহাজীৱনৰ জ্যোতি ৰেখা।

প্ৰচ্ছদ: বেনু মিশ্ৰ

মূল্য: ৫০·০০

**ষ্টুডেণ্টচ্ ষ্ট'ৰচ্ঃ গুৱাহাটী-১**






OKDISCD

# হালধীয়া চৰায়ে বাও ধান খায়

দীপক শৰ্মা

চলচিত্ৰ সাহিত্যৰ ওপৰত নিৰ্ভৰশীল নহয়। সাৰ্থক সাহিত্যকৰ্মৰ চলচিত্ৰৰূপ সাৰ্থক নহ'বও পাৰে। কিন্তু চলচিত্ৰৰ বাবে বিষয়বস্তু নিৰ্বাচন কৰিবলৈ, এখন শক্তিশালী চিত্ৰনাট্য তৈয়াৰ কৰি কোনো বক্তব্য সজোৰে উত্থাপন কৰিবলৈ সাহিত্য হিচাপে কৃতকাৰ্য হোৱা সৃষ্টিৰ অৱলম্বনে প্ৰভূত সহায় কৰিব পাৰে। তদুপৰি সাহিত্যকো চলচিত্ৰৰ নিজস্ব কলাই এক গভীৰ সৃষ্টিশীল কলালৈ উন্নীত কৰিব পাৰে।

আধুনিক অসমীয়া চলচিত্ৰত বিষয়বস্তুৰ টুলুঙালি এক দুখলগা দৈন্যৰ পৰিচায়ক। কাৰিকৰী দক্ষতা থকা কেইবাজনো পৰিচালকে বিষয়বস্তুৰ নিৰ্বাচনত কোনো সতৰ্কতাৰ প্ৰয়োজন বোধ নকৰাটো দুৰ্ভাগ্যজনক।

"অপৰূপা" আৰু "পাপৰি"ত এজন চিন্তাশীল তথা সৃষ্টিশীল পৰিচালকৰ উপস্থিতি অনুভৱ নহয় যদিও ছবি দুখন গতানুগতিকভাৱে নিৰ্মিত ছবি নাছিল। স্বৰচিত কাহিনী দুটাৰ মৌলিক গাঁথনি দুৰ্বল আৰু বক্তব্য অস্পষ্ট আছিল। ফলস্বৰূপে চলচিত্ৰ মাধ্যমক গভীৰভাৱে লবলৈ চেষ্টা কৰা জাহ্নু বৰুৱাৰ প্ৰচেষ্টা ব্যৰ্থ হৈছিল। "হালধীয়া চৰায়ে বাও ধান খায়"ৰ জৰিয়তে ছবিৰ বিষয়বস্তু উৎকৃষ্ট সাহিত্যকৰ্মৰ সহায়ত পাবলৈ আগবাঢ়ি আহি জাহ্নু বৰুৱাই এক বিৰল সুস্থ ৰুচিবোধৰ পৰিচয় দিবলৈ সাহস কৰাটো অসমীয়া চলচিত্ৰ জগতৰ বাবে বৰ আশাব্যঞ্জক।

নিৰ্মাণ কৌশলৰ দিশৰ পৰা "হালধীয়া চৰায়ে বাও ধান খায়" এখন সাৰ্থক সৃষ্টি। ছবিখনত আচৰিত এক সাৱলীল treatment আছিল, —যিটো দুৰ্ভাগ্যজনকভাৱে শেষলৈ বৌদ্ধিক ভণ্ডামিৰ কবলত পৰিল। কাৰিকৰী দক্ষতাৰ চমকপ্ৰদ দখলৰ প্ৰমাণ দিও জাহ্নু বৰুৱাই হতাশজনকভাৱে বিষয়বস্তু, বক্তব্যৰ খেলিমেলি সৃষ্টি কৰি পেলালে। হোমেন বৰগোহাঞিৰ উপন্যাসখনে অংকিত কৰা ৰসেশ্বৰৰ কাহিনীভাগক পোনপটীয়াকৈ ধৰি ৰখা চিত্ৰনাট্যখনে উপন্যাসখনৰ কিছুমান সূক্ষ্ম দিশ, অন্তঃস্ৰোত উপেক্ষা কৰাতকৈও ডাঙৰ ভুল হ'ল উপন্যাসত নথকা ছিকুৰেনছৰ অন্তৰ্ভুক্তি। এই কামৰ ফলত ছবিৰ বক্তব্যত আউল লাগিল। বিষয়বস্তু সম্পৰ্কে পৰিচালকৰ সংগতিবিহীন ধাৰণা কিছুমানহে ছবিত প্ৰকট হৈ উঠিল। উপন্যাসখনৰ অন্তৰ্নিহিত স্পষ্ট বক্তব্য



— ইন্দ্ৰ বনিয়া আৰু পূৰ্ণিমা পাঠক শইকীয়া





পূৰ্ণিমা পাঠক শইকীয়া

পৰিচালকৰ বাবে গ্ৰহণযোগ্য নহ'ব পাৰে; কিন্তু পৰিচালকে নিশ্চয় নিজাববীয়াকৈ হ'লেও এটা বিকল্প বক্তব্যৰ স্পষ্ট উত্থাপন কৰিব পাৰিব লাগিব। উপন্যাসৰ ৰসেশ্বৰে প্ৰতিবাদ নাজানে। ছবিখনৰ ৰসেশ্বৰকো কিন্তু প্ৰতিবাদী চৰিত্ৰ হিচাপে ক্ৰমশঃ গঢ় দিবলৈ চেষ্টা চলোৱা হোৱা নাই। অথচ ছবিৰ শেহলৈ দেখা গ'ল পৰিচালকে হঠাত উপলব্ধি কৰিছে— ৰসেশ্বৰে প্ৰতিবাদ কৰিব লাগিব। ক্ষোভ প্ৰকাশ কৰিব লাগিব। গতিকেই সনাতন শৰ্মাৰ প'ষ্টাৰৰ ওপৰত ৰসেশ্বৰৰ ক্ষোভ নিৰ্গত হ'বলৈ এৰি দিয়া হ'ল। ছবিখনৰ এই পৰিণতি চিত্ৰনাট্যখনৰ স্বাভাৱিক গাঁথনিৰ সৈতে কোনোপধ্যে খাপ নাখায়।

ৰসেশ্বৰৰ হাকিমৰ সৈতে সাক্ষাৎ হোৱা ছিকুৰেন্‌ছটোৰে পৰিচালকে প্ৰচলিত শাসন-প্ৰণালীৰ (bureaucratic system) ওপৰত সম্পূৰ্ণ আস্থা প্ৰদৰ্শন কৰি সমস্যা হিচাপে চিনাক্ত কৰিছে বিভাগীয় বিষয়াসকলক আবৰি থকা মহৰী-মণ্ডল-কৰ্মচাৰী-পিয়ন দলৰ চক্ৰান্ত। অৰ্থাৎ গণ্ডগোলটো প্ৰশাসক-আৰু ৰাইজৰ মাজত ওলমি থকা কৰ্মচাৰীবৃন্দৰ অনৈতিকতাত। পৰিচালকে হয়তো পৰোক্ষভাৱে বৰ্তমান সমাজৰ ব্যাপক দুৰ্নীতিৰ কবলৰ পৰা হোজা খেতিয়ক ৰাইজৰ উদ্ধাৰৰ পথ দেখুৱাইছে এইদৰে: বিভাগীয় কৰ্তৃপক্ষৰ মুৰব্বী বিষয়াসকলৰ সৈতে হোজা জনতাৰ প্ৰত্যক্ষ সংযোগেই একমাত্ৰ উপায়। এনে একপক্ষীয় সিদ্ধান্ত বিভ্ৰান্তিকৰ। তদুপৰি ই মূল উপন্যাসখনৰ অন্তৰ্নিহিত বক্তব্যকো মাধমাৰ সোধাইছে।

মূলকাহিনী ভাগক হুবহু অনুকৰণ নকৰাৰ তাগিদাতেই সম্ভৱতঃ পৰিচালকে ছবিখনৰ শেষটো অনাৱশ্যকভাৱে টানি ফুৰিছে। ৰসেশ্বৰে সনাতন শৰ্মাৰ প'ষ্টাৰ লগাই ফুৰিছে, পুতেকেও সহায় কৰিছে। ৰসেশ্বৰৰ কান্ধত উঠি পুতেকে প'ষ্টাৰ লগাইছে। ইয়াৰ পাছতো ছবিখনত বাকীকেইটা শ্বট সংযোজন কৰাৰ অৰ্থ বুজা নগ'ল।

বিষয়বস্তু, বক্তব্যৰ এই বেমেজালিখিনি যদি অগ্ৰাহ্য কৰাটো সম্ভৱ। তেনেহলে আইন দিশৰপৰা ছবিখন লেখত লবলগীয়া।

ছবিখনৰ শ্বট কম্পজিশ্যন আৰু সম্পাদনা অসমীয়া চলচিত্ৰলৈ মূল্যবান বৰঙণি। অসমীয়া গ্ৰাম্য জীৱনৰ স্বাভাৱিক ৰূপ হালধীয়া চৰাইত হৃদয় পৰশাকৈ লাগি আছে। হাটৰ দৃশ্য, পথাৰত বৰষুণৰ দৃশ্য সুন্দৰভাৱে পৰিকল্পিত। এই দিশত এইখন এখন সঁচা অসমীয়া চলচিত্ৰ। ছবিৰ আৱহ সংগীতৰ প্ৰতি মনোযোগ দিয়াহেঁতেন বহু দৃশ্য সংযোজনৰ মৌলিক স্বৰূপ প্ৰকট হ'লহেঁতেন। Target audience নিৰ্ধাৰণ কৰি লওঁতেও পৰিচালকৰ দোদুল্যমান অৱস্থাটো লক্ষ্যণীয়। নিৰ্বাচনৰ সময়ত আৰু বৰষুণৰ পাছত ব্যৱহাৰ কৰা গান দুটাৰ পৰিকল্পনা সুন্দৰ যদিও গান নিদিয়াকৈ সাধাৰণ দৰ্শকক ক্ষুণ্ণ কৰাৰ সাহস হয়তো পৰিচালকে কৰিব নোৱাৰিলে।

ৰসেশ্বৰৰ চৰিত্ৰটিক ইন্দ্ৰ বনিয়াই বিশ্বাসযোগ্যতাৰে আগুৱাই নিছে যদিও চহা পৰিবেশত পূৰ্ণিমা পাঠকক স্বাভাৱিক লগা নাই।

আলোচিত সীমাবদ্ধতা আৰু কৃতকাৰ্যতাখিনিৰ ওপৰত আলোকপাত কৰি হয়তো এষাৰ মন্তব্য দিয়াটো সমিচীন হ'ব। গভীৰ বৌদ্ধিক চিন্তা, আদৰ্শেৰে পুষ্ট চলচিত্ৰ জাহ্নু বৰুৱাই নিৰ্মাণ কৰিব পৰা নাই, হয়তো তেওঁ বিচৰাও নাই; কিন্তু জাহ্নু বৰুৱা সুস্থ চলচিত্ৰৰ প্ৰতি অনুৰাগী, আৰু এই প্ৰতিশ্ৰুতিসম্পন্ন পৰিচালক গৰাকীয়ে অসমত এক সুস্থ চলচিত্ৰ আন্দোলন গঢ়ি তোলাত উল্লেখযোগ্য বৰঙণি আগবঢ়াব পাৰিব।

শক্তিশালী ঔপন্যাসিক
হোমেন বৰগোহাঞিৰ নৱতম উপন্যাস

**মৎস্যগন্ধা**

'এইখন উপন্যাসে বিষয়-বস্তুৰ সাহসিকতাৰে অসমীয়া উপন্যাসলৈ এক নতুন দিগন্তৰ বাৰ্তা বহন কৰি আনিছে। ইয়াৰ কাহিনীটো যেন অসমৰ মানুহৰ নানা পৰিৱৰ্তনৰ মাজেদি নিতৌ গঢ় লৈ থকা সমকালীন ইতিহাসৰ এটা হাতী দাঁতত আঁকি উলিওৱা অনুচিত্ৰ।'

—ডঃ মহেন্দ্ৰ বৰা, অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ

বিখ্যাত চিত্ৰশিল্পী পূৰ্ণেন্দু পত্ৰীৰ অসামান্য প্ৰচ্ছদ চিত্ৰৰে শোভিত অনুপম উপন্যাস মৎস্যগন্ধা প্ৰকাশ হৈ ওলাল। মূল্য-১৪·০০ টকা

ষ্টুডেন্টচ্‌ ষ্টৰচ্‌ ঃ গুৱাহাটী-১

ক্ৰীড়াংগন


# ৰিলায়েন্‌ছ বিশ্বকাপ


## দেশে-দেশে প্ৰস্তুতি

(যোৱা সংখ্যাৰ পিছৰ পৰা)

**ৱেষ্ট-ইণ্ডিজ ঃ** ফাষ্ট ব'লিঙৰ পীঠ-স্থান ৱেষ্ট-ইণ্ডিজ দলে বিশ্বক্ৰিকেটক সমৃদ্ধ কৰিছে ছাৰ লিয়াৰি কনষ্টেন-টাইন, হ'ল, গ্ৰিফিথ, ৰয়, গিলক্ৰাইষ্ট আৰু এণ্ড্ৰিৰবাৰ্টছৰ বলিং শক্তি, গতি আৰু ছুইঙৰ বৈচিত্ৰিৰে ; ভেলেনটাইন আৰু গিবছৰদৰে পৃথিৱী বিখ্যাত স্পিন-নাৰো উপহাৰ দিছে। সেই দেশৰ ফ্ৰেংক ৱৰেল, গেৰি ছ'বাৰ্ছ, ক্লাইভ লয়েড, কানহাই, উইকছ, ৱালকট ইত্যাদি কৃষ্ণাংগ খেলুৱৈয়ে আলোকিত কৰিছে ক্ৰিকেট-জগত।

বৰ্তমান দলটোত হেইনছ, ৰিচি ৰিচাৰ্ডছন আৰু ডিভিয়ান ৰিচাৰ্ডৰদৰে বিশ্ববৰেণ্য খেলুৱৈ আছে, আৰু আছে দক্ষ উইকেট কিপাৰ জেফ ডুজো। গ্ৰিনিজ ভাল ফৰ্মত আছে যদিও তেওঁ নাহে। মাৰ্শ্বাল আৰু গাৰ্ণাৰ ব্যক্তিগত কাৰণত, আৰু আহত হৈ থকা বাবে হ'ল্ডিং যদিও নাহে, তথাপি উঠি-অহা তৰুণ ফাষ্ট ব'লাৰ-সকলে এই উপমহাদেশৰ নিষ্প্ৰাণ উইকেটতো বিপক্ষ দলক বিপদত পেলাব পাৰে। বিশেষকৈ এইবাৰ "উইছডেন"ত স্থান লাভ কৰা কোৰ্টনি এণ্ডু ৱালছ বিপক্ষৰ বাবে চিন্তাৰ কাৰণ হ'ব। ১৯৬২ চনত জামাইকাৰ কিংছ-





এণ্ডু ৱালছ

টনত জন্মগ্ৰহণ কৰা প্ৰায় ১৯৭ ছেণ্টি-মিটাৰ (৬ফুট ৫২ ইঞ্চি) ওখ ৱালছৰ বিষয়ে উইছডেনত লিখা হৈছে ঃ "Certainly his rich talent and admirable temperament make him a marked asset to any side he plays in." ৱেষ্ট-ইণ্ডিজ দলৰ আক্ৰমণাত্মক বেটিং আৰু ব'লিং, লগতে নিখুঁত ফিল্ডিঙে দৰ্শকক আনন্দ দিয়ে। বেটিং বিপৰ্যয়ে দেখা দিলেও দলৰ এজন নহয় এজন খেলুৱৈয়ে শেষলৈকে যুঁজিবপৰাটো এই দলৰ বিশেষত্ব। যোৱা বিশ্বকাপত পৰাজয়ৰ স্মৃতি নিশ্চয় তেওঁলোকৰ মনত এতিয়াও সজীৱ হৈ আছে। গতিকে সাম্প্ৰতিক কেইখনমান খেলত দেখুউৱা ব্যৰ্থতাৰ বাবেই এইদলৰ শক্তিক উপেক্ষা কৰিলে ভুল কৰা হ'ব। এই দলৰ প্ৰায় ভাগ খেলুৱৈয়েই "জুয়ে পোৰা সোণ" আখ্যা পোৱাৰ যোগ্য।

**ইংলণ্ড ঃ** গাৱাৰ আৰু বথাম নোহোৱা দল নিঃসন্দেহে আগৰবাৰৰ তুলনাত এইবাৰ শক্তিহীন।

ইংলণ্ডে প্ৰাথমিকভাৱে যিটো দল ঘোষণা কৰিছে, সেই দলটোৰ গুচ, বিলএথে, ৰবিনছন, মাৰ্টিন মকছন আৰু ক্ৰিছব্ৰড—এই কেইজনৰ ভিতৰত বিলএথে আৰু ক্ৰিছব্ৰডেই হয়তো ইনিংছ মুকলি কৰিব। যোৱা ছিৰিজত ব্ৰডে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে বৰ ভাল খেলিলে। সম্প্ৰতি অপেনিং বেটছমেন হিচাপে গ্ৰাহামগুচ সম্পূৰ্ণভাৱে ব্যৰ্থ হৈছে ; কিন্তু অভিজ্ঞগুচ আৰু ৰবিনছনে এইবাৰ হয়তো মিডিলঅৰ্ডাৰ বেটছমেন ৰূপে সহায় কৰিব অধিনায়ক গেটিং আৰু লেম্বক। ইংলণ্ডৰ বলিংশক্তি বৰ আশাপ্ৰদ নহয়। ডেৰিক প্ৰিংগলে ব'থামৰ অভাৱ কিমান দূৰ পূৰাব ক'ব নোৱাৰি। তদুপৰি স্মল, ডিফ্ৰিটাছ, ফষ্টাৰ আৰু ডিলি বৰ ভয়ংকৰ হৈ উঠিব বুলি মনে নধৰে। আনহাতে এমবুৰি, উইলি নাইবা এডমনছৰ অফস্পিনে বিপক্ষক কিমানদূৰ বিপদত পেলাব সেইটোও নিশ্চিতভাৱে ক'ব নোৱাৰি। কিন্তু সীমিত অ'ভাৰৰ ক্ৰিকেটত ইংলণ্ডৰ অভিজ্ঞতা যথেষ্ট।



ডেৰিক প্ৰিংগল

সেইকাৰণে গাৱাৰ আৰু বথাম বিহীন ইংলণ্ড দলেও অঘটন ঘটাব পাৰে বুলি বহুতে ভাবে।

**নিউজিলেণ্ড ঃ** নিউজিলেণ্ড দলৰ বিখ্যাত অলৰাউণ্ডাৰ ৰিচাৰ্ড হেডলিৰ একক দক্ষতাৰ বলতে দলটোৱে বহুবাৰ সাফল্য লাভ কৰিছে। এইবাৰৰ বিশ্বকাপত তেওঁ নেখেলে। ফলত নতুন অধিনায়ক জেফক্ৰ'ই যথেষ্ট দুৰ্বল হৈ প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা কৰিব। প্ৰচুৰ অভিজ্ঞতাসম্পন্ন হেডলিৰ ব'লিং আৰু বেটিঙ দক্ষতা সম্বন্ধে নিশ্চয় নতুনকৈ লিখাৰ প্ৰয়োজন নাই। নিউজিলেণ্ডৰ ব'লিং-শক্তি চেটফিল্ড আৰু স্নেডেনক লৈ গঢ়ি উঠিব। ইয়াৰ বাহিৰে থাকিব নতুন ব'লাৰ ব্লেয়াৰ। স্পিন বিভাগত থাকিব ব্ৰেছৱেল আৰু ষ্টিফেন বুক। দলটোৰ বেটিং মূলতঃ নিৰ্ভৰশীল মাৰ্টিন ক্ৰ'ৰ ওপৰত। সম্প্ৰতি তেওঁ বৰ ভাল খেলি আছে। বৰ্তমান ক্ৰিকেট-বিশ্বৰ তেওঁ অন্যতম শ্ৰেষ্ঠ বেটছমেন। ইয়াৰ বাহিৰে জেফক্ৰ', ৰাদাৰ ফ'ৰ্ড, জ'নছ আৰু জন ৰাইটক নিউজিলেণ্ডৰ বেটিং-শক্তি বুলি



মাৰ্টিন ক্ৰ'

ধৰিব পাৰি। কিন্তু ৰিচাৰ্ড হেডলি খেলিবলৈ নাহে বাবে প্ৰতিযোগিতাৰ আকৰ্ষণ ভালেখিনি হ্ৰাস পাব আৰু নিউজিলেণ্ডৰ দলটো প্ৰতিযোগিতাত দুৰ্বল হ'ব।

**জিম্বাবৱেৰ ঃ** জিম্বাবৱেৰ পূৰ্বৰনাম আছিল ৰোডেছিয়া। ১৯৮০ চনত স্বাধীনতা লাভ কৰা জিম্বাবৱেই ১৯৮৩ চনৰ বিশ্বকাপত ভাৰতৰ বিৰুদ্ধে আৰু অষ্ট্ৰেলিয়াৰ বিপক্ষে বৰ ভাল খেলিছিল। বিশেষকৈ তেতিয়াৰ অধিনায়ক ডানকান ফ্লেচাৰে অলৰাউণ্ডাৰ হিচাপে পাৰদৰ্শিতা দেখুৱাইছিল। জিম্বাবৱে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট কনফাৰেনছৰ "নন-টেষ্ট প্লেয়িং" সদস্য। আগৰ দলটোৰ অধিনায়ক ডানকান ফ্লেচাৰ আৰু বেগীব'লাৰ হগে অৱসৰ লৈছে। বৰ্তমানৰ দলটোৰ খেলুৱৈসকলৰ ভিতৰত অলৰাউণ্ডাৰ কেভিন কাৰেন, আক্ৰমণাত্মক বেটছমেন তৰুণ খেলুৱৈ গ্ৰেম হিক, জনট্ৰাইকছ (নব নিৰ্বাচিত অধিনায়ক ; এওঁ স্পিন ব'লাৰ) ৰছন আৰু ডেভ হটন ভাল খেলুৱৈ। অলৰাউণ্ডাৰ হিচাপে ইয়ান বুচাৰ্টেও যথেষ্ট খ্যাতি অৰ্জন কৰিছে। মিডিয়াম পে'ছ ব'লাৰ হিচাপে কে. ডুমাছ আৰু অফস্পিনাৰ গ্ৰেণ্ড হ'ম উঠি-অহা খেলুৱৈ। এইবাৰতো ভাৰতৰ গ্ৰুপত আছে জিম্বাবৱে। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত "শিশু" জিম্বাবৱেৰ শক্তি যে উপেক্ষণীয় নহয়, এই কথাটো কপিলে নিশ্চয় মনত ৰাখিব।

**অষ্ট্ৰেলিয়া ঃ** যোৱা কেইবছৰৰ ভিতৰত গ্ৰেগ চেপেল, কিম হিউজ, ডেনিছ লিলি, ৰডনি হগ, টমছন আৰু মাৰ্শ্বৰ অৱসৰ গ্ৰহণৰ ফলত আৰু নতুন খেলুৱৈৰ অভাৱত অষ্ট্ৰেলিয়া যথেষ্ট দুৰ্বল হৈ পৰিছে। টেষ্টত প্ৰায় ৭ হাজাৰ ৰানৰ অধিকাৰী এলান ব'ৰ্ডাৰে একক প্ৰচেষ্টাৰে অষ্ট্ৰেলিয়াৰ হৃত-গৌৰৱ কেনেকৈ ঘূৰাই আনিব ? অষ্ট্ৰেলিয়া দলৰপৰা বাদ দিয়া হৈছে গ্ৰেগ মেথুজক ;—শৃংখলা-ভংগৰ অভিযোগত। প্ৰাৰম্ভিক বেটছমেন হিচাপে ডেভিড বুন আৰু জেফ মাৰ্শ্বে অষ্ট্ৰেলিয়াক কিছুপৰিমাণে হ'লেও ভাল ৰান কৰাৰ প্ৰতিশ্ৰুতি দিব। মাদ্ৰাজৰ টাই হোৱা টেষ্টত ২১০ ৰান সংগ্ৰহকাৰী ডিন জ'নছ, ষ্টিভ ৱা' আৰু ছাইমন অ'ডনেল হৈছে ব'ৰ্ডাৰৰ প্ৰধান ভাৰসা। পে'ছ ব'লাৰ হিচাপেও ৱা'ই সাফল্য লাভ কৰিব পাৰে। ব্ৰুছ ৰিড (একদিনীয়া ক্ৰিকেটত হেটট্ৰিকৰ অধিকাৰী) বাঁওহতীয়া ব'লাৰ। এওঁৰ বলত গতি আছে আৰু ছুইঙো ভাল। মেকডাৰমটৰ লগত ৰিডে অষ্ট্ৰেলিয়াৰ আক্ৰমণ আৰম্ভ কৰিব বুলি আশা কৰিব পাৰি। আমি আগতেই উল্লেখ কৰিছোঁ,— অষ্ট্ৰেলিয়াৰ ক্ৰিকেটৰ এতিয়া দুৰ্দিন চলিছে। স্পিন বলিঙৰ ক্ষেত্ৰত মেথুজৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা যাব। ব'ৰ্ডাৰে এটা দুৰ্বল দলক কেনেকৈ আৰু কিমান দূৰ অনুপ্ৰাণিত কৰিব পাৰিব ? তাৰ ওপৰতো অষ্ট্ৰেলিয়াৰ ফলাফল কিছু-পৰিমাণে নিৰ্ভৰ কৰিব।

**শ্ৰীলংকা ঃ** শ্ৰীলংকা দলে ১৯৭৯ চনৰ বিশ্বকাপত ভাৰতৰ বিৰুদ্ধে জয় লাভ কৰিছিল আৰু যোৱা বিশ্বকাপ এখন খেলত নিউজিলেণ্ডক পৰাজিত কৰিছিল। প্ৰথম বিশ্বকাপত, অৰ্থাৎ ১৯৭৫ চনত আটাইকেইখন খেলতে শ্ৰীলংকা পৰাজিত হৈছিল। বৰ্তমানে শ্ৰীলংকাৰ বেটিংশক্তি কিন্তু বেয়া নহয়। অধিনায়ক দিলীপ মেণ্ডিছ, ৰয় ডায়াছ, অৰ্জুন ৰণতুংগে, অৰবিন্দ ডি ছিলভা, উইকেট ৰক্ষক বেটছমেন ব্ৰেণ্ডন কুৰুপ্পু, অলৰাউণ্ডাৰ অশান্ত ডিমেল আৰু ৰবি ৰত্নায়েকৰ দ্বাৰা গঠিত দলটোৰ বেটিঙৰ গভীৰতা আছে। অশান্ত ডিমেল আৰু ৰুমেশ ৰত্নায়েক প্ৰাৰম্ভিক ব'লাৰ হিচাপে যথেষ্ট সুনামৰ অধিকাৰী। ব'লাৰ লেব্ৰয় আৰু বিনোদন জন হ'ল অইন দুজন সম্ভাৱনাময় খেলুৱৈ। আন্তঃৰাষ্ট্ৰীয়মানৰ স্পিনাৰ দলটোত মাত্ৰ এজন আছে :



দিলীপ মেণ্ডিছ

—অনুৰাছিৰি। ইমানখিনি ভাল খেলুৱৈ থকাতো শ্ৰীলংকাৰ দলটোৰ মূল বস্তুৰ অভাৱ আছে :— অভিজ্ঞতা আৰু জয়লাভৰ প্ৰবল স্পৃহাৰ অভাৱ। প্ৰতিভা থাকিলেও খেলৰ সময়ত প্ৰয়োগ ক্ষমতাৰ অভাৱ থাকিলে বিশ্বকাপৰদৰে এখন প্ৰতিযোগিতাত সাফল্য লাভ কৰাটো যথেষ্ট কষ্টসাধ্য।

**পুলক লাহিড়ী**

# ৰিলায়েন্‌ছ বিশ্বকাপ


## দেশে-দেশে প্ৰস্তুতি

(যোৱা সংখ্যাৰ পিছৰ পৰা)

**ৱেষ্ট-ইণ্ডিজঃ** ফাষ্ট ব'লিঙৰ পীঠ-স্থান ৱেষ্ট-ইণ্ডিজ দলে বিশ্বক্ৰিকেটক সমৃদ্ধ কৰিছে ছাৰ লিয়াৰি কনষ্টেনটাইন, হ'ল, গ্ৰিফিথ, ৰয়, গিলক্ৰাইষ্ট আৰু এণ্ডিৰবাৰ্টছৰ বলিং শক্তি, গতি আৰু ছুইঙৰ বৈচিত্ৰিৰে; ভেলেনটাইন আৰু গিবছৰদৰে পৃথিৱী বিখ্যাত স্পিননাৰো উপহাৰ দিছে। সেই দেশৰ ফ্ৰেংক ৱৰেল, গেৰি ছ'বাৰ্ছ, ক্লাইড লয়েড, কানহাই, উইকছ, ৱালকট ইত্যাদি কৃষ্ণাংগ খেলুৱৈয়ে আলোকিত কৰিছে ক্ৰিকেট-জগত।

বৰ্তমান দলটোত হেইনছ, ৰিচি ৰিচাৰ্ডছন আৰু ডিভিয়ান ৰিচাৰ্ডৰদৰে বিশ্ববৰেণ্য খেলুৱৈ আছে, আৰু আছে দক্ষ উইকেট কিপাৰ জেফ ডুজোঁ। গ্ৰিনিজ ভাল ফৰ্মত আছে যদিও তেওঁ নাহে। মাৰ্শ্বাল আৰু গাৰ্ণাৰ ব্যক্তিগত কাৰণত, আৰু আহত হৈ থকা বাবে হ'ল্ডিং যদিও নাহে, তথাপি উঠি-অহা তৰুণ ফাষ্ট ব'লাৰসকলে এই উপমহাদেশৰ নিষ্প্ৰাণ উইকেটতো বিপক্ষ দলক বিপদত পেলাব পাৰে। বিশেষকৈ এইবাৰ "উইছডেন"ত স্থান লাভ কৰা কোৰ্টনি এণ্ড্ৰু ৱালছ বিপক্ষৰ বাবে চিন্তাৰ কাৰণ হ'ব। ১৯৬২ চনত জামাইকাৰ কিংছ-






এণ্ডু ৱালছ

টনত জন্মগ্ৰহণ কৰা প্ৰায় ১৯৭ চেণ্টিমিটাৰ (৬ফুট ৫½ ইঞ্চি) ওখ ৱালছৰ বিষয়ে উইছডেনত লিখা হৈছেঃ "Certainly his rich talent and admirable temperament make him a marked asset to any side he plays in." ৱেষ্ট-ইণ্ডিজ দলৰ আক্ৰমণাত্মক বেটিং আৰু ব'লিং, লগতে নিখুঁত ফিল্ডিঙে দৰ্শকক আনন্দ দিয়ে। বেটিং বিপৰ্যয়ে দেখা দিলেও দলৰ এজন নহয় এজন খেলুৱৈয়ে শেষলৈকে যুঁজিবপৰাটো এই দলৰ বিশেষত্ব। যোৱা বিশ্বকাপত পৰাজয়ৰ স্মৃতি নিশ্চয় তেওঁলোকৰ মনত এতিয়াও সজীৱ হৈ আছে। গতিকে সাম্প্ৰতিক কেইখনমান খেলত দেখুউৱা ব্যৰ্থতাৰ বাবেই এইদলৰ শক্তিক উপেক্ষা কৰিলে ভুল কৰা হ'ব। এই দলৰ প্ৰায় ভাগ খেলুৱৈয়েই "জুয়ে পোৰা সোণ" আখ্যা পোৱাৰ যোগ্য।

**ইংলণ্ডঃ** গাৱাৰ আৰু বথাম নোহোৱা দল নিঃসন্দেহে আগৰবাৰৰ তুলনাত এইবাৰ শক্তিহীন।

ইংলণ্ডে প্ৰাথমিকভাৱে যিটো দল ঘোষণা কৰিছে, সেই দলটোৰ গুচ, বিলএথে, ৰবিনছন, মাৰ্টিন মকছন আৰু ক্ৰিছব্ৰড—এই কেইজনৰ ভিতৰত বিলএথে আৰু ক্ৰিছব্ৰডেই হয়তো ইনিংছ মুকলি কৰিব। যোৱা ছিৰিজত ব্ৰডে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে বৰ ভাল খেলিলে। সম্প্ৰতি অপেনিং বেটছমেন হিচাপে গ্ৰাহামগুচ সম্পূৰ্ণভাৱে ব্যৰ্থ হৈছে; কিন্তু অভিজ্ঞগুচ আৰু ৰবিনছনে এইবাৰ হয়তো মিডিলঅৰ্ডাৰ বেটছমেন ৰূপে সহায় কৰিব অধিনায়ক গেটিং আৰু লেম্বক। ইংলণ্ডৰ বলিংশক্তি বৰ আশাপ্ৰদ নহয়। ডেৰিক প্ৰিংগলে ব'থামৰ অভাৱ কিমান দূৰ পূৰাব ক'ব নোৱাৰি। তদুপৰি স্মল, ডিফ্ৰিটাছ, ফষ্টাৰ আৰু ডিলি বৰ ভয়ংকৰ হৈ উঠিব বুলি মনে নধৰে। আনহাতে এমবুৰি, উইলি নাইবা এডমনছৰ অফস্পিনে বিপক্ষক কিমানদূৰ বিপদত পেলাব সেইটোও নিশ্চিতভাৱে ক'ব নোৱাৰি। কিন্তু সীমিত অ'ভাৰৰ ক্ৰিকেটত ইংলণ্ডৰ অভিজ্ঞতা যথেষ্ট।



ডেৰিক প্ৰিংগল

সেইকাৰণে গাৱাৰ আৰু বথাম বিহীন ইংলণ্ড দলেও অঘটন ঘটাৱ পাৰে বুলি বহুতে ভাবে।

**নিউজিলেণ্ডঃ** নিউজিলেণ্ড দলৰ বিখ্যাত অলৰাউণ্ডাৰ ৰিচাৰ্ড হেডলিৰ একক দক্ষতাৰ বলতে দলটোৱে বহুবাৰ সাফল্য লাভ কৰিছে। এইবাৰৰ বিশ্বকাপত তেওঁ নেখেলে। ফলত নতুন অধিনায়ক জেফক্ৰ'ই যথেষ্ট দুৰ্বল হৈ প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা কৰিব। প্ৰচুৰ অভিজ্ঞতাসম্পন্ন হেডলিৰ ব'লিং আৰু বেটিঙ দক্ষতা সম্বন্ধে নিশ্চয় নতুনকৈ লিখাৰ প্ৰয়োজন নাই। নিউজিলেণ্ডৰ ব'লিং-শক্তি চেটফিল্ড আৰু স্নেডেনক লৈ গঢ়ি উঠিব। ইয়াৰ বাহিৰে থাকিব নতুন ব লাৰ ব্লেয়াৰ। স্পিন বিভাগত থাকিব ব্ৰেছৱেল আৰু ষ্টিফেন বুক। দলটোৰ বেটিং মূলতঃ নিৰ্ভৰশীল মাৰ্টিন ক্ৰ'ৰ ওপৰত। সম্প্ৰতি তেওঁ বৰ ভাল খেলি আছে। বৰ্তমান ক্ৰিকেট-বিশ্বৰ তেওঁ অন্যতম শ্ৰেষ্ঠ বেটছমেন। ইয়াৰ বাহিৰে জেফক্ৰ', ৰাদাৰ ফ'ৰ্ড, জ'নছ আৰু জন ৰাইটক নিউজিলেণ্ডৰ বেটিং-শক্তি বুলি



মাৰ্টিন ক্ৰ'

ধৰিব পাৰি। কিন্তু ৰিচাৰ্ড হেডলি খেলিবলৈ নাহে বাবে প্ৰতিযোগিতাৰ আকৰ্ষণ ভালেখিনি হ্ৰাস পাব আৰু নিউজিলেণ্ডৰ দলটো প্ৰতিযোগিতাত দুৰ্বল হ'ব।

**জিম্বাবৱেৰঃ** জিম্বাবৱেৰ পূৰ্বৰনাম আছিল ৰোডেছিয়া। ১৯৮০ চনত স্বাধীনতা লাভ কৰা জিম্বাবৱেই ১৯৮৩ চনৰ বিশ্বকাপত ভাৰতৰ বিৰুদ্ধে আৰু অষ্ট্ৰেলিয়াৰ বিপক্ষে বৰ ভাল খেলিছিল। বিশেষকৈ তেতিয়াৰ অধিনায়ক ডানকান ফ্লেচাৰে অলৰাউণ্ডাৰ হিচাপে পাৰদৰ্শিতা দেখুৱাইছিল। জিম্বাবৱে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট কনফাৰেনছৰ "নন-টেষ্ট প্লেয়িং" সদস্য। আগৰ দলটোৰ অধিনায়ক ডানকান ফ্লেচাৰ আৰু বেগীব'লাৰ হগে অৱসৰ লৈছে। বৰ্তমানৰ দলটোৰ খেলুৱৈসকলৰ ভিতৰত অলৰাউণ্ডাৰ কেভিন কাৰেন, আক্ৰমণাত্মক বেটছমেন তৰুণ খেলুৱৈ গ্ৰেম হিক, জনট্ৰাইকছ (নব নিৰ্বাচিত অধিনায়ক; এওঁ স্পিন ব'লাৰ) ৰছন আৰু ডেভ হটন ভাল খেলুৱৈ। অলৰাউণ্ডাৰ হিচাপে ইয়ান বুচাৰ্টেও যথেষ্ট খ্যাতি অৰ্জন কৰিছে। মিডিয়াম পে'ছ ব'লাৰ হিচাপে কে. ডুমাছ আৰু অফস্পিনাৰ গ্ৰেণ্ড হ'ম উঠি-অহা খেলুৱৈ। এইবাৰতো ভাৰতৰ গ্ৰুপত আছে জিম্বাবৱে। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত "শিশু" জিম্বাবৱেৰ শক্তি যে উপেক্ষণীয় নহয়, এই কথাটো কপিলে নিশ্চয় মনত ৰাখিব।

**অষ্ট্ৰেলিয়াঃ** যোৱা কেইবছৰৰ ভিতৰত গ্ৰেগ চেপেল, কিম হিউজ, ডেনিছ লিলি, ৰডনি হগ, টমছন আৰু মাৰ্শ্বৰ অৱসৰ গ্ৰহণৰ ফলত আৰু নতুন খেলুৱৈৰ অভাৱত অষ্ট্ৰেলিয়া যথেষ্ট দুৰ্বল হৈ পৰিছে। টেষ্টত প্ৰায় ৭ হাজাৰ ৰানৰ অধিকাৰী এলান ব'ৰ্ডাৰে একক প্ৰচেষ্টাৰে অষ্ট্ৰেলিয়াৰ হৃত-গৌৰব কেনেকৈ ঘূৰাই আনিব? অষ্ট্ৰেলিয়া দলৰপৰা বাদ দিয়া হৈছে গ্ৰেগ মেথুজক;—শৃংখলাভংগৰ অভিযোগত। প্ৰাৰম্ভিক বেটছমেন হিচাপে ডেভিড বুন আৰু জেফ মাৰ্শ্বে অষ্ট্ৰেলিয়াক কিছুপৰিমাণে হ'লেও ভাল ৰান কৰাৰ প্ৰতিশ্ৰুতি দিব। মাদ্ৰাজৰ টাই হোৱা টেষ্টত ২১০ ৰান সংগ্ৰহকাৰী ডিন জ'নছ, ষ্টিভ ৱা' আৰু ছাইমন অ'ডনেল হৈছে ব'ৰ্ডাৰৰ প্ৰধান ভৰসা। পে'ছ ব'লাৰ হিচাপেও ৱা'ই সাফল্য লাভ কৰিব পাৰে। ব্ৰুছ ৰিড (এদিনীয়া ক্ৰিকেটত হেটট্ৰিকৰ অধিকাৰী) বাঁওহতীয়া ব'লাৰ। এওঁৰ বলত গতি আছে আৰু ছুইঙো ভাল। মেকডাৰমটৰ লগত ৰিডে অষ্ট্ৰেলিয়াৰ আক্ৰমণ আৰম্ভ কৰিব বুলি আশা কৰিব পাৰি। আমি আগতেই উল্লেখ কৰিছোঁ,— অষ্ট্ৰেলিয়াৰ ক্ৰিকেটৰ এতিয়া দুৰ্দিন চলিছে। স্পিন বলিঙৰ ক্ষেত্ৰত মেথুজৰ অভাৱ বাৰুকৈৰে অনুভৱ কৰা যাব। ব'ৰ্ডাৰে এটা দুৰ্বল দলক কেনেকৈ আৰু কিমান দূৰ অনুপ্ৰাণিত কৰিব পাৰিব? তাৰ ওপৰতো অষ্ট্ৰেলিয়াৰ ফলাফল কিছুপৰিমাণে নিৰ্ভৰ কৰিব।

**শ্ৰীলংকাঃ** শ্ৰীলংকা দলে ১৯৭৯ চনৰ বিশ্বকাপত ভাৰতৰ বিৰুদ্ধে জয় লাভ কৰিছিল আৰু যোৱা বিশ্বকাপ এখন খেলত নিউজিলেণ্ডক পৰাজিত কৰিছিল। প্ৰথম বিশ্বকাপত, অৰ্থাৎ ১৯৭৫ চনত আটাইকেইখন খেলতে শ্ৰীলংকা পৰাজিত হৈছিল। বৰ্তমানে শ্ৰীলংকাৰ বেটিংশক্তি কিন্তু বেয়া নহয়। অধিনায়ক দিলীপ মেণ্ডিছ, ৰয় ডায়াছ, অৰ্জুন ৰণতুংগে, অৰবিন্দ ডি ছিলভা, উইকেট ৰক্ষক বেটছমেন ব্ৰেণ্ডন কুৰুপ্পু, অলৰাউণ্ডাৰ অশান্ত ডিমেল আৰু ৰবি ৰত্নায়েকৰ দ্বাৰা গঠিত দলটোৰ বেটিঙৰ গভীৰতা আছে। অশান্ত ডিমেল আৰু ৰুমেশ ৰত্নায়েক প্ৰাৰম্ভিক ব'লাৰ হিচাপে যথেষ্ট সুনামৰ অধিকাৰী। ব'লাৰ লেব্ৰয় আৰু বিনোদন জন হ'ল অইন দুজন সম্ভাৱনাময় খেলুৱৈ। আন্তঃৰাষ্ট্ৰীয়মানৰ স্পিনাৰ দলটোত মাত্ৰ এজন আছে:



দিলীপ মেণ্ডিছ

—অনুৰাছিৰি। ইমানখিনি ভাল খেলুৱৈ থকাতো শ্ৰীলংকাৰ দলটোৰ মূল বস্তুৰ অভাৱ আছে;— অভিজ্ঞতা আৰু জয়লাভৰ প্ৰবল স্পৃহাৰ অভাৱ। প্ৰতিভা থাকিলেও খেলৰ সময়ত প্ৰয়োগ ক্ষমতাৰ অভাৱ থাকিলে বিশ্বকাপৰদৰে এখন প্ৰতিযোগিতাত সাফল্য লাভ কৰাটো যথেষ্ট কষ্টসাধ্য।

**পুলক লাহিড়ী**

# "থলুৱাৰ ব্যৱসায়"

একো সময়ত এনেকুৱা লাগে,— অসমীয়া মানুহে যেন জীৱিকা নিৰ্বাহৰ বাবে কিছুমান কাম নকৰে বা কৰিব নোৱাৰে। পিছে কৰিব নোৱাৰে বুলি যে কথা এটা নাই, সেইটো দেখ-দেখ কথা। পঞ্চাছ বছৰৰ আগতে ৰেলত উঠা মানুহৰ হয়তো ধাৰণা হৈছিল, —এই ৰেল চলোৱা কাৰবাৰটো, —ইঞ্জিন চলোৱাৰপৰা টিকট গোটোৱালৈকে গোটেই কাৰবাৰটোৰ লগত অসমীয়া মানুহৰ সম্পৰ্ক কেৱল বাহন আৰু যাত্ৰীৰ সম্পৰ্ক হৈয়েই থাকিব। পিছে সময়ত কথাবোৰ তেনে হৈ নাথাকিল। চিন্তা, বুদ্ধি, জ্ঞান, কৰ্মক্ষমতা, উদ্যম, মানসিকতা আদিৰ ক্ষেত্ৰত আমি কি স্তৰত বাস কৰিছোঁ, তাৰ ওপৰত আমাৰ ধাৰণাবোৰ নিৰ্ভৰ কৰে। ৰেলৰ চাকৰিৰ দিশত আমাৰ তাহানিৰ ধাৰণা সলনি হৈছে, কিন্তু এতিয়াও আমাৰ ধাৰণা হয়, —এইযে ব্ৰডগেজ লাইন বহুউৱা হৈছে, এইযে ষ্টেছনটোত এখন নতুন প্লেটফৰ্ম, আৰু কাষেদি এখন লোহাৰ অ'ভাৰব্ৰিজ বন্ধা হৈছে, এইবোৰ অসমীয়া মানুহৰ কাম নহয়। সময়ত এই ধাৰাণাও সলনি হ'ব ; কিন্তু সদ্যহতে অসমীয়া মানুহে তেনে কামৰ ঠিকা লৈছে বুলি শুনিলে আনন্দ আৰু বিস্ময়ৰ উদ্ৰেক হবলগীয়া অৱস্থা হৈয়েই আছে।

কিছুমান সৰু-সুৰা কামৰ ক্ষেত্ৰতো এই অৱস্থাটো বৰ্তি আছে। একোখন লক্ষ-কোটি টকীয়া কাপোৰৰ দোকান ; —শাৰী পাতি আঠ দহজন কাপোৰ বেচা কৰ্মী ; —মাজতে দেখোন এইজন এজন অসমীয়া ডেকা। অসমীয়া ল'ৰাও তেনেহলে এনেকুৱা অনা-অসমীয়াৰ ডাঙৰ দোকানত ছেলছমেন হৈ সোমাইছে! ভাল কথা।

কিন্তু এই ঘটনাটোৰ পম খেদিলে ভালেমান প্ৰতিষ্ঠানত নিযুক্তিৰ কাৰণ হিচাপে অইন কথা কেইটামানো ধৰা পৰে। এজন ছেলছমেন লাগে, যোগ্য কাৰণে এওঁকে বাছি ললো, —এইটোৱেই যুক্তিযুক্ত আৰু সম্মানজনক কাৰণ হোৱা উচিত। কিন্তু, —চাৰিওফালে থলুৱা লোক নিযুক্তি দিব লাগে বুলি দাবী উঠিছে, গতিকে কামত আহক নাহক, সেইকেইটা পইচা পানীত পৰা যেন হ'লেও এজন থলুৱা মানুহ ৰখা ভাল ; নাইবা, —আন্দোলনমুখৰ সময়, কেতিয়া কি হয় ঠিক নাই, চান্দাৰ নামতেই হওক, অইন কিবা উদ্দেশ্যেই হওক, হুৰহুৰকৈ এদল সোমাই আহিলে আগ বঢ়াই দিবলৈকে ভিতৰত এজন থলুৱা মানুহ লাগে ; —এইবোৰ কাৰণ ব্যৱসায়ৰ ফালৰপৰা যুক্তিযুক্ত হ'লেও চাকৰি কৰা থলুৱাজনৰ কাৰণে অসম্মানজনক। বিশেষকৈ তেওঁ যেতিয়া জানে যে— ছেলছমেনৰ কাম তেওঁ একো নাজানে, পুলুং-পালাংকৈ দিনটো কটাই দিলেও তেওঁক মালিকে দৰমহা দিয়ে।

এইবোৰ সৰু কথা বুলি বাদ দিব পাৰি, কিন্তু এই ধৰণৰে কিছুমান ডাঙৰ ঘটনাৰ কথা বাদ দিব নোৱাৰি।

ব্যৱসায় কৰিবলৈ মূলধন লাগে, লগতে বুদ্ধি, কৰ্মক্ষমতা আদিও লাগে। অজস্ৰ ডেকাই বুদ্ধি, কৰ্মক্ষমতা আদিৰ বলত কষ্ট কৰি মূলধন সংগ্ৰহ কৰিছে, আৰু সেইবোৰৰ বলতে ব্যৱসায় কৰিছে। থলুৱা হিচাপে যিখিনি সুবিধা নিয়মমতে তেওঁলোকৰ প্ৰাপ্য, সেইখিনিকে তেওঁলোকে আদায় কৰিছে আৰু ব্যৱহাৰ কৰিছে। কিন্তু কোনোবাই কেৱল থলুৱা হোৱাৰ সুবিধাখিনিকে মূলধন কৰি লৈ, সেইখিনিকো টকা থকা ব্যৱসায়ীৰ হাতত সমৰ্পণ কৰাটো অসন্মানজনক আৰু ক্ষতিকৰ কাম। —এইজন থলুৱা ডেকাই চৰকাৰৰ পৰা পাৰমিটখন আনিব পাৰিব, গতিকে এওঁক পাৰ্টনাৰ কৰি এখন ফাৰ্ম খোলা যাওক, —এনে চিন্তা এজন চতুৰ ব্যৱসায়ীয়ে কৰিবই। তেওঁ দুয়োৰে নামত লেটাৰ-হে'ড ছপাবই। কিন্তু ডেকাজনে পাৰমিটখন আনি, টকা থকা ব্যৱসায়ীজনক দি, টকা পাঁচ হাজাৰ লৈ ব্যৱসায়ৰ পৰা অদৃশ্য হ'লে, তেওঁৰ লগত সেই থলুৱা ছেলছমেনজনৰ কিমান পাৰ্থক্য থাকে? টকা নাথাকিলেও তেওঁ দৈহিক শক্তি, বুদ্ধি আৰু পাৰমিটখনৰ জোৰতে ব্যৱসায়টোৰ ভিতৰত নোসোমায় কিয়? ৰেল লাইনত পৰা এহেজাৰ শ্লিপাৰৰ পাৰমিট এখন পাঁচ হাজাৰ টকাত লোকৰ হাতত তুলি দি ডেকাজনে কিছুদিন সুখেৰে কটালে; কিন্তু শেষ পৰ্যন্ত একোডাল শ্লিপাৰৰ পৰা যে ষাঠী টকাকৈ, মুঠতে ব্যৱসায়টোত ষাঠী হাজাৰ টকা লাভ হ'ল, সেই খবৰটো তেওঁ নাৰাখিলে, বা সেই হিচাপটো নকৰিলে। ক'ত গছ কটাব লাগিব, কাঠ ক'ত ফলাব লাগিব, শ্লিপাৰৰ জোখ কি, ক'ৰ পৰা ট্ৰাক যোগাৰ কৰি ক'ত সেইবোৰ দিবগৈ লাগিব, বিলৰ টকা আদায়ৰ কাৰণে ক'ত কেনেকৈ ঘূৰা-পকা কৰিব লাগিব,— এই জ্ঞান আৰু অভিজ্ঞতাখিনি আহৰণ কৰিলে কেতিয়াবা কিজানি তেওঁ নিজেই ব্যৱসায়টোৰ সঁচাসঁচি পাৰ্টনাৰ হোৱাৰ যোগ্যতা আহৰণ কৰিব পাৰে! সেইখিনিওতো কম শিক্ষা বা মূলধন নহয়! কত ছেলছমেনে ছেলছমেন হৈ থকা অৱস্থাতে ব্যৱসায়ৰ তলানলা বুজি শেষত নিজে সৰুকৈ দোকান এখন খোলে!

সুবিধা পায়ো বুদ্ধি আৰু কঠোৰ পৰিশ্ৰমেৰে কাম কৰিবলৈ নিশিকা মানুহে কোনো ধৰণৰ মূলধন (নগদ টকা, পাৰমিট, "থলুৱাত্ব" আদি) জাতিৰ উন্নতিৰ কাৰণে ব্যৱহাৰ কৰিব নোৱাৰে। এনে অৱস্থাত চতুৰ ব্যৱসায়ীয়ে "থলুৱাৰ ব্যৱসায়" কৰিয়েই থাকিব।

১০।৯।৮৭





OKDISCD